GS0 S5 02 (M)
Exam Code : SOM5B

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ; এন ই পি ২০২০ অনুসৰি)

ৰাজনৈতিক সমাজতত্ত্ব

চতুৰ্থ ষান্মাসিক

সমাজতত্ত্ব



সূৰ্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক জ্যোতি প্রসাদ শইকীয়া, ডিব্রুগড় বিশ্ববিদ্যালয়

ড০ নির্মালী গোস্বামী, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড০ জগদীশ চন্দ্র মেহতা আৰু ড০ দীপ্তি মনচন্দা	গিতাঞ্জলী মেধি
২,৩,৪	স্তুতি পৰাশৰ	তুলিকা দেৰী
৫	জাহ্নবী দেৰী	গিতাঞ্জলী মেধি
৬,৭	ড০ দীপ্তি মনচন্দা	গিতাঞ্জলী মেধি
৮,৯	ময়ুৰী ভাগৰতী	তুলিকা দেৰী
১০	ড০ হেমা গাডোৰিয়া	গিতাঞ্জলী মেধি
১১,১৩	পঙ্কজ বৰা	তুলিকা দেৰী
১২	মূর্চনা কৌশিক	গিতাঞ্জলী মেধি

সম্পাদনা ঃ

বিষয়বস্তু ঃ অধ্যাপক জ্যোতি প্রসাদ শইকীয়া

ভাষা সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন

গাঁথনি সম্পাদনা ঃ গার্গী গায়ন

প্রথম প্রকাশ ঃ মার্চ, ২০২৫

ISBN No. : "978-93-89123-14-2"

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৰাহাটী- ৭৮১০১৭

উপমুখ্য কার্যালয় ঃ ৰেচম নগৰ,খানাপাৰা, **গুৰাহাটী - ৭৮১০২২ ; Web : www.kkhsou.in**

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ৰাজনৈতিক সমাজতত্ত্বৰ পৰিচয়** ৭- ১৬
ৰাজনৈতিক সমাজতত্ত্বৰ অর্থ, ৰাজনৈতিক সমাজতত্ত্বৰ উত্থান, ইয়াৰ অধ্যয়ন পৰিসৰ

অধ্যায় ২ ঃ **ৰাজনৈতিক সমাজতত্ত্বৰ অৱধাৰণা** ১৭ - ৩১
ৰাষ্ট্ৰ, নাগৰিক সমাজ, আমোলাতন্ত্ৰ, ৰাজনৈতিক ব্যৱস্থা, ৰাজনৈতিক দল আৰু প্ৰভাৱ গোষ্ঠী

অধ্যায় ৩ ঃ **ক্ষমতা** ৩২ - ৪২
ক্ষমতাৰ সংজ্ঞা আৰু ক্ষমতাৰ সূত্ৰ

অধ্যায় ৪ ঃ **ৰাজনৈতিক সামাজিকীকৰণ** ৪৩ - ৫৫
ৰাজনৈতিক সামাজিকীকৰণৰ অর্থ আৰু প্ৰক্ৰিয়া

অধ্যায় ৫ ঃ **ৰাষ্ট্ৰ'ৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্ব** ৫৬ - ৬৫
থমাচ হ'বচ, জন ল'ক আৰু জ্যাঁ জ্যাক ৰুছোৰ তত্ত্ব

অধ্যায় ৬ ঃ **ৰাষ্ট্ৰ** ৬৬ - ৮১
ৰাষ্ট্ৰৰ অর্থ, বৈশিষ্ট্য আৰু সমাজৰ অন্য দিশবোৰৰ

অধ্যায় ৭ ঃ **প্ৰভাৱ গোষ্ঠী** ৮২ - ৯৮
প্ৰভাৱ গোষ্ঠীৰ অর্থ আৰু প্ৰকাৰ

অধ্যায় ৮ ঃ **ৰাজনৈতিক আদর্শ - I** ৯৯ -১১১
গণতন্ত্ৰ, পুঁজিবাদ, সমাজবাদ

অধ্যায় ৯ ঃ **ৰাজনৈতিক আদর্শ - II** ১১২ -১২২
সাম্যবাদ আৰু ফেচিবাদৰ

অধ্যায় ১০ঃ **ৰাজনৈতিক দল** **১২৩-১৩৫**
ৰাজনৈতিক দলৰ অর্থ, কার্যাৱলী আৰু শ্রেণীবিভাজন

অধ্যায় ১১ঃ **ভাৰতত ৰাজনীতি** **১৩৬-১৪৯**
ৰাষ্ট্রীয়তাবাদৰ সমাজিক পটভূমি

অধ্যায় ১২ঃ **ভাৰতত তৃণমূল গণতন্ত্র** **১৫০-১৫৯**
পঞ্চায়তীৰাজ ব্যৱস্থা, বিকেন্দ্রিকৰণ

অধ্যায় ১৩ঃ **ভাৰতত সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদ** **১৬০-১৭১**
সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদ অর্থ, কাৰণ

প্রসঙ্গ পুথি **১৭২ ১৭৪**

পাঠ্যবিষয়ৰ পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত ষান্মাসিক ব্যৱস্থাৰ অধীনত সমাজতত্ত্ব বিভাগৰ স্নাতক মহলাৰ চতুর্থ ষাণ্মাসিকৰ শিক্ষার্থীৰ বাবে এই পাঠ্যবিষয়টো প্রস্তুত কৰা হৈছে। পাঠ্যবিষয়টোৰ শীর্ষক হ'ল '**ৰাজনৈতিক সমাজতত্ত্ব**'। ই সমাজতত্ত্ব বিষয়টোৰ এটা শাখা। প্রতিখন সমাজেই ইয়াৰ সদস্যসকলে মানি চলা প্রমূল্য, স্বীকৃত প্রথা আৰু অন্য সামাজিক অনুশীলনৰ দিশেৰে পৃথক। ৰাজনৈতিক সমাজতত্ত্বই এই উপাদানবোৰে কেনেকৈ এখন দেশৰ ৰাজনৈতিক ব্যৱস্থা আৰু শাসন প্রণালী গঢ়ি তোলে সেয়া বুজাৰ প্রয়াস কৰে। এই পাঠ্যবিষয়ৰ জৰিয়তে শিক্ষার্থীসকলে ৰাজনৈতিক সমাজতত্ত্বৰ অধ্যয়নৰ বিষয়বস্তু হৈ পৰা কিছুমান ধাৰণা আৰু সমস্যাৰ বিষয়ে জানিব পাৰিব।

প্রথম অধ্যায়ৰ শিৰোনাম হ'ল, 'ৰাজনৈতিক সমাজতত্ত্বৰ পৰিচয়'। ইয়াত ৰাজনৈতিক সমাজতত্ত্বৰ অর্থ, ধ্যয়নৰ এটা বিষয়ৰূপে ৰাজনৈতিক সমাজতত্ত্বৰ উত্থান, ইয়াৰ অধ্যয়ন পৰিসৰ আদিৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টিৰ নাম হ'ল 'ৰাজনৈতিক সমাজতত্ত্বৰ মৌলিক ধাৰণা'। ইয়াত ৰাজনৈতিক সমাজতত্ত্বৰ সৈতে জড়িত কেইটামান মৌলিক ধাৰণা বিষয়ে বহলাই আলোচনা কৰা হৈছে।

'ক্ষমতা' শীর্ষক তৃতীয় অধ্যায়ত ক্ষমতাৰৈ সৈতে জড়িত বিভিন্ন তত্ত্বৰ বিশদ আলোচনা আগবঢ়োৱা হৈছে।

'ৰাজনৈতিক সামাজিকীকৰণ' নামৰ চতুর্থ অধ্যায়টিত আলোচনা কৰা মূল বিষয় হ'ল একন সমাজৰ ৰাজনৈতিক সংস্কৃতি আৰু প্রক্রিয়াবোৰত নতুন প্রজন্মৰ সদস্যসকলৰ সামাজিকীকৰণ ঘটোৱা প্রক্রিয়াটো।

পঞ্চম অধ্যায়টিৰ নাম হ'ল 'ৰাষ্ট্র'ৰ সামাজিক চুক্তি তত্ত্ব'। ইয়াত ৰাষ্ট্রৰ উৎপত্তিৰ সৈতে জড়িত সামাজিক চুক্তি তত্ত্বটো বহলাই আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়টিৰ শিৰোনাম হ'ল 'ৰাষ্ট্র'। ইয়াত ৰাষ্ট্র অর্থ, বৈশিষ্ট্য আৰু সমাজৰ অন্য দিশবোৰৰ সৈতে থকা ৰাষ্ট্রৰ প্রভেদবোৰ আলোচনা কৰা হৈছে।

প্রভাৱ গোষ্ঠী আৰু স্বার্থজড়িত দল' শীর্ষক সপ্তম অধ্যায়টিত প্রভাৱ গোষ্ঠী তথা স্বার্থজড়িত দলৰ ধাৰণা দুটাৰ লগতে সমাজত দুয়োটাৰে প্রভাৱ সম্পর্কে বহলাই আলোচনা কৰা হৈছে।

পাঠ্যবিষয়ৰ অষ্টম অধ্যায় 'ৰাজনৈতিক আদর্শ - I' ত সমাজত প্রচলিত কেইটামান তাৎপর্যপূর্ণ ৰাজনৈতিক আদর্শৰ বিষয়ে আলোচনা কৰা হৈছে।

নৱম অধ্যায় অধ্যায়টিৰ শিৰোনাম হ'ল 'ৰাজনৈতিক আদর্শবাদ - II'। ইয়াত সাম্যবাদ আৰু ফেচিবাদৰ বিষয়ে আলোচনা কৰা হৈছে।

দশম অধ্যায়টিৰ শিৰোনাম হ'ল ৰাজনৈতিক দল। ইয়াত ৰাজনৈতিক দলৰ অর্থ, কার্যাৱলী আৰু শ্রেণীবিভাজনৰ বিষয়ে আলোচনা কৰা হৈছে।

ভাৰতত ৰাজনীতি শীর্ষক একাদশ অধ্যায়টিত আলোচনা কৰা প্রধান বিষয়টো হ'ল ৰাষ্ট্রীয়তাবাদৰ সামাজিক পটভূমি।

দ্বাদশ অধ্যায়টিৰ নাম দিয়া হৈছে 'ভাৰতত তৃণমূল গণতন্ত্র'। ইয়াত বিশেষকৈ পঞ্চায়তী ৰাজ্য ব্যৱস্থাটোৰ কথা আলোচনা কৰা হৈছে।

ত্রয়োদশ অধ্যায়ৰ শীর্ষক হ'ল 'ভাৰতত সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদ'। ইয়াত সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদৰ অর্থ, কাৰণ তথা পৰিণাম আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়ৰ অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়সমূহৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ ৰাজনৈতিক সমাজতত্ত্বৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ৰাজনৈতিক সমাজতত্ত্বৰ অর্থ আৰু সংজ্ঞা
১.৪ ৰাজনৈতিক সমাজতত্ত্বৰ প্ৰকৃতি আৰু পৰিসৰ
১.৫ ৰাজনৈতিক সমাজতত্ত্বৰ তাৎপর্য
১.৬ ৰাজনৈতিক সমাজতত্ত্বৰ বিকাশ
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্ৰগতিৰ খতিয়ান
১.১০ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজনৈতিক সমাজতত্ত্বৰ সংজ্ঞা জানিব পাৰিব
- ৰাজনৈতিক সমাজতত্ত্বৰ উৎপত্তি আৰু বিকাশ সম্পর্কে আলোচনা কৰিব পাৰিব
- ৰাজনীতি বিজ্ঞান আৰু সমাজতত্ত্বৰ মাজৰ সম্পর্ক বুজি পাব।

১.২ পৰিচয়

সংঘাত (conflict) আৰু সহযোগিতা (cooperation) হ'ল মানৱীয় আচৰণৰ দুটা গুৰুত্বপূর্ণ দিশ। মানৱ জাতিৰ ইতিহাসক সকলো সময়তে এই দুটা দিশে সমৃদ্ধ কৰি আহিছে। সংঘাতৰ পৰা ৰাজনৈতিক পৰিস্থিতিৰ উদ্ভৱ হয়। কোনো এক মানৱ দলে মিলি সিদ্ধান্ত গ্ৰহণ কৰাৰ প্ৰক্ৰিয়াটোকে ৰাজনীতি বোলে। নাগৰিক চৰকাৰ এখনৰ আচৰণৰ ক্ষেত্ৰত এই দিশটো প্ৰযোজ্য। কিন্তু আমি যৌথ ব্যৱসায় সংঘ (corporate), শৈক্ষিক (academic) তথা ধর্মীয় (religious) অনুষ্ঠানবোৰৰ নিজৰ মাজত সংঘটিত হোৱা আন্তঃক্ৰিয়াবোৰতো এই দিশটো ধৰা পৰে। সমাজ আৰু ৰাজনীতিৰ মাজৰ আন্তঃক্ৰিয়াৰ অধ্যয়নেই হ'ল ৰাজনৈতিক সমাজতত্ত্ব বিষয়বস্তু। ৰাজনৈতিক সমাজতত্ত্বক বিশেষকৈ ৰাজনীতি বিজ্ঞান আৰু সমাজতত্ত্বৰ দুটা খণ্ডিত অংশ বুলি কোৱা হয়। এই অধ্যায়টিত আমি ৰাজনৈতিক সমাজতত্ত্বৰ প্ৰাথমিক ধাৰণা, ইয়াৰ উৎপত্তি তথা অধ্যয়ন পৰিসৰ সম্পর্কে আলোচনা কৰিম।

১.৩ ৰাজনৈতিক সমাজতত্ত্বৰ অর্থ আৰু সংজ্ঞা

ৰাজনৈতিক সমাজতত্ত্বই ৰাজনৈতিক বিশ্লেষণক এক নতুন মাত্রা প্রদান কৰিছে। ই হ'ল সমাজ আৰু ৰাজনীতি; এটা ৰাজনৈতিক ব্যৱস্থা আৰু ইয়াৰ সামাজিক, অর্থনৈতিক তথা সাংস্কৃতিক পৰিৱেশৰ মাজৰ আন্তঃক্রিয়া আৰু সম্পর্কৰ অধ্যয়ন। ই সামাজিক ক্ষমতা পৰীক্ষা কৰাৰ লগতে বিভিন্ন সমাজৰ ৰাজনৈতিক মনোভাৱ, প্রমূল্য আৰু মানুহৰ আচৰণ অধ্যয়নত মনোনিৱেশ কৰে। ৰাজনৈতিক সমাজতত্ত্বই সংঘাত ব্যৱস্থাপনা, স্বার্থ আৰু সমস্যাৰ প্রচাৰ, ৰাজনৈতিক সংহতি তথা ৰাজনৈতিক সংগঠনৰ সৈতে জড়িত সমস্যাবোৰৰ অধ্যয়নত গুৰুত্ব আৰোপ কৰে। এই মনোযোগৰ কেন্দ্রবিন্দু হ'ল সমাজ-সাংস্কৃতিক, অর্থনৈতিক আৰু ৰাজনৈতিক উপাদানবোৰৰ মাজত থকা আন্তঃনির্ভৰশীলতা তথা এইবোৰৰ মাজত সংঘটিত হোৱা আন্তঃক্রিয়া।

ৰাজনৈতিক সমাজতত্ত্বৰ সংজ্ঞা

এচ. এম. লিপ্চেটে ৰাজনৈতিক সমাজতত্ত্বৰ সংজ্ঞা আগবঢ়াই কৈছে যে "ই হ'ল সমাজ আৰু ৰাজনৈতিক ব্যৱস্থাৰ মাজৰ, সামাজিক গাঁথনি আৰু ৰাজনৈতিক অনুষ্ঠানবোৰৰ মাজৰ আন্তঃসম্পর্কৰ অধ্যয়ন।" আৰ. বেণ্ডিক্সৰ ভাষাত, "ৰাজনৈতিক সমাজতত্ত্বৰ সমাজতেই সূত্রপাত হয় আৰু সমাজে কেনেদৰে ৰাষ্ট্রক প্রভাৱিত কৰে সেয়া পৰীক্ষা কৰি চায়।" মাইকেল ৰাশ্ব আৰু ফিলিপ এল্থ'ফৰ সংজ্ঞা অনুসৰি ৰাজনৈতিক সমাজতত্ত্ব হ'ল 'এনে এক বিষয় ক্ষেত্র য'ত সামাজিক গাঁথনি আৰু ৰাজনৈতিক গাঁথনিৰ মাজৰ, সামাজিক আচৰণ আৰু ৰাজনৈতিক আচৰণৰ মাজৰ সম্পর্ক পৰীক্ষা কৰি চোৱা হয়।"

জিঅ'ভান্নী চার্টে'ৰিৰ মতে, ৰাজনৈতিক সমাজতত্ত্ব হ'ল মূল বিষয়টো (সমাজতত্ত্ব)ৰ মাজতেই জন্মা এক সংকৰ আন্তঃবিষয় (intrdisciplinary hybrid)।"

ৰ'বার্ট ই. ডাউচি আৰু জ'ন এ.হিউগৰ সংজ্ঞা অনুসৰি "ৰাজনৈতিক সমাজতত্ত্ব হ'ল এটা সমাজতাত্ত্বিক দৃষ্টিভংগীৰ ৰূপৰেখাৰ মাজত নিহিত থকা ৰাজনৈতিক আচাৰ-আচৰণৰ অধ্যয়ন।"

এ.কে. মুখোপাধ্যায়ৰ মতে, "ৰাজনৈতিক সমাজতত্ত্ব হ'ল সমাজতত্ত্ব আৰু ৰাজনীতি বিজ্ঞানৰ মাজত ঘটা এক সংকৰ নিষেচন (cross fertilization)ৰ ফল। ই ৰাজনীতিত সমাজৰ প্রভাৱ আৰু সমাজত ৰাজনীতিৰ প্রভাৱ অধ্যয়ন কৰে। অধ্যয়নৰ সময়ত ৰাজনীতিৰ উপাদানবোৰক এক সামাজিক ৰূপ হিচাপে ধৰি লোৱা হয়।" ই ৰাজনীতিত সমাজৰ প্রভাৱ আৰু সমাজত ৰাজনীতিৰ প্রভাৱ অধ্যয়ন কৰে। অধ্যয়নৰ সময়ত ৰাজনীতিৰ উপাদানবোৰক এক সামাজিক ৰূপ হিচাপে ধৰি লোৱা হয়।"

ৰাজনৈতিক সমাজতত্ত্বৰ উল্লেখনীয় বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰঃ

- ৰাজনৈতিক সমাজতত্ত্ব ৰাজনীতি বিজ্ঞান নহয়। ৰাজনীতি বিজ্ঞানৰ দৰে ই কেৱল ৰাষ্ট্র সম্পর্কে নাইবা ৰাষ্ট্র পৰিচালনাৰ কলা সম্পর্কে অধ্যয়ন কৰা বিষয় নহয়।
- ৰাজনৈতিক সমাজতত্ত্বই সামাজিক আৰু ৰাজনৈতিক দুয়ো ধৰণৰ বিষয়ৰ অধ্যয়নক

সামৰিক লয়।

- ৰাজনৈতিক সমাজতত্ত্ৱৰ কেন্দ্ৰীয় বিশ্বাসটো হ'ল সামাজিক প্ৰক্ৰিয়া আৰু ৰাজনৈতিক প্ৰক্ৰিয়াৰ মাজত ৰূপৰ এক সাদৃশ্য আছে। ই ৰাষ্ট্ৰ আৰু সমাজৰ মাজত থকা পৰম্পৰাগত দ্বিভাজন নাইকিয়া কৰাৰ চেষ্টা চলায়।

১.৪ ৰাজনৈতিক সমাজতত্ত্ৱৰ প্ৰকৃতি আৰু পৰিসৰ

প্ৰাৰম্ভিক অৱস্থাত ৰাজনৈতিক আচৰণ আৰু অনুষ্ঠান- প্ৰতিষ্ঠানৰ সামাজিক ভিত্তিৰ অধ্যয়ন কৰা বিষয় হিচাপে ৰাজনৈতিক সমাজতত্ত্ৱৰ বিকাশ ঘটিছিল। ৰাজনৈতিক চলক (যেনে- ৰাজনৈতিক কাৰক নাইবা বিভেদ্যতাৰো) বোৰ সমাজতাত্ত্বিক চলকবোৰৰ ওপৰত নিৰ্ভৰশীল আছিল। সমাজ তাত্ত্বিক চলকবোৰ, যেনে- সমাজ, শ্ৰেণী আৰু সামাজিক প্ৰস্থিতি আদিক স্বতন্ত্ৰ কাৰক বুলি গণ্য কৰা হয়। কিন্তু আইন, ৰাষ্ট্ৰ, সংবিধান আৰু ৰাজনৈতিক দল আদিৰ দৰে ৰাজনৈতিক চলকবোৰ সমাজতাত্ত্বিক কাৰকবোৰৰ ওপৰত নিৰ্ভৰশীল বুলি ধৰা হৈছিল। কিন্তু শেহতীয়াভাৱে সমাজতাত্ত্বিক ব্যাখ্যাৰে ৰাজনীতি বিশ্লেষণ কৰাৰ মনোযোগ আঁতৰাই পাৰস্পৰিক ভাৱে আন্তঃক্ৰিয়াশীল ৰাজনৈতিক যুক্তিবাদ আৰু সমাজতাত্ত্বিক দৃষ্টিভংগীৰ ওপৰত মনোনিৱেশ কৰি ৰাজনীতিৰ ব্যাখ্যা আগবঢ়োৱাৰ প্ৰচেষ্টা আৰম্ভ হৈছে। ৰাজনৈতিক সমাজতত্ত্ৱ বিষয়বোৰৰ ৰাজনৈতিক দৰ্শনৰ ব্যাখ্যাৰ বিষয়বোৰৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। ৰাজনৈতিক দৰ্শনত সন্নিৱিষ্ট ৰাজনৈতিক চিন্তাধাৰাবোৰৰ একোটা সমৃদ্ধি আৰু দীঘলীয়া পৰম্পৰা আছে। এই পৰম্পৰাৰ আৰম্ভণি বিন্দু হ'ল প্ৰাচীন ভাৰতীয় তথা গ্ৰীক দাৰ্শনিকসকলৰ চিন্তা-চৰ্চা। তাৰপাচত এই দৰ্শনক এক অন্য মাত্ৰা প্ৰদান কৰোঁতা চিন্তাবিদ দাৰ্শনিকগৰাকী হ'ল কাৰ্ল মাৰ্ক্স। তেওঁ ৰাজনৈতিক ক্ষমতাৰ প্ৰকৃতি আৰু ইয়াৰ সামাজিক তথা অৰ্থনৈতিক অনুষ্ঠান- প্ৰতিষ্ঠানৰ সৈতে থকা সম্পৰ্ক বিষয়ক কথাবোৰৰ আলোচনাত মনোনিৱেশ কৰিছিল। মাৰ্ক্সক ৰাজনৈতিৰ সমাজতত্ত্ৱৰ জনক সকলৰ এগৰাকী বুলি স্বীকৃতি দিয়া হয়।

ৰাজনৈতিক সমাজতত্ত্ৱৰ লক্ষ্য হ'ল সংঘাতৰ উৎস তথা সামাজিক ভিত্তি আৰু সংঘাত ব্যৱস্থাপনাৰ প্ৰক্ৰিয়াটো বুজাৰ প্ৰয়াস কৰা। সংঘাতৰ উৎস হ'ল মানুহৰ স্বভাৱ আৰু সামাজিক পৰিস্থিতি। যেতিয়ালৈকে বিভিন্ন নাটনিৰে ভৰা এই পৃথিৱীত মানুহৰ স্বাৰ্থৰ বৈচিত্ৰ্যতা আৰু কাহানিও ওৰ নপৰা চাহিদা বৰ্তি থাকিব তেতিয়ালৈকে স্বাৰ্থকেন্দ্ৰিক সংঘাতৰ পৰা হাত সাৰিব পৰা নাযাব। ৰাজনীতি হ'ল এটা অবিৰত আৰু গতিশীল প্ৰক্ৰিয়া। প্ৰক্ৰিয়াটোত অনবৰতে উত্থান-পতন ঘটি থাকে। সেই দিশেৰে চাবলৈ গ'লে সংঘাতৰ সমস্যাটোৰো কোনো চূড়ান্ত সমাধান নাই। ৰাজনৈতিক প্ৰক্ৰিয়া হ'ল সামাজিক সংঘাতৰ সংসাধন তথা নিয়ন্ত্ৰণ কৰাৰ এক পন্থা। ইয়াৰ লক্ষ্য হ'ল সামাজিক শৃংখলা বৰ্তাই ৰখা। কিন্তু সংঘাতৰ সম্পূৰ্ণ নিৰ্মূলকৰণ যদি কেতিয়াবা সম্ভৱ হয়, তেন্তে একে সময়তে ই এনে এক সামাজিক নিয়ন্ত্ৰণ বলবৎ কৰাৰ কথা বুজাব যিটোৱে মানৱীয় স্বতন্ত্ৰতা সম্পূৰ্ণৰূপে নাইকিয়া কৰিব। এখন কঠোৰ শৃংখলাৱদ্ধতাৰে পৰিচালিত সমাজক

এখন এদলীয় সমাজ বুলি ক'ব নোৱাৰি। এনে সমাজত বৈচিত্র্যতা নাথাকে কিন্তু একতা থাকে, শৃংখলাৱদ্ধতা আৰোপ কৰা হয় কিন্তু মতবিৰোধ নাইকিয়া কৰা হয়, বশ্যতা স্বীকাৰ কৰিবলৈ নির্দেশ দিয়া হয় কিন্তু স্বতঃস্ফূর্ততা দমন কৰা হয়। কিন্তু জনপ্রিয় অংশগ্রহণ আৰু 'খেলৰ নিয়ম' (কোনো কার্য সম্পাদনৰ সাধাৰণ পন্থা) মানি চলাৰ প্রথাৰ সৈতে আপোচ নকৰাকৈও পাৰস্পৰিক আগ্রহৰ উমান লৈ আৰু সহমতৰ ক্রমবিৱর্তনৰ জৰিয়তেও সামাজিক শৃংখলা স্থাপনৰ লক্ষ্যত উপনীত হ'ব পৰা যায়।

ৰাজনৈতিক সমাজতত্ত্বৰ পৰিসৰ

মূলতঃ ৰাজনীতি আৰু সমাজৰ মাজত চলা আন্তঃক্রিয়াৰ বিশ্লেষণ কৰা বিষয়টোৱেই হ'ল ৰাজনৈতিক সমাজতত্ত্ব। ৰাজনৈতিক সমাজতত্ত্বৰ পৰিসৰে ৰাজনৈতিক অংশগ্রহণ, সামাজিক শ্রেণী আৰু ৰাজনৈতিক মনোভাৱ সন্দর্ভত ওপজা সামাজিক মনোভাৱবোৰৰ প্রভাৱক সামৰি লয়। ভোট দান প্রক্রিয়া আৰু ইয়াৰ ৰাজনৈতিক তথা সামাজিক প্রয়োগৰ প্রভাৱ অধ্যয়নো ইয়াৰ পৰিসৰৰ ভিতৰুৱা বিষয়। অর্থাৎ, ৰাজনৈতিক সমাজতত্ত্বৰ পৰিসৰ বিশাল। ৰাজনৈতিক সমাজতত্ত্বৰ বিশ্লেষণে সামৰি লোৱ আন এটা গুৰুত্বপূর্ণ বিষয় হ'ল সিদ্ধান্ত গ্রহণ প্রক্রিয়া। ইয়াত সামাজিক শক্তিবোৰৰ লগতে এনে শক্তিয়ে নিয়ন্ত্রণ কৰা অর্থনৈতিক কাৰকবোৰৰ বিষয়েও অধ্যয়ন কৰা হয়। এনে কাৰক দুটামান হ'ল- মুদ্রা, বজাৰ আৰু অন্যান্য সম্পদ নাটনি আদি। সিদ্ধান্ত গ্রহণ প্রক্রিয়াটোত আধিপত্য বিস্তাৰ কৰি থকা ব্যক্তি নাইবা ব্যক্তি সমূহটোৰ কর্তৃত্ব খটুৱাই থকা জনসমষ্টিটোৰ ওপৰত থকা নিয়ন্ত্রণৰ প্রকৃতি বিশ্লেষণ কৰাটোও ৰাজনৈতিক সমাজতত্ত্বৰ কাম। এনে অধ্যয়নত ৰাজনৈতিক বিশ্লেষণক ভিন্ন মাত্রা প্রদান কৰা ৰাজনৈতিক ব্যৱস্থাৰ ধাৰণাটোও চালি-জাৰি চোৱা হয়। ৰাজনৈতিক সমাজতত্ত্বই বিধান পৰিষদ, আইন-আদালত আৰু প্রশাসনিক অভিকৰণ আদিৰ দৰে চৰকাৰৰ প্রধান সংৰচনাবোৰৰ অধ্যয়ন কৰাৰ লগতে জাতিভিত্তিক সামাজিক শ্রেণী বিভাজন, স্বজন গোটসমূহ, দল তথা উমৈহতীয়া স্বার্থজড়িত গোটৰ দৰে আনুষ্ঠানিক সংগঠনৰ দৰে আটাইবোৰ সমাজিক গাঁথনিৰ ৰাজনৈতিক দিশবোৰো বিশ্লেষণ কৰে।

বিভিন্ন পণ্ডিতে ৰাজনৈতিক সমাজতত্ত্বৰ পৰিসৰ বিভিন্ন ধৰণে আলোচনা কৰিছে। গ্রীৰ আৰু অর্লিয়ানচ্ৰ মতে, "ৰাজনৈতিক সমাজতত্ত্ব ৰাষ্ট্রৰ গাঁথনি, বৈধতাৰ প্রকৃতি আৰু চর্ত, শক্তিৰ একচেটিয়া আধিপত্যৰ প্রকৃতি আৰু ৰাষ্ট্রৰ দ্বাৰা এনে অধিপত্যৰ প্রয়োগ, সমাজৰ উপ-গোটবোৰৰ প্রকৃতি তথা এনে গোটৰ ৰাষ্ট্রৰ সৈতে সম্পর্ক আদি বিষয়ৰ অধ্যয়নৰ সৈতে জড়িত।" আন এগৰাকী চিন্তাবিদ এড্রিউ এফ্রাটে বিশ্বাস কৰিছিল যে ৰাজনৈতিক সমাজতত্ত্ব সকলো সামাজিক প্রণালীতে ক্রিয়াশীল কাৰণ, ক্ষমতাৰ আর্হি তথা ক্ষমতা বিতৰণ প্রক্রিয়াৰ ফলত দেখা দিয়া পৰিণাম আৰু কর্তৃত্ব সম্পর্কীয় অধ্যয়নৰ সৈতে জড়িত। সামাজিক ব্যৱস্থা এটা বিস্তৃত ৰাজনৈতিক অধ্যয়নৰ বিষয় হ'ব পাৰে। কিয়নো এনে ব্যৱস্থা এটাত পৰিয়াল, শিক্ষানুষ্ঠান, সমনীয়াৰ দল আৰু ৰাজনৈতিক অনুষ্ঠান আদি অন্তর্ভুক্ত।

ৰিছার্ড জি. ব্রাউনগার্টে ব্যক্ত কৰা মত অনুসৰি ৰাজনৈতিক সমাজতত্ত্বই (ক) ৰাজনীতিৰ

সামাজিক উৎস, (খ) ৰাজনীতিৰ সংৰচনা অথবা ৰাজনৈতিক প্ৰক্ৰিয়া আৰু (গ) চৌপাশৰ পৰিৱেশ তথা সংস্কৃতিত ৰাজনীতিৰ প্ৰভাৱ অধ্যয়ন কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি বুজিলো যে ৰাজনৈতিক সমাজতত্ত্ববিদৰ প্ৰধান কাম হ'ল সামাজিক শৃংখলাৱদ্ধতা আৰু ৰাজনৈতিক আনুগত্যৰ সমস্যাবোৰ অনুসন্ধান কৰা। বিশেষ অধ্যয়ন শাখাৰূপে ই তলৰ কথাবোৰ সামৰি লয়-

- সামাজিক সংৰচনা ঃ ৰাজনৈতিক ব্যৱস্থা এটা নিৰূপণ কৰাত জাতি, শ্ৰেণী, সম্প্ৰদায় আৰু আঞ্চলিক ভাষাৰ ভূমিকা; গাওঁ আৰু নগৰ অঞ্চলৰ বিভাজন।
- ৰাজনৈতিক সংৰচনা ঃ চৰকাৰৰ প্ৰধান অংশ তিনিটা, ৰাজনৈতিক দল, প্ৰভাৱ গোট, উমৈহতীয়া স্বাৰ্থজড়িত গোট ইত্যাদি।
- ৰাজনৈতিক জীৱন ঃ ক্ষমতা, কৰ্তৃত্ব, বৈধতা, ৰাজনৈতিক বিকাশ, ৰাজনৈতিক আধুনিকীকৰণ, ৰাজনৈতিক সামাজিকীকৰণ, ৰাজনৈতিক সংস্কৃতি, ৰাজনৈতিক অংশগ্ৰহণ আৰু ৰাজনৈতিক সংযোগ। এই সকলোবোৰ উপাদানৰ অধ্যয়নে ৰাজনৈতিক জীৱন সম্পৰ্কে বুজাত গুৰুত্বপূৰ্ণ সহায় আগবঢ়ায়।
- ৰাজনৈতিক নেতৃত্ব ঃ এটা সুনিৰ্দিষ্ট সামাজিক ভেটিৰ ভিতৰত নেতৃত্বৰ ফলপ্ৰসূ কাৰ্যসম্পাদন সুনিশ্চিত কৰিবলৈ এটা অভিজাত শ্ৰেণী নাইবা ৰাজনৈতিক নেতৃবৃন্দ অথবা আমোলাতন্ত্ৰ গঢ়ি তুলিবলৈ গ্ৰহণ কৰা মকৰল/ সদস্যভৰ্তি নীতি।

ৰাজনৈতিক সমাজতত্ত্বই কৰা আন এক তাৎপৰ্যপূৰ্ণ কাম হ'ল অৰ্থনৈতিক উন্নয়নত সমাজ-ৰাজনৈতিক কাৰকবোৰৰ বিশ্লেষণ। এনে কাৰকবোৰৰ কেইটামান হ'ল- প্ৰশাসনিক উন্নয়নৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা, এখন দেশৰ থলুৱা সংস্কৃতি আৰু সমাজৰ ওপৰত আমোলাতন্ত্ৰৰ প্ৰভাৱ, আমোলা আৰু ৰাজনৈতিক নেতাৰ মাজৰ সম্পৰ্ক আৰু উন্নয়নমূলক কাম-কাজত নাগৰিকৰ ভূমিকা। এই বিষয়বোৰৰ ব্যৱহাৰিক গুৰুত্ব ইমানেই বেছি যে চৰকাৰ আৰু শৈক্ষিক দিশত জড়িত ব্যক্তি উভয়েই বিষয়বোৰৰ প্ৰতি মনোযোগ দিবলৈ বাধ্য হৈছে। এই কথাটোৰ বাবেই সমাজতত্ত্ব আৰু উন্নয়নৰ ৰাজনীতিৰ অধ্যয়নৰ মাত্ৰা বৃদ্ধি পাইছে। এই বিষয়বোৰ স্পষ্টৰূপত প্ৰতিফলিত কৰা ক্ষেত্ৰখন হ'ল নগৰীয়া ৰাজনীতি। এই ক্ষেত্ৰখনত মানুহ সামাজিক পৰিৱৰ্তন আৰু সংগঠিত কৰণৰ সমস্যাৰ সন্মুখীন হয়, ৰাজনৈতিক অনুষ্ঠান গঢ়াত আৰু নাগৰিকৰ জনপ্ৰিয় অংশগ্ৰহণ সুনিশ্চিত কৰাত বাধা পায়, সংগঠন আৰু চৰকাৰী কাম-কাজৰ ব্যৱস্থাপনাত ক্ৰমে বৃদ্ধি পোৱা অসুবিধাৰ অভিজ্ঞতা লাভ কৰে ইত্যাদি। গাওঁ আৰু নগৰ চহৰবোৰক ৰাষ্ট্ৰৰ ক্ষুদ্ৰ সংস্কৰণৰূপে গণ্য কৰা হয়। দুয়োটাই সামাজিক পৰিৱৰ্তন, ৰাজনৈতিক অংশগ্ৰহণ আৰু প্ৰশাসনিক ব্যৱস্থাপনা কেন্দ্ৰিক বিভিন্ন সমস্যাৰ সন্মুখীন হয়। মানুহে লাহে লহে এই বিষয়ত সচেতন হৈছে যে উন্নয়নৰ সমস্যাবোৰক সংকীৰ্ণ অৰ্থত কাৰিকৰী অথবা আমোলাতন্ত্ৰই সৃষ্টি কৰা সমস্যা বুলি ক'ব নোৱাৰি। এই সমস্যাবোৰ বহল অৰ্থত একো

একোটা সমাজ-ৰাজনৈতিক সমস্যা। উন্নয়নমূলক পৰিকল্পনাবোৰৰ ফলপ্ৰসূ কাৰ্যৰূপায়ণ সুনিশ্চিত কৰিবলৈ ৰাজনৈতিক শক্তিবোৰক সু-সংগঠিত কৰিবই লাগিব।



অগ্ৰগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰক-

প্ৰশ্ন নং ১ ঃ গাওঁ আৰু নগৰ-চহৰবোৰক ৰাষ্ট্ৰৰ..... ৰূপে গণ্য কৰা হয়।

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক সমাজতত্ত্ৱৰ বিষয়বোৰৰ.....ৰ ব্যাখ্যাৰ সময়ত উত্থাপিত বিষয়বোৰৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে।

১.৫ ৰাজনৈতিক সমাজতত্ত্ৱৰ তাৎপৰ্য

ৰাষ্ট্ৰ আৰু ৰাজনীতি হ'ল একেটা মুদ্ৰাৰে দুটা পিঠি। সেয়েহে ৰাজনৈতিক সমাজতত্ত্ৱৰ ধাৰণাটো ৰাষ্ট্ৰ আৰু ৰাজনীতিৰ পৰা পৃথক কৰিলে ইয়াক সম্পূৰ্ণৰূপ বুজাত অসুবিধা হ'ব। ৰাজনৈতিক সমাজতত্ত্ৱৰ অধ্যয়নে আমাক সমাজ-ৰাজনৈতিক গাঁথনি আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে স্পষ্ট'কৈ বুজাত সহায় কৰে। ৰাজনৈতিক সমাজতত্ত্ব হ'ল সমাজতত্ত্ৱৰ এক গুৰুত্বপূৰ্ণ উপ-শাখা। ই ৰাজনীতিৰ যান্ত্ৰিক শক্তিবোৰৰ সলনি সামাজিক শক্তিবোৰৰ অধ্যয়নত গুৰুত্ব দিয়ে। ৰাজনৈতিক সমাজতত্ত্ৱৰ অধীনত ৰাজনীতিক চাৰিটা স্তৰত অধ্যয়ন কৰা হয়। স্তৰ চাৰিটা হ'ল- ৰাজনৈতিক সংঘাত আৰু ৰাষ্ট্ৰবোৰৰ মাজৰ সংঘৰ্ষ (আন্তৰ্জাতিক সম্পৰ্কৰ সমাজতত্ত্ব); বিভিন্ন সমাজৰ পৰিসীমাৰ ভিতৰত ৰাষ্ট্ৰৰ প্ৰকৃতি আৰু ভূমিকা; ৰাজনৈতিক আন্দোলন আৰু দলবোৰৰ প্ৰকৃতি তথা সংগঠন; ৰাজনীতিত ব্যক্তিৰ অংশগ্ৰহণ।

ৰাজনৈতিক সমাজতত্ত্ৱৰ অধ্যয়নে চুই যোৱা বিষয়বোৰ হ'ল-

- ৰাষ্ট্ৰৰ সাধাৰণ প্ৰকৃতি আৰু কাৰ্যাৱলী; ৰাষ্ট্ৰৰ ৰাজনৈতিক ব্যৱস্থা।
- ৰাজনৈতিক দল, প্ৰভাৱ গোট, সকলোবোৰ ৰাজনৈতিক সংগঠন আৰু ৰাজনৈতিক আন্দোলনৰ প্ৰকৃতি।
- নাগৰিকৰ অংশগ্ৰহণ থকা আৰু নথকা ৰাজনৈতিক ব্যৱস্থাৰ আৰ্হি আৰু ৰাজনৈতিক আচৰণ ৰাজনীতিত নাগৰিকৰ জনপ্ৰিয় অংশগ্ৰহণ আৰু ভোট দানৰ আচৰণৰ পৰীক্ষামূলক গৱেষণা।
- সমাজত প্ৰচলিত ক্ষমতা আৰু আধিপত্যবাদ, ৰাজনৈতিক অভিজাত শ্ৰেণী আৰু সৰ্বসাধাৰণ, কোনো এক শাসনাধিষ্ঠিত শ্ৰেণীয়ে আধুনিক সমাজবোৰত কিমানখিনি আধিপত্য খুটৱাব পাৰে তাৰ অধ্যয়ন।
- সমীক্ষা পদ্ধতিৰে চলোৱা তুলনামূলক বিশ্লেষণৰ ফলত *লব্ধ* তাৎপৰ্যপূৰ্ণ আন্তৰ্জাতিক, আন্তৰ্সাংস্কৃতিক আৰু আন্তৰ্সামাজিক গৱেষণা ফলাফল।

ৰাজনৈতিক সমাজতত্ত্বই মানুহক একোটা সমাজ-ৰাজনৈতিক সত্ত্বা বুলি ধৰি লয় আৰু মানুহৰ সামাজিক আচৰণ অধ্যয়ন কৰে। মানুহৰ ৰাজনৈতিক আচৰণ হ'ল নিজৰ পৰিৱেশত, বিশেষকৈ নিজ সমাজখনত মানুহে প্ৰদৰ্শন কৰা আচৰণবোৰৰ এটা অংশ। ৰাজনৈতিক আচৰণক সদায় সামাজিক আচৰণ, অৰ্থনৈতিক স্বচ্ছলতা আৰু নৈতিকতাই প্ৰভাৱিত কৰে। অৰ্থাৎ, ৰাজনৈতিক আচৰণত সামাজিক সম্পৰ্কৰ প্ৰণালী এটাই আৰু সমাজ এখনৰ বাসিন্দাসকলৰ মাজত চলা আন্তঃক্ৰিয়াই নিৰ্ণায়ক প্ৰভাৱ পেলায়। মানুহ পৰিয়ালত জন্মে আৰু পৰিয়ালৰ পৰাই প্ৰাথমিক প্ৰমূল্য, আচৰণৰ আৰ্হি আৰু সম্পৰ্কবোৰ লাভ কৰে। মানুহৰ ৰাজনৈতিক আচৰণৰ প্ৰণালীৱদ্ধ অধ্যয়নৰ বাবে মানুহৰ সামাজিক পটভূমিটো অধ্যয়ন কৰিব লাগিব, ৰাজনৈতিক সমাজতত্ত্বই এই প্ৰয়োজনীয়তা পূৰণ কৰে।

১.৬ ৰাজনৈতিক সমাজতত্ত্বৰ বিকাশ

সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ মাজৰ প্ৰভেদ প্ৰতিষ্ঠিত হোৱাৰ সময়ৰে পৰা ৰাজনৈতিক সমাজতত্ত্বৰ বিকাশ আৰম্ভ হৈছিল। কেইগৰাকীমান লব্ধপ্ৰতিষ্ঠ পণ্ডিতৰ অৱদানেৰে অধ্যয়নৰ এই শাখাটোৰ উত্থান ঘটিছিল। বৈজ্ঞানিক প্ৰযুক্তি আৰু ঔদ্যোগিকীকৰণৰ মাত্ৰা বৃদ্ধি পোৱাৰ লগে লগে ৰাজনীতি বিজ্ঞানীসকলে ৰাজনৈতিক যথাৰ্থতাক এটা বিজ্ঞানসন্মত দৃষ্টিকোণেৰ আৰু পৰীক্ষামূলক পদ্ধতিৰে বিশ্লেষণ কৰিবলৈ ল'লে। এই প্ৰক্ৰিয়াটোৱে তেওঁলোকক সমাজতত্ত্বৰ প্ৰতি আকৰ্ষিত কৰিলে। এই সময়ছোৱালৈ সমাজতত্ত্ব এক ইতিবাচক আৰু বিজ্ঞানসন্মত অধ্যয়নৰ বিষয়ৰূপে প্ৰতিষ্ঠিত হৈছিল। সমাজতত্ত্বৰ নীতিবোৰৰ সংযোজন ঘটাই ৰাজনীতি বিজ্ঞানীসকলে ৰাজনীতি বিজ্ঞান বিষয়টো আৰু অধিক বিজ্ঞানসন্মত কৰি তোলাৰ প্ৰয়াস আৰম্ভ কৰিলে। ইয়াৰ লগতে মানুহ এই বিষয়টো সচেতন হ'ল যে উন্নয়নমূলক সমস্যাবোৰৰ কাৰণ সংকীৰ্ণ অৰ্থত কাৰিকৰী অথবা আমোলাতান্ত্ৰিক বুলি ধৰা হয় যদিও বহল অৰ্থত ইয়াৰ কাৰণবোৰ সমাজ-ৰাজনৈতিক প্ৰকৃতিৰ। কাৰ্ল মাৰ্ক্সে পোন প্ৰথমবাৰৰ বাবে ৰাজনৈতিক ক্ষমতাৰ প্ৰকৃতি আৰু ইয়াৰ সামাজিক নাইবা অৰ্থনৈতিক সংগঠনবোৰৰ সৈতে থকা সম্পৰ্ক অধ্যয়নত মনোনিৱেশ কৰিছিল। মাৰ্ক্সে হেগেলৰ ৰাষ্ট্ৰ বিষয়ক দৰ্শন সমালোচনা কৰি ইতিহাসৰ বৈষয়িক ব্যাখ্যা আৰু সামাজিক তথা ৰাজনৈতিক ব্যাখ্যাৰ মৌলিক চলকৰূপে শ্ৰেণীৰ ধাৰণাটোৱে 'ৰাজনীতিৰ সমাজবিজ্ঞান'ৰ ধাৰাটোৰ অধ্যয়নৰ সূচনাত সহায় কৰিছিল। এই কথাবোৰেলৈ মন কৰি ৰাম্মিমেনে নিৰ্ভুলভাৱে চিনাক্ত কৰিছিল যে ১৮৪০ ৰ দশকটো আছিল ৰাজনৈতিক সমাজতত্ত্বৰ পৰীক্ষালব্ধ সংজ্ঞ নিৰ্ধাৰণৰ প্ৰথম কাল।

কাৰ্ল মাৰ্ক্সৰ: পাচত ৰাজনৈতিক সমাজতত্ত্বলৈ তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়োৱা আনগৰাকী সমাজতাত্ত্বিক হ'ল জাৰ্মানীৰ মেক্স ৱেবাৰ। কৰ্তৃত্বৰ প্ৰকাৰ, আমোলাতন্ত্ৰৰ আদৰ্শ প্ৰকাৰ, সামাজিক শ্ৰেণী এটাৰ পৰিপূৰক ৰূপে সামাজিক প্ৰস্থিতি আৰু দলৰ ধাৰণা আদিৰ দৰে মৌলিক আৰু পূৰ্ব প্ৰচলিত ধাৰণাবোৰৰ বিশ্লেষণৰে তেওঁ ৰাজনৈতিক সমাজতত্ত্বৰ ভেটি স্থাপন কৰিছিল। ৱেবাৰে

সামাজিক তথা ৰাজনৈতিক উন্নয়নৰ শক্তি আৰু দিশ সম্পৰ্কে উৎকৃষ্ট ব্যাখ্যাৰ লগতে ঐতিহাসিক বস্তুবাদ বিষয়ক মাৰ্ক্সীয় দৰ্শনৰ এটা উদাৰবাদী সংশোধন আগবঢ়াইছিল। ৰাজনৈতিক সমাজতত্ত্বৰ অধ্যয়নত ৱেবাৰৰ আন এক গুৰুত্বপূৰ্ণ অৱদান হ'ল ৰৈধতাৰ ধাৰণাৰ আলোচনা। ৰৈধতাই ব্যক্তি অথবা অনুষ্ঠান বিশেষক ক্ষমতা প্ৰয়োগৰ কৰ্তৃত্ব প্ৰদান কৰে আৰু এই কৰ্তৃত্ব বহুলভাৱে মানি লোৱা হয়। ৱেবাৰে মানৱীয় আচৰণ সন্দৰ্ভতো নিজৰ মত আগবঢ়াইছিল। তেওঁ কৈছিল যে কোনো কাৰ্যত জড়িত ব্যক্তিৰ উদ্দেশ্য (motive) আৰু অভিপ্ৰায় (intentions) বিবেচনা কৰি চোৱাৰ প্ৰয়োজন আছে। ৱেবাৰৰ চিন্তাধাৰাত ঐতিহাসিক বিশ্লেষণৰ অভাৱ বুলি সমালোচনা কৰা হয়। মাৰ্ক্স আৰু ৱেবাৰৰ পাচত আন বহুতো চিন্তাবিদে বিষয়টোলৈ নিজ নিজ অৱদান আগবঢ়াইছে। এই অৱদানবোৰক মৌলিক অথবা চিন্তা *উদ্ৰেককাৰী* বুলি ক'ব নোৱাৰি যদিও বিষয়টোৰ অধ্যয়নত এইবোৰো গুৰুত্ব আছে। এনে এগৰাকী বুদ্ধিজীৱি হ'ল মাক্সৰ সমসাময়িক ৰাল্টাৰ বাগেহ'ট্। তেওঁ সংস্কৃতি আৰু ব্যক্তিত্ব, ৰাজনৈতিক অনুষ্ঠান আৰু আচৰণৰ মাজত থকা সম্পৰ্ক পৰীক্ষা কৰিছিল। তেওঁ লগতে সাংবিধানিক তত্ত্ব আৰু অনুশীলনৰ মাজৰ প্ৰভেদ চিনাক্ত কৰি উলিয়াইছিল। তেওঁ দাবী কৰিছিল যে নথি-পত্ৰ আদিবোৰ হ'ল সংসদীয় পদ্ধতিৰ চৰকাৰৰ কাম-কাজৰ টীকা। ফৰাছী সমাজতাত্ত্বিক গেব্ৰিয়েল তার্ডেই টেলিগ্ৰাফ, টেলিফোণ, কিতাপ আৰু বাতৰিকাকতৰ ৰূপত আধুনিক সংযোগৰ প্ৰভাৱ অধ্যয়নত জোৰ দিছিল। এই উপাদানবোৰে ব্যক্তি আৰু সংবাদ মাধ্যমৰ মাজত সংযোগ স্থাপন কৰিছিল। ৰাজনৈতিক সমাজবিজ্ঞানক অধিক সম্প্ৰসাৰিত কৰাত আগভাগ লৈছিল ভিলফ্ৰেড পাৰেট' আৰু *গেটেল'* ম'স্কাৰ দৰে অভিজাত সমাজতাত্ত্বিকসকলে। পাৰেট'ৰ গ্ৰন্থ *The Mind and the Society* আৰু ম'স্কাৰ গ্ৰন্থ *The Ruling Class*-ত বিষয়টো বহলাই আলোচনা কৰা'হেছে। তেওঁলোকৰ দাবী অনুসৰি সমাজৰ অভিজাত শ্ৰেণীটোৱেই অৰ্থনৈতিক শক্তিবোৰ নিয়ন্ত্ৰণ কৰিব বুলি কোনো কথা নাই। কিন্তু সমাজত অভিজাত শ্ৰেণীটোৰ চলাচল নাইবা গতিবিধিৰ বাবেহে ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তন ঘটে। পৰৱৰ্তী সময়ৰ পণ্ডিতসকলে ৰাজনৈতিক দল আৰু দলবোৰৰ সংগঠনৰ অধ্যয়নত জোৰ দিছিল। অধ্যয়নবোৰৰ মূল বিষয় আছিল নিৰ্বাচন প্ৰক্ৰিয়া, ভোট দানৰ আচৰণ আৰু নিৰ্বচনী পৰিসংখ্যা। ১৯৩০ ৰ দশকত ৰাজনীতি বিজ্ঞানীসকলে ৰাজনীতিত ব্যক্তিত্বৰ ভূমিকা পৰীক্ষা কৰিছিল।

ওপৰৰ আলোচনাৰ পৰা সময়ৰ সোঁতত ৰাজনৈতিক সমাজতত্ত্বই কেনেধৰণে ক্ৰমবিকশিত হৈছিল সেয়া গম পোৱা গ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কোনে হেগেলৰ ৰৈষয়িক ব্যাখ্যাৰ সমালোচনা কৰিছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ ৰাজনৈতিক সমাজতত্ত্ৱৰ বিকাশত অহিহণা আগবঢ়োৱা দুগৰাকী পণ্ডিতৰ নাম লিখক।

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক জীৱনত ৰাজনীতিৰ প্ৰভাৱ বৃদ্ধি পোৱা কথাটোৱে সামাজিক বিশ্লেষকসকলৰ মাজত সাধাৰণতে অ-ৰাজনৈতিক বুলি বিবেচিত পৰিঘটনাবোৰৰ অধ্যয়নত ৰাজনৈতিক অনুমান প্ৰয়োগৰ প্ৰৱণতা বৃদ্ধি পাইছিল।
- ৰাজনীতিৰ সমাজতত্ত্বই সমাজতাত্ত্বিকসকলে মানৱ গোট, মানৱীয় আচৰণ আৰু অন্য সামাজিক অনুষ্ঠান সম্পৰ্কে অধ্যয়ন কৰিবলৈ প্ৰয়োগ কৰা পদ্ধতিবোৰেৰে ৰাষ্ট্ৰৰ বিষয়ে অধ্যয়ন কৰে।
- ৰাজনৈতিক সমাজতত্ত্ব হ'ল সমাজতত্ত্বৰ এটা শাখা। ই সমাজ আৰু ৰাজনীতিৰ মাজৰ আন্তঃক্ৰিয়া অধ্যয়ন কৰে।
- ৰাজনৈতিক সমাজতত্ত্বৰ লক্ষ্য হ'ল ৰাজনৈতিক ক্ষমতাবোৰৰ মাজৰ সম্পৰ্ক আৰু শ্ৰেণী সংৰচনাৰ দৰে বিষয়বোৰ অধ্যয়ন তথা পৰীক্ষা কৰা। ৰাজনৈতিক সমাজতত্ত্বই বিষয়টোৰ এটা অধিক বিস্তৃত পৰিসৰ আৰু অধিক বাস্তৱিক, নিৰ্ভুল তথা তত্ত্ব সচেতন বিশ্লেষণ পন্থাৰ অন্বেষণ কৰি আছে।
- ৰাজনৈতিক সমাজতত্ত্বই গৱেষণাৰ নতুন দিশ উন্মোচন কৰাৰ লগতে বিষয়বোৰ বিশ্লেষণ কৰা নতুন পদ্ধতিক লৈ পৰীক্ষা-নিৰীক্ষা চলাই আছে।



১.৮ অধিক জানিবলৈ

- Ashraf Ali and Sharma, L. N. 1983. *Political Sociology- A New Grammar of Politics*. Madras Universities Press (India).
- Ralhan, S. S. and Lambat, S. R. 2006. *Political Sociology*. New Delhi : Common Wealth Publishers.
- Rathod, P. B. 2005. *Fundamentals of Political Sociology*. Jaipur : ABD Publishers.
- Faulks, Keith. 1999. *Political Sociology* : *A Critical Analysis.* Ednburgh University Press.
- Biswask K, Dipti. 1978. *Political Sociology* : *An Introduction.* Calcutta : Firma KLM Private Ltd.
- Mukhopadhyay, A. K. 1997. *Political Sociology : An Introduction Analysis*. Calcutta : K. P. Bagchi and Company.

- Roy, Shefali. 2014 *Society and Politics in India* : *Understanding Political Sociology.* Delhi : PHI Learning Pvt. Ltd.
- Greer, S. And Orleans, P. 1964. *Political Sociology* in Faris, R. L. (ed) *Handbook of Modern Sociology.* Chicago : Rand Mcnally.

১.৯ অগ্ৰগতিৰ খতিয়ান

উত্তৰসমূহঃ

১ নং প্ৰশ্নৰ উত্তৰ ঃ - ক্ষুদ্ৰ সংস্কাৰ

২ নং প্ৰশ্নৰ উত্তৰ ঃ - ৰাজনৈতিক দৰ্শন

৩ নং প্ৰশ্নৰ উত্তৰ ঃ - কাৰ্ল মাৰ্ক্স

৪ নং প্ৰশ্নৰ উত্তৰ ঃ - মেক্স ৱেবাৰ আৰু গ্যেটেন' ম'স্কা।

১.১০ আৰ্হিপ্ৰশ্ন

(ক) চুটি প্ৰশ্ন- (১০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ- ৰাজনৈতিক সমাজতত্ত্ৱৰ অৰ্থ কি?

প্ৰশ্ন নং ২ ঃ- ৰাজনৈতিক সমাজতত্ত্ৱৰ তাৎপৰ্য ব্যাখ্যা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন- (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ- ৰাজনৈতিক সমাজতত্ত্ৱৰ প্ৰকৃতি আৰু পৰিসৰ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ- ৰাজনৈতিক সমাজতত্ত্ৱৰ বিকাশ ব্যাখ্যা কৰক।

*****

অধ্যায় ২ ঃ ৰাজনৈতিক সমাজতত্ত্বৰ অৱধাৰণা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ৰাষ্ট্ৰ

২.৩.১ ৰাষ্ট্ৰঃ অর্থ আৰু সংজ্ঞা

২.৩.২ ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কীয় সূত্ৰ

২.৪ নাগৰিক সমাজ

২.৪.১ নাগৰিক সমাজৰ কার্যাৱলী

২.৫ আমোলাতন্ত্ৰ

২.৫.১ আমোলাতন্ত্ৰৰ বৈশিষ্ট্য

২.৬ ৰাজনৈতিক ব্যৱস্থা

২.৬.১ ৰাজনৈতিক ব্যৱস্থাৰ বৈশিষ্ট্য

২.৬.২ ৰাজনৈতিক ব্যৱস্থাৰ ৰূপ

২.৭ ৰাজনৈতিক অর্থনীতি

২.৮ ৰাজনৈতিক দল

২.৮.১ অর্থ আৰু সংজ্ঞা

২.৮.২ ইয়াৰ কার্যাৱলী আৰু প্ৰকাৰ

২.৯ প্ৰভাৰ গোষ্ঠী

২.৯.১ প্ৰভাৰ গোষ্ঠীৰ কার্যাৱলী

২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১১ অধিক জানিবলৈ

২.১২ অগ্ৰগতিৰ খতিয়ান

২.১৩ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাজনৈতিক সমাজতত্ত্বৰ সৈতে সম্পৰ্কিত সূত্ৰসমূহ নির্ধাৰণ কৰিব পাৰিব
- ৰাজনৈতিক সমাজতত্ত্বৰ প্ৰতিটো সূত্ৰৰ গুৰুত্ব বিশ্লেষণ কৰিব পাৰিব
- সূত্ৰসমূহৰ মাজৰ আন্তঃসম্পৰ্ক আৰু পৰস্পৰনির্ভৰশীলতা ব্যাখ্যা কৰিব পাৰিব
- সামাজিক কাঠামোৰ ভিতৰত প্ৰতিটো সূত্ৰৰ কার্য বর্ণনা কৰিব পাৰিব।

২.২ পৰিচয়

ৰাষ্ট্ৰ, অভিজাত, ক্ষমতা, কৰ্তৃত্ব, নাগৰিক সমাজ, আমোলাতন্ত্ৰ, ৰাজনৈতিক ব্যৱস্থা, ৰাজনৈতিক অৰ্থনীতি, ৰাজনৈতিক দলৰ লগতে চাপ গোট আদিৰ সূত্ৰ হৈছে ৰাজনৈতিক সমাজতত্ত্বৰ মূল আলোচ্য বিষয়। এই অধ্যায়টিত আমি ওপৰত উল্লেখ কৰা অৱধাৰণা সমূহ আলোচনা কৰিম।

২.৩ ৰাষ্ট্ৰ (STATE)

২.৩.১ ৰাষ্ট্ৰ ঃ অৰ্থ আৰু সংজ্ঞা

ৰাজনৈতিক সমাজতত্ত্বৰ আলোচনাৰ মূল কেন্দ্ৰ হৈছে ৰাষ্ট্ৰ। ৰাষ্ট্ৰক ইয়াৰ ভিন্নধৰ্মী কাৰ্যক্ৰমনিকাৰ ফালৰ পৰা অধ্যয়ন কৰা প্ৰয়োজনীয়তা আছে। প্ৰথমে ৰাজনৈতিক সমাজতত্ত্বৰ সূত্ৰৰূপে আমি ৰাষ্ট্ৰৰ বিভিন্ন সংজ্ঞা আলোচনা কৰিম।

এৰিষ্টটলৰ মতে, ৰাষ্ট্ৰ হৈছে 'নিখুঁত আৰু স্ব-নিৰ্ভৰশীল জীৱনৰ বাবে গঠিত পৰিয়াল আৰু গাঁৱৰ সমূহ যাৰ জৰিয়তে আমি এক সুখী আৰু সন্মানজনক জীৱন লাভ কৰিব পাৰো।'

উইড্ৰ'উইলছন (Widrow Wilson) ৰ মতে, 'ৰাষ্ট্ৰ হৈছে এক নিৰ্দিষ্ট ক্ষেত্ৰৰ ভিতৰত আইনৰ বাবে সংগঠিত জনতা।'

বাৰ্গেছ (Burgess) ৰ তুলি ধৰা ৰাষ্ট্ৰৰ সংজ্ঞা অনুসৰি, 'মানৱসমূহৰ এক নিৰ্দিষ্ট অংশ যাক সংগঠিত গোটৰূপে লক্ষ্য কৰিব পাৰি।'

আন এজন পণ্ডিত **ব্লাণ্টশ্লি** (Blunctschli) ৰ মতে 'ৰাষ্ট্ৰ হৈছে এক নিৰ্দিষ্ট ক্ষেত্ৰৰ ৰাজনৈতিকভাৱে সংগঠিত জনতা।'

লাস্কিয়ে তুলি ধৰা সংজ্ঞা অনুসৰি ৰাষ্ট্ৰ হৈছে 'এক ক্ষেত্ৰ সমাজ যাক চৰকাৰ আৰু দাবী কৰা প্ৰজা ৰূপে বিভক্ত কৰিব পাৰি, ইয়াৰ নিৰ্দিষ্ট এলেকাৰ ভিতৰত অন্যান্য অনুষ্ঠানসমূহৰ ওপৰত প্ৰভুত্ব থাকে। পৰৱৰ্তী সময়ত ফিলিমোৰে মন্তব্য কৰে যে ৰাষ্ট্ৰ হৈছে স্থায়ীভাৱে দখল কৰি থকা এক নিৰ্দিষ্ট এলেকা, সমূহীয়া আইন, অভ্যাস আৰু ৰীতিৰে একে ৰাজনীতিৰ দ্বাৰা বান্ধ খাই থকা, এক সংগঠিত চৰকাৰ স্বতন্ত্ৰ সাৰ্বভৌমত্বৰ মাজেৰে কাৰ্যনিৰ্বাহ কৰা আৰু ইয়াৰ পৰিসীমাৰ ভিতৰত সকলো ব্যক্তি আৰু বস্তুৰ ওপৰত নিয়ন্ত্ৰণ থকা, যুদ্ধ আৰু শান্তিৰ লগতে বিশ্বৰ সকলো সমূদায়ৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ সিদ্ধান্ত ল'বলৈ সক্ষম জনতা।'

ৰাজনৈতিক বিজ্ঞানত ৰাষ্ট্ৰ সূত্ৰক প্ৰায়ে চৰকাৰ, সংঘ আৰু ইয়াৰ সৈতে সম্পৰ্কিত সংজ্ঞাৰ সৈতে একে অৰ্থত ব্যৱহাৰ কৰা হয়। অৱশ্যে ৰাষ্ট্ৰৰ ধাৰণাক প্ৰায়ে সাধাৰণভাৱে প্ৰতিষ্ঠিত ৰাজনৈতিক অনুশীলন আৰু ৰাজনৈতিক বিশ্লেষণৰ বিষয়বস্তুৰূপে গ্ৰহণ কৰা হয়। প্ৰাচীন গ্ৰীচৰ নগৰ ৰাষ্ট্ৰসমূহ আছিল সংগঠিত ৰাজনৈতিক গোটৰূপে ৰাষ্ট্ৰৰ প্ৰথম উদাহৰণ। সেইদৰে প্ৰাচীন

গ্ৰীচ আৰু ৰোমৰ নগৰ-ৰাষ্ট্ৰৰ লগতে ৰেনেছাঁৰ নগৰ ইটালীত অধিক সংগঠিত গোটৰূপে 'আধুনিক ৰাষ্ট্ৰ'ৰ আধাৰশিলা স্থাপন কৰা হৈছিল।

আনহাতে ৰাজনৈতিক সমাজতত্ত্ব ৰাষ্ট্ৰৰ সামাজিক দিশ বুজাৰ লগতে ইয়াৰ দ্বাৰা ৰাষ্ট্ৰ আৰু এনে ধৰণৰ অন্য সংগঠনৰ মাজত পাৰ্থক্য নিৰ্ধাৰণৰ চেষ্টা কৰিছে। আধুনিক ৰাষ্ট্ৰ আৰু ধ্ৰুপদী ৰাষ্ট্ৰ উভয় ৰূপেই একে সময়তে মানৱৰ কাৰ্যাৱলীক উৎসাহ আৰু বাধা প্ৰদান কৰিব পাৰে। ৰাষ্ট্ৰই ন্যস্ত কৰা ক্ষমতাই মানৱ জীৱনক ভিন্ন ক্ষেত্ৰত প্ৰভাৱিত কৰিব পাৰে। ব্যক্তিসমূহৰ জীৱনত দমনমূলক সংস্থাৰূপে ৰাষ্ট্ৰৰ প্ৰতি এক সংশয়মূলক ভাৱেই হৈছে সাধাৰণ প্ৰৱণতা। অন্যহাতে একে সময়তে ৰাষ্ট্ৰই বিভিন্ন ব্যৱস্থাৰে বৃহত্তৰ প্ৰেক্ষাপটত আৰু বিশেষভাৱে নাগৰিকসকলৰ জীৱনত সমৃদ্ধি সাধন কৰে।

ৰাষ্ট্ৰৰ ভূমিকাৰ বিষয়ে আলোচনা কৰোতে আমি ইয়াৰ উৎপত্তিৰ ওপৰত গুৰুত্ব দিব লাগিব। গ্ৰীকসকলে 'পলিচ' অৰ্থাৎ ৰাষ্ট্ৰ শব্দটো ব্যৱহাৰ কৰিছিল নগৰ ৰাষ্ট্ৰসমূহক বুজাবলৈ। অনুৰূপ ধৰণে ৰাজনীতি বিজ্ঞানত ৰাষ্ট্ৰৰ অৱধাৰণা প্ৰথম ব্যৱহাৰ কৰিছিল নিক'ল' মেকিয়াভেলিয়ে। ক্ৰমাৎ এই সূত্ৰ কৰ্তৃত্ব, ক্ষমতা আদি দিশৰ সৈতে অধিক নিৰপেক্ষ ধৰণে সম্পৰ্কিত হ'বলৈ ধৰিলে।

ৰাষ্ট্ৰৰ চাৰিটা প্ৰধান উপাদান অথবা কাৰক হৈছে চৰকাৰ, সাৰ্বভৌমত্ব, জনসংখ্যা, ক্ষেত্ৰ। এইকেইটা হৈছে এনে আধাৰশিলা যাৰ ওপৰত ৰাষ্ট্ৰই ইয়াৰ অস্তিত্ব আৰু ধাৰাবাহিকতাৰ বাবে নিৰ্ভৰ কৰে। অন্য সংগঠনৰ পৰা ৰাষ্ট্ৰক পৃথক কৰাত এই কাৰকসমূহে সহায় কৰে। এইসমূহ কাৰকৰ বাহিৰেও সামাজিক কাৰকেও ৰাষ্ট্ৰৰ প্ৰকৃতি আৰু সংৰচনাক ৰূপ দিয়ে। আমেৰিকান আৰু ফৰাচী বিপ্লৱ এই দুই বিপ্লৱে ৰাষ্ট্ৰৰ গণতান্ত্ৰিক সংৰচনা গঢ়ি উঠাৰ বাট প্ৰশস্ত কৰে যিহেতু এই বিপ্লৱে নাগৰিকসকলক নিজৰ অধিকাৰ সন্দৰ্ভত সজাগ কৰি একনায়কত্ববাদী শাসনৰ ওৰ পেলায়।



একনায়কত্ববাদী শাসন মানে হৈছে এজন ব্যক্তিৰ শাসন যাৰ অপৰিসীম ক্ষমতা থাকে।

২.৩.২ ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কীয় সূত্ৰ (Theories Related to Nature of the State)

এই পৰ্যন্ত আমি ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় সূত্ৰসমূহ আলোচনা কৰিলো। পিছে যেতিয়া ৰাষ্ট্ৰৰ প্ৰকৃতিৰ বিষয়ে উল্লেখ কৰো এইক্ষেত্ৰতো বহুকেইটা সূত্ৰ আছে। ইয়াৰে বহল তিনিটা সূত্ৰ হৈছেঃ

- **উদাৰমূলক সূত্ৰ (The Liberal Theory) ঃ** উদাৰবাদৰ ধাৰণাৰ আধাৰত এই সূত্ৰ গঢ়ি উঠিছে। এই সূত্ৰৰ প্ৰৱক্তাসকলৰ মতে ব্যক্তিসকলৰ স্বাৰ্থক সুৰক্ষাৰ দিবৰ বাবে চৰকাৰৰ প্ৰয়োজন। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰে ব্যক্তি স্বাধীনতাত হস্তক্ষেপ কৰি ইয়াৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব পাৰে। এই সূত্ৰই ব্যক্তিৰ স্বাধীন ইচ্ছাৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে কিছু ক্ষেত্ৰত ব্যক্তিবাদৰ সৈতেও জড়িত। উদাৰমূলক সূত্ৰক 'কল্যাণকামী ৰাষ্ট্ৰৰ সূত্ৰ', 'সংশোধনবাদী' অথবা

'সংশোধনমূলক উদাৰবাদ' বুলিও জনা যায়।

- **মার্ক্সবাদী সূত্ৰ (The Marxist Theory) ঃ** এই সূত্ৰ ৰাষ্ট্ৰৰ উদাৰবাদী সূত্ৰৰ সম্পূৰ্ণ বিপৰীত। উদাৰবাদী সূত্ৰই ৰাষ্ট্ৰক গুৰুত্বপূৰ্ণ আৰু অনিবাৰ্য বুলি বিবেচনা কৰাৰ বিপৰীতে মাৰ্ক্সবাদী সূত্ৰই ৰাষ্ট্ৰক সম্পূৰ্ণভাৱে নাকচ কৰিছে। এই সূত্ৰ 'সংঘৰ্ষ মডেল'ৰ ওপৰত ভিত্তি কৰি সৃষ্টি হোৱা য'ত ৰাষ্ট্ৰই অধিকাংশ লোকৰ বিপৰীতে শাসকীয় শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰে বুলি পূৰ্বধাৰণা কৰা হয়। শাসকীয় শ্ৰেণীৰ হাতৰ আহিলা ৰূপে ৰাষ্ট্ৰক লক্ষ্য কৰা হয়। মাৰ্ক্সবাদী সূত্ৰৰ মতে ৰাষ্ট্ৰৰ সংৰচনাৰ অবিহনে অধিংকাশ লোকৰ(বা কৰ্মীশ্ৰেণীৰ) অধিকাৰ ৰক্ষা কৰিবলৈ এখন শ্ৰেণীহীন সমাজ স্থাপন কৰা প্ৰয়োজন। মাৰ্ক্সবাদী সূত্ৰই শাসক শ্ৰেণী আৰু কৰ্মী শ্ৰেণীৰ সংঘৰ্ষক স্বীকাৰ কৰে আৰু সেইবাবে এই সূত্ৰই ব্যক্তিগত সম্পদ আৰু শ্ৰেণী ব্যৱস্থাক সমাজৰ পৰা নিৰ্মূল কৰাটো গুৰুত্বপূৰ্ণ বিবেচনা কৰে। মাৰ্ক্সবাদী সূত্ৰই ৰাষ্ট্ৰৰ ধাৰণাক অগ্ৰাহ্য কৰি শ্ৰেণীহীন সমাজৰ পোষকতা কৰে যাতে সংখ্যালঘূ হ'লেও সকলো নাগৰিকৰ স্বাৰ্থ ৰক্ষা হয়।
- **গান্ধীবাদী সূত্ৰ (The Gandhian Theory) ঃ** মহাত্মা গান্ধীয়ে নাগৰিকসকলক সিদ্ধান্ত গ্ৰহণত প্ৰয়োজনীয় স্বাধীনতা প্ৰদান কৰি ৰাষ্ট্ৰৰ সংক্ষিপ্ত ভূমিকাত বিশ্বাস কৰিছিল। গান্ধীবাদী সূত্ৰই ৰাষ্ট্ৰৰ ক্ষমতাৰ বিকেন্দ্ৰীকৰণত গুৰুত্ব প্ৰদান কৰিছিল। গাঁওসমূহক স্ব প্ৰজাতন্ত্ৰ বিবেচনা কৰা হৈছিল। গান্ধীবাদী সূত্ৰই ব্যক্তিবাদৰ পোষকতা কৰা নাছিল। ইয়াৰ পৰিৱৰ্তে এই সূত্ৰই চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সম্প্ৰদায়সমূহক অন্তৰ্ভুক্ত কৰাত গুৰুত্ব প্ৰদান কৰিছিল। মহাত্মা গান্ধী আছিল ৰাষ্ট্ৰৰ হস্তক্ষেপমূলক ভূমিকাৰ বিৰোধী। তেওঁ 'স্বৰাজ্য' ক ৰাষ্ট্ৰৰ আদৰ্শমূলক ৰূপ বুলি গ্ৰহণ কৰিছিল। স্বৰাজ্য হৈছে ৰাষ্ট্ৰ পৰিচালনাত নিজৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ অধিকাৰৰ বিষয়ে জ্ঞাত তথা সচেতন নাগৰিকসকলৰ স্ব শাসন অথবা স্ব চৰকাৰ।

২.৪ নাগৰিক সমাজ (CIVIL SOCIETY)

1980 চনৰ পৰা নাগৰিক সমাজৰ ধাৰণাই গতি লাভ কৰে। নাগৰিক সমাজৰ প্ৰতি শেহতীয়াকৈ প্ৰদান কৰা গুৰুত্বৰ উৎস হৈছে সামাজিক আন্দোলন অথবা ৰাষ্ট্ৰৰ বিৰুদ্ধে ব্যক্তিৰ অসন্তোষ। নাগৰিক সমাজ হৈছে সম্প্ৰদায় আৰু ৰাষ্ট্ৰৰ মাজত থকা ৰিক্ত স্থান।

বিশ্বৰ বিভিন্ন প্ৰান্তত সামবাদী আৰু পুঁজিবাদী উভয় প্ৰকাৰৰ চৰকাৰৰ বিফলতাৰ ফলতে নাগৰিক সমাজৰ ধাৰণা জনপ্ৰিয় হ'বলৈ ধৰে। বহু গৱেষক আৰু বিদ্বানৰ মতে নাগৰিক সমাজ হৈছে গণতন্ত্ৰৰ মূল ভেঁটি। নাগৰিক সমাজ ব্যক্তিগত অথবা ঘৰুৱা ভিত্তিক কাৰ্যসূচীৰ পৰিৱৰ্তে ৰাজহুৱা জীৱনৰ সৈতে অধিক জড়িত। স্বেচ্ছাসেৱী সংগঠন, গণমাধ্যম, পেছাদাৰী সংগঠন, ট্ৰেড ইউনিয়ন আদিত ৰাইজৰ অংশগ্ৰহণক নাগৰিক সমাজৰ সৈতে প্ৰায় সম্পৰ্কিত কৰা হয়। নাগৰিক সমাজৰ আভ্যন্তৰীণ অংশৰূপে জড়িত নাগৰিকসকলৰ ক্ষেত্ৰত বাক স্বাধীনতাক এক

গুৰুত্বপূৰ্ণ অধিকাৰ বুলি গণ্য কৰা হয়। অৱশ্যে এই ক্ষেত্ৰত ৰাষ্ট্ৰৰ চৰম ক্ষমতাক স্বীকৃতি দিয়া পাৰ্থক্য হৈছে নাগৰিক সমাজৰ ধাৰণা কেৱল সামন্ততান্ত্ৰিক সমাজৰ ভাঙোনৰ পৰা সৃষ্টি হৈছে। ৰাষ্ট্ৰই উপভোগ কৰা চৰম ক্ষমতাক নাগৰিক সমাজে প্ৰত্যাখান কৰাৰ চেষ্টা কৰিছে।

জন লক (John Locke) [1632-1704] য়ে ৰাষ্ট্ৰৰ বিষয়সমূহক নাগৰিক সমাজৰ পৰা পৃথক কৰাত গুৰুত্ব প্ৰদান কৰিছে। কার্ল মার্ক্সৰ মতে, নাগৰিক সমাজ অথবা তেনে ধৰণৰ গোটৰ কেৱল পুঁজিবাদী শ্ৰেণীৰ সৈতে বিকাশ হয়।

কিয়েন (Keane) [1998] য়ে লিখা অনুসৰি সমাজ হৈছে, ৰাষ্ট্ৰৰ প্ৰশাসনীয় অনুষ্ঠানৰ পৰা পৃথক বজাৰৰ আদান প্ৰদান, দাতব্য গোট, ক্লাৱ আৰু স্বেচ্ছাসেৱী সংগঠন, স্বতন্ত্ৰ গীৰ্জাঘৰ আৰু প্ৰকাশন গৃহৰ এক সামাজিক জীৱনৰ পৰিসীমা।

এলেকজেণ্ডাৰ ডে টকুভাইলে (Alexander de Tocqueville) স্বতন্ত্ৰ সংস্থাৰ বিকাশত গুৰুত্ব প্ৰদান কৰিছিল যাতে নাগৰিক সমাজৰ প্ৰকৃত গুণৰ বিকাশ হয়। আনহাতে গ্ৰামস্কিয়ে নাগৰিক সমাজক তৰ্ক আৰু ধাৰণা-অৱধাৰণাৰ আলোচনা, মূল্যবোধ আৰু অৰ্থ নিৰূপণৰ মঞ্চ ৰূপে বিবেচনা কৰিছিল।

২.৪.১ নাগৰিক সমাজৰ কাৰ্যাৱলী (Functions of Civil Society)

জাৰ্মান ৰাজনৈতিক বিজ্ঞানী **মাৰ্কেল** আৰু **লৱেথৰ** কাৰ্যকৰী মডেল (Function Model) ৰ মতে নাগৰিক সমাজৰ ৫টা অত্যাৱশ্যকীয় কাৰ্য আছে। এইসমূহ হৈছে—

- নাগৰিক সমাজে নাগৰিকসকলৰ অধিকাৰ আৰু ব্যক্তিগত জীৱনক সুৰক্ষা প্ৰদান কৰিব লাগে।
- নাগৰিক সমাজ ৰাষ্ট্ৰ আৰু নাগৰিক মাজৰ মধ্যস্থতাকাৰী হ'ব লাগিব।
- গণতন্ত্ৰৰ এক অবিচ্ছেদ্য অংগৰূপে নাগৰিক সমাজে নাগৰিকসকলক তেওঁলোকৰ অধিকাৰ আৰু দায়িত্বৰ বিৰুদ্ধে সচেতন কৰি তুলিব লাগে।
- সম্প্ৰদায় নিৰ্মাণ আৰু সংহতি ৰক্ষাৰ ক্ষেত্ৰত নাগৰিক সমাজে সহায় কৰে।
- গণতান্ত্ৰিক ব্যৱস্থাত নাগৰিক সমাজে ৰাজহুৱা মত বিনিময়ৰ মঞ্চৰূপে কাৰ্য কৰে। লগতে ই তৰ্ক আৰু বিভিন্ন ধাৰণা তথা ৰাইজৰ বিষয়সমূহ আলোচনা কৰাৰো মঞ্চ প্ৰদান কৰে।

  গতিকে নাগৰিক সমাজ ৰাষ্ট্ৰ আৰু ৰাজনৈতিক পৰিসীমাৰ পৰা স্বতন্ত্ৰ কিন্তু ইয়াৰ সৈতে অন্তৰংগভাৱে যোগাযোগ ৰক্ষা কৰি চলে।

  নাগৰিক সমাজৰ বিষয়ে আলোচনা কৰাৰ পিছত এইবাৰ ৰাজনৈতিক সমাজশাস্ত্ৰৰ আন এক গুৰুত্বপূৰ্ণ অৱধাৰণা আমোলাতন্ত্ৰৰ বিষয়ে আলোচনা কৰিম।

২.৫ আমোলাতন্ত্ৰ (BUREAUCRACY)

সমাজতত্ত্বৰ অক্সফৰ্ড অভিধান (Oxford Dictionary)ৰ মতে আমোলাতন্ত্ৰ হৈছে প্ৰশাসনীয় বিষয়াৰ গোট তথা প্ৰশাসনৰ এক নিৰ্দিষ্ট ব্যৱস্থাৰ সৈতে জড়িত প্ৰক্ৰিয়া আৰু কাৰ্য, উদাহৰণস্বৰূপে এখন ৰাষ্ট্ৰ অথবা আনুষ্ঠানিক সংগঠন। আমোলাতন্ত্ৰ সংজ্ঞাৰ আক্ষৰিক অৰ্থ হৈছে ডেস্ক অথবা কাৰ্যালয়ৰ শাসন।

মেক্স ৱেবাৰে (Max Weber) আমোলাতান্ত্ৰিক সংগঠনক উচ্চস্তৰত বিকশিত শ্ৰম বিভাজনৰ মঞ্চ ৰূপে লক্ষ্য কৰিছিল। কাৰ্ল মাক্সৰ মতে আমোলাতন্ত্ৰ হৈছে ৰাষ্ট্ৰ প্ৰশাসনৰ এনে আহিলা যাৰ জৰিয়তে শাসক শ্ৰেণীক দমন আৰু নিয়ন্ত্ৰণ কৰা হয়। মাক্সৰ মতে প্ৰকৃততে আমোলাতন্ত্ৰক পুঁজিবাদী স্বাৰ্থক বিৰোধিতা কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত আমোলাতন্ত্ৰই সাধাৰণ জনতাৰ পৰিৱৰ্তে কেইজনমান মুষ্টিমেয় লোকৰ স্বাৰ্থৰক্ষাৰ বাবে সেৱা আগবঢ়াবলৈ লয়।

পূৰ্বৱৰ্তী শাখাত শিতানত আমি তৰ্কসংগত-বৈধ কৰ্তৃত্বৰ বিষয়ে আলোচনা কৰিছিলো। আমোলাতন্ত্ৰ হৈছে এই ধৰণৰ কৰ্তৃত্বৰে প্ৰতিফলন। আধুনিক সমাজত আমোলাতান্ত্ৰিক সংগঠনৰ দমনৰ ফলত সমাজ সংগঠনৰ বাবে আনুষ্ঠানিক যুক্তিযুক্ততাৰ প্ৰভাৱশীলতা বৃদ্ধি হৈছে।

২.৫.১ আমোলাতন্ত্ৰৰ বৈশিষ্ট্য (Characterisitics of Bureaucracy)

ৱেবাৰে আমোলাতন্ত্ৰৰ কেতবোৰ আদৰ্শগত বৈশিষ্ট্য আঙুলীয়াই দেখুৱাইছে। তেওঁ এনে ধৰণৰ আদৰ্শগত প্ৰকাৰৰ সংগঠনৰ বিষয়ে ব্যাখ্যা কৰিছে যাক তেওঁ 'আমোলাতন্ত্ৰ' বুলি অভিহিত কৰিছে। ৱেবাৰে উল্লেখ কৰা আমোলাতন্ত্ৰৰ এনে 'আদৰ্শগত প্ৰকাৰ'ৰ বৈশিষ্ট্যসমূহ হৈছে-

- আমোলাতান্ত্ৰিক সংগঠন কঠিন নীতি-নিয়মেৰে পৰিচালিত হয়। এই নিয়মসমূহ নৈৰ্ব্যক্তিক আৰু নিৰপেক্ষ।
- এটা আমোলাতান্ত্ৰিক সংগঠনত সদস্যসকলৰ কাৰ্যাৱলী স্পষ্টভাৱে নিৰ্ধাৰণ কৰা থাকে। আমোলাতন্ত্ৰত শ্ৰমৰ স্পষ্ট আৰু পৰিষ্কাৰ বিভাজন থাকে।
- আমোলাতান্ত্ৰিক পদ্ধতিত পদৰ অনুক্ৰম থাকে। এজন নেতা অথবা আমোলাতান্ত্ৰিক মুৰব্বীৰ অধীনত বহুকেইজন সহযোগী থাকে যিসকলৰ অধীনতো বহুত কেইজন সহযোগী থাকে।
- নিয়ন্ত্ৰণৰ ক্ষেত্ৰতো নিৰ্দিষ্ট নিয়ম থাকে। জ্যেষ্ঠ বিষয়াই তেওঁৰ কনিষ্ঠসকলক নিয়ন্ত্ৰণ কৰে। এনে ধৰণৰ নিয়ন্ত্ৰণৰ অধিকাৰ বিষয়াজনে ব্যক্তিগত গুণৰ বাবে নহয় বৰঞ্চ ইতিমধ্যে প্ৰৱৰ্তন কৰা নীতি-নিয়মৰ বাবেহে লাভ কৰে।
- আমোলাতান্ত্ৰিক গাঁথনিত প্ৰশাসক আৰু স্বত্বাধিকাৰীৰ বিভাজন থাকে।
- ইয়াত কোনো একছেটিয়া নিয়ন্ত্ৰণ নাথাকে কাৰণ কোনো ব্যক্তি অদক্ষ বুলি

প্ৰমাণিত হ'লে তেওঁক আঁতৰাই দিয়া অথবা নিলম্বিত কৰাৰ সম্ভাৱনা থাকে।

- আমোলাতান্ত্ৰিক সংগঠনত নীতি-নিয়মসমূহ মৌখিকভাৱে প্ৰৱৰ্তন কৰাৰ পৰিৱৰ্তে এইসমূহ লিখিত ৰূপত গ্ৰহণ কৰা হয় যাতে কোনো অস্পষ্ট ধাৰণা নাথাকে অথবা নিয়মৰ দুৰ্ব্যৱহাৰ নহয়। ইয়াৰ দ্বাৰা আমোলাতান্ত্ৰিক সংগঠনৰ মসৃণ পৰিচালনা নিশ্চিত কৰা হয়।



অনুশীলনী ২.২

উদাহৰণৰ সহায়ত এটা আমোলাতান্ত্ৰিক সংগঠনৰ কাৰ্য পৰিচালনা ব্যাখ্যা কৰক।

.....

.....

.....

২.৬ ৰাজনৈতিক ব্যৱস্থা (POLITICAL SYSTEM)

ৰাজনৈতিক ব্যৱস্থাৰ ধাৰণাক বুজিবলৈ হ'লে পদ্ধতিগত দৃষ্টিভংগী (Systems Approach)ৰ সহায় ল'ব লাগিব। পদ্ধতিগত দৃষ্টিভংগীৰ মূল বিষয়বস্তু হৈছে যে সকলো সামাজিক, ৰাজনৈতিক পৰিঘটনা একত্ৰিতভাৱে পৰস্পৰ নিৰ্ভৰশীল। গতিকে সমাজৰ এটা দিশ নুবুজাকৈ আন এটা দিশ বুজাটো সম্ভৱ নহয়। উদাহৰণস্বৰূপে আইন কেনেদৰে প্ৰণয়ন হয় সেইকথা জানিবলৈ আমি বিধায়িনী ব্যৱস্থাক ভালদৰে জানিব লাগিব।

ৰাজনৈতিক সমাজতত্ত্বত ৰাজনৈতিক ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ আভ্যন্তৰীণ স্থান দখল কৰি আছে। ৰাজনৈতিক ব্যৱস্থা সামাজিক সংগঠনৰ সদস্যসকলৰ সৈতে সম্পৰ্কিত। কেতবোৰ উপ ব্যৱস্থাৰে ই গঠন হৈছে যিয়ে কেতবোৰ নিৰ্দিষ্ট কাৰ্য সম্পাদন কৰে। ৰাজনৈতিক ব্যৱস্থা ৰাষ্ট্ৰৰ পৰা ভিন্ন। এটা ক্ষেত্ৰ আৰু ইয়াৰ ব্যক্তিসকলৰ ওপৰত ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বক প্ৰমাণ কৰে ৰাজনৈতিক ব্যৱস্থাই। আনহাতে ইতিহাসৰ বিভিন্ন সময়ত এখন ৰাষ্ট্ৰত বিভিন্ন ধৰণৰ ৰাজনৈতিক ব্যৱস্থা থাকিব পাৰে।

মেক্স ৱেবাৰৰ মতে, ৰাজনৈতিক ব্যৱস্থা হৈছে এক মানৱ সমূদায় যিয়ে এক নিৰ্দিষ্ট এলেকাৰ ভিতৰত সামৰিক শক্তিৰ বৈধ প্ৰয়োগৰ ক্ষেত্ৰত সফলতাৰে একচ্ছত্ৰী অধিকাৰ দাবী কৰে।

ডেভিদ ইষ্টন (David Easton)ৰ মতে ৰাজনৈতিক ব্যৱস্থা হৈছে যিকোনো সমাজত আদান-প্ৰদানৰ পদ্ধতি, যাৰ মাধ্যমত মূল্যবোধৰ বান্ধোন আৰু কৰ্তৃত্বমূলক আৱণ্টন সৃষ্টি আৰু প্ৰৱৰ্তন হয়।

গেব্ৰিয়েল এ আলমণ্ড (Gabriel A. Almond) আৰু জেমছ এছ ক'লমেনে (James S. Coleman) ৰাজনৈতিক ব্যৱস্থাক সমাজত প্ৰচলিত পদ্ধতিৰ ৰক্ষণা-বেক্ষণ আৰু সংস্কাৰ

সাধনৰ বৈধ নির্দেশনাৰূপে ব্যাখ্যা কৰিছে।

ৰ্বাট এ ডেল (Robert A. Dahl) ৰ মতে, এক ৰাজনৈতিক ব্যৱস্থা হৈছে মানৰ সম্পর্কৰ যিকোনো ধাৰাবাহিক পদ্ধতি য'ত এক গুৰুত্বপূর্ণ পর্যায়লৈ ক্ষমতা, শাসন আৰু কর্তৃত্ব জড়িত হৈ থাকে।

২.৬.১ ৰাজনৈতিক ব্যৱস্থাৰ বৈশিষ্ট্য (Characteristics of Political System)

গেব্রিয়েল এ আলমণ্ডৰ মতে ৰাজনৈতিক ব্যৱস্থাৰ চাৰিটা বৈশিষ্ট্য আছে-

- প্রকৃতিগতভাৱে ৰাজনৈতিক ব্যৱস্থা সার্বজনীন। আদিম অথবা আধুনিক, উন্নত অথবা উন্নয়নশীল প্রতিখন সমাজতে ৰাজনৈতিক ব্যৱস্থা থকা দেখা যায়।
- ৰাজনৈতিক ব্যৱস্থাৰ কার্যাৱলীৰ ক্ষেত্রতো সার্বজনীনতা দেখা যায়।
- সকলো ধৰণৰ ৰাজনৈতিক সংৰচনা, লাগে সেয়া আদিম সমাজতে অথবা আধুনিক সমাজতে হওক বহুমুখী কার্যক্ষমতাসম্পন্ন হয়। এটা ৰাজনৈতিক ব্যৱস্থাই প্রকাৰ আৰু বিশেষত্ব নির্বিশেষে বিভিন্ন দিশত কার্য কৰিবলৈ সক্ষম হয়।
- সাংস্কৃতিক দিশত ৰাজনৈতিক ব্যৱস্থাসমূহ মিশ্রিত প্রকাৰৰ হয়। ইয়াত আধুনিক সমাজৰ কেতবোৰ উপাদানৰ লগতে আদিম সময়ৰো উপাদান নিহিত হৈ থাকে।

ৰাইজৰ প্রয়োজন আৰু তেওঁলোকৰ ওচৰত উপলব্ধ অর্থনৈতিক সম্পদৰ ওপৰত নির্ভৰ কৰি এই পর্যন্ত বহু ধৰণৰ ৰাজনৈতিক ব্যৱস্থা থকা দেখা যায়। কোনো ৰাজনৈতিক ব্যৱস্থা মুক্ত অথবা বন্ধ প্রকৃতিৰ হ'ব পাৰে। এক মুক্ত ব্যৱস্থাত ভৱিষ্যতে নীতি-নিয়মসমূহৰ পৰিৱর্তন সাধন কৰাৰ সম্ভাৱনা থাকে। সদস্যসকলৰ প্রয়োজন পূৰণ কৰাৰ ক্ষেত্রত এই ব্যৱস্থা অধিক মুক্ত প্রকৃতিৰ হয়। আনহাতে বন্ধ প্রকৃতিৰ ৰাজনৈতিক ব্যৱস্থাত বর্হিমুখী পৰিৱর্তনৰ পদ্ধতি অধিক কঠিন হয়। এটা বন্ধ প্রকৃতিৰ ৰাজনৈতিক ব্যৱস্থা নতুন ধৰণৰ নীতি-নিয়ম গ্রহণ কৰাত বিশ্বাসী নহয়।

২.৬.২ ৰাজনৈতিক ব্যৱস্থাৰ ৰূপ (Forms of Political Systems)

- **গণতন্ত্র** (Democracy) ঃ এই ধৰণৰ ৰাজনৈতিক ব্যৱস্থাই নাগৰিকৰ পূর্ণ অংশগ্রহণৰ অনুমতি প্রদান কৰে। নেতা নির্বাচনৰ ক্ষেত্রত গণতন্ত্রই মুক্ত আৰু নিকা নির্বাচনৰ অনুমতি প্রদান কৰাৰ লগতে ক্ষমতাৰ কাৰণে প্রতিযোগিতাৰ এক ৰাজনৈতিক ব্যৱস্থাৰূপে কার্য কৰে। দুই ধৰণৰ গণতান্ত্রিক পদ্ধতি আছে প্রত্যক্ষ গণতন্ত্র আৰু প্রতিনিধিত্বমূলক গণতন্ত্র। প্রত্যক্ষ গণতন্ত্রত চৰকাৰী বিষয়ত নাগৰিকসকলে প্রধানকৈ অংশগ্রহণ কৰে। আনহাতে প্রতিনিধিত্বমূলক গণতন্ত্রত নাগৰিকসকলে প্রতিনিধি নির্বাচন কৰে আৰু তেওঁলোকে চৰকাৰী

প্ৰক্ৰিয়াত অংশ লয়।

- **গণৰাজ্য** (Republic) ঃ যিকোনো ধৰণৰ চৰকাৰ যি কৰ্তৃত্বমূলক অথবা ঐতিহ্যমূলক নহয় তাক গণৰাজ্য আখ্যা দিব পাৰি। গণৰাজ্যত চৰকাৰ নাগৰিকসকলৰ ওচৰত জৱাবদিহী হয়। কিছু ক্ষেত্ৰত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰক গণৰাজ্য আখ্যা দিয়া হয়।
- **ৰাজতন্ত্ৰ** (Monarchy) ঃ এনে ধৰণৰ ৰাজনৈতিক ব্যৱস্থাত এজন শাসকক সাধাৰণতে ৰাইজ অথবা তেওঁলোকৰ প্ৰতিনিধিয়ে নিৰ্বাচন নকৰে। চৰকাৰত ৰজাজনৰ কথাই শেষ কথা হয় তেওঁৰ শাসনকালৰ কোনো নিৰ্দিষ্ট সময়সীমা নাথাকে। তেওঁৰ ক্ষমতাদখলৰ ইচ্ছা যিমানদিনলৈ থাকে সিমানদিনলৈ অথবা আমৃত্যু তেওঁ শাসন কৰিব পাৰে।
- **সাম্যবাদ** (Communism) ঃ এনে ধৰণৰ ৰাজনৈতিক ব্যৱস্থাই শ্ৰেণীহীন সমাজৰ পোষকতা কৰে। চৰকাৰে উৎপাদনৰ পদ্ধতি নিয়ন্ত্ৰণ কৰি এক সমূহীয়া মালিকীস্বত্বৰ পদ্ধতি সৃষ্টি কৰে। এনে ধৰণৰ পদ্ধতিৰে ধনী-দুখীয়াৰ প্ৰভেদ নোহোৱা কৰাৰ লগতে ব্যক্তিগত সম্পত্তিৰ ধাৰণাক নিৰ্মূল কৰে।
- **একনায়কত্ববাদ** (Dictatorship) ঃ এয়া হৈছে এনে এক ৰাজনৈতিক ব্যৱস্থা য'ত ক্ষমতা এজন ব্যক্তি অথবা এটা পৰিয়ালৰ হাতত কেন্দ্ৰীভূত হৈ থাকে। যিজন ব্যক্তিয়ে নায়কৰ স্থান দখল কৰে তেওঁ নিজে শাসন কৰা সমাজখনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে কাৰ্য পৰিচালনাৰ পৰিৱৰ্তন সাধন কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নাগৰিক সমাজক ব্যাখ্য কৰক।

.....

.....

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক ব্যৱস্থাৰ ধাৰণা বুজিবলৈ কোনটো দৃষ্টিভংগীয়ে সহায় কৰে?

.....

.....

২.৭ ৰাজনৈতিক অৰ্থনীতি (Political Economy)

ৰাজনৈতিক অৰ্থনীতিত সাধাৰণতে কম-বেছি পৰিমানে অৰ্থনৈতিক প্ৰশ্নৰ বিষয়সমূহ জড়িত হৈ থাকে। অষ্টাবিংশ শতিকাৰ ফ্ৰান্স আৰু ইংলেণ্ডৰ নৱজাগৰণৰ পিছত এই বিষয়টোৰ উত্থান হয়। ৰাজনৈতিক অৰ্থনীতি সংজ্ঞাক আৰম্ভণিতে উৎপাদনৰ অধ্যয়ন, ক্ৰয়-বিক্ৰয়ৰ কাৰ্য আৰু ইয়াৰ সৈতে আইন, সীমাশুল্ক আৰু চৰকাৰৰ সম্পৰ্কক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল।

ৰাষ্ট্ৰৰ অৰ্থনীতি অধ্যয়ন কৰিবলৈ অষ্টাবিংশ শতিকাত এই ধাৰণাই গঢ় লৈ উঠে। ৰাজনৈতিক অৰ্থনীতিবিদ যেনে জন লক, আদাম স্মিথ, ডেভিদ ৰিকার্ড আৰু কার্ল মার্ক্সে মূল্যবোধৰ শ্ৰমসূত্ৰত গুৰুত্ব প্ৰদান কৰিছিল, এই সূত্ৰ অনুসৰি মূল্যবোধৰ প্ৰকৃত উৎস হৈছে শ্ৰম। ৰাজনৈতিক অৰ্থনীতিয়ে ইয়াৰ লগতে সামাজিক আৰু অৰ্থনৈতিক সম্পৰ্কত দিনক দিনে গুৰুত্ব বৃদ্ধি পোৱা প্ৰযুক্তিৰ বিকাশকো সামৰি লৈছে।

ৰাজনৈতিক অৰ্থনীতি হৈছে অৰ্থনৈতিক আৰু ৰাজনৈতিক আচৰণ অধ্যয়নৰ ভিন্ন ধৰণৰ অথচ সম্পৰ্কিত দৃষ্টিভংগী আৰু এয়া অনুসন্ধানৰ অন্য ক্ষেত্ৰৰ সৈতে অৰ্থনীতিক সংযুক্তকৰণৰ সৈতে যথেষ্ট পৃথক বিষয়। ৰাজনৈতিক অৰ্থনীতিক সাধাৰণতে অৰ্থনীতি, আইন আৰু ৰাজনীতি বিজ্ঞানৰ আন্তঃসম্পৰ্কীয় অধ্যয়নক বুজাবলৈ ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ দ্বাৰা ৰাজনৈতিক সংগঠন, ৰাজনৈতিক পৰিৱেশ আৰু পুঁজিবাদে ইটোৱে সিটোক কেনেকৈ প্ৰভাৱিত কৰে সেয়া জানিবলৈ চেষ্টা কৰা হয়। ৰাজনৈতিক অৰ্থনীতিয়ে মূলতঃ উৎপাদনৰ পদ্ধতি, নিৰ্দিষ্টভাৱে পুঁজি আৰু এইসমূহে কেনেদৰে অৰ্থনৈতিক প্ৰক্ৰিয়াৰ সৈতে জড়িত হয় সেয়া জানিবলৈ প্ৰয়াস কৰে।

পুৰণি ধাৰাৰ ৰাজনৈতিক অৰ্থনীতিবিদ আদাম স্মিথে ৰাজনৈতিক অৰ্থনীতিৰ সংজ্ঞা দাঙি ধৰিছে, জননেতা অথবা বিধায়কৰ বিজ্ঞানৰ এটা শাখা। এংগেলছৰ মতে ৰাজনৈতিক অৰ্থনীতিয়ে অস্তিত্ব ৰক্ষাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ উৎপাদন আৰু আদান প্ৰদানৰ নিয়মক অধ্যয়ন কৰে। আক্ষৰিক অৰ্থত এয়া হৈছে এনে অৰ্থনীতি যাৰ ব্যক্তিবিশেষৰ পৰিৱৰ্তে সম্প্ৰদায়, ৰাষ্ট্ৰ অথবা সামগ্ৰিকভাৱে সমাজৰ সৈতে সম্পৰ্ক থাকে। ৰাজনৈতিক অৰ্থনীতিয়ে ৰাজনৈতিক আদৰ্শক কেনেকৈ অৰ্থনৈতিক সূত্ৰ আৰু পদ্ধতিয়ে প্ৰভাৱিত কৰে সেই বিষয়ে অধ্যয়ন কৰে। অৰ্থনীতি, আইন আৰু ৰাজনীতিৰ মাজৰ সম্পৰ্ক আৰু বিভিন্ন ধৰণৰ সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থা যেনে পুঁজিবাদ, সমাজবাদ আৰু সাম্যবাদত কেনেকৈ সংগঠনসমূহ গঢ় লৈ উঠে তাৰ অধ্যয়নেই হৈছে ৰাজনৈতিক অৰ্থনীতি। কেনেকৈ ৰাজহুৱা আঁচনি নিৰ্মাণ আৰু বলৱৎ হয় সেয়া বিশ্লেষণ কৰে ৰাজনৈতিক অৰ্থনীতিয়ে। এয়া হৈছে অৰ্থনীতিৰ এনে এটা শাখা যিয়ে ৰাজনীতি আৰু অৰ্থনীতিৰ সংযোগে অৰ্থনীতিত কেনেদৰে প্ৰভাৱিত কৰে সেয়া লক্ষ্য কৰে। উদাহৰণস্বৰূপে শাসনত থকা ৰাজনৈতিক দলৰ ওপৰত নিৰ্ভৰ কৰি অৰ্থনীতিয়ে বিভিন্ন দিশলৈ গতি কৰিব পাৰে।

ৰাজনৈতিক অৰ্থনীতিৰ ওপৰত এই চমু আলোচনাৰ পিছত আমি এতিয়া ৰাজনৈতিক সমাজশাস্ত্ৰৰ মূল অৱধাৰণাৰূপে ৰাজনৈতিক দলৰ বিষয়ে আলোচনা কৰিম।

২.৮ ৰাজনৈতিক দল (POLITICAL PARTIES)

ৰাজনৈতিক সমাজতত্ত্বৰ বিষয়ে ভালদৰে বুজিবলৈ হ'লে ৰাজনৈতিক দলৰ বিষয়ে জানিব লাগিব। সমাজ আৰু চৰকাৰৰ মাজৰ এক গুৰুত্বপূৰ্ণ সংৰচনা হৈছে ৰাজনৈতিক দল। ৰাজনৈতিক দলসমূহে সমাজৰ সাধাৰণ ৰাইজ আৰু চৰকাৰৰ মাজত এক সংযোগৰূপে কাৰ্য কৰে। ৰাজনৈতিক দলৰ অস্তিত্ব অবিহনে গণতন্ত্ৰৰ কথা ভাবিব নোৱাৰি।

২.৮.১ অর্থ আৰু সংজ্ঞা (Meaning and Definition)

সময়ৰ সৈতে ৰাজনৈতিক দলৰ বিভিন্ন সংজ্ঞা আৰু বিশ্লেষণ থকা দেখা যায়।

ডেম'ক্রেচী এনচাইক্লপেডিয়াৰ মতে ৰাজনৈতিক দল হৈছে গোট বা সংগঠন যিয়ে এক নির্দিষ্ট লেবেলৰ অধীনত কার্যালয়ত প্রার্থী প্রক্ষেপ কৰাৰ প্রয়াস কৰে। আধুনিক ৰাজনীতিত দলসমূহ হৈছে অন্যতম গুৰুত্বপূর্ণ সংগঠন।

লুকাক্চ (Lukacs)ৰ মতে দল হৈছে দল হৈছে শ্রেণী সচেতনতা (সর্বহাৰা শ্রেণী)ৰ দৃশ্যমান আৰু সংগঠিত স্বৰূপ।

জোচেফ এ স্কুমপিটাৰ (Joseph A. Schumpeter)ৰ মতে দল হৈছে এনে এটা গোট যাৰ সদস্যসকলে ৰাজনৈতিক ক্ষমতাৰ বাবে প্রতিযোগিতামূলক সংঘর্ষত অৱতীর্ণ হোৱাৰ প্রস্তাৱ আগবঢ়ায়।

এইচ ডি লাচৱেল (H. D. Lasswell) আৰু **এ কাপলানে** (A. Kaplan) দলক এনে এটা গোট বুলি ব্যাখ্যা কৰিছে যিয়ে সামগ্রিকভাৱে বিভিন্ন প্রসংগ প্রস্তুত আৰু নির্বাচনত প্রার্থী প্রক্ষেপ কৰে।

এডমাণ্ড বার্কৰ মতে, দল হৈছে ৰাইজৰ এটা অংশ যিসকলে নিজৰ মাজত সন্মত হোৱা কেতবোৰ মূল নীতিৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্রীয় বিষয়ত সংযুক্তভাৱে প্রচেষ্ট চলায়। এই সংজ্ঞাই দলক এক আদর্শগত গোট ৰূপে গুৰুত্ব প্রদান কৰিছে।

ৱেবাৰৰ মতে ৰাজনৈতিক দল হৈছে এক সহযোগিতামূলক সামাজিক সম্পর্ক যিয়ে এক সহকাৰী গোটত ইয়াৰ নেতাসকলৰ বাবে ক্ষমতা সুৰক্ষিত কৰাৰ বাবে উৎসর্গিত আৰু ইয়াৰ লক্ষ্য হৈছে ইয়াৰ সদস্যসকলৰ বাবে আদর্শগত অথবা বস্তুগত দিশত সুবিধা আদায় আৰু ইয়াৰ ভিতৰত কেতবোৰ লক্ষ্যৰ আঁচনিৰ বাস্তৱীকৰণ অথবা ব্যক্তিগত সুবিধা আদায় অথবা দুয়োটা দিশ অন্তর্ভুক্ত হ'ব পাৰে।

২.৮.২ ইয়াৰ কার্যাৱলী আৰু প্রকাৰ (Its Functions and Types)

এন্দ্রিউ হেইউডে ৰাজনৈতিক দলৰ প্রধান ছটা কার্য তালিকাভুক্ত কৰিছে। এইসমূহ হৈছে-

- প্রতিনিধিত্ব
- অভিজাত গঠন আৰু নিযুক্তি
- লক্ষ্য নির্ধাৰণ
- আগ্রহ সৃষ্টি আৰু একত্রীকৰণ
- সামাজিকীকৰণ আৰু সংহতিকৰণ
- সংগঠন আৰু চৰকাৰ

নেতৃত্বৰ আধাৰত ৰাজনৈতিক দলক কেইবাটাও ভাগত ভগাব পাৰি-

- সদস্য আৰু গণ দল
- প্ৰতিনিধিত্বমূলক আৰু সুসংহত দল
- সাংবিধানিক আৰু বিপ্লৱী দল
- বাওঁপন্থী আৰু সোঁপন্থী দল



অনুশীলনী ২.৩

নিজৰ অঞ্চলৰ ৰাজনৈতিক দলৰ উদাহৰণ দিয়ক আৰু ইয়াৰ আদৰ্শসমূহ ব্যাখ্যা কৰক।

.....

.....

.....

.....

২.৯ প্ৰভাৱ গোষ্ঠী (PRESSURE GROUPS)

প্ৰভাৱ গোষ্ঠীৰ ধাৰণা সম্ভৱতঃ প্ৰথমে পিটাৰ অডেগার্ডে (Peter Odegard) ১৯২৮ চনত প্ৰকাশিত তেওঁৰ গ্ৰন্থ 'Pressure Politics:The Story of the Anti-Saloon League' ত ব্যৱহাৰ কৰিছিল। প্ৰভাৱ গোষ্ঠী আৰু একে স্বাৰ্থজড়িত গোটক একাকাৰ কৰিব পৰা নাযায়। একে স্বাৰ্থজড়িত গোটসমূহ তেওঁলোকৰ দাবী পূৰণ কৰিবলৈ গঠন হয়। এয়া স্থায়ী, অৰ্ধ স্থায়ী অথবা তদৰ্থ হ'ব পাৰে। যেতিয়া এনে গোটে বন্ধ দিয়া অথবা ধৰ্ণা দিয়া, অৱৰোধ কৰা আদি বিভিন্ন ধৰণে চাপ দিয়ে তেতিয়া এই গোটসমূহক প্ৰভাৱ গোষ্ঠী আখ্যা দিব পৰা যায়। চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ থাকে প্ৰভাৱ গোষ্ঠীৰ। প্ৰভাৱ গোষ্ঠীয়ে গ্ৰহণ কৰা প্ৰধান পন্থাসমূহ হৈছে বিক্ষোভ প্ৰদৰ্শন, হেঁচা প্ৰয়োগ, গোহাৰি জনোৱা, গণ মাধ্যমত প্ৰচাৰ। প্ৰভাৱ গোষ্ঠীৰ উদাহৰণ হৈছে এমনেষ্টি ইণ্টাৰনেশ্যনেল, গ্ৰীণপিচ, ট্ৰেড ইউনিয়ন আদি। অসমৰ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কাৰ্যসমূহো কম-বেছি পৰিমানে প্ৰভাৱ গোষ্ঠীৰ কাঠামোৰ ভিতৰত পৰে। এই সংগঠনটোৱে ৰাজ্যৰ পাহাৰীয়া আৰু অস্থিৰ এলেকাত নদীবান্ধ নিৰ্মাণ কাৰ্যত চৰকাৰক ধাৰাবাহিকভাৱে বাধা প্ৰদান কৰি আহিছে।

'Oxford dictionary of sociology'ৰ মতে প্ৰভাৱ গোষ্ঠী হৈছে এটা নিৰ্দিষ্ট গোট, চৰকাৰ, বৃহত্তৰ প্ৰেক্ষাপটত ৰাইজ অথবা অন্য একে স্বাৰ্থজড়িত গোটৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰিবলৈ গঠন হোৱা ব্যক্তিৰ গোট, নিয়োগকৰ্তা অথবা একত্ৰিত হোৱা অন্য সংগঠনৰ সমূহ।

কাষ্টলছ (Castles) (১৯৬৭) ৰ মতে চাপ গোট হৈছে চৰকাৰী কাৰ্যৰ মাধ্যমত অথবা ইয়াৰ অবিহনে ৰাজনৈতিক পৰিৱৰ্তন সাধন কৰিবলৈ প্ৰয়াস কৰা যিকোনো গোট আৰু যি গোট

সেইসময়ৰ চৰকাৰত প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক দল নহয়।

ডব্লিউ জে এম মেকেঞ্জি (W. J. M. Mackengie) (১৯৫৫)ৰ মতে চাপ গোট হৈছে আনুষ্ঠানিক সংৰচনা আৰু বাস্তৰ সমূহীয়া স্বাৰ্থ দুয়োটাই থকা সংগঠিত গোটৰ ক্ষেত্ৰ, যি পৰ্যায়লৈকে তেওঁলোকে ৰাজহুৱা বিভাগৰ সিদ্ধান্ত প্ৰভাৱিত কৰে।

২.৯.১ প্ৰভাৱ গোষ্ঠীৰ কাৰ্যাৱলী (Functions of Pressure Groups)

প্ৰভাৱ গোষ্ঠীসমূহে বহুকেইটা গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদন কৰে। ইয়াৰ ভিতৰত আছে-

- **প্ৰতিনিধিত্ব** (Representation) ঃ যিসমূহ গোটৰ স্বাৰ্থক নিৰ্বাচনী প্ৰক্ৰিয়াৰ মাধ্যম অথবা ৰাজনৈতিক দলৰ দ্বাৰা অৱহেলা কৰা হৈছে অথবা উপযুক্ত ধৰণে উপস্থাপন কৰা হোৱা নাই তেনে গোটৰ স্বাৰ্থক সঠিকভাৱে উপস্থাপন অথবা ইয়াত গুৰুত্ব দিবলৈ চাপ গোটে এক মঞ্চ প্ৰদান কৰে।
- **ৰাজনৈতিক অংশগ্ৰহণ** (Political Partcipation) ঃ ৰাজনৈতিক সংহতিৰ ক্ষেত্ৰত এই গোটসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গোহাৰি জনোৱা, শ্লগান দিয়া অথবা অন্য ধৰণে ৰাজনৈতিক প্ৰতিবাদ সাব্যস্ত কৰি সাধাৰণ ৰাইজৰ সমৰ্থন আদায় কৰে।
- **শিক্ষা** (Education) ঃ ৰাজনৈতিক বিষয় সন্দৰ্ভত তথ্য প্ৰদান কৰিবলৈও প্ৰভাৱ গোষ্ঠীসমূহে সহায় কৰে। এই গোটসমূহে ৰাজনৈতিক সচেতনতা সৃষ্টি কৰাতো আগভাগ লয়।
- **আঁচনি গ্ৰহণ** (Policy Formulation) ঃ আঁচনি ৰূপায়নৰ ক্ষেত্ৰতো প্ৰভাৱ গোষ্ঠীসমূহ প্ৰয়োজনীয় যদিও তেওঁলোকে প্ৰত্যক্ষভাৱে ইয়াৰ সৈতে জড়িত হৈ নাথাকে। চৰকাৰক তথ্য প্ৰদান আৰু উপদেশ দিয়াৰ বাবে প্ৰভাৱ গোষ্ঠীসমূহ হৈছে অত্যাৱশ্যকীয় সূত্ৰ।
- **আঁচনি ৰূপায়ন** (Policy Implementation) ঃ কিছুক্ষেত্ৰত প্ৰভাৱ গোষ্ঠীসমূহ সাধাৰণভাৱে আঁচনি গ্ৰহণ অথবা চৰকাৰক উপদেশ দিয়াৰ পৰা কিছুদূৰ আগুৱাই আঁচনি ৰূপায়ন প্ৰক্ৰিয়াতো ভূমিকা গ্ৰহণ কৰে। এনে ক্ষেত্ৰত গোট আৰু চৰকাৰৰ মাজত পাৰ্থক্য নোহোৱা হৈ যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ৰাজনৈতিক দলৰ প্ৰধান কাৰ্যকেইটা কি কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ চাপ গোটৰ কেইটামান উদাহৰণ দিয়ক।

.....

.....



২.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক সমাজতত্ত্বত ৰাষ্ট্ৰৰ অৱধাৰণাক প্ৰায়ে চৰকাৰ, সংঘ অথবা ইয়াৰ সৈতে সম্পৰ্কিত গোটৰ সৈতে একে অৰ্থত ব্যৱহাৰ কৰা হয়।
- ৰাজনৈতিক সমাজতত্ত্বক ভালদৰে বুজিবলৈ নাগৰিক সমাজ আৰু আমোলাতন্ত্ৰ, এই দুই গুৰুত্বপূৰ্ণ অৱধাৰণাক বুজিব লাগিব।
- ৰাজনৈতিক ব্যৱস্থাত বহু উপ ব্যৱস্থা আছে যেনে গণতন্ত্ৰ, ৰাজতন্ত্ৰ, গণৰাজ্য, সাম্যবাদ আৰু একনায়কত্ববাদ।
- ৰাজনৈতিক অৰ্থনীতি সংজ্ঞাক আৰম্ভনিতে উৎপাদনৰ অধ্যয়ন, ক্ৰয়-বিক্ৰয়ৰ কাৰ্য আৰু ইয়াৰ সৈতে আইন, সীমাশুল্ক আৰু চৰকাৰৰ সম্পৰ্কক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল।
- বিভিন্ন আদৰ্শৰ ওপৰত ভিত্তি কৰি গঠিত হোৱা ৰাজনৈতিক দলসমূহ ৰাজনৈতিক সমাজতত্ত্বৰ অত্যাৱশ্যকীয় উপাদান।
- প্ৰভাৱ গোষ্ঠীয়ে দলসমূহৰ কাৰ্যৰ ওপৰত দৃষ্টি ৰাখে আৰু জনতাৰ স্বাৰ্থ ৰক্ষা কৰে।



২.১১ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) Ali Ashraf and L.N Sharma.(1983). *Political Sociology a new grammar of politics.* Hyderabad: University Press(India) Private Limited

2) Saroj Kumar Jena. (2002). *Political Sociology: A Realistic A proach.* New Delhi: Anmol Publications Pvt.Ltd.

3) P.B Rathod. (2005). *Fundamentals of Political Sociology.* Jaipur: ABD Publishers.



২.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ নাগৰিক সমাজ হৈছে সম্প্ৰদায় আৰু ৰাষ্ট্ৰৰ মাজৰ খালী ঠাই।

২ নং প্ৰশ্নৰ উত্তৰঃ ৰাজনৈতিক ব্যৱস্থাৰ ধাৰণা বুজিবলৈ পদ্ধতিগত দৃষ্টিভংগীয়ে সহায় কৰে।

৩ নং প্ৰশ্নৰ উত্তৰঃ ৰাজনৈতিক দলৰ প্ৰধান ছটা কাৰ্য হৈছে প্ৰতিনিধিত্ব, অভিজাত গঠন আৰু নিযুক্তি, লক্ষ্য নিৰ্ধাৰণ, আগ্ৰহ মূষ্টি আৰু একত্ৰীকৰণ, সামাজিকীকৰণ আৰু সংহতিকৰণ, সংগঠন আৰু চৰকাৰ।

৪ নং প্ৰশ্নৰ উত্তৰঃ চাপ গোটৰ কেইটামান উদাহৰণ হৈছে এমনেষ্টি ইণ্টাৰনেশ্যনেল, গ্ৰীনপিচ, ট্ৰেড ইউনিয়ন ইত্যাদি।



২.১৩ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ৰাষ্ট্ৰৰ ধাৰণা বহলভাৱে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ ক্ষমতাৰ অভিজাত সূত্ৰ আৰু মাৰ্ক্সবাদী সূত্ৰক তুলনা কৰি সাদৃশ্য-বৈসাদৃশ্যসমূহ উল্লেখ কৰা।

প্ৰশ্ন ৩ঃ 'অভিজাতসকলৰ ক্ৰম পৰিৱৰ্তন' বুলিলে কি বুজে?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ কৰ্তৃত্বৰ সংজ্ঞা দিয়ক। কৰ্তৃত্বৰ বিভিন্ন প্ৰকাৰ কি কি?

প্ৰশ্ন ২ঃ ৰাজনৈতিক দল বুলিলে কি বুজে? গণতন্ত্ৰক কেনেকৈ ৰাজনৈতিক ব্যৱস্থাৰ এটা প্ৰকাৰ বুলি ক'ব পৰা যায়?

প্ৰশ্ন ৩ঃ চৰকাৰৰ বিভিন্ন কাৰ্যাৱলীক চাপ গোটে কেনেদৰে নিৰীক্ষণত ৰাখে? বিভিন্ন প্ৰকাৰৰ চাপ গোটসমূহ কি কি?

*** ***** ***

অধ্যায় ৩ - ক্ষমতা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ক্ষমতা

৩.৩.১ ক্ষমতাৰ সূত্ৰ

৩.৪ অভিজাত

৩.৪.১ অভিজাতসকলৰ সূত্ৰ

৩.৫ কৰ্তৃত্ব

৩.৫.১ কৰ্তৃত্বৰ প্ৰকাৰ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্ৰগতিৰ খতিয়ান

৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ক্ষমতাৰ সংজ্ঞা আগবঢ়াব পাৰিব
- ক্ষমতাৰ সূত্ৰ ব্যাখ্যা কৰিব পাৰিব
- অভিজাতৰ সংজ্ঞা আগবঢ়াব পাৰিব
- অভিজাতসকলৰ সূত্ৰ ব্যাখ্যা কৰিব পাৰিব
- কৰ্তৃত্বৰ প্ৰকাৰসমূহৰ ব্যাখ্যা আগবঢ়াব পাৰিব

৩.২ পৰিচয়

এই অধ্যায়টিৰ আমি ক্ষমতা, কৰ্তৃত্ব আৰু অভিজাতৰ অৱধাৰণা কেইটা আলোচনা কৰিম।

৩.৩ ক্ষমতা (POWER)

আমি যেতিয়া ক্ষমতাৰ বিষয়ে আলোচনা কৰো তেতিয়া আমি ইয়াক বিশেষভাৱে ৰাজনৈতিক সমাজশাস্ত্ৰৰ সৈতে সম্পৰ্কিত দিশৰূপে গ্ৰহণ কৰিব লাগিব। চৰকাৰী প্ৰক্ৰিয়াত ক্ষমতা এক গুৰুত্বপূৰ্ণ উপাদান হোৱাৰ লগতে ই অন্যতম মুখ্য ভূমিকা গ্ৰহণ কৰে। অশান্ত

পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে নাগৰিকসকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰা আদিৰ ক্ষেত্ৰত চৰকাৰৰ সক্ষমতা হৈছে ক্ষমতাৰ সৈতে জড়িত কেতবোৰ গুৰুত্বপূৰ্ণ দিশ। ক্ষমতাৰ বাবেহে যুদ্ধৰ সময়ত ৰাষ্ট্ৰই জৰুৰীকালীন পৰিস্থিতি আৰোপ কৰিব পাৰে। অন্যহাতে ক্ষমতাৰ বাবেহে নাগৰিকসকলে অন্যায়ৰ বিৰুদ্ধে নিজৰ অধিকাৰ ৰক্ষা কৰিবলৈ থিয় হোৱাৰ সাহস লাভ কৰে।

'লেভিয়াথান' গ্ৰন্থত **থমাচ হ্বচ**ৰ ক্ষমতাৰ সূত্ৰ অনুসৰি অধিকৰ পৰা অধিক ক্ষমতা আহৰণ কৰাৰ প্ৰতি মানুহৰ প্ৰৱণতাই সৰ্বশেষত সমাজত বৃহত্তৰ সংঘৰ্ষৰ সৃষ্টি কৰে। ক্ষমতাৰ প্ৰতি লালসা কেতিয়াও অন্ত নহয় আৰু ইয়াৰ ফলত শ্ৰেণীসমূহৰ মাজত বিভেদৰ সৃষ্টি হয়। অৱশ্যে চিন্তাৰ মাধ্যমৰ লগতে আদৰ্শৰ দ্বাৰা জনতাৰ ওপৰত ক্ষমতাৰ অনুশীলন সম্ভৱ। বুদ্ধ আৰু মহাত্মা গান্ধীয়েও জনতাৰ ওপৰত এনে ধৰণৰ ক্ষমতা আৰোপ কৰাৰ চিন্তাৰ পৃষ্ঠপোষক আছিল।

সহজ অৰ্থত ক'বলৈ গ'লে ক্ষমতা হৈছে জনতাৰ ওপৰত একাংশ লোকৰ শাসনৰ সৈতে জড়িত। গিডেন্চৰ মতে, ক্ষমতা মানে হৈছে 'ব্যক্তি অথবা গোটসমূহৰ নিজৰ চিন্তা অথবা স্বাৰ্থ পূৰণৰ ক্ষমতা, আনকি যি ক্ষেত্ৰত আনে নিজৰ চিন্তা-স্বাৰ্থ দমন কৰে সেই ক্ষেত্ৰতো। ক্ষমতাই কেতিয়াবা শক্তিৰ প্ৰত্যক্ষ প্ৰয়োগক বুজায়, কিন্তু এয়া সকলো সময়তে এনে চিন্তাৰ বিকাশ(চিন্তাধাৰা)ৰ সৈতে জড়িত যিয়ে শক্তিশালীজনৰ কাৰ্যক ন্যায়সংগত বিবেচনা কৰে।'

মেক্স ৱেবাৰৰ মতে ক্ষমতা হৈছে 'এনে সম্ভাৱনা য'ত এই সম্ভাৱনাৰ সীমা নথকাকৈ এজন কৰ্তাই নিজৰ ইচ্ছা পূৰণ কৰিবলৈ প্ৰতিৰোধ স্বত্বেও সামাজিক সম্পৰ্কৰ এক স্থিতিত থাকিব।' ৱেবাৰৰ মতে ক্ষমতাৰ বিষয়ে আলোচনা কৰোতে শ্ৰেণী, প্ৰস্থিতি আৰু দলক মুখ্য বিষয় ৰূপে গ্ৰহণ কৰিব লাগিব। তেওঁৰ মতে ক্ষমতাই সমাজত এজন ব্যক্তিৰ সন্মানো নিৰ্ধাৰণ কৰে।

ফকাল্ট (Foucault)ৰ মতে জ্ঞানেই হৈছে ক্ষমতা, ক্ষমতা দমনমূলত নহয়। ইয়াৰ পৰিৱৰ্তে ক্ষমতা হৈছে উৎপাদনক্ষম আৰু সামাজিক সংৰচনাৰ প্ৰতিটো দিশতে ই উপস্থিত। **পাৰ্চনছে** ক্ষমতাক নিৰ্দিষ্ট পৰিণতি লাভ কৰাৰ সক্ষমতা বুলি অভিহিত কৰিছে। আনহাতে মিল্ছৰ মতে ক্ষমতা হৈছে এনে সম্পৰ্ক য'ত এটা পক্ষ আনটো পক্ষৰ ওপৰত প্ৰৱল বুলি বিবেচিত হয়। মাৰ্ক্সীয় ধৰণৰ বিশ্লেষণ অনুসৰি ক্ষমতা হৈছে সংখ্যাগুৰু (সমাজৰ বাকী অংশ) সকলে মূল্য দিয়া সংখ্যালঘু (নিচেই কম ব্যক্তি)সকলৰ অধীন ধাৰণা। **ষ্টিভেন লুকাছ** (Steven Lukes) ৰ মতে, ক্ষমতা হৈছে এক প্ৰতিযোগিতামূলক ধাৰণা যাৰ সংজ্ঞা আৰু প্ৰয়োগ সমাজশাস্ত্ৰবিদসকলৰ বিবাদৰ বিষয়বস্তু হৈ ৰ'ব।

৩.৩.১ ক্ষমতাৰ সূত্ৰ (Theories of Power)

এই পৰ্যন্ত আমি ক্ষমতাৰ বিভিন্ন অৰ্থ আলোচনা কৰিলো। এতিয়া আমি ৰাজনৈতিক সমাজশাস্ত্ৰৰ কাঠামোৰ অধীনত ক্ষমতাৰ বিভিন্ন সূত্ৰ আলোচনা কৰিম।

- **ক্ষমতাৰ অভিজাত সূত্ৰ (Elite theory of Power) ঃ ভিলফ্ৰেড' পেৰেট' (Vilfredo Pareto)** আৰু **গেটেন' মস্কা (Gaetano Mosca)** আছিল এই সূত্ৰৰ প্ৰধান প্ৰৱক্তা। এই সূত্ৰ মাৰ্ক্সৰ ক্ষমতাৰ সূত্ৰৰ বিপৰীত ধাৰণাৰ।

অভিজাত সূত্রৰ মতে ব্যক্তিসমূহৰ এক নির্দিষ্ট গোটে ক্ষমতা নিয়ন্ত্রণ কৰে আৰু হিংসাৰ জৰিয়তে সমাজক তেওঁলোকে পূর্ণভাৱে দমন কৰে। পেৰেটৈ এইসকল 'সিংহ' আখ্যা দিছে, সময়ৰ লগে লগে অভিজাতসকলৰ এই শাসনৰ হস্তান্তৰ ঘটি তেওঁলোকৰ স্থানত অধিক ধূর্ত লোকৰ গোট, যাক 'শিয়াল' আখ্যা দিয়া হয় তেওঁলোকে দখল কৰে। গতিকে এটা সময়ত ক্ষমতা অভিজাতসকলৰ নিয়ন্ত্রণত থাকে আৰু যেতিয়া অত্যাচাৰ আৰু অন্যায় বৃদ্ধি হয় তেতিয়া তেওঁলোকৰ স্থান 'শিয়াল' সকলে দখল কৰে। অৱশ্যে এই অৱস্থা দীর্ঘ সময়ৰ বাবে স্থায়ী নহয় কাৰণ পুনৰ এনে এটা সময় আহে যেতিয়া ভিন্ন গোটৰ শাসকৰ প্রয়োজন অনুভৱ হয় আৰু এনে লোকসকলে পুনৰ ক্ষমতা দখল কৰে যিসকলক অভিজাত আখ্যা দিয়া হৈছে। পেৰেটৈ এই প্রক্রিয়াক 'অভিজাতসকলৰ অনুক্রম' আখ্যা দিছে। এই কার্যই সূচাইছে যে ক্ষমতাৰ সংৰচনাক প্রায়ে অভিজাতসকলে পৰিচালনা কৰে আৰু এটা গোটক নাকচ কৰিলেও পুনৰ এক নতুন অভিজাত গোটৰ উদ্ভৱ হ'ব আৰু এই ধাৰাবাহিকতা অব্যাহত থাকিব। **চি ডব্লিউ মিলছে** এই গোটসমূহক 'ক্ষমতাশালী অভিজাত' আখ্যা দিছে আৰু এইসমূহৰ মাজত আছে অনুৰূপ সামাজিক পৃষ্ঠভূমিৰ পৰা অহা জীৱনৰ প্রতিটো দিশৰ সৈতে জড়িত প্রভাৱশালী ব্যক্তিসকল। এই অভিজাতসকলৰ মাজত ক্ষমতাৰ প্রচলন আৱদ্ধ হৈ থাকে আৰু ৰাজনৈতিক প্রক্রিয়াত সাধাৰণ ৰাইজৰ কোনো মাত নাথাকে।

- **ক্ষমতাৰ মার্ক্সবাদী সূত্র (Marxist theory of Power) ঃ** যাৰ ক্ষমতা থাকে সেইসকল আৰু ক্ষমতাহীনসকলৰ মাজত মূল বিভাজনৰ আধাৰত এই সূত্র গঢ় লৈ উঠিছে। এই সূত্রক 'ক্ষমতাৰ সামাজিক শ্রেণী সূত্র' বুলিও জনা যায়। ক্ষমতাৰ এই শ্রেণীবিভাজন আছিল সমাজৰ ৰাজনৈতিক বিভাজনৰ মূল নিয়ন্ত্রক। মার্ক্সৰ মতে, সমাজৰ প্রতিটো সম্পর্কক ইয়াৰ অর্থনৈতিক দিশৰপৰা বুজাটো উচিত। শ্রেণীসমূহ হৈছে ৰাজনৈতিক গোট আৰু সেইবাবে ৰাজনৈতিক সংঘাত হৈছে শ্রেণী সংঘাত। মার্ক্সৰ লগতে **এংগেলছেও** মত পোষণ কৰিছে যে ৰাজনৈতিক ক্ষমতা হৈছে এটা শ্রেণীয়ে আন এটা শ্রেণীক দমন কৰা কার্য আৰু এনেদৰে নিপীড়িত শ্রেণীৰ ওপৰত ৰাজনৈতিক দমন প্রয়োগ কৰা হয়। ইয়াত ক্ষমতাৰ সংৰচনাৰ ওপৰত শাসক শ্রেণীৰ পূর্ণ নিয়ন্ত্রণ থাকে। **এন্টনিঅ' গ্রামস্কিয়ে** (Antonio Gramsci) ৰাষ্ট্র পৰিচালনাৰ 'মতাদর্শগত পদ্ধতি'ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁৰ মতে শাসক শ্রেণীয়ে প্রচাৰ কৰা আদর্শ আৰু সংখ্যাগুৰুসকলৰ ওপৰত আৰোপিত আদর্শগত কর্তৃত্বই ক্ষমতাক আকাৰ দিয়াৰ লগতে নিয়ন্ত্রণ কৰে। এনেদৰে অর্থনীতি আৰু শ্রেণী সংঘাতে সামাজিক সংৰচনাত ক্ষমতাৰ মার্কসবাদী বিৱৰণৰ ভেটি গঠন কৰিছে।

➢ **উদাৰবাদী গণতান্ত্রিক সূত্র (Liberal Democratic Theory) ঃ** ক্ষমতাৰ এই সূত্রই ক্ষমতাশালীসকলৰ গণতান্ত্রিক শাসনত গুৰুত্ব প্রদান কৰিছে। ইয়াৰ ভিতৰত স্বাধীনতাৰ আদর্শবাদ, বাকস্বাধীনতা, ক্ষমতাৰ সৃষ্টিৰ লগতে ইয়াক নিয়ন্ত্রণৰ পদ্ধতিক অন্তর্ভুক্ত কৰা হৈছে। ক্ষমতাৰ ওপৰত এনে ধৰণৰ প্রতিবন্ধকতা নাগৰিকৰ স্বাধীনতা আৰু অধিকাৰ ৰক্ষা কৰাত সহায়ক হয়। ইয়াৰ লগতে ৰাষ্ট্রৰ স্বেচ্ছাচাৰী শাসন অথবা নাগৰিকৰ ওপৰত দমনক বাধা প্রদান কৰে। অংশগ্রহণক সর্বাধিক গুৰুত্ব প্রদান কৰা হয় আৰু সিদ্ধান্ত গ্রহণ কৰাৰ ক্ষেত্রত সকলোকে অন্তর্ভুক্ত কৰা হয়। উদাৰীকৰণে ব্যক্তিৰ অধিকাৰ আৰু তেওঁলোকৰ বাবে বিকল্পসমূহ বৃদ্ধি কৰাত গুৰুত্ব প্রদান কৰে। লগতে ই ব্যক্তিগত সম্পদক সীমিত কৰি ৰাজনৈতিক ব্যৱস্থাত ক্ষমতাৰ বিকেন্দ্রীকৰণৰ লক্ষ্য গ্রহণ কৰে। জন লক, জন ষ্টুৱার্ট মিল, জেৰেমি বেনথাম আৰু অন্যান্য সকল আছিল এই সূত্রৰ প্রধান প্রবক্তা।

পৰৱর্তী শিতানত আমি ৰাজনৈতিক সমাজশাস্ত্রৰ এক গুৰুত্বপূর্ণ অৱধাৰণা অভিজাতসকলৰ বিষয়ে আলোচনা কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ক্ষমতাৰ সূত্রসমূহ কি কি?

.....

.....

৩.৪ অভিজাত (ELITE)

আমি যেতিয়া অভিজাতসকলৰ বিষয়ে উল্লেখ কৰো তেতিয়া সাধাৰণ ধাৰণা হয় যে তেওঁলোক হৈছে এনে ব্যক্তিসমূহ যিসকলে সম্পদৰ লগতে ক্ষমতাৰ বৃহৎ অংশ নিয়ন্ত্রণ কৰে আৰু সেই বাবে অন্য সকলতকৈ উচ্চ। অভিজাতসকলক সমাজত ওখ আসন দিয়া হৈছে আৰু তেওঁলোকৰ তলতীয়া ৰূপে সাধাৰণ জনতাক সামাজিক সংৰচনাত নিম্ন স্থান দিয়া হৈছে।

পিছে ৰাজনৈতিক সমাজশাস্ত্রত অভিজাতসকল কিয় এক গুৰুত্বপূর্ণ অৱধাৰণা বুলি বিবেচনা কৰা হয়? আমি যেতিয়া 'অভিজাত' শব্দৰ অর্থ বিবেচনা কৰো তেতিয়া লক্ষ্য কৰিব পাৰো যে ইয়াৰ সৈতে ক্ষমতাৰ উপাদান জড়িত হৈ থাকে। গতিকে অভিজাতসকলৰ অধ্যয়নক আমি বৈষম্য আৰু ওপৰৰ পৰা ক্ষমতাৰ নিয়ন্ত্রণৰ অধ্যয়নৰ সৈতে সম্পর্কিত কৰিব পাৰো।

ৰক্ষণবাদীসকলৰ লগতে যিসকলে অভিজাতসকলৰ ধাৰণাৰ ওপৰত বিশ্বাসী তেওঁলোক এনে ধাৰণা গ্রহণ কৰে যে সমাজ পৰিচালনাৰ বাবে অভিজাতসকল অত্যাৱশ্যকীয়। তেওঁলোকৰ মতে অভিজাতসকলক বর্জন কৰাৰ প্রয়াস কৰিলে সমাজত বিশৃংখলাৰ সৃষ্টি হোৱাৰ লগতে

পৰৱর্তী সময়ত এক নতুন শ্রেণীৰ অভিজাতৰ উদ্ভৱ হোৱাটো নিশ্চিত। আমি ইতিমধ্যে ক্ষমতাৰ সূত্রৰ অধীনত আলোচনা কৰিছো যে অভিজাতসকলৰ মাজত সদায়ে এক ধৰণৰ ধাৰাবাহিকতা থাকে।

ব্রখাছ (Brockhaus) নামৰ জার্মান এনচাইক্লপেডিয়াৰ মতে অভিজাতৰ ইংৰাজী প্রতিশব্দ 'elite' আহিছে ফৰাচী 'elire' শব্দৰ পৰা যাৰ অর্থ হৈছে নির্বাচন এই শব্দক ওঠৰশ শতিকাত জার্মানী ভাষাত গ্রহণ কৰা হয়।

ওঠৰশ শতিকাত ফ্রান্সত এই শব্দক পৰিয়ালৰ পৰা সৃষ্টি হোৱাৰ বিপৰীতে ব্যক্তিগত সাফল্যক বুজাবলৈ ব্যৱহাৰ কৰাৰ লগতে সমাজৰ নেতৃত্বৰ ক্ষেত্রত ইয়াক এক সিদ্ধান্তমূলক উপাদান বুলি বিবেচনা কৰা হৈছিল। আনহাতে ঊনবিশ শতিকাত অভিজাত শব্দক সাধাৰণ জনতাৰ বিপৰীত অর্থত ব্যৱহাৰ কৰা হৈছিল। **পেৰেট', মস্কা**ৰ লগতে **মিচেলছ**ৰ চিন্তা-চর্চাই সামাজিক সংৰচনাত অভিজাতসকলক গুৰুত্বপূর্ণ নেতা বুলি নির্ধাৰণ কৰিছে যিসকলে সাধাৰণ ৰাইজৰ ওপৰত কর্তৃত্বমূলক শাসন চলায়। **চি ডব্লিউ মিলছৰ** গ্রন্থ 'The Power Elite' য়েও অভিজাতসকলৰ ধাৰাবাহিক দমনক প্রতিফলিত কৰিছে।

৩.৪.১ অভিজাতসকলৰ সূত্র (Theories of Elite)

- **ভিলফ্রেড' পেৰেট'ৰ অভিজাতৰ সূত্র (Vilfredo Pareto's Theory of Elites) ঃ** অভিজাতসকল হৈছে এনে শ্রেণীৰ লোক যিসকলক নিজৰ নিজৰ ক্ষেত্রত সর্বশ্রেষ্ঠ তথা সকলোতকৈ সফল বুলি বিবেচনা কৰা হয়। পেৰেট'ৰ মতে দুই ধৰণৰ অভিজাত আছে-
  - **চৰকাৰী অভিজাত (The Governing Elites) ঃ** এইশ্রেণীৰ ব্যক্তি প্রত্যক্ষ অথবা পৰোক্ষভাৱে প্রশাসনৰ সৈতে জড়িত হৈ থাকে। এনে লোকসকলে সমাজত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰাৰ লগতে সমগ্র সিদ্ধান্ত গ্রহণ প্রক্রিয়াত সক্রিয়ভাৱে জড়িত হৈ থাকে।
  - **বেচৰকাৰী অভিজাত (Non-Governing Elites) ঃ** এইসকল ব্যক্তি প্রশাসনৰ সৈতে জড়িত হৈ নাথাকে কিন্তু এওঁলোক সমাজৰ প্রভাৱশালী স্থানত থাকি সমাজত অভিজাতসকলৰ গঠন প্রক্রিয়াক প্রভাৱিত কৰে।

'অভিজাতসকলৰ ধাৰাবাহিকতা'ত গুৰুত্ব প্রদান কৰি পেৰেট'ই অভিজাতসকলৰ মনোবৈজ্ঞানিক আৰু বৌদ্ধিক শ্রেষ্ঠত্বত জোৰ দিছে। এইক্ষেত্রত পেৰেট'ৰ মতে অভিজাতসকল সমাজৰ স্থায়ী গোট নহয় বৰঞ্চ অভিজাসকলৰ সংৰচনাত ধাৰাবাহিকতা আৰু পৰিৱর্তন সদায়ে বর্তমান। গতিকে ব্যক্তিসকলৰ নিজস্ব মেধা আৰু উচ্চমানৰ ভিত্তিত অভিজাতৰ পৰা অনা অভিজাত শ্রেণীলৈ উভয়মুখী পৰিৱর্তন ঘটি থাকে। সকলো মানুহ সমান নহয় আৰু পেৰেট'ৰ মতে তেওঁলোকৰ মাজত ক্ষমতা আৰু পাৰদর্শীতাৰ ভিত্তিত ভিন্নতা থাকে।

যদি কোনো এটা গোটে এটা সময়ত অভিজাতৰ মর্যাদা লাভ কৰিছে তেনেহ'লে পৰৱর্তী সময়ত তেওঁলোকৰ অনা অভিজাত শ্রেণীলৈ মান হ্রাস পাব পাৰে আৰু সমান্তৰালভাৱে অনা অভিজাত শ্রেণীৰ লোকৰ অভিজাত শ্রেণীলৈ উন্নতি হ'ব পাৰে। পেৰেটৰ মতে 'ইতিহাস হৈছে ধনী-মানীসকলৰ কৱৰস্থান'। ইয়াৰ দ্বাৰা গম পোৱা যায় যে অভিজাত অথবা ধনী-মানীসকলৰ উচ্চ আসন দীর্ঘস্থায়ী নহয় আৰু ইয়াৰ স্থানত অভিজাতসকলৰ নতুন সংৰচনাই দেখা দিয়ে।

- **মস্কাৰ অভিজাতসকলৰ সূত্র (Mosca's theory of Elite) ঃ গেটেন' মস্কাৰ** 'Elementi di scienza politica' অথবা 'The Ruling Class' নামৰ কর্মৰাজীত অভিজাতসকলৰ অৱধাৰণাৰ সৈতে সম্পর্কিত কৰিব পাৰি। তেওঁৰ এই কর্মৰাজীক সেই সময়ত বহুলভাৱে জনপ্রিয় হৈ পৰা সমাজবাদৰ বিপৰীত প্রতিক্রিয়া বুলি ক'ব পৰা যায়। মস্কাৰ মতে সমাজৰ বিকাশৰ লগে লগে সমাজত দুই শ্রেণীৰ লোকৰ উদ্ভৱ হয় ইয়াৰে এটা শ্রেণী হৈছে যিয়ে শাসন কৰে আৰু আনটো শ্রেণী হৈছে যিসকলক শাসন কৰা হয়। তেওঁ 'অভিজাতসকলৰ দমন' সূত্রৰ প্রৱক্তা।

  মস্কাৰ মতে অভিজাতসকল হৈছে সংগঠিত সংখ্যালঘু আনহাতে সাধাৰণ জনতা হৈছে অসংগঠিত। মস্কাই বিশ্বাস কৰিছিল যে শাসকীয় অভিজাতসকল উচ্চশ্রেণীৰ কাৰণ তেওঁলোকৰ এনে কেতবোৰ গুণ থাকে যিসমূহে তেওঁলোকক সামগ্রীভিত্তিক, বৌদ্ধিক আৰু নৈতিক শ্রেষ্ঠত্ব প্রদান কৰে। অৱশ্যে সমাজভেদে এই গুণসমূহ ভিন্ন ধৰণৰ হয়।

  গণতন্ত্রত প্রতিনিধিত্বমূলক চৰকাৰ থাকে কিন্তু মস্কাৰ মতে এই প্রক্রিয়াই সময়ত সমাজত একধৰণৰ অভিজাতৰ শাসনৰ সৃষ্টি কৰে। শাসকীয় গোট জনতাৰ প্রতিনিধি হ'ব লাগে কিন্তু পৰৱর্তী সময়ত ই একধৰনৰ অভিজাত গোটলৈ পৰিণত হয়।

- **মিচেলছৰ অভিজাতসকলৰ সূত্র (Michels' theory of Elites) ঃ** মিচেলৰ কর্ম 'Political Parties' য়ে ৰাজনৈতিক দলত অভিজাতৰ ভূমিকা ব্যাখ্যা কৰাৰ প্রয়াস কৰিছে। তেওঁৰ মতে দলসমূহক 'Iron law of oligarchy' অথবা শাসকগোষ্ঠীৰ লৌহ নিয়মে দমন কৰে।


  দলসমূহ উচ্চভাৱে সংগঠিত আৰু শাসকৰ অধীন হৈ পৰাৰ লগতে কেতবোৰ আমোলাৰ সহায়ত মূল নেতাই দলসমূহক শাসন কৰে। এনেক্ষেত্রত দলৰ গৰিষ্ঠসংখ্যক সদস্যক সিদ্ধান্ত গ্রহণ প্রক্রিয়াৰ পৰা বাহিৰত ৰখা হয়। নেতাসকলে মূল সিদ্ধান্ত গ্রহণ কৰাৰ ক্ষেত্রত সক্রিয় ভূমিকা গ্রহণ কৰি দলৰ কাৰণে অনিবার্য আৰু আভ্যন্তৰীন অংশ হৈ পৰে। নেতাসকল বহু শক্তিশালী হোৱাৰ ফলত তেওঁলোকৰ অবিহনে দল ধ্বংস হৈ পৰাৰ সম্ভাৱনাই দেখা দিয়ে। ইয়াৰ পৰিণতিত

এক শাসককেন্দ্রিক পদ্ধতিৰ শাসনৰ উদ্ভৱ হয়। এওঁলোকেই দলৰ ভিতৰত অভিজাতৰূপে পৰিগণিত হয়।

- **মিলছৰ অভিজাতসকলৰ সূত্র (Mill's theory of Elite) ঃ** চি ডব্লিউ মিলছে ১৯৫৬ চনৰ তেওঁৰ গ্রন্থ 'The Power Elite' ত অভিজাতসকলৰ শাসনৰ বিষয়ে ব্যাখ্যা কৰিছে। আমেৰিকাৰ সামাজিক, ৰাজনৈতিক সংৰচনাৰ ভিত্তিত তেওঁ ক্ষমতাশালী অভিজাতৰ অৱধাৰণাৰ বিকাশ ঘটাইছে। তেওঁৰ মতে আমেৰিকাৰ অভিজাতসকল হৈছে স্বনির্মিত অভিজাত। যাৰ ফলত ৰাজনীতি, উদ্যোগ অথবা বাণিজ্যৰ সৈতে জড়িত লোকসকলে সমাজত অভিজাতৰ আসন দখল কৰে আৰু ক্ষমতাৰ ওপৰতো তেওঁলোকৰ নিয়ন্ত্রণ থাকে। গতিকে তেওঁলোকক ক্ষমতাশালী অভিজাত বুলি ক'ব পৰা যায়। মিলছৰ মতে এই সংৰচনা এনে ধৰণৰ যে সংগঠনৰ শীর্ষত থকাসকলে একচ্ছত্রীভাৱে ক্ষমতাক নিয়ন্ত্রণ কৰে।

গণ মাধ্যমসমূহো এই ক্ষমতাশালী অভিজাতসকলৰ ফলীয়া হয় আৰু সেইবাবে তেওঁলোকে জনতাক নিয়ন্ত্রণ কৰিবলৈ এই মাধ্যমসমূহ আহিলা ৰূপে ব্যৱহাৰ কৰে। ক্ষমতাশালী অভিজাতসকলে গণ মাধ্যমসমূহ ব্যৱহাৰ কৰি জনতাক এক নির্দিষ্ট ধৰণে চিন্তা, কার্য আৰু আচৰণ কৰিবলৈ সন্মত কৰে আৰু এনেদৰে ক্ষমতা সমাজৰ অভিজাতসকলৰ নিয়ন্ত্রণত থাকে।

পৰৱর্তী শিতানত আমি ৰাজনৈতিক সমাজশাস্ত্রৰ অৱধাৰণা ৰূপে কর্তৃত্বৰ বিষয়ে আলোচনা কৰিম।



অনুশীলনী ২.১

নিজৰ সমাজৰ অভিজাতসকলক চিনাক্ত কৰক আৰু উদাহৰণসহ ব্যাখ্যা কৰক।

.....

.....

.....

.....

৩.৫ কর্তৃত্ব (AUTHORITY)

কর্তৃত্ব হৈছে ক্ষমতাৰ অর্থৰ সৈতে ওচৰ সম্পর্কীয় এক অৱধাৰণা। ইয়াক কেৱল ৰাজনৈতিক পৰিসীমাৰ ভিতৰতে পোৱা যায় তেনে নহয় বৰঞ্চ সামাজিক আৰু অর্থনৈতিক পর্যায়তো কর্তৃত্ব থকা দেখা যায়। কর্তৃত্ব হৈছে ক্ষমতাৰ আন এটা দিশ বা আইনগত ক্ষমতা।

কর্তৃত্বই ব্যক্তিসকলৰ ওপৰত ক্ষমতা প্রয়োগৰ লগতে এই ক্ষমতা প্রয়োগৰ অধিকাৰক

সূচায় (যিহেতু ই আইনগত)। গতিকে কর্তৃপক্ষই সাধাৰণ জনতাৰ পৰা বাধ্যতামূলকভাৱে কর্তব্য আৰু সন্মতি আদায় কৰে। আইনগত ক্ষমতা হোৱাৰ বাবে ইয়াত শক্তি অথবা বলপ্রয়োগৰ প্রয়োজন নহয়, কাৰণ অনুগামীসকলে কোনো ধৰণৰ প্রতিবাদ নকৰাকৈ নেতাসকলক মানি চলাটো দায়িত্ব বুলি বিবেচনা কৰা হয়। উদাহৰণস্বৰূপে কোনো ব্যক্তি যাৰ কর্তৃত্ব আছে তাৰ অর্থ হ'ল যে তেওঁ এক বিশেষ স্থান দখল কৰি আছে, যেনে- এজন মন্ত্রী। এনে স্থানত থকা ব্যক্তিয়ে নিজৰ স্থানে প্রদান কৰা ক্ষমতাৰ বাবে অন্যসকলক নিজৰ নির্দেশনা মানি চলিবলৈ বাধ্য কৰিব পাৰে, তেওঁৰ ক্ষমতাই হৈছে তেওঁৰ কর্তৃত্ব পালন। এনে ক্ষেত্রত ক্ষমতাক কর্তৃত্ব বুজাবলৈ ব্যৱহাৰ কৰিব পাৰি।

হাৰ্বার্ট চিমন (Herbert Simon) ৰ মতে, ক্ষমতাৰ সৃষ্টি হয় তেতিয়া যেতিয়া ব্যক্তিসকলে নিজৰ স্বাধীনতা বিসর্জন দি তেওঁলোকৰ বাবে উপলব্ধ বিভিন্ন বিকল্পৰ যিকোনো এটা নির্বাচন কৰে। ইয়াত শ্রেষ্ঠজনে সিদ্ধান্ত গ্রহণ কৰে আৰু তলতীয়াসকলক সেই সিদ্ধান্ত জনাই আৰু আশা কৰে যে তলতীয়াসকলে সেই সিদ্ধান্ত মানি চলিব। গতিকে কর্তৃত্ব হৈছে বাধ্যতাৰ প্রত্যাশা আৰু বাধ্যতাৰ ইচ্ছাৰ এক দুমুখীয়া সম্পর্ক ।

ই এ শ্বিলছৰ মতে, কর্তৃত্ব হৈছে এনে ধৰণৰ ক্ষমতা যিয়ে আদেশৰ মাধ্যমত অন্য কর্তাসকলৰ কার্যক নির্দেশনা দিয়ে অথবা স্পষ্ট কৰি দিয়ে আৰু এইসমূহ কার্যকৰী হয় এই কাৰণেই যে যিসকলে এই আদেশ দিয়ে তেওঁলোকে এনে আদেশক আইনগত বিবেচনা কৰে।

মেকাইভাৰ (E. A. Shils) ৰ মতে, কর্তৃত্বক প্রায়ে ক্ষমতা বুলি ব্যাখ্যা কৰা হয়, এই ক্ষমতা হৈছে বাধ্যতাৰ আদেশ দিয়াৰ ক্ষমতা। **ফ্রেডেৰিকে** (Frederich) কর্তৃত্বক ব্যাখ্যা কৰিছে যোগাযোগৰ এনে গুণ বুলি যাক যুক্তিসংগতভাৱে বহলাই ব্যাখ্যা কৰাৰ সম্ভাৱনা থাকে।

ৱেবাৰে কর্তৃত্বক দমনৰ আইনগত ৰূপ বুলি অভিহিত কৰিছে। এই ক্ষেত্রত যেতিয়া তলতীয়াসকলে এনে দমনক গ্রহণ, পালন কৰাৰ লগতে বাঞ্চনীয় বিবেচনা কৰে তেতিয়া দমনে আইনগত স্বীকৃতি লাভ কৰে আৰু সেই বাবে তেওঁলোকে ইয়াত প্রশ্ন উত্থাপন কৰাৰ পৰা বিৰত থাকে।

৩.৫.১ কর্তৃত্বৰ প্রকাৰ (Types of Authority)

মেক্স ৱেবাৰে কর্তৃত্বক তিনিটা ভাগত বিভক্ত কৰিছে। এইসমূহক 'আদর্শগত প্রকাৰ' বুলি বিবেচনা কৰা হয়, কাৰণ বাস্তৱত এনে ধৰণৰ কর্তৃত্বৰ প্রতিটো প্রকাৰৰ বৈশিষ্ট্যৰ সংমিশ্রণ দেখিবলৈ পোৱা যায়।

- **পৰম্পৰাগত কর্তৃত্ব** (Traditional Authority) ঃ এনে ধৰণৰ কর্তৃত্বত পৰম্পৰাৰ শক্তিৰে ক্ষমতাক আইনী ৰূপ দিয়া হয়। এনে ধৰণৰ সমাজত অতীজৰ পৰা প্রচলিত ৰীতি আৰু পৰম্পৰাই ৰাজনৈতিক বৈধকৰণৰ উৎস গঠন কৰে। এটা নির্দিষ্ট শ্রেণী অথবা গোটক শ্রেষ্ঠ বুলি বিবেচনা কৰা হয় কাৰণ পূর্বৰে পৰা তেওঁলোকক শ্রেষ্ঠ বুলি গণ্য কৰা হয়। এই ক্ষেত্রত সমাজত এজন ব্যক্তিৰ কর্তৃত্বমূলক স্থান নির্ধাৰণৰ কোনো প্রচলিত নিয়ম নাথাকে।

এনে ক্ষেত্রত কেতবোৰ শ্রেণীক নিম্নমানৰ বুলি গণ্য কৰা হয়, কাৰণ সমাজত তেওঁলোকৰ পূর্বৰ পৰা নিম্ন স্থান দিয়াৰ লগতে এই ক্ষেত্রত কোনো যুক্তিসংগত বিবেচনাৰ প্রয়োজন অনুভৱ কৰা নহয়। এনে ধৰণৰ পৰম্পৰাগত কর্তৃত্বৰ উদাহৰণ হৈছে কোনো গোটৰ মুৰব্বী, সেনাপতি আৰু ৰজাসকল।

- **দক্ষতামূলক কর্তৃত্ব** (Charismatic Authority) ঃ এনে ধৰণৰ কর্তৃত্বৰ মূল ভেটি হৈছে আনক উৎসাহিত আৰু অনুপ্রাণিত কৰিব পৰা নির্দিষ্ট ব্যক্তিৰ সহজাত গুণ আৰু দক্ষতা। দক্ষতামূলক কর্তৃত্ব সাধাৰণতে এনে ধৰণৰ নেতাৰ মাজত পোৱা যায় যাৰ লক্ষ্য আৰু দৃষ্টিভংগীয়ে আনক অনুপ্রেৰণা দিয়ে। এজন ব্যক্তিৰ মাজত প্রত্যক্ষ কৰা অসাধাৰণ ব্যক্তিত্বৰ ওপৰত এনে ধৰণৰ কর্তৃত্ব নির্ভৰ কৰে। ৱেবাৰৰ মতে দক্ষতাসম্পন্ন নেতা এক নতুন সামাজিক আন্দোলনৰ মুৰব্বীৰ দৰে। এজন দক্ষতাসম্পন্ন নেতাৰ মাজত স্বর্গীয় অথবা অলৌকিক শক্তি থকা বুলি বিশ্বাস কৰা হয়, যেনে- এজন ধর্মীয় গুৰু। সাহিত্য আৰু বিজ্ঞানৰ প্রতিভাসম্পন্ন ব্যক্তিকো এনে দক্ষতাসম্পন্ন কর্তৃত্বৰ অধিকাৰী বুলি গ্রহণ কৰা হয়। যেনে মহাত্মা গান্ধী, মার্টিন লুথাৰ কিং আদি দক্ষতাসম্পন্ন কর্তৃত্বৰ অধিকাৰী।
- **তর্কসংগত-বৈধ কর্তৃত্ব** (Rational-legal Authority) ঃ এজন ব্যক্তিৰ সামাজিক প্রস্থিতিৰ পৰা এনেধৰনৰ কর্তৃত্বৰ সৃষ্টি হয়। ইয়াৰ পৰিচালনাৰ বাবে আনুষ্ঠানিক নীতি-নিয়ম থাকে। এক জটিল আৰু আধুনিক প্রশাসনীয় ব্যৱস্থাত এনেধৰণৰ আমোলাতন্ত্র থকা দেখা যায়। এয়া এনেধৰণৰ নেতৃত্ব য'ত এটা সংগঠন অথবা শাসকীয় পক্ষৰ কর্তৃপক্ষ বৃহত্তৰভিত্তিত আইনী যুক্তিযুক্ততা, আইনী বৈধতা আৰু আমোলাতান্ত্রিক সংৰচনাৰ সৈতে বান্ধ খাই থাকে।

এইবাৰ আমি ৰাজনৈতিক সমাজশাস্ত্রৰ আন এক গুৰুত্বপূর্ণ অৱধাৰণা নাগৰিক সমাজৰ বিষয়ে আলোচনা কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ পেৰেটো'ৰ মতে অভিজাতৰ দুটা প্রকাৰ কি কি?

.....

.....

প্রশ্ন নং ৩ ঃ ৱেবাৰৰ মতে কর্তৃত্বৰ তিনিটা প্রকাৰ কি কি?

.....

.....



৩.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- চৰকাৰী প্ৰক্ৰিয়াত ক্ষমতা এক গুৰুত্বপূৰ্ণ উপাদান হোৱাৰ লগতে ই অন্যতম মুখ্য ভূমিকা গ্ৰহণ কৰে।
- অশান্ত পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে নাগৰিকসকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰা আদিৰ ক্ষেত্ৰত চৰকাৰৰ সক্ষমতা হৈছে ক্ষমতাৰ সৈতে জড়িত কেতবোৰ গুৰুত্বপূৰ্ণ দিশ।
- **মেক্স ৱেবাৰৰ** মতে ক্ষমতা হৈছে 'এনে সম্ভাৱনা য'ত এই সম্ভাৱনাৰ সীমা নথকাকৈ এজন কৰ্তাই নিজৰ ইচ্ছা পূৰণ কৰিবলৈ প্ৰতিৰোধ স্বত্বেও সামাজিক সম্পৰ্কৰ এক স্থিতিত থাকিব।
- **ফকাল্ট** (Foucault)ৰ মতে জ্ঞানেই হৈছে ক্ষমতা, ক্ষমতা দমনমূলত নহয়। ইয়াৰ পৰিৱৰ্তে ক্ষমতা হৈছে উৎপাদনক্ষম আৰু সামাজিক সংৰচনাৰ প্ৰতিটো দিশতে ই উপস্থিত।
- **পাৰ্চনছে** ক্ষমতাক নিৰ্দিষ্ট পৰিণতি লাভ কৰাৰ সক্ষমতা বুলি অভিহিত কৰিছে । অভিজাত সূত্ৰৰ মতে ব্যক্তিসমূহৰ এক নিৰ্দিষ্ট গোটে ক্ষমতা নিয়ন্ত্ৰণ কৰে আৰু হিংসাৰ জৰিয়তে সমাজক তেওঁলোকে পূৰ্ণভাৱে দমন কৰে।
- **ক্ষমতাৰ মাৰ্ক্সবাদী সূত্ৰ** সূত্ৰক 'ক্ষমতাৰ সামাজিক শ্ৰেণী সূত্ৰ' বুলিও জনা যায়। ক্ষমতাৰ এই শ্ৰেণীবিভাজন আছিল সমাজৰ ৰাজনৈতিক বিভাজনৰ মূল নিয়ন্ত্ৰক।
- **উদাৰবাদী গণতান্ত্ৰিক** সূত্ৰই ক্ষমতাশালীসকলৰ গণতান্ত্ৰিক শাসনত গুৰুত্ব প্ৰদান কৰিছে।
- কৰ্তৃত্ব হৈছে ক্ষমতাৰ অৰ্থৰ সৈতে ওচৰ সম্পৰ্কীয় এক অৱধাৰণা।
- ইয়াক কেৱল ৰাজনৈতিক পৰিসীমাৰ ভিতৰতে পোৱা যায় তেনে নহয় বৰঞ্চ সামাজিক আৰু অৰ্থনৈতিক পৰ্যায়তো কৰ্তৃত্ব থকা দেখা যায় ।
- **ৱেবাৰে** কৰ্তৃত্বক দমনৰ আইনগত ৰূপ বুলি অভিহিত কৰিছে।



৩.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) Ali Ashraf and L.N Sharma.(1983). *Political Sociology a new grammar of politics.* Hyderabad: University Press(India) Private Limited

2) Saroj Kumar Jena. (2002). *Political Sociology: A Realistic A proach.* New Delhi: Anmol Publications Pvt.Ltd.

3) P.B Rathod. (2005). *Fundamentals of Political Sociology.* Jaipur: ABD Publishers.



৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষমতাৰ বিভিন্ন সূত্ৰসমূহ হৈছে অভিজাত সূত্ৰ, ক্ষমতাৰ মাৰ্ক্সবাদী সূত্ৰ আৰু ক্ষমতাৰ উদাৰবাদী - গণতান্ত্ৰিক সূত্ৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পেৰেটৰ মতে অভিজাতৰ দুটা ভাগ হৈছে বেকাৰী অভিজাত আৰু বেচৰকাৰী অভিজাত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেবাৰৰ তিনি প্ৰকাৰৰ কৰ্তৃত্ব হৈছে পৰম্পৰাগত কতৰ্যত্ব, দক্ষতামূলক কৰ্তৃত্ব আৰু তৰ্কসংগত বৈধ কৰ্তৃত্ব।



৩.৯ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ক্ষমতাৰ অভিজাত সূত্ৰ আৰু মাৰ্ক্সবাদী সূত্ৰক তুলনা কৰি সাদৃশ্য-বৈসাদৃশ্যসমূহ উল্লেখ কৰা।

প্ৰশ্ন ২ঃ 'অভিজাতসকলৰ ক্ৰম পৰিৱৰ্তন' বুলিলে কি বুজে?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ কৰ্তৃত্বৰ সংজ্ঞা দিয়ক। কৰ্তৃত্বৰ বিভিন্ন প্ৰকাৰ কি কি?

অধ্যায় ৪ ঃ ৰাজনৈতিক সামাজিকীকৰণ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অর্থ আৰু সংজ্ঞা
৪.৩.১ ৰাজনৈতিক সামাজকীকৰণৰ ভাগসমূহ
৪.৪ ৰাজনৈতিক সামাজকীকৰণৰ মাধ্যমসমূহ
৪.৫ ৰাজনৈতিক সংস্কৃতি
৪.৫.১ অর্থ আৰু সংজ্ঞা
৪.৬ ৰাজনৈতিক সামাজিকীকৰণ, ৰাজনৈতিক সংস্কৃতি আৰু জনমত
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাজনৈতিক সামাজিকীকৰণৰ অৱধাৰণাটোৰ পৰিচয় প্রদান কৰিব পাৰিব
- ৰাজনৈতিক সামাজিকীকৰণৰ প্রকাৰসমূহ ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক সামাজিকীকৰণৰ মাধ্যমসমূহ আলোচনা কৰিব পাৰিব
- ৰাজনৈতিক সংস্কৃতিৰ অৱধাৰণাটো আলোচনা কৰিব পাৰিব
- ৰাজনৈতিক সামাজিকীকৰণ, ৰাজনৈতিক সংস্কৃতি আৰু জনমতৰ মাজৰ পাৰস্পৰিক সম্পর্ক ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

আগৰ অধ্যায়ত বিভিন্ন অৱধাৰণাৰ আলোচনা কৰাৰ পাছত আমি এতিয়া ৰাজনৈতিক সামাজিকীকৰণৰ অৱধাৰণাটো আলোচনা কৰিম। আৰম্ভণিতে সামাজিকীকৰণৰ অৱধাৰণাটো নুবুজাকৈ ৰাজনৈতিক সামাজিকীকৰণৰ আলোচনা স্পষ্ট নহ'ব। সামাজিকীকৰণনো কি? সমাজতত্ত্বৰ অ'ক্সফৰ্ড অভিধান মতে, সামাজিকীকৰণ এনে 'এক প্রক্রিয়া যাৰ জৰিয়তে আমি সমাজৰ প্রতিমান আৰু প্রমূল্যক অভ্যন্তৰিক কৰি সমাজৰ সদস্য হ'বলৈ শিকোঁ আৰু লগতে আমাৰ সামাজিক ভূমিকাসমূহ (যেনে কর্মী হিচাপে বন্ধু, নাগৰিক ইত্যাদি) পালন কৰিবলৈ

শিকোঁ। ইতিমধ্যে পূৰ্বৰ অধ্যায়সমূহত এই অৱধাৰণাটো বহলভাৱে আলোচনা কৰা হৈছে। তথাপিতো, এইটো মনত ৰাখিব লগীয়া যে সামাজিকীকৰণ আৰু সাধাৰণ শিক্ষাৰ মাজত পাৰ্থক্য বিদ্যামান। সদায়েই শিক্ষাৰ সামাজিক প্ৰাসংগিকতা নাথাকিবও পাৰে। আমি জানো যে পৃথিৱীখন ঘূৰে আৰু সূৰ্য্য নুঘুৰে, কিন্তু এই শিক্ষা সামাজিকীকৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত নহয় কিয়নো এটা অংশক বুজায় যি সামাজিক জীৱনৰ লগত সম্বন্ধীত হয়। ইয়াৰ লগতে আমি এতিয়া ৰাজনৈতিক সামাজিকীকৰণৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিম। ইয়াৰ পাছত আমি ৰাজনৈতিক সংস্কৃতিৰ বিষয়ে আলোচনা কৰিম, যি ৰাজনৈতিক সামাজিকীকৰণৰ অৱধাৰণাৰ সৈতে জড়িত। এইটো কোৱা উচিত হ'ব যে ৰাজনৈতিক সামাজিকীকৰণে ৰাজনৈতিক সংস্কৃতিৰ ৰক্ষণাবেক্ষণ, পৰিৱৰ্তন আৰু কেতিয়াবা ইয়াৰ নিৰ্মাণো কৰে। পুৰণা প্ৰজন্মৰ পৰা নতুন এক প্ৰজন্মলে প্ৰেৰণ কৰিয়ে ৰাজনৈতিক সামাজিকীকৰণে ৰাজনৈতিক সংস্কৃতি সংৰক্ষণ কৰে।

৪.৩ অৰ্থ আৰু সংজ্ঞা (MEANING AND DEFINITION)

ৰাজনৈতিক সমাজকীকৰণে প্ৰজন্ম আৰু গোটসমূহৰ মাজত ৰাজনৈতিক সংস্কৃতিক প্ৰেৰণ কৰাকে বুজায়। এই প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে নিজৰ ধ্যান ধাৰণা, প্ৰমূল্য, বিশ্বাস, দৃষ্টিভংগী আৰু আচাৰ বিকশিত কৰে, যিবোৰ দেশৰ সু-নাগৰিক হোৱাৰ বাবে অতি আৱশ্যকীয়। প্ৰাপ্তবয়স্ক লোকে আৰু গণ-মাধ্যমে নৱপ্ৰজন্মৰ সামাজিকীকৰণৰ যোগেদি তেওঁলোকক ৰাজনৈতিক জগতখনৰ বিষয়ে ধাৰণা লাভ কৰাত সহায় কৰে। প্ৰমূল্যৰ কথা বুজাৰ লগতে ব্যক্তিয়ে নাগৰিক হিচাপে নিজৰ ভূমিকা আৰু দায়িত্বৰ শিক্ষা লাভ কৰে। ৰাজনৈতিক সমাজতত্ত্বৰ আলোচনাত ৰাজনৈতিক সামাজিকীকৰণৰ অৱধাৰণাটো অতি গুৰুত্বপূৰ্ণ। ইয়াৰ জৰিয়তে ৰাজনৈতিক সমাজতত্ত্বৰ প্ৰয়োজনীয় উপাদানসমূহ নৱ প্ৰজন্মৰ মনত ৰোপণ কৰা হয়।



শিশুৰ পৰা সাবালক হোৱা প্ৰক্ৰিয়াটোৰ সৈতে **বয়সন্ধিস্তৰ** জড়িত।

বিংশশতিকাৰ পঞ্চম দশকত ৰাজনীতি বিজ্ঞান গৱেষণাৰ ক্ষেত্ৰত ৰাজনৈতিক আচৰণে অধিক গুৰুত্ব লাভ কৰাত ৰাজনৈতিক সামাজিকীকৰণ জনপ্ৰিয় হ'বলৈ ধৰে। এইধৰণৰ পৰিৱৰ্তনে এইটো দিশৰ প্ৰতি আঙুলিয়াই দিয়ে যে ৰাজনৈতিক আচাৰ এক শিক্ষণীয় আচৰণ। ব্যক্তিসকলে **বয়সন্ধিস্তৰ** পোৱাৰ লগে লগে এই প্ৰক্ৰিয়াটোৰ বিষয়ে সচেতন অথবা তাত যোগদান কৰা প্ৰক্ৰিয়া আৰম্ভ নহয়। হাৰ্বাট. এইচ. হাইমেন (Herbert H. Hyman) ৰ মতে, 'ৰাজনৈতিক সামাজিকীকৰণ এক অবিচ্ছিন্ন প্ৰক্ৰিয়া যিটো প্ৰাৰম্ভিক শৈশৱ কালত আৰম্ভ হয়।'

ৰাজনৈতিক সামাজিকীকৰণৰ সংজ্ঞা এনেদৰেও দিব পাৰি 'ই এনে এক প্ৰক্ৰিয়া যাৰ সহায়ত এজন ব্যক্তিয়ে ৰাজনৈতিক প্ৰণালীৰ সৈতে চিনাকি হয়' আন এটা সংজ্ঞা হৈছে 'ৰাজনৈতিক সামাজিকীকৰণ হৈছে সেইটো প্ৰক্ৰিয়া যিয়ে ৰাষ্ট্ৰৰ ৰাজনৈতিক সংস্কৃতিক আকাৰ দিয়ে আৰু সংচাৰণ (Transmit) কৰে।'

ফ্ৰেডৰিছ্ আই. গ্ৰীণষ্টেইন (Fredrich I. Greenstein) এ ৰাজনৈতিক সামাজিকীকৰণৰ সংজ্ঞা উভয় সংকীৰ্ণ আৰু বিস্তৃত দৃষ্টিভংগীৰে আগবঢ়াইছে। সংকীৰ্ণভাৱে 'ৰাজনৈতিক

সামাজিকীকৰণ হৈছে সেই প্ৰক্ৰিয়া যিয়ে ৰাজনৈতিক প্ৰমূল্যবোৰ আগবঢ়াই নিয়াৰ লগতে সুঅথজ্ঞাপক (well defined) অভিকৰ্তাৰ দ্বাৰা যুৱ মনবোৰক প্ৰশিক্ষণ দিওঁৱা যি আভকৰ্তাক আনুষ্ঠানিকভাৱে এই দায়িত্ব প্ৰদান কৰা হৈছে। বিস্তৃত দৃষ্টিভংগী মতে, 'ৰাজনৈতিক সামাজিকীকৰণে জীৱনচক্ৰৰ প্ৰতিটো পৰ্যায়ত, আনুষ্ঠানিক আৰু অনানুষ্ঠানিক, সকলো ধৰণৰ ৰাজনৈতিক শিক্ষা, সুবিবেচিত আৰু অপৰিকল্পিত শিক্ষাক সন্নিৱিষ্ট কৰি লয়। বিস্তাৰিত অৰ্থত, ৰাজনৈতিক সামাজিকীকৰণে ৰাজনৈতিক ৰূপত সম্বন্ধীত মনোভাৱ আৰু ব্যক্তিগত বৈশিষ্ট্যক সামৰি লয়। গ্ৰীণষ্টেইনে (Greenstein) সামাজিকীকৰণৰ বিষয়ে এইদৰে কৈছে 'সামাজিকীকৰণ হৈছে সেইটো প্ৰাথমিক সামাজিক প্ৰক্ৰিয়া যাৰ দ্বাৰা একোজন ব্যক্তিয়ে সামাজিকসমূহৰ সৈতে সংযুক্ত হৈ সমূহৰ সংস্কৃতি অথবা সমূহত তেওঁৰ ভূমিকাৰ বিষয়ে শিকে।'

ৰাজনৈতিক বিজ্ঞানী গেব্ৰিয়েল আলমণ্ড (Gabriel Almond) আৰু জেম্‌ঞ্জ ক'লমেন (James Coleman) এ ৰাজনৈতিক সামাজিকীকৰণক এনে এক প্ৰক্ৰিয়া বুলি কৈছে যাৰ জৰিয়তে আমি সমাজত নাগৰিকৰ ৰূপত আমাৰ ভূমিকাৰ বিষয়ে শিকোঁ আৰু এইদৰে আমি ৰাজনৈতিক সংস্কৃতিৰ এটা অংশ হৈ পৰো। ৰাজনৈতিক শিক্ষা হৈছে এটা বহল অৱধাৰণা য'ত অন্তৰ্ভুক্ত হয় উভয় সক্ৰিয় আৰু নিষ্ক্ৰিয় (passive) তথা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক যাৰ সহায়ত ব্যক্তি ৰাজনৈতিক ক্ষেত্ৰত পৰিপক্ক হৈ উঠে।

ৰাজনৈতিক সামাজিকীকৰণ এটা নীৰৱচ্ছিন্ন প্ৰক্ৰিয়া। সচৰাচৰ ইয়াক এনে এক প্ৰক্ৰিয়া বুলি উল্লেখ কৰা হয় 'য'ত ৰাজনৈতিক সংস্কৃতিক ব্যক্তিগত আৰু গোষ্ঠীয় স্তৰত আকাৰ দিয়া হয় আৰু এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সংবহন কৰা হয়।'

ৰাজনৈতিক সামাজিকীকৰণৰ বিষয়ে কৰা এই আলোচনাৰ পিছত আমি ৰাজনৈতিক সামাজিকীকৰণৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰিমহঁক—

৪.৩.১ ৰাজনৈতিক সামাজকীকৰণৰ ভাগসমূহ (Forms of Political Socialisation)

ৰাজনৈতিক সমাজকীকৰণক দুটা ভাগত ভগাব পাৰি। সেয়া হৈছে প্ৰত্যক্ষ অথবা প্ৰতীয়মান ৰাজনৈতিক সামাজিকীকৰণ আৰু পৰোক্ষ অথবা অব্যক্ত ৰাজনৈতিক সামাজিকীকৰণ—

- **প্ৰত্যক্ষ অথবা প্ৰতীয়মান ৰাজনৈতিক সামাজিকীকৰণে** (Direct or Manifest Political Socialisation) এনে এক প্ৰক্ৰিয়াক বুজায় য'ত প্ৰেৰণ হোৱা সংবাদৰ সন্দৰ্ভত, প্ৰমূল্য অথবা অনুভূতি স্পষ্টভাৱে ৰাজনৈতিক হয়। সেয়েহে প্ৰত্যক্ষ ৰাজনৈতিক সামাজিকীকৰণ এনে এক প্ৰক্ৰিয়াক বুজায় য'ত ব্যক্তি এজনে নিজৰ পৰিয়াল, শিক্ষাক অথবা অন্য কিছুমান মাধ্যমৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰভাৱিত হয় আৰু তেওঁ প্ৰশাসনৰ আৰ্হি আৰু কাৰ্য ৰাজনৈতিক দলৰ দৃষ্টিভংগী বিষয়ে শিকে, অথবা কোনো এক নিৰ্দিষ্ট ৰাজনৈতিক চিন্তাধাৰাৰ উৎকৃষ্টতাক বিশ্বাস কৰে।

ৰাজনৈতিক শিক্ষা অথবা ৰাজনৈতিক অভজ্ঞতাৰ জৰিয়তে কার্যকৰী হয়।

- **পৰোক্ষ অথবা অব্যক্ত ৰাজনৈতিক সামাজিকীকৰণে** (Latent Political Socialisation) এনে এক প্রক্রিয়াক বুজাই যাৰ জৰিয়তে প্রমুল্য, সংবাদ অথবা অনুভূতি প্রেৰণ কৰা হয়, কিন্তু ইয়াৰ কোনো ৰাজনৈতিক দিশ নাথাকিবও পাৰে। তথাপিতো, আগলৈ এই অ-ৰাজনৈতিক গুণবোৰ শেষত এক বিশাল ৰাজনৈতিক লক্ষ্যত পৰিণত হয়গৈ।

ইয়াৰ পাছৰ শাখাত আমি ৰাজনৈতিক সমাজিকীকৰণৰ বিভিন্ন মাধ্যমৰ বিষয়ে আলোচনা কৰিম। এই মাধ্যমবোৰৰ যোগেদিয়ে ৰাজনৈতিক জীৱনৰ সৈতে জড়িত প্রমূল্য, সংস্কৃতি আৰু অন্য বহুতো উপাদানৰ বিষয়ে নতুন প্রজন্মক প্রশিক্ষণ দিয়া হয়।



চিন্তা-চর্চা কৰক ৪.১

আপোনাৰ এটা নির্দিষ্ট ৰাজনৈতিক দলৰ সমর্থনৰ সৈতে ৰাজনৈতিক সামাজিকীকৰণৰ অৱধাৰণাটো কিদৰে জড়িত উদাহৰণৰ সহায়ত বহলাই লিখক।

.....

.....

.....

.....

৪.৪ ৰাজনৈতিক সমাজিকীকৰণৰ মাধ্যমসমূহ (AGENCIES OF POLITICAL SOCIALISATION)

ৰাজনৈতিক সামাজিকীকৰণত মাধ্যম অতি গুৰুত্বপূর্ণ। ৰাজনৈতিক সামাজিকীকৰণৰ লগত বহুতো মাধ্যম জড়িত হৈ থাকে।

যেতিয়া আমি ৰাজনৈতিক সামাজিকীকৰণৰ কথা পাতো, তেতিয়া আমি ইয়াক কোনো এটা নির্দিষ্ট সময়ৰ সৈতে সীমিত কৰিব নোৱাৰো। আমি স্বীকাৰ কৰা উচিত যে সামাজিকীকৰণৰ প্রক্রিয়া প্রাৰম্ভিক অৱস্থাতে আৰম্ভ হৈ যায়। উদাহৰণ স্বৰূপে ব্যক্তি এজনৰ ৰাষ্ট্রীয় পতাকা অথবা মঙ্গলগীতৰ প্রতি থকা মোহ ৰাজনৈতিক সামাজিকৰণৰেই এটা প্রকাৰ।

ৰাজনৈতিক সামাজিকীকৰণৰ মাধ্যমসমূহ কেইবাটাও ভাগত ভগাব পাৰি, যেনে—

- **পৰিয়াল (Family) ঃ** এয়াই হৈছে ব্যক্তি এজনৰ প্রাৰম্ভিক গোট। এটা প্রাৰম্ভিক গোট হিচাপে পৰিয়ালে ব্যক্তিৰ সামাজিকীকৰণত সহায় কৰে। ব্যক্তিলৈ ৰাজনৈতিক প্রমূল্য আৰু চিন্তা-ধাৰা প্রেৰণ কৰাত পৰিয়ালে এক মুখ্য ভূমিকা পালন কৰে। ব্যক্তি এজনৰ কাৰণে প্রথম সামাজিক গোট হৈছে পৰিয়াল। ব্যক্তি এজনৰ ব্যক্তিত্ব, তেওঁৰ ৰাজনৈতিক

চিন্তা-ধাৰা প্ৰেৰণ কৰাত পৰিয়ালে এক মুখ্য ভূমিকা পালন কৰে। ব্যক্তি এজনৰ কাৰণে প্ৰথম সামাজিক গোট হৈছে পৰিয়াল। ব্যক্তি এজনৰ ব্যক্তিত্ব, তেওঁৰ ৰাজনৈতিক চিন্তা-ধাৰা, দৃষ্টিভংগী অথবা মতামত বহু পৰিমাণে ঘৰতেই সাকাৰ ৰূপ লাভ কৰে। পৰিয়ালৰ সদস্যবোৰে শিশুৰ চিন্তা-ধাৰাৰ ওপৰতো প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ পেলায়, যিয়ে অৱশেষত ৰাজনৈতিক মতামত গঠন কৰাত সহায় কৰে। পৰিয়াল ৰাজনৈতিক সামাজিকীকৰণৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হয় কিয়নো শিশুৰ জীৱনত ই এক প্ৰভাৱশালী ভূমিকা পালন কৰে। শিশুবোৰে নিজৰ পৰিয়ালৰ ওপৰতো বহু পৰিমাণে নিৰ্ভৰশীল হৈ যায় আৰু সেয়ে নিজৰ পিতৃ-মাতৃক অনুকৰণ কৰাৰ এক স্বাভাৱিক কামনা গঢ় লৈ উঠে। এটি শিশুৱে পাৰিবাৰিক সম্বন্ধিত ৰাজনৈতিক বিশ্বাস আৰু দৃষ্টিভংগীবোৰ সহজভাৱে মানি লয় কিয়নো শিশুটিয়ে পিতৃ-মাতৃয়ে শিকোৱা কি সত্য আৰু অসত্য, কি ভাল অথবা বেয়া, কি শুদ্ধ আৰু অশুদ্ধ, এই সকলোবোৰ গ্ৰহণ কৰি লয়। ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াৰ দ্বাৰা পৰিয়ালত পূৰ্বেই প্ৰৱৰ্তিত ৰাজনৈতিক চিন্তা-ধাৰা সংচাৰণ কৰা হয়। নতুন চিন্তা-ধাৰা প্ৰৱৰ্তন কৰা অথবা উৎসাহিত কৰাৰ সলনি পৰিয়ালৰ মাজৰ ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়া সংযত সংৰক্ষণশীল হোৱাৰ সম্ভাৱনা থাকে।

ব্যক্তি এজনৰ জীৱন কালছোৱাত পৰিয়ালৰ প্ৰভাৱ একে নাথাকিবও পাৰে। এটি শিশু ডাঙৰ হোৱাৰ সৈতে ইয়াৰ প্ৰভাৱ ভিন্ন ভিন্ন ধৰণৰ হ'ব। জেনিইংচ্ (Jennings) আৰু নেইমি (Neimi) এ কৈছে যে, 'আগৰ প্ৰজন্মৰ তুলনাত বৰ্তমান সময়ত পিতৃ-মাতৃ আৰু শিশুৰ মাজত চিনাক্তকৰণ প্ৰক্ৰিয়াটো সফল নহ'ল। কিয়নো শিশু ডাঙৰ হোৱাৰ লগতে নিজৰ আৰু বাহিৰৰ পৃথিৱীখনৰ সৈতে পাৰস্পৰিক ক্ৰিয়া সম্পন্ন কৰে আৰু ৰাজনৈতিক সামাজিকীকৰণৰ এক মূল মাধ্যম হিচাপে পৰিয়ালৰ প্ৰভাৱ কমি যায়। নতুন প্ৰমূল্য, নতুন অভিজ্ঞতাৰ সৈতে ব্যক্তিজনে নিজকে অভ্যস্ত কৰি লয় আৰু ৰাজনৈতিক প্ৰক্ৰিয়াৰ সৈতে জড়িত এই নতুন উপাদানবোৰৰ বিষয়ে ব্যক্তিক প্ৰশিক্ষণ দিয়া হয়।

- **বন্ধু-বৰ্গৰ গোট (Peer Groups) ঃ** এই গোটৰ সদস্যবোৰৰ মাজত সামাজিক স্থিতি আৰু সমান বয়সৰ উমৈহতীয়া চিন্তা-ধাৰা হয়। পৰিয়ালৰ বিপৰীতে, বন্ধু বৰ্গৰ গোটসমূহৰ মাজত বয়স্কলোকৰ পোনপটীয়া তদাৰক নাথাকে। ব্যক্তিৰ ওপৰত এই গোটসমূহৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। এই গোটসমূহক প্ৰমাতাসমূহ বুলিও কোৱা হয়। বাল্যকালৰ খেলা-ধূলাৰ গোটসমূহ, বন্ধু-বান্ধৱৰ গোটবোৰ, ওচৰ-চুবুৰীয়াৰ গোটসমূহ আদিক বন্ধু-বৰ্গৰ গোটসমূহত অন্তৰ্ভুক্ত কৰা হয়।

ব্যক্তি এজন ডাঙৰ হোৱাৰ লগতে ৰাজনৈতিক দিশৰ সৈতে আন বহুতো প্ৰসঙ্গত প্ৰমূল্য আৰু মতামতৰ সলনি হয়। বন্ধুবৰ্গৰ গোটবোৰ প্ৰায়েই বন্ধুত্বপূৰ্ণ প্ৰকৃতিৰ হয় আৰু সেয়েহে ব্যক্তিজনৰ দৃষ্টিভংগী আৰু মন সলনি কৰিব পাৰে। এই গোটসমূহ সংস্কৃতিকৰণ আৰু শিক্ষাণৰ এক মাধ্যম হৈ পৰে। বন্ধু-বৰ্গৰ গোটসমূহে ব্যক্তি এজনক ৰাজনৈতিক ভূমিকা পালন কৰাত আৰু নতুন চিন্তা-ধাৰা, সজ আচৰণৰ বিষয়ে সামাজিক

কৰাত সহায় কৰে। যদি এই গোটসমূহৰ সদস্যবোৰে একে জীৱিকা অনুসৰণ কৰে, তেতিয়া সিহঁত একেধৰণৰ ৰাজনৈতিক ধাৰণাতো অংশীদাৰ হয়। উদাহৰণস্বৰূপে এক নির্দিষ্ট সস্থাৰ শিক্ষকসকলে তেওঁৰ জীৱিকাৰ সৈতে জড়িত বিষয়বোৰ ওপৰত একে ধৰণৰ মতামত অংশীদাৰ হয়। বন্ধু-বর্গৰ গোটসমূহৰ সহায়ত ব্যক্তিজনক বাহিৰৰ পৃথিৱীৰ সৈতে উন্মুক্ত কৰোৱা হয় আৰু ৰাজনৈতিকভাৱে আৰু বেছি সজাগ গৈ পৰে।

- **বিদ্যালয় অথবা শিক্ষণীয় অনুষ্ঠান (Schools or Educational Institutions) ঃ** ব্যক্তি এজনে ডাঙৰ হোৱাৰ লগতে যেতিয়া বিধিবদ্ধ শিক্ষা লোৱা আৰম্ভ কৰে, বিদ্যালয় অথবা অন্য শিক্ষণীয় অনুষ্ঠানবোৰে ৰাজনৈতিক সামাজিকীকৰণৰ এক গুৰুত্বপূর্ণ মাধ্যম হিচাপে একেলগে কাম কৰে। প্রত্যক্ষ অথবা পৰোক্ষভাৱে ব্যক্তি এজনক সামাজিক কৰাত বিদ্যালয়ে এক গুৰুত্বপূর্ণ মাধ্যম হয়। যেতিয়া বিদ্যালয়ৰ পাঠ্যসূচীত ৰাজনৈতিক পৰিৱেশৰ সৈতে জড়িত কিছুমান ভাব অথবা ৰাজনীতিৰ সৈতে জড়িত অৱধাৰণাবোৰ সন্নিৱিষ্ট কৰা হয়, তেতিয়া ৰাজ্যৰ পৰম্পৰা, সাফল্যসমূহ আলোকপাত কৰোতে শিক্ষকসকলে শিক্ষার্থীসকলক তেওঁৰ অঞ্চল আৰু প্রশাসনিক ব্যৱস্থাৰ বিষয়ে অৱগত কৰাত সহায় কৰে। এয়া হৈছে প্রত্যক্ষ সামাজিকীকৰণৰ এক উদাহৰণ য'ত শিশুৱে এই শিক্ষাৰ দ্বাৰা স্পষ্টভাৱে প্রভাৱিত হৈ ৰাজনৈতিক দিশতো সজাগ হয়।

  বিদ্যালয়বোৰে প্রভাৱশালী মতামত গঢ় দিয়াত সহায় কৰে, য'ত গণতান্ত্রিক অনুশীলনীবোৰ আৰু চিন্তাধাৰাৰ বিষয়ে শিক্ষার্থীসকলক এক চমু পৰিচয় দিয়া হয়। বিদ্যালয় এক আনুষ্ঠানিক স্থান য'ত এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ সমাজ এখনে সংগ্রহ কৰা জ্ঞান আৰু দক্ষতাবোৰ প্রেৰণ কৰে। পৰিয়ালত শিক্ষা লাভ কৰা বিষয়বোৰকে বিদ্যালয়ৰ পাঠ্যসূচীৰে সবলিত কৰে, কিন্তু পৰিয়ালৰ জৰিয়তে লাভ কৰা সামাজিকীকৰণক ই প্রত্যাহ্বান জনাবও পাৰে। আনহাতে নিজৰ শিক্ষা অৱস্থাত বিদ্যার্থী এজনে কেৱল বিদ্যালয়ৰ পাঠ্যসূচীয়ে যি শিক্ষা প্রদান কৰে সেয়া নহয়, কিন্তু নিজৰ বিদ্যালয়ৰ অভিজ্ঞতাৰ পৰা লাভ কৰা অনুমানৰ জৰিয়তেও ৰাজনৈতিক ৰূপত সামাজিক হ'ব পাৰে।

- **গণ মাধ্যম (Mass Media) ঃ** ৰাজনৈতিক সামাজিকীকৰণৰ ক্ষেত্রত গণ মাধ্যম এক গুৰুত্বপূর্ণ মাধ্যম। গণ মাধ্যমে প্রায়ভাগ ৰাজনৈতিক সংবাদৰ বিষয়ে খবৰ দিয়ে আৰু প্রায়েই সেই ঘটনাবোৰক নিজস্ব ৰূপ প্রদান কৰে। গণ মাধ্যমত ৰেডিঅ', দূৰদর্শন, আলোচনী, বাতৰিকাকত আৰু অন্য বহুতো অন্তর্ভুক্ত কৰে। ব্যক্তিসকলক গণ মাধ্যমে বহুতো ৰাজনৈতিক সংবাদ দিয়ে আৰু সেয়েহে ব্যক্তিৰ অস্তিত্বৰ ওপৰতো ইয়াৰ প্রভাৱ পৰে।

  গণ মাধ্যমৰ প্রদর্শনী কোনো লোকে কিদৰে ব্যাখ্যা কৰিব অথবা প্রতিক্রিয়া দর্শাব সেয়া গণ মাধ্যমে কার্যনির্বাহ কৰা সামাজিক পৰিৱেশৰ ওপৰত নির্ভৰ কৰে। যদিও গণ মাধ্যমে দিয়া সংবাদবোৰ নিৰপেক্ষ আৰু প্রমূল্যহীন হোৱা উচিত, তথাপিও প্রায়েই সেয়া নহয়।

সকলোবোৰ সমাজতেই গণ মাধ্যমৰ প্ৰকৃতি অবিচল নহয়। ই কাৰ্যনিৰ্বাহ কৰা সামাজিক পৰিৱেশৰ অনুযায়ী গণ মাধ্যমৰ গুৰুত্ব পাৰ্থক্যযুক্ত হয়। কোনো এখন সমাজত যদি এটা প্ৰভাৱশালী শ্ৰেণী আছে, তেন্তে সেই সমাজত অৱস্থিত গণ মাধ্যম প্ৰভাৱশালী শ্ৰেণীৰ দৃষ্টিভঙ্গীবোৰ ৰূপাঙ্কন কৰাৰ সম্ভাৱনা থাকে। গণ মাধ্যমৰ ওপৰত এই ধৰণৰ শাসন প্ৰক্ৰিয়াই শ্ৰোতাজনক এক নিৰ্দিষ্ট ধৰণে ৰাজনৈতিকভাৱে সামাজিক কৰে। এক মুক্ত গণ মাধ্যমে অন্য ধৰণৰ প্ৰমূল্য (অথবা মতামত, প্ৰায়েই নিৰপেক্ষ) প্ৰচাৰ কৰে আৰু ব্যক্তিৰ ৰাজনৈতিক আচৰণৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়।

প্ৰায়ভাগ সময়তে গণ মাধ্যমবোৰ নিজেই ৰাজনৈতিক সামাজিকীকৰণৰ মাধ্যম নহয়। ই হৈছে প্ৰকৃততে ৰাজনৈতিক সামাজিকীকৰণৰ মাধ্যমবোৰে ব্যৱহাৰ কৰা এটা আহিলা। সেয়েহে গণ মাধ্যমবোৰ সংবাদ উৎপন্ন হোৱাৰ উৎস নহয়। গণ মাধ্যমে বিভিন্ন উৎসৰ পৰা বাতৰি আৰু সংবাদ সংগ্ৰহ কৰে, শৃংখলাবদ্ধ কৰে আৰু জনসাধাৰণৰ মাজলৈ প্ৰেৰণ কৰে। সেয়েহে গণ মাধ্যম প্ৰাথমিক সামাজিকীকৰণৰ মাধ্যম নহয়, বৰঞ্চ গণ মাধ্যমে ইতিমধ্যে প্ৰতিষ্ঠিত দিশস্থিতিবোৰ সবলিত কৰে। গণ মাধ্যমে মূলতঃ ৰাজনৈতিক দলবোৰৰ কাৰ্যসমূহ, ৰাষ্ট্ৰীয় ৰাজনীতিৰ বিষয়বোৰ জনসাধাৰণৰ মাজত দাঙি ধৰাত সহায় কৰে।

- **ৰাজনৈতিক দল, শ্ৰমিকসংঘ আৰু স্বাৰ্থন্বেষী গোটসমূহ (Political Party, Trade Unions and Interest Groups) ঃ** এই তিনিটা সমূহেই ৰাজনৈতিক সামাজিকীকৰণৰ মূল মাধ্যম। ৰাজনৈতিক দলবোৰ জনসাধাৰণলৈ ৰাজনৈতিক প্ৰমুল্যসমূহ সঞ্চাৰিত কৰা লগত অবিচলিতভাৱে নিযুক্ত হৈ থাকে, ৰাজনৈতিক কৰ্মবোৰৰ কাৰণে ব্যক্তিবোৰক সংগঠিত কৰে আৰু ৰাজনৈতিক নেতাবোৰক নিযুক্ত কৰে। নিৰ্বাচনীয় প্ৰচাৰ, পোষ্টাৰ, প্ৰজ্ঞাপনৰ সহায়ত বিভিন্ন ৰাজনৈতিক গোটৰ ধাৰণা আৰু আদৰ্শসমূহ ৰাইজৰ মাজত জনপ্ৰিয় কৰা হয়। শ্ৰমিক সংঘ আৰু স্বাৰ্থন্বেষী গোটসমূহ (Interest Groups) ৰাজনৈতিক সামাজিকীকৰণৰ লগত মুখ্যভাৱে জড়িত। সেয়েহে নিয়মিত কাৰ্যবোৰত অংশগ্ৰহণ কৰিয়ে ব্যক্তিসমূহক দলৰ সক্ৰিয় সদস্য হিচাপে ৰাজনৈতিক প্ৰাসংগিকতা থকা দিকবিন্যাস (Orientation) পৰিবৰ্দ্ধিত কৰাৰ বাবে বহুতো সুযোগ দিয়া হয়। সমাজৰ ৰাজনৈতিক কাৰ্যবোৰত অন্তৰ্ভুক্ত কৰাৰ বাবে, এই মাধ্যমবোৰৰ জৰিয়তে ব্যক্তিয়ে নিয়মিত সুযোগ লাভ কৰে। এই ধৰণেই ব্যক্তিবোৰ ৰাজনৈতিকভাৱে সামাজিক হৈ পৰে।

ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়া সমসত্ব প্ৰকৃতিৰ নহয়। যেতিয়া ৰাজনৈতিক সামাজিকীকৰণৰ মাধ্যমবোৰে ইটো-সিটোক পূৰণ কৰে, তেতিয়া ৰাজনৈতিক ব্যৱস্থাৰ মাজত বহু পৰিমাণে স্থিৰতা দেখা যায়। কিন্তু কেতিয়াবা সামাজিকীকৰণৰ বিভিন্ন মাধ্যমবোৰৰ মাজত বিসঙ্গতিয়ে দেখা দিয়ে যিটো অতি স্বাভাৱিক, কিয়নো ই স্থিৰ নহয়, বৰঞ্চ এক অবিচ্ছিন্ন প্ৰক্ৰিয়া।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ দুটা প্রকাৰ কি কি?

.....

.....

প্রশ্ন নং ২ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ বিভিন্ন মাধ্যমবোৰ কি কি?

.....

.....

৪.৫ ৰাজনৈতিক সংস্কৃতি (POLITICAL CULTURE)

সংস্কৃতি মানে মানুহৰ জীৱনক গঢ় দিয়া চিন্তা-ধাৰা, বিশ্বাস, কার্যকৰী অৱস্থা আৰু ভৌতিক বস্তুক বুজায়। ইয়াক এটা প্রজন্মৰপৰা আন এটা প্রজন্মলৈ সংবহন কৰা হয়। সেইধৰণে ৰাজনৈতিক সংস্কৃতিয়ে সংস্কৃতিৰ এনে কিছুমান উপাদানক বুজায় যিবোৰ ৰাজনীতিৰ সৈতে জড়িত। দ্বিতীয় বিশ্ব যুদ্ধৰ লগত এই সংজ্ঞাৰ ব্যৱহাৰ সম্পর্কিত। ৰাজনৈতিক বিশ্লেষণৰ বাবে ৰাজনৈতিক সংস্কৃতি এটা মাধ্যম হৈ পৰিছে। ৰাজনৈতিক সংস্কৃতিৰ দ্বাৰা আমি ৰাজনৈতিক ব্যৱস্থাক বুজিব আৰু বিশ্লেষণ কৰিব পাৰো। ৰাজনৈতিক সংস্কৃতিৰ দ্বাৰা আমি ৰাজনৈতিক ব্যৱস্থাক বুজিব আৰু বিশ্লেষণ কৰিব পাৰো। ৰাজনৈতিক সংস্কৃতি মানে, 'ৰাজনৈতিক জীৱনৰ সৈতে সম্বন্ধিত প্রমূল্য আৰু প্রতিমানবোৰ আৰু ৰাজনৈতিক বৈধতা বিষয়ে থকা মানুহৰ বিশ্বাসক বুজায়। ব্যক্তিৰ ৰাজনৈতিক কার্য, প্রতিষ্ঠান আৰু প্রণালী প্রতি থকা দৃষ্টিভঙ্গী আৰু দিশস্থিতিবোৰ প্রমূল্য, প্রতিমান আৰু বিশ্বাসত প্রকাশ হয়।' কিন্তু **'প্রকৃত'** ৰাজনৈতিক সংস্কৃতি আৰু **আৰোপিত** (Imposed) ৰাজনৈতিক সংস্কৃতিৰ মাজত পার্থক্য কৰা উচিত। 'প্রকৃত' অর্থত ৰাজনৈতিক সংস্কৃতিয়ে সেই অংশক বুজায় যিটোক নাগৰিকবোৰে সক্রিয়ভাৱে বিশ্বাস আৰু সমর্থন কৰে তথা ৰাজনৈতিক সংস্কৃতিৰ আৰোপিত দিশটোৱে ভাবুকি অথবা শক্তিৰ জৰিয়তে নাগৰিকৰ ওপৰত জাপি দিয়া কৃত্রিম ভাৱে সৃষ্টি হোৱা আদর্শবোৰক বুজায়। এতিয়া আমি ৰাজনৈতিক সংস্কৃতিৰ বিভিন্ন সংজ্ঞাৰ আলোচনা কৰিম।

৪.৫.১ অর্থ আৰু সংজ্ঞা (Meaning and Definition)

বিভিন্ন জনপণ্ডিতে ৰাজনৈতিক সংস্কৃতিৰ বিভিন্ন ধৰণে সংজ্ঞাৱদ্ধ কৰিছে। বিয়েৰ আৰু উলামৰ (Beer and Ulam) মতে, সংস্কৃতিৰ কিছুমান নির্দিষ্ট দিশে চৰকাৰ কেনেকৈ চলা অথবা কি কৰা উচিত, ইয়াকে লৈ বিচাৰ-বিশ্লেষণ কৰে। সংস্কৃতিৰ এই ভাগটোক আমি ৰাজনৈতিক সংস্কৃতি বুলি কওঁ। এ. আৰ. বলে (A. R. Ball) এ মন্তব্য দিছে যে, 'ৰাজনৈতিক সংস্কৃতি সংগঠিত হয় সমাজৰ দৃষ্টিভংগী, বিশ্বাস, আবেগ-

অনুভূতি আৰু প্ৰমূল্যৰ দ্বাৰা যি ৰাজনৈতিক ব্যৱস্থা আৰু ৰাজনৈতিক বিষয়ৰ সৈতে সম্বন্ধিত।

এলমণ্ড আৰু প'ৱেলৰ (Almond and Powell) মতে ৰাজনৈতিক সংস্কৃতি মানে, 'ৰাজনৈতিক ব্যৱস্থাৰ সদস্যসকলৰ মাজৰ স্বকীয় দৃষ্টিভংগী আৰু দিশস্থিতিৰ আৰ্হিক বুজায়।' ৰাজনৈতিক সংস্কৃতিৰ মুখ্য তাত্ত্বিক, লিউচিয়ান পাই (Lucian Pye) এ আগবঢ়াইছে যে ৰাজনৈতিক সংস্কৃতি মানে 'ৰাজনৈতিক প্ৰক্ৰিয়াৰ সৈতে অৰ্থ প্ৰদান কৰা দৃষ্টিভংগী, বিশ্বাস আৰু আশা-আকাঙ্খাৰ এটা সংহতি আৰু ৰাজনৈতিক ব্যৱস্থাত পোৱা ৰাজনৈতিক ব্যৱহাৰৰ সম্বন্ধীত অনুমান আৰু নিয়মক বুজায়।'

ৰাজনৈতিক সংস্কৃতিক বিশ্লেষণৰ এক আহিলা হিচাপেও ব্যৱহাৰ কৰিব পাৰি। ৰাজনৈতিক ব্যৱস্থাৰ ক্ষেত্ৰত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

গ্ৰেব্ৰিয়েল আলমণ্ড আৰু ছিদনি ভৰবা (Gabriel Almond and Sidney Verba) ৰ মতে ৰাজনৈতিক সংস্কৃতি মানে, 'ৰাজনৈতিক ব্যৱস্থা আৰু ইয়াৰ বিভিন্ন অংশৰ প্ৰতি থকা নিৰ্দিষ্ট ৰাজনৈতিক দিশস্থিতি-দৃষ্টিভংগীক বুজায় আৰু সেই ব্যৱস্থাত স্বয়ং নিজৰ ভূমিকা সম্বন্ধে থকা দৃষ্টিভংগীক বুজায় আৰু সেই ব্যৱস্থাত স্বয়ং নিজৰ ভূমিকা সম্বন্ধে থকা দৃষ্টিভংগীক বুজায়।'

ডাউচে আৰু গিউগ্চ (Dowse and Hughes) এ উল্লেখ কৰিছে যে ৰাজনৈতিক সংস্কৃতিৰ কেন্দ্ৰবিন্দু আনুষ্ঠানিক ব্যৱস্থা যেনে ৰাজনীতি, চৰকাৰৰ ওপৰত নাথাকে। জনসাধাৰণে বিশ্বাস কৰা ব্যৱস্থা আৰু ব্যৱহাৰক অধ্যয়ন আৰু বিশ্লেষণ কৰাৰ ওপৰত ৰাজনৈতিক সংস্কৃতিৰ বেছি গুৰুত্ব।

ৰাজনৈতিক সংস্কৃতিৰ বিভিন্ন সংজ্ঞা আলোচনা কৰাৰ পাছত আমি এই দুটা অৱধাৰণা, ৰাজনৈতিক সামাজিকীকৰণ আৰু ৰাজনৈতিক সংস্কৃতিৰ মাজৰ সম্বন্ধটো বুজিবলৈ চেষ্টা কৰিম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ৰাজনৈতিক সংস্কৃতিৰ 'প্ৰকৃত' দিশ বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৪ ঃ ৰাজনৈতিক ব্যৱস্থাৰ বিষয়ে জানিবলৈ আমি ৰাজনৈতিক সংস্কৃতিৰ ব্যৱহাৰ কৰিব পাৰো নেকি?

.....

.....

৪.৬ ৰাজনৈতিক সামাজিকীকৰণ, ৰাজনৈতিক সংস্কৃতি আৰু জনসাধাৰণৰ মতামত (POLITICAL SOCIALISATION, POLITICAL CULTURE AND PUBLIC OPINION)

ইয়াৰ আগৰ শাখাবোৰৰ আলোচনাত আমি ৰাজনৈতিক সামাজিকীকৰণ আৰু ৰাজনৈতিক সংস্কৃতিৰ বিষয়ে আলোচনা কৰিলো।

এই দুটা অৱধাৰণাৰ লগত জড়িত বিভিন্ন সংজ্ঞা আলোচনা কৰাৰ পাছত, আমি জনসাধাৰণৰ মতমতৰ বিষয়েও আলোচনা কৰাতো প্ৰয়োজন। ব্যক্তিৰ মতামতক ৰাজনৈতিক সামাজিকীকৰণ আৰু ৰাজনৈতিক সংস্কৃতিয়ে আকাৰ দিয়াত সহায় কৰে, ইয়াৰ উপৰিও বিভিন্ন বিষয়ৰ সম্বন্ধিত ৰাজনৈতিক মতামত গঢ় দিয়াতো ই সহায় কৰে।

এটা অৱধাৰণা হিচাপে ৰাজনৈতিক সামাজিকীকৰণে ব্যক্তিৰ ধাৰণাবোৰক আকাৰ দিয়াত সহায় কৰে আৰু ইয়াৰ উপৰিও নিৰ্দিষ্ট ৰাজনৈতিক প্ৰমূল্য আৰু প্ৰতিমান সঞ্চাৰিত কৰে। দায়িত্বশীল নাগৰিকৰ ৰূপত ব্যক্তিৰ মাজত ৰাজনৈতিক সংস্কৃতিৰ এক স্পষ্ট আকাৰ গঢ় দিয়াত ই সহায় কৰে। ৰাজনৈতিক সংস্কৃতি চৰকাৰৰ এক প্ৰতিবিম্ব, কিন্তু ইতিহাস আৰু লোকাচাৰৰ সৈতে জড়িত উপাদানবোৰো ই অন্তৰ্ভুক্ত কৰে। ৰাজনৈতিক সংস্কৃতি গুৰুত্বপূৰ্ণ কিয়নো ৰাইজৰ ৰাজনৈতিক অনুভূতি আৰু আচৰণসমূহক ই আকাৰ দিয়ে। শিক্ষা, ৰাজহুৱা কাৰ্য আৰু অতীতৰ সোঁৱৰণিৰ জৰিয়তে চৰকাৰে ৰাজনৈতিক সংস্কৃতি আৰু জনসাধাৰণৰ মতামতক আকাৰ দিয়াত সহায় কৰে। দেশৰ বিভিন্ন ৰাজ্য আৰু আনকি কেতিয়াবা এখন ৰাজ্যৰ এটা প্ৰান্তৰ লগত অন্য এটা প্ৰান্তৰ ৰাজনৈতিক সংস্কৃতি ভিন্ন ভিন্ন ধৰণৰ হয়। অৱশ্যে, সচৰাচৰ দেখা যায় যে কম-বেছি পৰিমাণে ৰাজনৈতিক সংস্কৃতি সকলো সময়তে প্ৰায় ৰাজ্যৰ জনসাধাৰণৰ দৃষ্টিভংগীয়ে জনসাধাৰণৰ মতামতক গঢ় দিয়ে, যিয়ে প্ৰবাৱশালী ব্যক্তিসমূহক প্ৰভাৱিত কৰে। গণতান্ত্ৰিক ৰাজ্যত, ৰাজনীতিবিদসকলে নিজৰ গাদী ৰক্ষাৰ হেতু জনসাধাৰণৰ মতামতক গুৰুত্ব দিয়াটো প্ৰয়োজন। জনসাধাৰণৰ মতামতক আওকাণ কৰাৰ বাবে সেই একেখিনি ভোটদাতাই নিৰ্বাচনৰ সময়ত তেনে জনপ্ৰতিনিধিক ভোট নিদিবও পাৰে। অন্য পদ্ধতি বা প্ৰক্ৰিয়াৰে গঠিত হোৱা চৰকাৰেও জনসাধাৰণৰ মতামতক গুৰুত্ব দিয়া উচিত। জনসাধাৰণে বিৰোধ কৰা চৰকাৰৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা বা চৰকাৰ ভঙ্গ হোৱাৰ ভয় থাকে।

এজন ব্যক্তিক ডাঙৰ হৈ অহাৰ লগতে, ৰাজনৈতিক জীৱনৰসৈতে সম্বন্ধিত নিয়ম আৰু প্ৰমূল্যবোৰ অনুসৰণ কৰিবলৈ শিকোৱা হয়। এইয়ে ৰাজনৈতিক সামাজিকীকৰণৰ ভেটিস্বৰূপ। সেই অনুসাৰে প্ৰমূল্য, ধাৰণা আদি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সংবহন কৰা হয় (ৰাজনৈতিক সংস্কৃতি)। এই প্ৰক্ৰিয়াৰ ফলত জনমতৰ বিকাশ হয় যিয়ে আনকি স্থিতিশাল চৰকাৰকো ওফৰাব পাৰে। সেয়েহে নিৰ্বাচনী প্ৰচাৰৰ সময়ত জনসাধাৰণৰ মতামত সৃষ্টি আৰু প্ৰভাৱিত কৰাতো ভোট বেংক সৃষ্টি কৰা একমাত্ৰ মাৰ্গ হৈ পৰিছে।



চিন্তা-চৰ্চা কৰক ৪.২

আপোনাৰ অঞ্চলৰ সম্বন্ধীত এক উদাহৰণৰ সহায়ত, আপুনি নিৰ্বাচনৰ সময়ত জনসাধাৰণৰ মতামত কিদৰে আকাৰ দিয়া হয় বুলি ভাৱে?

.....

.....

.....

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক সামাজিকীকৰণে প্ৰজন্ম আৰু গোটসমূহৰ মাজত ৰাজনৈতিক সংস্কৃতি প্ৰেৰণ কৰাকে বুজায়। এই প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে নিজৰ ধাৰণা, প্ৰমূল্য, বিশ্বাস, মন্তব্য আৰু ব্যৱহাৰ সম্প্ৰসাৰিত কৰে, যিবোৰ নিজৰ দেশৰ এক সু-নাগৰিক হোৱাৰ বাবে অত্যাৱশ্যকীয়।
- ৰাজনৈতিক সামাজিকীকৰণ এক অবিচ্ছিন্ন প্ৰক্ৰিয়া, যিটো প্ৰাৰম্ভিক শৈশৱ কালত আৰম্ভ হয়।
- ৰাজনৈতিক সামাজিকীকৰণক দুটা ভাগত ভগাব পাৰি। সেয়া হৈছে প্ৰত্যক্ষ অথবা প্ৰতীয়মান ৰাজনৈতিক সামাজিকীকৰণ আৰু পৰোক্ষ অব্যক্ত ৰাজনৈতিক সামাজিকীকৰণ।
- ৰাজনৈতিক সামাজিকীকৰণৰ বিভিন্ন মাধ্যমসমূহ হৈছে পৰিয়াল, বন্ধুবৰ্গৰ সমূহ, বিদ্যালয়, গণ মাধ্যম, ৰাজনৈতিক দল, শ্ৰমিক সংঘ আৰু স্বাৰ্থন্বেষী গোট।
- ৰাজনৈতিক সংস্কৃতি, সংস্কৃতিৰ ৰাজনীতিৰ সম্বন্ধীত উপাদানৰ সৈতে জড়িত।
- 'প্ৰকৃত' আৰু আৰোপিত (Imposed) ৰাজনৈতিক সংস্কৃতিৰ মাজত পাৰ্থক্য কৰাটো অত্যাৱশ্যকীয়। 'প্ৰকৃত' অৰ্থত ৰাজনৈতিক সংস্কৃতিয়ে সেই অংশক বুজায় যিটোক নাগৰিকবোৰে সক্ৰিয়ভাৱে বিশ্বাস আৰু সমৰ্থন কৰে আৰু ৰাজনৈতিক সংস্কৃতিৰ আৰোপিত দিশটোৱে ভাবুকি অথবা শক্তিৰ জৰিয়তে নাগৰিকৰ ওপৰত জাপি দিয়া কৃত্ৰিমভাৱে সৃষ্টি হোৱা আদৰ্শবোৰক বুজায়।
- ৰাজ্যৰ জনসাধাৰণৰ দৃষ্টিভংগী সমূহহেই জনসাধাৰণৰ মতামতক গঢ় দিয়ে যিয়ে প্ৰভাৱশালী ব্যক্তিসমূহৰ ওপৰত প্ৰভাৱ পেলাই। জনসাধাৰণৰ মতামতে প্ৰৱৰ্তিত চৰকাৰোকো ধ্বংস কৰিব পাৰে।



৪.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1) Chakraborty, S (ed) (2005). *Political Sociology.* Macmillan India Ltd.
2) Marshall, G (2006). *Dictionary of Sociology.* Oxford University Press.
3) Ashraf, Ali and L. N. Sharma (2007). *Political Sociology.* University (Press) India Pvt. Ltd.
4) Jena, Saroj Kumar (2002). *Political Sociology : A Realistic Approach.* Anmol Publications Pvt. Ltd.



৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যক্ষ অথবা প্ৰতিয়মান আৰু পৰোক্ষ অথবা অব্যক্ত হৈছে ৰাজনৈতিক সামাজিকীকৰণৰ দুটা প্ৰকাৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ বিভিন্ন মাধ্যম হৈছে পৰিয়াল, বন্ধু বৰ্গৰ সমূহ, বিদ্যালয়, গণ মাধ্যম, ৰাজনৈতিক দল, শ্ৰমিক সংঘ আৰু স্বাৰ্থন্বেষী গোটসমূহ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'প্ৰকৃত' অৰ্থত ৰাজনৈতিক সংস্কৃতিয়ে সেই অংশক বুজায় যিটোক নাগৰিকবোৰে সক্ৰিয়ভাৱে বিশ্বাস আৰু সমৰ্থন কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, ৰাজনৈতিক ব্যৱস্থাৰ বিষয়ে জানিবলৈ আমি ৰাজনৈতিক সংস্কৃতিৰ ব্যৱহাৰ কৰিব পাৰো।



৪.১০ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ সামাজিকীকৰণ বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰকাৰ বুলিলে কি বুজে?

প্ৰশ্ন ৩ঃ ৰাজনৈতিক সামাজিকীকৰণৰ সৈতে আপুনি ৰাজনৈতিক সংস্কৃতি আৰু জনসাধাৰণৰ মতামতক কিদৰে জড়িত কৰিব পাৰে?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ উদাহৰণৰ সহায়ত সামাজিকীকৰণৰ মাধ্যমসমূহৰ আলোচনা কৰক।

প্ৰশ্ন ২ঃ ৰাজনৈতিক সংস্কৃতি বুলিলে কি বুজে? ৰাজনৈতিক সামাজিকীকৰণৰ সৈতে ইয়াৰ সম্বন্ধ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ৰাষ্ট্ৰৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্ব

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ৰাষ্ট্ৰৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্ব

৫.৩.১ থমাছ হ'বচ্ৰ সামাজিক চুক্তি তত্ত্ব

৫.৩.২ জন ল'কৰ সামাজিক চুক্তি তত্ত্ব

৫.৩.৩ জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্ব

৫.৪ সামাজিক চুক্তি তত্ত্বৰ সমালোচনা

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় সামাজিক চুক্তি তত্ত্বৰ প্ৰধান যুক্তিবোৰ ব্যাখ্যা কৰিব পাৰিব
- থমাছ হ'বচ্ৰ সামাজিক চুক্তি তত্ত্ব সম্পৰ্কীয় দৃষ্টিভঙ্গী পৰীক্ষা কৰিব পাৰিব
- জন ল'কৰ সামাজিক চুক্তি তত্ত্ব সম্পৰ্কীয় দৃষ্টিভঙ্গী ব্যাখ্যা কৰিব পাৰিব
- জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্বটো আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

ৰাজনৈতিক সমাজতত্ত্বত ৰাষ্ট্ৰৰ অধ্যয়ন হ'ল এটি গুৰুত্বপূৰ্ণ বিষয়। এই অধ্যয়টিত আলোচনা কৰা হ'ব ৰাষ্ট্ৰৰ উৎপত্তি বিষয়ক এটা গুৰুত্বপূৰ্ণ তত্ত্ব, সামাজিক চুক্তি তত্ত্বৰ বিষয়ে। এই তত্ত্বই দৃঢ়ভাৱে বিশ্বাস কৰে যে মানুহৰ মাজত হোৱা চুক্তি অথবা সন্ধিৰ ফলশ্ৰুতিত ৰাষ্ট্ৰৰ উৎপত্তি ঘটিছে। সামাজিক চুক্তি তত্ত্বটো প্ৰধানকৈ তিনিগৰাকী মহান চিন্তাবিদৰ সৈতে জড়িত— থমাছ হ'বচ্, জন ল'ক আৰু জ্যাঁ জ্যাক ৰুছো। এই অধ্যায়টিত আমি এই তিনিওগৰাকী ৰাজনৈতিক চিন্তাবিদৰ দৃষ্টিভঙ্গীৰ উল্লেখেৰে সামাজিক চুক্তি তত্ত্বটো বুজাৰ প্ৰয়াস কৰিম।

৫.৩ ৰাষ্ট্ৰৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্ব

ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে সামাজিক চুক্তি তত্ত্বৰ মতামত হ'ল যে মানুহে নিজৰ মাজতে সম্পন্ন কৰা কোনো চুক্তি নাইবা সন্ধিৰ ফলাফল হিচাপে ৰাষ্ট্ৰৰ সৃষ্টি হয়। এই তত্ত্বটোৱে প্ৰাকৃতিক অৱস্থাক মানৱ জাতিৰ মৌলিক অৱস্থা বুলি বিবেচনা কৰে। প্ৰাকৃতিক অৱস্থাত মানুহৰ আচৰণ আৰু পাৰস্পৰিক সম্পৰ্ক নিয়ন্ত্ৰণ কৰিবলৈ কোনো সংস্থা অথবা কৰ্তৃত্ব নাছিল। এনে অনিয়ন্ত্ৰিত জীৱনৰ পৰা মুক্তি পাবলৈ মানুহে এক ধৰণৰ কৰ্তৃত্ব অথবা নাগৰিক সমাজৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে য'ত সকলোৱে এক সুস্থিৰ আৰু শান্তিপুৰ্ণ জীৱন কটাব পাৰে। সেয়েহে মানুহ নিজৰ মাজতে স্বেচ্ছাই এক চুক্তি নাইবা সন্ধিপত্ৰৰ দ্বাৰা শৃঙ্খলাৱদ্ধ হ'ল আৰু এনেকৈয়ে ৰাষ্ট্ৰৰ সৃষ্টি হ'ল। অৰ্থাৎ, সামাজিক চুক্তি তত্ত্ব মতে ৰাষ্ট্ৰ হ'ল এক মানৱীয় অনুষ্ঠান আৰু ই মানুহে পৰস্পৰৰ মাজত সম্পাদিত কৰা এক চুক্তিৰ পৰিণাম। মানুহে নিজৰ কল্যাণৰ বাবে ৰাষ্ট্ৰৰ সৃষ্টি কৰিছে। থমাছ হ'বচ্, জন ল'ক আৰু জ্যাঁ জ্যাক ৰুছো হ'ল সামাজিক চুক্তি তত্ত্বৰ প্ৰধান পৃষ্ঠপোষক।

৫.৩.১ থমাছ হ'বচ্ৰ সামাজিক চুক্তি তত্ত্ব

ব্ৰিটিছ ৰাজনৈতিক চিন্তাবিদ থমাছ হ'বচে তেওঁৰ বিখ্যাত গ্ৰন্থ লেভিয়াথানত (১৬৫১) সামাজিক চুক্তি তত্ত্বৰ জৰিয়তে ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে আলোচনা কৰিছে। তেওঁৰ মতে ৰাষ্ট্ৰ গঠন হোৱাৰ আগতে মানুহ প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল। থমাছ হ'বচৰ মতে প্ৰাকৃতিক অৱস্থা প্ৰাক্-সামাজিক আৰু প্ৰাক্-ৰাজনৈতিক আছিল। থমাছ হ'বচে ৰাষ্ট্ৰ গঠন হোৱাৰ আগতে মানুহে বাস কৰা প্ৰাকৃতিক অৱস্থাৰ বিষয়ে এক নেতিবাচক প্ৰতিচ্ছবি দাঙি ধৰিছিল। প্ৰাকৃতিক অৱস্থাত মানুহ অতি নীচ, নিকৃষ্ট, নিষ্ঠুৰ আৰু স্বাৰ্থপৰ স্বভাৱৰ আছিল। মানুহৰ শুদ্ধ-অশুদ্ধ সম্পৰ্কে কোনো ধৰণৰ জ্ঞান নাছিল। প্ৰাকৃতিক অৱস্থাত আইন, ন্যায় আৰু সহনশীলতাৰ নীতিসমূহৰ কোনো অস্তিত্ব নাছিল। ঠগ প্ৰৱঞ্চনা আৰু বল-শক্তিৰ প্ৰয়োগেই আছিল প্ৰাকৃতিক অৱস্থাৰ মূল নীতি। প্ৰতিজন মানুহেই প্ৰতিজনৰে শত্ৰু আছিল আৰু তেওঁলোকে অনবৰতে যুদ্ধ-বিগ্ৰহৰ আশঙ্কাত সময় অতিবাহিত কৰিছিল। সময় পাৰ হোৱাৰ লগে লগে এনে কষ্টকৰ জীৱনৰ পৰা মুক্তি লাভ কৰাৰ উদ্দেশ্যে মানুহে পৰস্পৰৰ সৈতে চুক্তিবদ্ধ হৈ এখন অসামৰিক চৰকাৰ গঠন কৰিছিল। এই চুক্তিৰ অধীনত মানুহে স্ব-সংৰক্ষণৰ বাহিৰে আন সকলোবোৰ প্ৰাকৃতিকভাৱে লব্ধ অধিকাৰ কোনো এগৰাকী ব্যক্তি অথবা একাধিক ব্যক্তিৰে গঠিত কোনো এক দলৰ হাতত সমৰ্পন কৰিছিল। এনে ব্যক্তি অথবা ব্যক্তিৰ গোট সাৰ্বভৌম ক্ষমতাৰ গৰাকী আছিল। সাৰ্বভৌম সত্বাটো এই চুক্তিৰ অংশ নাছিল। স্বাভাৱিকভাৱেই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী ব্যক্তি অথবা ব্যক্তি গোটটো কোনো পৰিস্থিতিৰ দাস নাছিল আৰু অসীম ক্ষমতাৰ অধিকাৰী আছিল। সাৰ্বভৌম সত্বাটো মানুহৰ জীৱন আৰু অধিকাৰৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধ আছিল। যিহেতু প্ৰতিগৰাকী ব্যক্তিয়ে স্ব-ইচ্ছাই এই

চুক্তি মানি লৈছিল সেয়েহে তেওঁলোকৰ চুক্তিৰ নীতি-নিয়ম উলংঘা কৰা আৰু সার্বভৌম শক্তিৰ বিৰুদ্ধে বিদ্রোহ কৰাৰ অধিকাৰ নাছিল। সার্বভৌম সত্তাটো আছিল আইন প্রণয়ন আৰু বলৱৎকৰণৰ একমাত্র উৎস। তেওঁৰ অথবা তেওঁলোকৰ নির্দেশকে আইন বুলি মানি লোৱা হৈছিল। হ'বচ্ৰ মতে সামাজিক চুক্তিৰ অধীনত সার্বভৌম সত্তাটোৰ ক্ষমতা আৰু কর্তৃত্ব আছিল সর্বোচ্চ, অহস্তান্তৰযোগ্য, অবিভাজিত আৰু অসীম। এইদৰে হ'বচে মত পোষণ কৰিছিল যে মানুহৰ মাজত সম্পাদিত হোৱা সামাজিক চুক্তিৰ আধাৰতে ৰাষ্ট্র আৰু সার্বভৌম কর্তৃত্বৰ সৃষ্টি হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিক চুক্তি তত্ত্বৰ পৃষ্ঠপোষকতা কৰা দুগৰাকী উল্লেখযোগ্য সমর্থকৰ নাম লিখক।

.....

প্রশ্ন নং ২ ঃ সামাজিক চুক্তি তত্ত্বৰ মতে ৰাষ্ট্র হ'ল মানুহৰ মাজত হোৱা এক চুক্তিৰ পৰিণাম। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৩ ঃ 'লেভিয়াথান' গ্রন্থৰ ৰচক কোন?

.....

প্রশ্ন নং ৪ ঃ মানুহৰ প্রকৃতি সম্পর্কে থকা থমাছ হবচ্ৰ মতামত চমুকৈ বর্ণনা কৰক।

.....

.....

.....

.....

.....

৫.৩.২ জন ল'কৰ সামাজিক চুক্তি তত্ত্ব

সামাজিক চুক্তি তত্ত্বৰ আন এগৰাকী প্রবক্তা ব্রিটিছ ৰাজনৈতিক চিন্তাবিদ জন ল'কে তেওঁৰ গ্রন্থ 'টু ট্রিটাইজেছ অন চিভিল গভর্ণমেণ্ট' (Two Treatises on Civil Government) (১৬৯০)ত ৰাষ্ট্রৰ উৎপত্তি সম্পর্কে ব্যাখ্যা কৰিছে। জন ল'কেও মত পোষণ কৰিছে যে ৰাষ্ট্রৰ উৎপত্তিৰ আগতে মানুহ প্রাকৃতিক অৱস্থাত বাস কৰিছিল। ল'কেও মত প্রকাশ কৰিছে যে প্রাকৃতিক অৱস্থা প্রাক্-ৰাজনৈতিক আছিল। কিন্তু মানুহৰ স্বভাৰ সম্পর্কে তেওঁ হ'বচ্তকৈ ভিন্ন মত এটা পোষণ কৰিছিল। ল'কৰ মতে প্রাকৃতিক অৱস্থাত মানুহে যুদ্ধ-বিগ্রহৰ আশঙ্কা নথকা শান্তিপূর্ণ জীৱন কটাইছিল। মানুহে সমান অধিকাৰ

আৰু স্বাধীনতা উপভোগ কৰিছিল। মানুহৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু বুজাবুজি আছিল। প্ৰাকৃতিক অৱস্থাৰ সৰ্বত্ৰতে প্ৰাকৃতিক আইনৰ উপস্থিতি আছিল। কিন্তু প্ৰাকৃতিক অৱস্থাত এই আইনৰ ব্যাখ্যা আগবঢ়াবলৈ কোনো ন্যায়ালয় অথবা ন্যায়াধীশ নাছিল। ফলত মানুহে নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণ হোৱাকৈ নিজস্ব ধৰণে এই আইনৰ ব্যাখ্যা আগবঢ়াইছিল। ইয়ে প্ৰাকৃতিক অৱস্থাত নৈৰাজ্যৰ দৰে সমস্যাৰ সৃষ্টি কৰিছিল। এনে সমস্যা জৰ্জৰিত অৱস্থাৰ পৰা মুক্তি পাবলৈ মানুহে দুই ধৰণৰ চুক্তি সম্পাদিত কৰিছিল— এটা হৈছে অসামৰিক চুক্তি আৰু আনটো হৈছে চৰকাৰী চুক্তি। এই দুই ধৰণৰ চুক্তিৰ ফলতেই ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল। প্ৰথম অৱস্থাত, জনসাধাৰণে এখন নাগৰিক সমাজ গঠন কৰিছিল য'ত তেওঁলোকে শান্তি আৰু পাৰস্পৰিক সহযোগিতাৰ মাজেৰে বসবাস কৰিবলৈ এজনে আনজনক সন্মান জনাবলৈ সন্মতি প্ৰকাশ কৰিছিল। ইয়াৰ বাবে তেওঁলোকে প্ৰাকৃতিক অৱস্থাত উপভোগ কৰা কিছুমান অধিকাৰ (জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰৰ বাহিৰে) সমৰ্পণ কৰিছিল। এইটো হৈছে অসামৰিক চুক্তি। দ্বিতীয় অৱস্থাত, জনসাধাৰণে এজন ব্যক্তি অথবা এটা ব্যক্তি সমষ্টিক ৰজা অথবা সাৰ্বভৌম কৰ্তৃপক্ষ হিচাপে মানি চলিবলৈ সন্মতি প্ৰকাশ কৰিছিল যিয়ে চৰকাৰ অথবা ৰাষ্ট্ৰ গঠনৰ কথা সূচায়। এই কৰ্তৃপক্ষক মানুহৰ জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ অধিকাৰক সুৰক্ষা প্ৰদানৰ বাবে ক্ষমতা প্ৰদান কৰা হৈছিল। যদিহে সাৰ্বভৌম কৰ্তৃপক্ষই এই অধিকাৰ সমূহক সুৰক্ষা প্ৰদান কৰাত ব্যৰ্থ হয়, তেন্তে জনসাধাৰণৰ চৰকাৰখনক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ অধিকাৰ থাকিব। এইটো হৈছে চৰকাৰী চুক্তি। অৰ্থাৎ, ল'কৰ মতে সাৰ্বভৌম কৰ্তৃপক্ষ অসীম ক্ষমতাৰ অধিকাৰী নাছিল আৰু তেনে কৰ্তৃপক্ষ প্ৰজাক সুৰক্ষা প্ৰদানৰ বাবে দায়বদ্ধ আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ জন ল'কৰ মতে প্ৰাকৃতিক অৱস্থাত মানুহৰ মাজত শান্তি আৰু সহযোগিতাৰ মনোভাৱে বিৰাজ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ ঃ জন ল'কৰ মতে প্ৰাকৃতিক অৱস্থা প্ৰাক্-সামাজিক আৰু প্ৰাক্-ৰাজনৈতিক আছিল। (শুদ্ধ/ অশুদ্ধ)

.....

প্ৰশ্ন নং ৭ ঃ জন ল'কে উল্লেখ কৰা প্ৰাকৃতিক অৱস্থাৰ যিকোনো দুটা বিসঙ্গতিৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ৮ ঃ জন ল'কে উল্লেখ কৰা চুক্তি দুবিধ কি কি?

.....

৫.৩.৩ জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্ব

ফৰাচী ৰাজনৈতিক দাৰ্শনিক জ্যাঁ জ্যাক ৰুছো হ'ল সামাজিক চুক্তি তত্ত্বৰ আন এগৰাকী প্ৰখ্যাত প্ৰৱক্তা। তেওঁ 'দ্যা ছ'চিয়েল কন্ট্ৰাক্ট' (The Social Contract) (১৭৬২) নামৰ গ্ৰন্থখনত ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছে। সামাজিক তত্ত্বটোৰ অন্য প্ৰবক্তাসকলৰ দৰে ৰুছোয়ো মত পোষণ কৰে যে ৰাষ্ট্ৰ গঠন হোৱাৰ পূৰ্বে মানুহে প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল। প্ৰাকৃতিক অৱস্থাত মানুহে শান্তিপূৰ্ণ জীৱন-যাপন কৰিছিল আৰু তেওঁলোক অসীম স্বাধীনতাৰ গৰাকী আছিল। মানুহৰ মাজত কোনো প্ৰতিযোগিতা আৰু মতানৈক্য নাছিল। প্ৰাকৃতিক অৱস্থাত মানুহৰ মাজত সমতা বিৰাজ কৰিছিল। সেই সময়ছোৱাত ব্যক্তিগত সম্পত্তি অথবা ভুল-শুদ্ধৰ দৰে ধাৰণাবোৰৰ জন্ম হোৱা নাছিল। সময় বাগৰাৰ লগে লগে প্ৰাকৃতিক অৱস্থাত জনসংখ্যা বাঢ়ি গৈছিল। তেতিয়াই ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৱে গা কৰি উঠিছিল। প্ৰাকৃতিক অৱস্থাত ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৰ ফলত বাদ-বিবাদ আৰু দ্বন্দ্বৰ সৃষ্টি হৈছিল। মানুহ স্বাৰ্থপৰ হৈ পৰিছিল আৰু পৰস্পৰে পৰস্পৰক বেয়া পাবলৈ ধৰিছিল। এনে অসহনীয় আৰু কষ্টকৰ পৰিস্থিতিৰ পৰা ৰক্ষা পাবলৈ মানুহ চুক্তিত উপনীত হৈছিল আৰু এই চুক্তিৰ ফলতেই নাগৰিক সমাজৰ গঠন হৈছিল। মানুহে নিজে নিজৰ ওচৰত আটাইবোৰ প্ৰাকৃতিক অধিকাৰ সমৰ্পণ কৰিছিল। তেওঁলোকৰ মাজত কোনো উচ্চ ব্যক্তি অথবা ব্যক্তিৰ দল সাৰ্বভৌম ব্যক্তি অথবা কৰ্তৃত্ব হিচাপে নাছিল। সেয়েহে প্ৰতিজন মানুহেই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী হৈছিল। ৰুছোৰ মতে সামাজিক চুক্তি অনুসৰি সাৰ্বভৌম ক্ষমতা সম্প্ৰদায় অথবা সাধাৰণ মানুহৰ হাততে ন্যস্ত আছিল। সম্প্ৰদায়ৰ এই সাৰ্বভৌম কৰ্তৃত্বটো অবিভাজ্য আৰু অহস্তান্তৰযোগ্য।

সাধাৰণ মানুহৰ সাৰ্বভৌম ক্ষমতা বুজাবলৈ ৰুছোই সাধাৰণ ইচ্ছাৰ (General Will) ধাৰণাটো উল্লেখ কৰিছিল। ৰুছোই তেওঁৰ সামাজিক চুক্তি তত্ত্বৰ দ্বাৰা জন সাৰ্বভৌমত্বৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ৰুছোৰ মতে মানুহে সম্প্ৰদায়ৰ ইচ্ছাৰ আগত নিজৰ অধিকাৰবোৰ বিনা চৰ্তে সমৰ্পণ কৰিছিল। এই সমৰ্পণৰ আঁৰত আছিল নিজৰ কল্যাণৰ চিন্তা। সংখ্যাগৰিষ্ঠৰ ইচ্ছা সাধাৰণ ইচ্ছা ৰূপ (General Will)ত প্ৰতিফলন ঘটিছিল। সাধাৰণ ইচ্ছাই জনসাধাৰণৰ কল্যাণ সাধনৰ পোষকতা কৰে। এই সাধাৰণ ইচ্ছা হ'ল অবিভাজ্য, অবিচ্ছেদ্য, অহস্তান্তৰযোগ্য আৰু স্থায়ী।

হ'বচ, ল'ক আৰু ৰুছোৰ মতামত আলোচনা কৰাৰ পাছত ক'ব পৰা যায় যে সামাজিক চুক্তি তত্ত্বৰ মতে জনসাধাৰণ আৰু এটা সাৰ্বভৌম কৰ্তৃত্বৰ মাজত ইতিহাসৰ কোনো এক নিৰ্দিষ্ট সময়ত হোৱা চুক্তি এখনৰ ফলতেই ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল।

৫.৪ সামাজিক চুক্তি তত্ত্বৰ সমালোচনা

ৰাষ্ট্ৰৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্বটোক বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হয়। তলত তাৰে দুটামান দিশ উল্লেখ কৰা হ'ল—

- সমালোচকৰ মতে সামাজিক চুক্তি তত্ত্বটোৰ কোনো ঐতিহাসিক ভিত্তি নাই। ইতিহাসৰ ক'তো কোনো লিখিত প্ৰমাণ নাই যে মানুহৰ মাজত হোৱা চুক্তিৰ ফলশ্ৰুতিত ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল।
- সামাজিক চুক্তি তত্ত্বক সমালোচনা কৰি ক্ৰমবিকাশমূলক তত্ত্বৰ সমালোচকসকলে ক'ব খোজে যে ৰাষ্ট্ৰ কৃত্ৰিম অনুষ্ঠান নহয়। ই সমাজৰ ক্ৰমবিকাশৰ ফলত সৃষ্টি হোৱা অনুষ্ঠান আৰু ইয়াৰ এক স্বাভাৱিক বিকাশ আছে।
- সমালোচকসকলৰ মতে হ'বচে মানুহৰ স্বভাৱৰ এখন একপক্ষীয় ছবিহে উপস্থাপন কৰিছে। তেওঁ মানুহৰ স্বভাৱক অতি নেতিবাচকভাৱে দৰ্শাইছে। তেওঁৰ মতে মানুহবোৰ নীচ, নিকৃষ্ট, নিষ্ঠুৰ আৰু স্বাৰ্থপৰ আছিল। সমালোচকসকলৰ মতে হ'বচে মানুহৰ গাত থকা সহানুভূতি, সহযোগিতা, মৰম আদিৰ দৰে মানৱীয় ইতিবাচক গুণবোৰক আওকাণ কৰিছে।
- একে সময়তে সমালোচকসকলে জন ল'ক আৰু ৰুছোৰ মানুহৰ প্ৰকৃতি বিষয়ক দৃষ্টিভঙ্গীকো সমালোচনা কৰিছে। দুয়োগৰাকী চিন্তাবিদৰ মতে প্ৰাকৃতিক অৱস্থাত মানুহ আটাইবোৰ ইতিবাচক প্ৰমূল্য আৰু গুণৰ অধিকাৰী আছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত মানুহৰ গাত ইতিবাচক আৰু নেতিবাচক দুয়ো ধৰণৰ উপাদানেই থাকে।
- সামাজিক চুক্তি তত্ত্ব মতে প্ৰাকৃতিক অৱস্থাত সকলো মানুহ সমান। সমালোচকৰ মতে এই ধাৰণা শুদ্ধ নহয়। সমতা নহয় অসমতাহে প্ৰাকৃতিক অৱস্থাৰ সাধাৰণ বৈশিষ্ট্য আছিল।

সামাজিক চুক্তি তত্ত্বক সমালোচনা কৰা হয় যদিও তত্ত্বটোৰ ৰাষ্ট্ৰৰ উৎপত্তি ব্যাখ্যা কৰাত স্বকীয় গুৰুত্ব আছে। এই তত্ত্বটোৱে প্ৰতিষ্ঠা কৰিব খোজা ধাৰণা এটা হ'ল ৰাষ্ট্ৰ এক মানৱীয় অনুষ্ঠান। মানুহে নিজৰ কল্যাণ আৰু মঙ্গলৰ বাবে ৰাষ্ট্ৰৰ সৃষ্টি কৰিছিল। তত্ত্বটোৱে ইয়াকো প্ৰতিষ্ঠা কৰিছে যে মানুহৰ সম্মতিয়েই হ'ল ৰাষ্ট্ৰৰ আধাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় জ্যাঁ জ্যাক ৰুছোৰ দ্বাৰা ৰচিত এখন গ্ৰন্থৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ১০ ঃ ৰুছোৱে 'সাধাৰণ ইচ্ছা'ৰ দ্বাৰা কি বুজাইছিল?

.....

.....

প্ৰশ্ন নং ১১ ঃ সামাজিক চুক্তি তত্ত্বৰ যিকোনো দুটা সমালোচনা লিখক।

.....

.....

.....

.....

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় সামাজিক চুক্তি তত্ত্বৰ মতে মানুহে নিজৰ মাজতে সম্পন্ন কৰা কোনো চুক্তি নাইবা সন্ধিৰ ফলাফল হিচাপে ৰাষ্ট্ৰৰ সৃষ্টি হয়। থমাছ হ'বচ্, জন ল'ক আৰু জ্যাঁ জ্যাক ৰুছো হ'ল সামাজিক চুক্তি তত্ত্বৰ প্ৰধান পৃষ্ঠপোষক।
- সামাজিক চুক্তি তত্ত্বই প্ৰাকৃতিক অৱস্থাক মানৱ জাতিৰ মৌলিক পৰিৱেশ বুলি গণ্য কৰে। মানুহৰ আচৰণ আৰু পাৰস্পৰিক সম্পৰ্ক নিয়ন্ত্ৰণ কৰিবলৈ প্ৰাকৃতিক অৱস্থাত কোনো সংগঠন অথবা কৰ্তৃত্ব নাছিল। এনে নিয়ন্ত্ৰণহীন জীৱনৰ পৰা মুক্ত হ'বলৈ মানুহে স্বেচ্ছাই এক চুক্তি অথবা সন্ধিৰ দ্বাৰা বান্ধ খালে আৰু এনেকৈয়ে ৰাষ্ট্ৰৰ উৎপত্তি হ'ল।
- সামাজিক চুক্তি তত্ত্বৰ এগৰাকী প্ৰধান সমৰ্থক হ'ল থমাছ হ'বচ্। তেওঁৰ মতে প্ৰাকৃতিক অৱস্থাত বাস কৰা মানুহৰ অৱস্থা আছিল অতি শোচনীয়। প্ৰাকৃতিক অৱস্থাত মানুহ অতি নীচ, নিকৃষ্ট, নিষ্ঠুৰ আৰু স্বাৰ্থপৰ স্বভাৱৰ আছিল। সহজ ভাষাত ক'বলৈ হ'লে থমাছ হ'বচে মানুহৰ প্ৰকৃতি সম্পৰ্কে এখন অতি নেতিবাচক ছবি দাঙি ধৰিছিল।
- থমাছ হ'বচ্ৰ মতে প্ৰাকৃতিক অৱস্থাৰ এনে শোচনীয় জীৱন দশাৰ পৰা মুক্ত হ'বলৈ মানুহে নিজে নিজে এক চুক্তিৰ দ্বাৰা বান্ধ খাইছিল। এই চুক্তিৰ অধীনত মানুহে আত্ম-সংৰক্ষণৰ বাহিৰে আন সকলোবোৰ প্ৰাকৃতিকভাৱে লব্ধ অধিকাৰ কোনো এগৰাকী ব্যক্তি অথবা একাধিক ব্যক্তিৰে গঠিত কোনো এক দলৰ হাতত সমপৰ্ণ কৰিছিল। এনে ব্যক্তি অথবা দল সাৰ্বভৌম কৰ্তৃত্বত পৰিণত হৈছিল আৰু এনেকৈয়ে ৰাষ্ট্ৰৰ উত্থান ঘটিছিল।
- সামাজিক চুক্তি তত্ত্বৰ জৰিয়তে থমাছ হ'বচে এই কথাও প্ৰকাশ কৰিছিল যে সাৰ্বভৌমত্বৰ গৰাকী ব্যক্তি অথবা দল এই চুক্তিৰ অংশ নহয়। সাৰ্বভৌম কৰ্তৃত্বই মানুহৰ জীৱন তথা অধিকাৰবোৰক সুৰক্ষা প্ৰদান কৰিবলৈ দায়ৱদ্ধ। হ'বচ্ৰ মতে এই চুক্তিৰ অধীনত সাৰ্বভৌমৰ ক্ষমতা তথা কৰ্তৃত্ব আছিল চৰম, অবিচ্ছেদ্য, অবিভাজ্য আৰু অসীম।
- সামাজিক চুক্তি তত্ত্বৰ আন এগৰাকী প্ৰধান সমৰ্থক আছিল জন ল'ক। তেওঁৰ মতে ৰাষ্ট্ৰৰ উত্থান ঘটাৰ আগতে মানুহে শান্তিপূৰ্ণভাৱে প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল।

- ল'কৰ মতে প্ৰাকৃতিক অৱস্থাত প্ৰাকৃতিক আইনৰ প্ৰচলন আছিল। কিন্তু সেই আইনৰ ব্যাখ্যা দাঙি ধৰিব পৰা কোনো আদালত অথবা বিচাৰক নাছিল। ফলত মানুহে নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণ হোৱাকৈ নিজস্ব ধৰণে এই আইনৰ ব্যাখ্যা আগবঢ়াইছিল। ইয়ে প্ৰাকৃতিক অৱস্থাত নৈৰাজ্যৰ দৰে সমস্যাৰ সৃষ্টি কৰিছিল। এনে সমস্যা জৰ্জৰিত অৱস্থাৰ পৰা মুক্তি পাবলৈ মানুহে সামাজিক চুক্তি সম্পাদিত কৰিছিল।
- ল'কৰ মতে মানুহে দুখন চুক্তি সম্পাদিত কৰিছিল— ইয়াৰে এখন হ'ল অসামৰিক চুক্তি আৰু আনখন হ'ল চৰকাৰী চুক্তি। এই দুয়োখন চুক্তিৰ ফলত ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল। কিন্তু ল'কৰ মতে সাৰ্বভৌম কৰ্তৃত্বটো অসীম ক্ষমতাৰ অধিকাৰী নাছিল। ই মানুহক সুৰক্ষা প্ৰদান কৰিবলৈ দায়বদ্ধ আছিল।
- জ্যাঁ জ্যাক ৰুছো হ'ল সামাজিক চুক্তি তত্ত্বৰ আন এগৰাকী প্ৰধান পৃষ্ঠপোষক। ৰুছোৰ মতেও ৰাষ্ট্ৰ গঠন হোৱাৰ পূৰ্বে মানুহ প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল। প্ৰাকৃতিক অৱস্থাত মানুহৰ জীৱন আছিল শান্তিপূৰ্ণ আৰু অসীম স্বাধীনতাৰে ভৰা। অৱশ্যে, সময় বাগৰাৰ লগে লগে প্ৰাকৃতিক অৱস্থাত জনসংখ্যা বাঢ়ি গৈছিল। একে সময়তে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৱেও গা কৰি উঠিছিল। প্ৰাকৃতিক অৱস্থাত এই কথাটোৱে বিবাদ আৰু মতানৈক্যৰ সৃষ্টি কৰিছিল। এনে শোচনীয় পৰিস্থিতিৰ পৰা মুক্ত হ'বলৈ মানুহে নিজৰ মাজতে এক চুক্তি সম্পাদিত কৰিছিল।
- ৰুছোৰ মতে সামাজিক চুক্তিৰ জৰিয়তে মানুহে নিজৰ সকলোবোৰ প্ৰাকৃতিক অধিকাৰ নিজকে সমৰ্পণ কৰিছিল। সেইবোৰ কোনো শ্ৰেষ্ঠ ব্যক্তি অথবা ব্যক্তি গোটক সাৰ্বভৌম কৰ্তৃত্ব বুলি ধৰি লৈ সমৰ্পণ কৰা হোৱা নাছিল। অৰ্থাৎ, মানুহ আছিল নিজেই সাৰ্বভৌম কৰ্তৃত্ব।
- মানুহৰ সাৰ্বভৌম ক্ষমতাৰ উল্লেখ কৰিবলৈ ৰুছোই 'সাধাৰণ ইচ্ছা' (General Will)ৰ ধাৰণাটো সংজ্ঞাৱদ্ধ কৰিছিল। নিজৰ সামাজিক চুক্তি তত্ত্বৰ জৰিয়তে তেওঁ জন সাৰ্বভৌমত্বৰ ওপৰত জোৰ দিছিল।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*, গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.
2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.
3) Jayapalan, N. (2002): *Comprehensive Political Theory*; Delhi: Atlantic Publishers and Distributors.
4) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.
5) Sharma, R. K. (2011): *Modern Political Science*; New Delhi: DPS Publications.

৫.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ থমাছ হ'বচ্ আৰু জন ল'ক

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ থমাছ হ'বচ্

৪নং প্ৰশ্নৰ উত্তৰ ঃ থমাছ হ'বচে মানুহৰ প্ৰকৃতিৰ বিষয়ে এক নেতিবাচক প্ৰতিচ্ছবি দাঙি ধৰিছিল। প্ৰাকৃতিক অৱস্থাত মানুহ অতি নীচ, নিকৃষ্ট, নিষ্ঠুৰ আৰু স্বাৰ্থপৰ স্বভাৱৰ আছিল। মানুহৰ শুদ্ধ-অশুদ্ধ সম্পৰ্কে কোনো ধৰণৰ জ্ঞান নাছিল। প্ৰাকৃতিক অৱস্থাত আইন, ন্যায় আৰু সহনশীলতাৰ নীতিসমূহৰ কোনো অস্তিত্ব নাছিল। প্ৰতিজন মানুহেই প্ৰতিজনৰে শত্ৰু আছিল আৰু তেওঁলোকে অনবৰতে যুদ্ধ-বিগ্ৰহৰ আশঙ্কাত সময় অতিবাহিত কৰিছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

৭নং প্ৰশ্নৰ উত্তৰ ঃ ক) কোনো আইন-আদালত নাছিল।
খ) আইনৰ ব্যাখ্যা কৰিবলৈ কোনো বিচাৰক নাছিল।

৮নং প্ৰশ্নৰ উত্তৰ ঃ অসামৰিক চুক্তি আৰু চৰকাৰী চুক্তি।

৯নং প্ৰশ্নৰ উত্তৰ ঃ "দ্যা ছ'চিয়েল কনট্ৰাক্ট"

১০নং প্ৰশ্নৰ উত্তৰ ঃ 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটোৰে ৰুছোই জনসাধাৰণৰ সাৰ্বভৌম ক্ষমতাৰ কথা বুজাইছিল। তেওঁৰ মতে 'সাধাৰণ ইচ্ছা' অবিভাজ্য, অবিচ্ছেদ্য আৰু স্থায়ী।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ক) সমালোচকৰ মতে সামাজিক চুক্তি তত্ত্বটোৰ কোনো ঐতিহাসিক ভিত্তি নাই। ইতিহাসৰ ক'তো কোনো লিখিত প্ৰমাণ নাই যে মানুহৰ মাজত হোৱা চুক্তিৰ ফলশ্ৰুতিত ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল।

খ) সামাজিক চুক্তি তত্ত্বক সমালোচনা কৰি ক্ৰমবিকাশমূলক তত্ত্বৰ সমালোচকসকলে ক'ব খোজে যে ৰাষ্ট্ৰ কৃত্ৰিম অনুষ্ঠান নহয়। ই সমাজৰ ক্ৰমবিকাশৰ ফলত সৃষ্টি হোৱা অনুষ্ঠান আৰু ইয়াৰ এক স্বাভাৱিক বিকাশ আছে।



৫.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'টু ট্ৰিটাইজেছ অন চিভিল গভৰ্ণমেণ্ট' (Two Treatises on Civil Government) নামৰ গ্ৰন্থখনৰ লেখক কোন?

প্ৰশ্ন ২ ঃ সামাজিক চুক্তি তত্ত্ব মতে মানৰ জাতিৰ মৌলিক অৱস্থাটো কি আছিল?

প্ৰশ্ন ৩ ঃ থমাছ হ'বচ্‌ৰ মতে আইনৰ একমাত্ৰ উৎস কোন আছিল?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানুহৰ প্ৰকৃতি সম্পৰ্কে থকা জন ল'কৰ দৃষ্টিভঙ্গী চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিক চুক্তি তত্ত্বৰ সমালোচনাবোৰৰ বিষয়ে এটি চমুটোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ থমাছ হ'ব্‌চৰ সামাজিক চুক্তি তত্ত্বটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জন ল'কৰ সামাজিক চুক্তি তত্ত্বটোৰ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্বটো পৰীক্ষা কৰক।

*** ***** ***

অধ্যায় ৬ঃ ৰাষ্ট্ৰ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ৰাষ্ট্ৰৰ অর্থ আৰু পৰিচয়

৬.৪ ৰাষ্ট্ৰ

৬.৪.১ ৰাষ্ট্ৰৰ প্ৰধান বৈশিষ্ট্যসমূহ

৬.৪.২ ৰাষ্ট্ৰৰ আন কিছুমান বৈশিষ্ট্য

৬.৫ ৰাষ্ট্ৰৰ সম্পর্ক

৬.৫.১ ৰাষ্ট্ৰ আৰু অন্য সংস্থাসমূহ

৬.৫.১.১ ৰাষ্ট্ৰ আৰু সংস্থাৰ মাজৰ প্ৰভেদ

৬.৫.১.২ ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজৰ প্ৰভেদ

৬.৫.১.৩ ৰাষ্ট্ৰ আৰু সমাজৰ মাজৰ প্ৰভেদ

৬.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্ৰগতিৰ খতিয়ান

৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাষ্ট্ৰৰ অর্থ বুজি পাব
- ৰাষ্ট্ৰ আৰু সংস্থাৰ মাজৰ প্ৰভেদ নিৰূপন কৰিব পাৰিব
- ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজত থকা পার্থক্য বুজি পাব
- ৰাষ্ট্ৰ আৰু সমাজক পৃথক পৃথককৈ বিশ্লেষণ কৰিব পাৰিব
- ৰাষ্ট্ৰৰ বিভিন্ন বৈশিষ্ট্য আলোচনা কৰিব পাৰিব ।

৬.২ পৰিচয়

সমাজত ক্ষমতাৰ প্ৰকৃতি আৰু বিতৰণ সম্পর্কে জানিবলৈ ৰাষ্ট্ৰৰ ধাৰণাটো স্পষ্টকৈ বুজাটো আৱশ্যক। ৰাষ্ট্ৰৰ ধাৰণাটোৱে আমাৰ জীৱনত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই সাধাৰণ লোকৰ ওপৰত বিভিন্ন ধৰণৰ কৰ আৰোপ কৰি বিভিন্ন শ্ৰেণীৰ আন এচাম লোকক আমাৰ জীৱনবোৰত বৈধ হস্তক্ষেপ কৰাৰ ক্ষমতা অর্পন কৰে। এই বিশেষ ক্ষমতাভোগী শ্ৰেণীবোৰ

হ'ল অসামৰিক সেৱাৰ বিষয়া, আদালতৰ বিষয়া, আৰক্ষী বিভাগ ইত্যাদি। ৰাষ্ট্ৰই এনেবোৰ কৰৰ সহায়তে সাধাৰণ লোকৰ বাবে চিকিৎসালয়, বিদ্যালয়, পৰিবহণ আদিৰ দৰে সুবিধা আৰু সেৱাসমূহো গঢ়ি তোলে। এই অধ্যায়টিত আমি ৰাষ্ট্ৰৰ বিষয়ে বহলাই আলোচনা কৰিম।

৬.৩ ৰাষ্ট্ৰৰ অর্থ আৰু পৰিচয়

আমাৰ দৈনন্দিন কথোপকথনত আমি বহুবাৰ 'ৰাষ্ট্ৰ' শব্দটি ব্যৱহাৰ কৰোঁ। বিভিন্ন সময়ত ই বেলেগ বেলেগ অর্থ বুজায়। ৰাজনীতি বিজ্ঞানত 'ৰাষ্ট্ৰ' শব্দটিৰ এক অধিক সুনির্দিষ্ট তথা স্পষ্ট অর্থ আছে। ৰাজনীতি বিজ্ঞানত ৰাষ্ট্ৰ মানে হ'ল "এক সুনির্দিষ্ট অঞ্চলৰ ভিতৰত এখন স্বতন্ত্ৰ চৰকাৰৰ অধীনত ৰাজনৈতিকভাৱে সংগঠিত হোৱা এটা সম্প্ৰদায় নাইবা এখন সমাজ ।" কেৱল ৰাষ্ট্ৰৰ হাতত আইন প্ৰস্তুত আৰু প্ৰণয়ন কৰাৰ একচেটিয়া ক্ষমতা থাকে। ৰাষ্ট্ৰৰ সবাতোকৈ তাৎপর্যপূর্ণ বৈশিষ্ট্য সার্বভৌমত্বৰ পৰাই আইন প্ৰস্তুত তথা প্ৰণয়ন কৰিব পৰা ক্ষমতাটো উদ্ভৱ হয়। মেক্ক্লভাৰৰ মতে, "সামাজিক শৃংখলা বর্তাই ৰখা আৰু বিকশাই তোলাৰ মৌলিক সংগঠনটোৱেই হ'ল ৰাষ্ট্ৰ। এই উদ্দেশ্য ফলৱর্তী কৰিবলৈ ইয়াৰ কেন্দ্ৰীয় অনুষ্ঠানটোৰ হাতত সম্প্ৰদায় এটাৰ অখণ্ড ক্ষমতা ন্যস্ত কৰা হয়।"

সংজ্ঞাঃ

মেক্স ৱেবাৰৰ মতে, "ৰাষ্ট্ৰ হ'ল এনে এটা মানৱ সম্প্ৰদায় যিটোৱে (সফলভাৱে) কোনো এক প্ৰদত্ত অঞ্চলৰ ভিতৰত শাৰীৰিক শক্তিৰ ৱৈধ প্ৰয়োগৰ একচেটিয়া অধিকাৰ দাবী কৰে।"

অ'গবার্নৰ ভাষাত, 'কোনো এক সুনির্দিষ্ট অঞ্চলত এক চৰম চৰকাৰৰ দ্বাৰা শাসিত সংগঠনটোৰ নামেই ৰাষ্ট্ৰ।"

ব্লাণ্টশ্লিৰ সংজ্ঞা অনুসৰি, "এটা সুনির্দিষ্ট অঞ্চলৰ ৰাজনৈতিকভাৱে সংগঠিত মানৱ সমষ্টিটোৱেই হ'ল ৰাষ্ট্ৰ।"

উডৰ্' ৱিলচনৰ মতে, "ৰাষ্ট্ৰ হ'ল এডোখৰ নির্দিষ্ট ভূখণ্ডত আইনৰ বাবে সংগঠিত হোৱা মানৱ সমষ্টি।"

ব্ৰিউষ্টাৰৰ ভাষাত, "এটা নির্দিষ্ট অঞ্চল দখল কৰি থকা আৰু এখন সার্বভৌম চৰকাৰ থকা সংগঠিত মানুহৰ দলটোকে ৰাষ্ট্ৰ বুলি ক'ব পাৰি।"

গার্ণাৰৰ সংজ্ঞা অনুসৰি, "বাহ্যিক নিয়ন্ত্ৰণৰ পৰা মুক্ত এক সুনির্দিষ্ট ৰূপৰ অঞ্চল দখল কৰি থকা আৰু অভ্যাসপূর্বক আনুগত্য প্ৰদর্শন কৰা সংগঠিত চৰকাৰ এখন থকা মানৱ সম্প্ৰাদায়টোৱেই হ'ল ৰাষ্ট্ৰ।"

চিঝ্ৱিকৰ ভাষাত, "ৰাষ্ট্ৰ হ'ল চৰকাৰ আৰু শাসিতৰ ৰূপত সংগঠিত হৈ থকা মানুহৰ মিশ্ৰিত ৰূপ আৰু এক সুনির্দিষ্ট অঞ্চলত এনেদৰে ৰাজনৈতিকভাৱে সংগঠিত মানৱ সংস্থাবোৰে ঐক্যৱদ্ধভাৱে বাস কৰে।"

এৰিষ্ট'টলৰ সংজ্ঞা অনুসৰি ৰাষ্ট্ৰ হ'ল "এটা সুখী আৰু সন্মানীয় জীৱন বুজোৱা নিখুঁত

তথা স্বাৱলম্বী জীৱন কটাবলৈ পৰিয়াল আৰু গাওঁবোৰৰ মাজত ঘটা একত্ৰকৰণ।"

বার্জেছৰ মতে, "ৰাষ্ট্ৰ হ'ল মানৱ জাতিৰ এটা নির্দিষ্ট অংশ।"

হোলাণ্ডৰ ভাষাত, "ৰাষ্ট্ৰ হ'ল কোনো এক নির্দিষ্ট অঞ্চল দখল কৰি থকা মানুহৰ অসংখ্য সমষ্টি। এই মানৱ সমষ্টিবোৰে সংখ্যা গৰিষ্ঠৰ ইচ্ছা অথবা সংখ্যাগৰিষ্ঠ শ্ৰেণীটোক ইয়াৰ বিৰোধিতা কৰা যিকোনো সমষ্টিৰ বিৰুদ্ধে বর্তাই ৰাখে।"

অধ্যাপক লাস্কিৰ সংজ্ঞা অনুসৰি "ৰাষ্ট্ৰ হ'ল চৰকাৰ আৰু ইয়াৰ অধীন প্ৰজা এই দুটা ভাগত বিভাজিত নির্দিষ্ট চাৰিসীমাৰ ভিতৰত থকা এখন সমাজ য'ত চৰম বলপ্ৰয়োগকৃত ক্ষমতাৰ দ্বাৰা সম্পর্কবোৰ নির্ধাৰণ কৰি লোৱা হয়।"

ৱিল'বীৰ মতে, "ৰাষ্ট্ৰ হ'ল ব্যক্তিৰ দ্বাৰা গঠিত যিকোনো সম্প্ৰদায়ৰ ওপৰত আৰু ব্যক্তি অথবা ব্যক্তি সমষ্টিৰ সামাজিক ক্ৰিয়াৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰা এনে এক চৰম কর্তৃপক্ষ যিটোৱে নিজৰ ক্ষেত্ৰত এনে কোনো নিয়ন্ত্ৰণ প্ৰযোজ্য হ'বলৈ নিদিয়ে।"

ওপৰৰ সংজ্ঞাবোৰৰ ভিত্তিত আমি ক'ব পাৰোঁ যে ৰাষ্ট্ৰ হ'ল মানৱ সংস্থাবোৰৰ এক ৰাজনৈতিক ৰূপ। ৰাষ্ট্ৰৰ সহায়ত এখন সমাজে চৰকাৰ নামৰ অভিকৰণটো গঠন কৰে আৰু ইয়াৰ অধীনত সংগঠিত হয়। ৰাষ্ট্ৰই এক নির্দিষ্ট চাৰিসীমাৰ ভিতৰৰ অঞ্চলবোৰত বৈধ সার্বভৌমত্বৰ দাবী কৰে, সমাজৰ সকলো সদস্যৰ ওপৰত কর্তৃত্ব চলায়, নিজৰ বৈধ নিয়ন্ত্ৰণ ফলপ্ৰসূভাৱে বর্তি থকাটো সুনিশ্চিত কৰিবলৈ প্ৰয়োজন অনুসৰি শাৰীৰিক শক্তি প্ৰয়োগৰ অধিকাৰ লাভ কৰে।

৬.৪ ৰাষ্ট্ৰ

৬.৪.১ ৰাষ্ট্ৰৰ প্ৰধান বৈশিষ্ট্যসমূহ

ৰাষ্ট্ৰৰ প্ৰধান বৈশিষ্ট্য চাৰিটা হ'ল - জনসংখ্যা, নির্দিষ্ট ভূখণ্ড, সার্বভৌমত্ব আৰু চৰকাৰ। এই বৈশিষ্ট্যকেইটাৰ বিষয়ে আমি বহলাই আলোচনা কৰিম।

➢ জনসংখ্যা (Population) ঃ ৰাষ্ট্ৰ মানুহৰ দ্বাৰা গঠিত। কিন্তু ৰাষ্ট্ৰ এখন গঠন কৰিবলৈ কিমান মানুহৰ প্ৰয়োজন সেই বিষয়ে প্ৰশ্ন উঠিব পাৰে। এখন ৰাষ্ট্ৰত নিচেই কম সংখ্যক অথবা বিপুল সংখ্যক মানুহ থাকিব পাৰেনে? জনসংখ্যাৰ পৰিমাণ সলনি কৰিব পৰা কাৰকবোৰ কি কি আৰু এই কাৰকবোৰে ৰাষ্ট্ৰক কেনেদৰে প্ৰভাৱিত কৰে?

একেবাৰে কমসংখ্যক লোকেৰে সৃষ্ট ৰাষ্ট্ৰ এখনে অধিক মানৱ শক্তিসম্পন্ন ৰাষ্ট্ৰবোৰৰ পৰা নিজৰ স্বতন্ত্ৰতা ৰক্ষা কৰাত অসুবিধাৰ সন্মুখীন হ'ব নাইবা স্বতন্ত্ৰতা ৰক্ষা কৰাটো অসম্ভৱ হ'ব পাৰে। কিন্তু পর্যবেক্ষণৰ পৰা গম পোৱা গৈছে যে প্ৰযুক্তিগতভাৱে উন্নত ক্ষুদ্ৰ ৰাষ্ট্ৰবোৰে জনসংখ্যাৰ দিশেৰে বৃহৎ কিন্তু অনগ্ৰসৰ প্ৰতিপক্ষ ৰাষ্ট্ৰবোৰৰ সৈতে সমতা স্থাপন কৰি নিজ অস্তিত্ব বর্তাই ৰাখিব পাৰে। ইয়াৰ পাচত আহে সাংস্কৃতিক

দিশৰ দৰে অন্য দিশবোৰ চালি-জাৰি চোৱাৰ বিষয়টো। আধুনিক পৰিস্থিতিত দেশৰ নাগৰিকৰ সংখ্যাটোৰ দৰেই সংস্কৃতিকে ধৰি অন্য দিশবোৰো বিবেচনা কৰি চোৱা দৰকাৰ। সাংস্কৃতিক দিশবোৰে একে বৈশিষ্ট্য প্ৰদৰ্শন কৰা আৰু ভিন্ন বৈশিষ্ট্য প্ৰদৰ্শন কৰা মানৱ গোটবোৰৰ মাজৰ প্ৰভেদ বুজাত সহায় কৰে। ইয়াৰ উপৰি সাংস্কৃতিক দিশত থকা সমৰূপতাই হ'ল ৰাষ্ট্ৰ বৰ্তাই ৰখাৰ এটা গুৰুত্বপূৰ্ণ কাৰক। একে বৈশিষ্ট্য প্ৰদৰ্শনকাৰী মানৱ গোটবোৰে কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ মৌলিক নীতিবোৰত সম্পূৰ্ণ সহমত প্ৰদান কৰিব পাৰে। এনে মানৱ গোটবোৰে পৰস্পৰৰ মাজত সংযোগ স্থাপন কৰিবলৈ আৰু মিলা-প্ৰীতিৰে বসবাস কৰিবলৈ সক্ষম হয়। আনহাতে, বিভিন্ন জাতি, জাতীয়ত্ব, ধৰ্ম, ভাষা আৰু পৰম্পৰাৰ লোকেৰে গঠিত ৰাষ্ট্ৰ এখনত বিভিন্ন আভ্যন্তৰীণ সমস্যাৰ সৃষ্টি হ'ব পাৰে নাইবা ঘৰুৱা আৰু আন্তৰ্জাতিক পৰ্যায়ৰ অসুবিধা সৃষ্টি হোৱাৰ সময়ত সকলোৰে ওপৰত তীব্ৰ মানসিক চাপ পৰিব পাৰে। সমৰূপী মানৱ গোটবোৰে ৰাজনৈতিক স্বতন্ত্ৰতা উপভোগ নকৰিবও পাৰে। তেওঁলোক এখন বৃহত্তৰ ৰাষ্ট্ৰ অথবা সাম্ৰাজ্যৰ অংশ হৈ ৰৈ যাব পাৰে। কিন্তু যদি সাংস্কৃতিকভাৱে একৰূপী বৈশিষ্ট্যধাৰী মানৱ দলবোৰৰ জাতীয়ত্বই ৰাজনৈতিক একতা তথা স্বতন্ত্ৰতা স্থাপনত সহায় কৰে তেন্তে ই এখন ৰাষ্ট্ৰ আৰু জাতীয় ৰাষ্ট্ৰত পৰিণত হয়।

অৰ্থাৎ, দেশ এখনৰ জনসংখ্যাই এটা সাধাৰণ ৰাজনৈতিক বিশ্বাস মানিবও পাৰে অথবা নামানিবও পাৰে। কিন্তু যিবোৰ দেশত এই বিশ্বাস মানি চলা হয় সেই দেশৰ জনসাধাৰণে জনসংখ্যাৰ সবাতোকৈ সুস্থিৰ সংগঠন একোটা গঢ়ি তুলিব পাৰে. এই সুস্থিৰতাই দেশৰ ৰাজনীতিৰ লগতে চৰকাৰৰ সুস্থিৰতাকো প্ৰভাৱিত কৰে।

➢ নিৰ্দিষ্ট ভূখণ্ড (Territory) ঃ এখন ৰাষ্ট্ৰ গঠনৰ বাবে প্ৰয়োজনীয় আন এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল নিৰ্দিষ্ট ভূখণ্ড। কেৱল জনসংখ্যাৰে এখন ৰাষ্ট্ৰ গঠন কৰিব নোৱাৰি। কোনো অঘৰী অথবা যাযাবৰ সম্প্ৰদায়ে ৰাষ্ট্ৰ গঠন নকৰে। ৰাষ্ট্ৰ গঠন কৰিবলৈ মানৱ সমষ্টি এটাই কোনো এডোখৰ স্থানত স্থায়ীভাৱে বসতি স্থাপন কৰিব লাগিব। এডোখৰ উমৈহতীয়া ভূখণ্ড হ'ল মানুহক একত্ৰিত কৰি ৰাখিব পৰা এক বৃহৎ শক্তি। ই মানুহৰ কাম-কাজ তথা আচৰণ একত্বৰ সৃষ্টি কৰে। ই মানুহৰ সামাজিক তথা ৰাজনৈতিক উভয় জীৱনতে এক ধৰণৰ ঐক্যৱদ্ধ শক্তিৰ উদ্ৰেক কৰে আৰু এই শক্তিক সুদৃঢ় কৰি ৰাখে।

ৰাষ্ট্ৰক আন এটা কাৰণত এডোখৰ নিৰ্দিষ্ট ভূখণ্ডৰ প্ৰয়োজন হয়। সকলো ৰাষ্ট্ৰকে ৰাজহৰ প্ৰয়োজন। মাটি নাথাকিলে ৰাজহ সংগ্ৰহৰ উৎস সৃষ্টি নহ'ব। মাটি (চাৰিসীমাৰ ভিতৰৰ পানীৰ উৎসবোৰ সামৰি) এ ৰাষ্ট্ৰৰ কৰ্তৃত্বৰ অধীনত অৰ্থনৈতিক ভেটি এটা গঢ়ি তোলে। ৰাষ্ট্ৰই তেতিয়াহে ইয়াৰ নাগৰিকৰ ওপৰত কৰ্তৃত্ব খটুৱাব পাৰিব যেতিয়া নাগৰিক সকল এক নিৰ্দিষ্ট ভূখণ্ডত বাস কৰিব। নিৰ্দষ্ট ভূখণ্ড এডোখৰে এক

নির্দিষ্ট জনসমষ্টিক পৰিচয় প্ৰদান কৰে। এনে ভূখণ্ডৰ ভৌতিক সীমাৱদ্ধতা থাকে। ভাৰত চৰকাৰে ভাৰতৰ চাৰিসীমাৰ বাহিৰত থকা ভাৰতীয় নাগৰিকৰ ওপৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰিব নোৱাৰে। ইয়াৰ বাবে নাগৰিকসকলে বাস কৰি থকা ৰাষ্ট্ৰবোৰৰ সহায়ৰ প্ৰয়োজন হ'ব। সেয়েহে, নির্দিষ্ট ভূখণ্ড হ'ল ৰাষ্ট্ৰ গঠনৰ এক পূৰ্বচর্ত।

জনসংখ্যাৰ দিশেৰে ৰাষ্ট্ৰ এখনৰ বাবে ন্যূনতম প্ৰয়োজনীয় ভূখণ্ডৰ পৰিমাণ নির্ণয় কৰা কোনো নীতি নাই। বিশ্বত ১২.৪ মিলিয়ন বর্গ কিলোমিটাৰ জুৰি থকা ৰাছিয়াৰ দৰে দেশো আছে আৰু মাত্ৰ কেইশ বর্গ কিলোমিটাৰ জুৰি থকা মালদ্বীপৰ দৰে ক্ষুদ্ৰ ৰাষ্ট্ৰও আছে।

➢ চৰকাৰ (Government) ঃ চৰকাৰ হ'ল "ৰাষ্ট্ৰৰ এক অপৰিহার্য আহিলা নাইবা প্ৰয়োজনীয়তা।" চৰকাৰ হ'ল "ৰাষ্ট্ৰৰ এনে এক সংগঠন যিটোৰে সাধাৰণ প্ৰশাসনীয় অভিকৰণৰ কাম কৰাৰ লগতে প্ৰশাসনৰ আন তিনিটা প্ৰধান শাখা- কার্যপালিকা, বিধান মণ্ডল আৰু ন্যায়পালিকাৰ কাম-কাজবোৰো সম্পাদন কৰে।"

ৰাষ্ট্ৰৰ বাবে চৰকাৰ গুৰুত্বপূর্ণ আৰু অপৰিহার্য ব্যৱস্থা। চৰকাৰৰ সহায়ত ৰাষ্ট্ৰৰ অস্তিত্ব বর্তি থাকে। চৰকাৰে ৰাষ্ট্ৰৰ কাম-কাজ পৰিচালনা কৰে, নীতি আৰু উদ্দেশ্যবোৰক বাস্তৱ ৰূপ দিয়ে। কিন্তু 'চৰকাৰ' তেতিয়াও ৰাষ্ট্ৰৰ সদৃশ অথবা সমকালীন নহয়। ৰাষ্ট্ৰ হ'ল 'ব্যক্তিৰ আটাইবোৰ সম্প্ৰদায়'ৰ সংগঠন। আনহাতে মুঠ জনসংখ্যাৰ আপেক্ষিকভাৱে ক্ষুদ্ৰ অংশ এটাৰে চৰকাৰ গঠিত হয়। ৰাষ্ট্ৰ এক ধাৰাবাহিকতাৰ নাম। ই কার্যতঃ এক স্থায়ী সত্বা। আনহাতে, ৰাষ্ট্ৰৰ অস্তিত্ব, সার্বভৌমত্ব অথবা অধিকাৰ খর্ব নকৰাকৈয়ে কোনো এখন চৰকাৰ সম্পূর্ণৰূপে উৎখাত কৰিব পাৰি (যেনে- বিপ্লৱৰ সহায়ত)। অন্য ৰাষ্ট্ৰৰ আক্ৰমণৰ ফলত এখন ৰাষ্ট্ৰৰ অস্তিত্ব লোপ পাব পাৰে, পুৰণি ৰাষ্ট্ৰৰ স্থানত নতুন ৰাষ্ট্ৰ গঠন কৰা হ'ব পাৰে অথবা ঊপনিৱেশবোৰ এটা সময়ত ৰাষ্ট্ৰত পৰিণত হ'ব পাৰে। কিন্তু এনে ঘটনাবোৰ চৰকাৰৰ ৰূপত ঘটিব পৰা আভ্যন্তৰীণ পৰিৱর্তনকৈ যথেষ্ট পৃথক। বর্তমান শতিকাত চৰকাৰৰ আভ্যন্তৰীণ পৰিৱর্তন হ'ল সঘনাই দেখিবলৈ পোৱা এক পৰিঘটনা।

চৰকাৰবোৰত হ'ব পৰা বৈপ্লৱিক পৰিৱর্তনে আন্তর্জাতিক আইনৰ অধীনত নির্ণিত ৰাষ্ট্ৰৰ অধিকাৰ তথা বাধ্যবাধকতাবোৰ বাতিল অথবা সাল-সলনি কৰিব নোৱাৰে। চৰকাৰ সলনি হ'লেও ৰাষ্ট্ৰ এক চিৰস্থায়ী সত্বা।

➢ সার্বভৌমত্ব (Sovereignty) ঃ ৰাষ্ট্ৰ সার্বভৌমত্বৰ গৰাকী। অর্থাৎ, ৰাষ্ট্ৰই ইয়াৰ চাৰিসীমাৰ ভিতৰত শক্তি প্ৰয়োগ কৰাৰ একচেটিয়া ক্ষমতাৰ পৰা উদ্ভৱ হোৱা চৰম ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী। এখন দেশৰ সার্বভৌমত্ব, ইয়াৰ ক্ষমতা আৰু স্বতন্ত্ৰতাক অন্য দেশে স্বীকৃতি দিয়ে। জেলিনেকৰ মতে, " সার্বভৌমত্ব হ'ল ৰাষ্ট্ৰৰ সেইটো বৈশিষ্ট্য যিটোৰ সহায়ত ৰাষ্ট্ৰই নিজৰ ইচ্ছা অবিহনে আন একোৰে দ্বাৰা আইনসংগতভাৱে দায়ৱদ্ধ নহয় অথবা নিজৰ বাহিৰে ৰাষ্ট্ৰক আন কোনো ক্ষমতাই সীমাৱদ্ধ কৰিব নোৱাৰে।"

ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ দুটা দিশ আছে- আভ্যন্তৰীণ সাৰ্বভৌমত্ব আৰু বাহ্যিক সাৰ্বভৌমত্ব। আভ্যন্তৰীণ সাৰ্বভৌমত্ব হ'ল ৰাষ্ট্ৰৰ ইয়াৰ চাৰিসীমাৰ ভিতৰত কৰ্তৃত্ব প্ৰয়োগ কৰিব পৰা একচেটিয়া ক্ষমতা আৰু এই ক্ষমতা অসীম প্ৰকৃতিৰ। বাহ্যিক সাৰ্বভৌমত্বক আন্তৰ্জাতিক আইন আৰু নীতি- নিৰ্দেশনাই সীমাৱদ্ধ কৰি ৰাখে। এনে আইন আৰু নীতি-নিৰ্দেশনাবোৰে এখন ৰাষ্ট্ৰৰ অন্য ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক স্থাপন তথা বৰ্তাই ৰখাত সহায় কৰে। সাৰ্বভৌমত্বৰ ক্ষমতাৰে ৰাষ্ট্ৰই ইয়াৰ চৰকাৰ নামৰ অভিকৰণবোৰ জৰিয়তে আইন, সিদ্ধান্ত আৰু নিৰ্দেশবোৰ জাৰি কৰে। এইবোৰ সকলো নাগৰিকৰ ক্ষেত্ৰতে প্ৰয়োজ্য। সাৰ্বভৌমত্ব আছে বাবেই ৰাষ্ট্ৰই নাগৰিকৰ পৰা আনুগত্য দাবী কৰে আৰু অপৰাধীক শাস্তি দিয়ে। সাৰ্বভৌমত্বৰ আধাৰতে এখন ৰাষ্ট্ৰই অন্য এখন ৰাষ্ট্ৰৰ সৈতে স্বতন্ত্ৰ সম্পৰ্ক বৰ্তাই ৰাখে। সাৰ্বভৌমত্ব থাকে মানে ৰাষ্ট্ৰ এখনৰ অস্তিত্ব থাকিব।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে ৰাষ্ট্ৰ গঠনৰ মূল উপাদান চাৰিটা হ'ল জনসংখ্যা, নিৰ্দিষ্ট ভূখণ্ড, চৰকাৰ আৰু সাৰ্বভৌমত্ব। সাৰ্বভৌমত্বৰ আধাৰত ৰাষ্ট্ৰই চৰকাৰৰ জৰিয়তে নাগৰিকৰ কল্যাণ সাধন কৰা কিছুমান কাৰ্য সম্পাদন কৰে।



অগ্ৰগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰক-

(১) ৰাষ্ট্ৰৰ প্ৰধান উপাদান কেইটা হ'ল জনসংখ্যা..... চৰাকাৰ আৰু সাৰ্বভৌমত্ব।

(২) ৰাষ্ট্ৰ.....ৰ দ্বাৰা গঠিত।

৬.৪.২ ৰাষ্ট্ৰৰ আন কিছুমান বৈশিষ্ট্য

কিছুমান সমাজ বিজ্ঞানীৰ মতে ওপৰত আলোচনা কৰা বৈশিষ্ট্য চাৰিটাৰ উপৰি ৰাষ্ট্ৰৰ আৰু কেইটামান বৈশিষ্ট্য আছে। সেইবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

➢ স্থায়িত্ব (Permanence) ঃ ৰাষ্ট্ৰ এক স্থায়ী সংগঠন। গার্নাৰৰ মতে, "এবাৰ মানুহৰ সমষ্টি এটা ৰাষ্ট্ৰ হিচাপে সংগঠিত হোৱাৰ পাচত চিৰদিনৰ বাবে এই ৰাষ্ট্ৰ সংগঠনৰ অধীন হৈ ৰয়।" কেতিয়াবা কিছুমান ৰাষ্ট্ৰৰ অস্তিত্ব বিলুপ্ত হয় অথবা কোনো ৰাষ্ট্ৰৰ এটা অংশ নাইবা অঞ্চল যুদ্ধ নাইবা শান্তি চুক্তিৰ অধীনত অন্য দেশক দি দিয়া হয়। কিন্তু তথাপিও এই ব্যতিক্ৰমবোৰক কেৱল সাৰ্বভৌমত্বৰ পৰিৱৰ্তন বুলি ক'ব পৰা যায়। কাৰণ এনে দেশ নাইবা অঞ্চলৰ মানুহখিনিৰ বাসস্থান সলনি নহয়। যেনে- পাকিস্তানৰ এটা অংশেৰে বালাংদেশ সৃষ্টি কৰা হৈছিল। অৰ্থাৎ, সাৰ্বভৌমত্ব বাংলাদেশৰ হাতলৈ গৈছিল

আৰু এই অংশটোৰ বাসিন্দাসকলক বাংলাদেশী নাগৰিক বুলি নতুনকৈ নাম দিয়া হৈছিল। ইয়াৰ পৰাই গম পোৱা গ'ল যে শাসনৰ পৰিৱৰ্তনে ৰাষ্ট্ৰৰ পৰিৱৰ্তন সাধন নকৰে। সেয়েহে , ৰাষ্ট্ৰক চিৰস্থায়ী সংগঠন বুলি কোৱা হয়।

➢ একতা (Unity) ঃ ইয়াৰ অর্থ হ'ল, ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰৰ যিকোনো অঞ্চলত বাস কৰা মানুহবোৰৰ মাত্ৰ এটা ৰাজনৈতিক সংগঠন থকা উচিত। এখন ৰাষ্ট্ৰৰ নাগৰিক আৰু অঞ্চল কোনোটোৱেই অন্য ৰাষ্ট্ৰৰ অংশ হ'ব নোৱাৰে।

➢ প্ৰয়োজনীয় সদস্যপদ (Necessary Membership) ঃ ৰাষ্ট্ৰৰ সদস্য হোৱাটো বাধ্যতামূলক। এক সুনির্দিষ্ট ভৌগলিক অঞ্চলত বাস কৰা সকলো লোককে ইয়াৰ সদস্য বুলি ধৰা হয়। এক নির্দিষ্ট সময়ত একেজন মানুহ একাধিক ৰাষ্ট্ৰৰ সদস্য হ'ব নোৱাৰে।

➢ আন্তর্জাতিক স্বীকৃতি (International Recognition) ঃ বহুতো পণ্ডিতৰ মতে এখন ৰাষ্ট্ৰৰ বাবে আন্তর্জাতিক সম্প্ৰদায়ৰ স্বীকৃতি লাভ কৰাটো এক অত্যাৱশ্যকীয় বিষয়। আন্তর্জাতিক স্বীকৃতি লাভ কৰাৰ পাচতহে ৰাষ্ট্ৰ এখন 'ৰাষ্ট্ৰ সম্প্ৰদায়'ৰ সদস্য হ'ব আৰু অন্য ৰাষ্ট্ৰৰ সৈতে কূটনৈতিক সম্পর্ক স্থাপন কৰিব পাৰিব। অৱশ্যে আন একাংশ পণ্ডিতে এই দৃষ্টিভংগী মানি নলয়। তেওঁলোকৰ মতে আন্তর্জাতিক স্বীকৃতিয়ে ৰাষ্ট্ৰ এখনৰ প্ৰস্থিতিত কোনো প্ৰভাৱ নেপেলায়।

➢ ধাৰাবাহিকতা (Continuity) ঃ ৰাষ্ট্ৰ স্থিৰ সংগঠন নহয়। ইয়াৰ এটা ধাৰাবাহিকতা আছে। এখন ৰাষ্ট্ৰৰ চৰকাৰৰ ৰূপ সঘনে সলনি হ'ব পাৰে। কিন্তু ই ৰাষ্ট্ৰৰ অস্তিত্বক প্ৰভাৱিত নকৰে। যেনে- গণতান্ত্ৰিক ৰূপৰ চৰকাৰে কোনো এখন দেশত ৰাজতন্ত্ৰিক চৰকাৰৰ স্থান ল'ব পাৰে নাইবা কোনো এখন দেশত একক ৰাজনৈতিক দলৰ চৰকাৰ থাকিব পাৰে। এই কথাই ৰাষ্ট্ৰৰ অস্তিত্বৰ প্ৰতি কোনা ভাবুকিৰ সৃষ্টি নকৰে। ৰাষ্ট্ৰৰ উত্তৰাধিকাৰী নিয়ম অনুসৰি ক্ষমতাৰ পৰা আঁতৰি যোৱা চৰকাৰখনে বিভিন্ন সন্ধি আৰু চুক্তিৰ জৰিয়তে মানি চলিবলৈ দায়ৱদ্ধতা প্ৰকাশ কৰা কাম-কাজ তথা দায়িত্ববোৰ নতুনকৈ ক্ষমতালৈ অহা চৰকাৰখনে কান্ধ পাতি ল'ব লাগিব। অর্থাৎ, চৰকাৰ সলনি হ'লেও ৰাষ্ট্ৰৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকে।

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হ'ল যে অতিৰিক্ত বৈশিষ্ট্যবোৰক এখন আদর্শ ৰাষ্ট্ৰৰ থাকিবলগীয়া অর্হতাৰ শিতানত বিবেচনা কৰিব পৰা যায় যদিও এইবোৰ অপৰিহার্য বৈশিষ্ট্য নহয়। কাৰণ এই বৈশিষ্ট্যবোৰৰ অনুপস্থিতিতো ৰাষ্ট্ৰ এখন বর্তি থাকিব পাৰে। ৰাষ্ট্ৰ হ'বলৈ কেৱল জনসংখ্যা, নির্দিষ্ট ভূখণ্ড, চৰকাৰ আৰু সার্বভৌমত্ব এই চাৰিটা অপৰিহার্য বৈশিষ্ট্যৰ প্ৰয়োজন। ইয়াৰে এটা বৈশিষ্ট্যও যদি অনুপস্থিত থাকে, তেন্তে ৰাষ্ট্ৰৰ অস্তিত্ব নাথাকিব।

৬.৫ ৰাষ্ট্ৰৰ সম্পৰ্ক

৬.৫.১ ৰাষ্ট্ৰ আৰু অন্য সংস্থাসমূহ

সাধাৰণ ৰাষ্ট্ৰ (State), সমাজ (Society) আৰু চৰকাৰ (Government) ৰ অৰ্থ একে বুলি ধৰা হয়। তিনিওটাৰ মাজত আন্তঃ সম্পৰ্ক আছে যদিও প্ৰত্যেকৰে নিজ নিজ অৰ্থ আছে। অৰ্থাৎ, তিনিওটা অভিধাৰ মাজত কিছুমান প্ৰভেদ আছে। তলত ৰাষ্ট্ৰ আৰু অন্য সদৃশ সংস্থাৰ মাজত থকা প্ৰভেদৰ বিষয়ে আলোচনা কৰা হ'ল।

৬.৫.১.১ ৰাষ্ট্ৰ আৰু সংস্থাৰ মাজৰ প্ৰভেদ

ৰাষ্ট্ৰক সকলোবোৰ মানৱীয় সংস্থাৰ ভিতৰত শীৰ্ষতম বুলি গণ্য কৰা হয়। ৰাষ্ট্ৰ (State) আৰু সংস্থা (Association)ৰ মাজত কিছুমান প্ৰভেদ আছে। মেক্‌ল্‌ভাৰৰ সংজ্ঞা অনুসৰি সংস্থা হ'ল "কিছুমান আগ্ৰহ নাইবা আগ্ৰহৰ সমষ্টি এটা ফলৱতী কৰি তোলাৰ উমৈহতীয়া লক্ষ্যেৰে মানুহে ইচ্ছাকৃতভাৱে গঢ়ি তোলা সংগঠনটোৱেই হ'ল সংস্থা।"

জি. ডি. এইছ. কোলেৰ ভাষাত, "যিকোনো মানৰ দল এটাই কোনো একক ক্ৰিয়াৰ উৰ্দ্ধলৈ গৈ উমৈহতীয়া উদ্দেশ্য পূৰণৰ বাবে সহযোগিতাৰে কাৰ্য সম্পাদন কৰিবলৈ সন্মত হোৱাটোকে সংস্থা গঠন কৰা বোলে। সংস্থাৰ সদস্যসকলে কাৰ্য সম্পাদনৰ সুনিৰ্দিষ্ট পদ্ধতি আৰু উমৈহতীয়া কাম কৰাৰ সময়ত কিছুমান নিৰ্ধাৰিত নীতি নিয়ম মানি চলিবলৈ মান্তি হয়।"

ওপৰৰ সূত্ৰ দুটাৰ পৰা এই কথা স্পষ্ট হয় যে সংস্থা মানে হ'ল মানুহৰ একগোট হোৱাৰ, দল গঠন কৰাৰ, উমৈহতীয়া নীতি- নিৰ্দেশনা প্ৰস্তুত কৰাৰ আৰু এনে নীতি-নিৰ্দেশনা সকলো সদস্যৰ ক্ষেত্ৰতে প্ৰযোজ্য কৰাৰ বাবে থকা স্বাভাৱিক প্ৰবৃত্তিৰ ফলত জ ন্ম লাভ কৰা একোটা মানৰ গোট। সেই দিশৰ পৰা চাবলৈ গ'লে ৰাষ্ট্ৰও এক মানৰ সমষ্টিয়ে সৃষ্টি কৰা সংস্থা। অন্য মানৰ গোটবোৰৰ দৰে ৰাষ্ট্ৰয়ো চৰকাৰৰ বাস্তৱ কাম-কাজৰ দ্বাৰা মানুহৰ প্ৰয়োজন পূৰণৰ চেষ্টা কৰে। ই হ'ল সম্ভাব্য বিদেশী আক্ৰমণ আৰু আভ্যান্তৰীণ সামাজিক বিশৃংখলতাৰ পৰা নিজৰ জীৱন তথা সম্পত্তি ৰক্ষা কৰিবলৈ মানুহৰ মনত ওপজা ইচ্ছাৰ ফলশ্ৰুতি। সেয়েহে মানুহ ৰাষ্ট্ৰৰ সদস্য হয় আৰু ৰাষ্ট্ৰই প্ৰণয়ন কৰা আইন-কানুন মানি চলে। বহুতো চিন্তাবিদে ভাবে যে ৰাষ্ট্ৰ এটা সংস্থাৰ বাহিৰে আন একো নহয়। কিন্তু ৰাষ্ট্ৰ আৰু সংস্থাৰ মাজত ঘনিষ্ঠ সাদৃশ্য থকা সত্বেও দুয়োটাৰে মাজত কিছু পাৰ্থক্যও আছে-

- স্থায়িত্ব (Permanence) ঃ ৰাষ্ট্ৰৰ সদস্য হোৱাটো বাধ্যতামূলক। কেঁচুৱা এটাই জন্মসূত্ৰে এখন ৰাষ্ট্ৰৰ সদস্যপদ লাভ কৰে। স্বাভাৱিক অৱস্থাত কোনেও এই পদ এৰিব

নোৱাৰে। আনহাতে, সংস্থা এটাৰ সদস্য হোৱা অথবা নোহোৱাটো ব্যক্তিৰ সম্পূৰ্ণ নিজস্ব সিদ্ধান্ত। মানুহে নিজ ইচ্ছা অনুসৰি কোনো সংস্থাৰ সদস্য হ'ব পাৰে আৰু যেতিয়াই বিচাৰে এই সদস্যপদ ওভটাই দিব পাৰে।

এগৰাকী ব্যক্তিয়ে এটা সময়ত মাত্ৰ এখন দেশৰহে সদস্য হ'ব পাৰে। যদি কোনোবাই অন্য দেশৰ নাগৰিকত্ব লাভ কৰিব খোজে, তেন্তে বৰ্তমানৰ ৰাষ্ট্ৰখনৰ পৰা তেওঁৰ নাগৰিকত্ব নিজে নিজে নাইকিয়া হ'ব। ইয়াৰ বিপৰীতে মানুহে যিমান মন যায় সিমানটা সংস্থাৰ সদস্য হ'ব পাৰে। বাস্তৱিকতে মানুহে সদায়েই একাধিক সংস্থাৰ সৈতে নিজকে জড়িত কৰে।

➢ ৰাষ্ট্ৰ স্থায়ী কিন্তু সংস্থা অস্থায়ী হ'ব পাৰে-

ৰাষ্ট্ৰ এক স্থায়ী সংগঠন। এবাৰ গঠন হোৱাৰ পাচত ৰাষ্ট্ৰৰ অস্তিত্ব সহজে বিলুপ্ত নহয়। আনহাতে, যেতিয়াই প্ৰয়োজন হয় মানুহে তেতিয়াই কোনো সংস্থাৰ জন্ম দিয়ে আৰু উদ্দেশ্য পূৰণ হোৱাৰ পাচত সংস্থা ভংগ কৰে।

➢ ৰাষ্ট্ৰ হ'ল পৰম সংস্থা আৰু ই আন সকলোবোৰ সংস্থাকে নিয়ন্ত্ৰণ কৰে-

ৰাষ্ট্ৰ হ'ল পৰম সংস্থা। ই আন সকলোবোৰ সংস্থাকে নিয়ন্ত্ৰণ কৰাৰ লগতে সংস্থাবোৰৰ কাম-কাজৰ মাজত সমন্বয় স্থাপন কৰে। কেতিয়াবা ই বিশ্ববিদ্যালয় আৰু শ্ৰমিক সন্থাৰ দৰে সংস্থা গঠনো কৰি দিয়ে। সেয়েহে, ৰাষ্ট্ৰ হ'ল এটা সৰ্বব্যাপ্ত, সৰ্বাত্মক আৰু সকলোকে সামৰি লোৱা সংস্থা। অন্য সংস্থাবোৰৰ বাহ্যিক আচৰণ নিয়ন্ত্ৰণ কৰি ই সামঞ্জস্য স্থাপন কৰে।

➢ ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আছে, কিন্তু অন্য সংস্থাবোৰৰ সাৰ্বভৌমত্ব নাথাকে-

ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব থাকে, কিন্তু অন্য সংস্থাবোৰৰ সাৰ্বভৌমত্ব নাথাকে। ৰাষ্ট্ৰ শাসনৰ ইচ্ছাই হ'ল চৰম আইন। ৰাষ্ট্ৰৰ সামূহিক ইচ্ছা চৰকাৰে ব্যক্তি আৰু কাৰ্যৰূপায়িত কৰে। ৰাষ্ট্ৰৰ প্ৰতিগৰাকী নাগৰিকেই ৰাষ্ট্ৰৰ নিৰ্দেশ মানি চলিবলৈ বাধ্য। ৰাষ্ট্ৰেই ক্ষমতা প্ৰয়োগো কৰিব পাৰে। কিন্তু অন্য সংস্থাবোৰৰ এনে কোনো ক্ষমতা নাথাকে। সংস্থাই নিজৰ সিদ্ধান্ত কোনো মানুহক জাপি দিব নোৱাৰে অথবা ক্ষমতা প্ৰয়োগ কৰি নিজৰ ইচ্ছা কাৰ্যৰূপায়িত কৰিব নোৱাৰে। অন্য সংস্থাই গ্ৰহণ কৰিব পৰা একমাত্ৰ কঠোৰ সিদ্ধান্তটো হ'ল কোনো সদস্যৰ সদস্যপদ বাতিল কৰা।

➢ মানুহে একে সময়তে একাধিক সংস্থাৰ সদস্য হ'ব পাৰে, কিন্তু একে সময়তে এখনতকৈ অধিক দেশৰ সদস্য (নাগৰিক) হ'ব নোৱাৰে-

এগৰাকী ব্যক্তি একে সময়তে কেৱল এখন ৰাষ্ট্ৰৰহে নাগৰিক হ'ব পাৰে। একে সময়তে দুখন দেশৰ সদস্যপদ লাভ কৰাটো অসম্ভৱ। কিন্তু মানুহে যিমান মন যায় সিমানটা সংস্থাৰ সদস্য হ'ব পাৰে। একে সময়তে একাধিক সংস্থাৰ সদস্য হোৱাত কোনো বাধা নাই।

➢ ৰাষ্ট্ৰৰ এডোখৰ নিৰ্দিষ্ট ভূখণ্ড থাকে, সংস্থাৰ নাথাকে-

ৰাষ্ট্ৰৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ এডোখৰ নিৰ্দিষ্ট ভূখণ্ড থাকে। এটা সুনিৰ্দিষ্ট চাৰিসীমা অবিহনে ৰাষ্ট্ৰৰ অস্তিত্ব নাথাকে। আনহাতে, সংস্থাক ইয়াৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ কোনো নিৰ্দিষ্ট ভূখণ্ডৰ প্ৰয়োজন নাই।

➢ৰাষ্ট্ৰৰ উদ্দেশ্য বহুত, কিন্তু সংস্থাৰ উদ্দেশ্য সীমিত

এটা সংস্থাই সীমিত সংখ্যক উদ্দেশ্যত উপনীত হোৱাৰ চেষ্টা কৰে। সংস্থাবোৰক সাংস্কৃতিক অথবা ৰাজনৈতিক সংস্থাৰ শিতানভুক্ত কৰিব পাৰি। এনে সংস্থাই কেৱল কিছুমান সাংস্কৃতিক অথবা ৰাজনৈতিক উদ্দেশ্যই সাধন কৰাৰহে চেষ্টা চলায়। ইয়াৰ বিপৰীতে ৰাষ্ট্ৰই যথেষ্ট সংখ্যক আৰু বিভিন্ন ধৰণৰ উদ্দেশ্য সাধন কৰিব লাগে। ৰাষ্ট্ৰ হ'ল সৰ্বদা বৰ্দ্ধনশীল কাম-কাজ সমাধা কৰিবলগীয়া বহুমুখী উদ্দেশ্যসম্পন্ন অভিকৰণ। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো মানৱীয় কাম প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে ৰাষ্ট্ৰৰ নিৰীক্ষণৰ অন্তৰ্ভুক্ত। চমুকৈ, ই সাধাৰণ লোকৰ যত্ন ল'বলৈ গঠিত হোৱা এটা সংস্থা। ৰাষ্ট্ৰই কোনো বিশেষ স্বাৰ্থ ৰক্ষাৰ হকে কাম নকৰে।

ওপৰৰ আলোচনাৰ পৰা গম পালোঁ যে ৰাষ্ট্ৰ হ'ল সবাতোকৈ ক্ষমতাশালী সংস্থা। ইয়াৰ বৈশিষ্ট্য আন সংস্থাবোৰতকৈ যথেষ্ট পৃথক। কিছুমান পণ্ডিতৰ মতে ৰাষ্ট্ৰ হ'ল সংস্থাবোৰৰ মাজৰে এটা আনহাতে আন এচামৰ মতে ৰাষ্ট্ৰ যিহেতু সমাজতকৈ পৃথক, সেয়েহে ই অন্য সংস্থাৰ পৰাও পৃথক।

৬.৫.১.২ ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজৰ প্ৰভেদ

সাধাৰণ লোকৰ বাবে 'ৰাষ্ট্ৰ' আৰু 'চৰকাৰ'ৰ অভিধা দুটাই মাজে মাজে বিভ্ৰান্তিৰ সৃষ্টি কৰে। মানুহে প্ৰায়েই দুয়োটা অভিধাকে সমাৰ্থক ভাৱে ব্যৱহাৰ কৰে। চতুৰ্দশ লুইৰ দৰে ৰজায়ো আনকি ৰাষ্ট্ৰকে চৰকাৰ বুলি ভুল কৰিছিল। তেওঁ প্ৰায়েই 'ময়েই ৰাষ্ট্ৰ' (I am the State) বুলি কৈছিল। তেওঁ দাবী কৰিছিল যে তেৱেঁই চৰকাৰ। কাৰণ, তেওঁ আছিল সৰ্বেসৰ্বা সম্ৰাট। তেওঁৰ হাততেই সকলো চৰকাৰী কৰ্তৃত্ব ন্যস্ত আছিল। কিন্তু তেওঁ নিজকে 'ৰাষ্ট্ৰ' বুলি কৰা দাবীটো শুদ্ধ নাছিল। ৰাষ্ট্ৰ এটা সম্পূৰ্ণ পৃথক ধাৰণা। ইংলেণ্ডৰ ষ্টুৱার্ট বংশৰ ৰজাসকলো এই ভুল ধাৰণাৰ বলি আছিল।

কেৱল ৰজা নাইবা সম্ৰাটসকলেই ৰাষ্ট্ৰ আৰু চৰকাৰৰ ধাৰণা দুটা একে বুলি ভুল কৰা নাছিল। বাস্তৱ জীৱনত আজিও আমি প্ৰায়েই ধাৰণা দুটা সাল-সলনিকৈ ব্যৱহাৰ কৰোঁ। চৰকাৰৰ শ্ৰেণীবিভাজনক কেতিয়াবা ৰাষ্ট্ৰৰ শ্ৰেণীবিভাজন বুলি ভুল কৰা হয়। আকৌ আন বহু সময়ত চৰকাৰৰ কাম-কাজক ৰাষ্ট্ৰৰ কাম-কাজ বুলি গণ্য কৰা হয়।

ৰাষ্ট্ৰ হ'ল উমৈহতীয়া প্ৰয়োজন পূৰণৰ অৰ্থে উমৈহতীয়া লক্ষ্যত উপনীত হ'বলৈ মানুহে ৰাজনৈতিকভাৱে গঢ় দিয়া সংগঠন। আনহাতে, চৰকাৰ হ'ল ৰাষ্ট্ৰৰ এক অপৰিহার্য উপাদান। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰৰ ইচ্ছাক ব্যক্ত কৰা, গঠন কৰা আৰু বাস্তৱ ৰূপ দিয়া হয়।

ৰাষ্ট্ৰ আৰু চৰকাৰ দুটা পৃথক অৰ্থৰ সুকীয়া সুকীয়া অভিধা। দুয়োটা অবিধাৰ মাজৰ পাৰ্থক্যবোৰ তলত উল্লেখ কৰা হ'ল-

➢ ৰাষ্ট্ৰ সামগ্ৰিক, চৰকাৰ ৰাষ্ট্ৰৰ এটা অংশ -

আগতেই আলোচনা কৰিছোঁ যে ৰাষ্ট্ৰ হ'ল চাৰিটা প্ৰধান উপাদানৰ সমষ্টি। উপাদান কেইটা হ'ল- জনসংখ্যা, নিৰ্দিষ্ট ভূখণ্ড, চৰকাৰ আৰু সাৰ্বভৌমত্ব। অৰ্থাৎ, চৰকাৰ হ'ল ৰাষ্ট্ৰ গঠনকাৰী উপাদানবোৰৰ মাজৰ এটা। ই সম্পূৰ্ণ নহয়। ই ৰাষ্ট্ৰৰ এক অভিকৰণ যিটোৰ দ্বাৰা চৰকাৰৰ ইচ্ছা আগ্ৰহবোৰ গঠিত হয়, ব্যক্ত কৰা হয় আৰু কাৰ্যৰূপায়িত কৰা হয়। চৰকাৰ ৰাষ্ট্ৰৰ এটা অংশহে।

➢ ৰাষ্ট্ৰ স্থায়ী, চৰকাৰ অস্থায়ী -

ৰাষ্ট্ৰ স্থায়ী। যেতিয়ালৈকে জনসংখ্যা, নিৰ্দিষ্ট ভূখণ্ড, চৰকাৰ আৰু সাৰ্বভৌমত্বৰ চৰ্তকেইটা ৰক্ষা কৰিব পৰা যাব তেতিয়ালৈকে ৰাষ্ট্ৰৰ অস্তিত্ব থাকিব। এই উপাদানকেইটা সহজে ধ্বংস কৰিব পৰা প্ৰকৃতিৰ নহয়। ইয়াৰ বিপৰীতে চৰকাৰৰ অস্তিত্ব অস্থায়ী। চৰকাৰ সলনি হৈ থাকে। নতুন চৰকাৰ আহিলে পুৰণি চৰকাৰ আঁতৰি যায়। ৰাষ্ট্ৰ অবিৰতভাৱে বৰ্তি থাকে। ৰজা /সম্ৰাটৰ মৃত্যু, শাসকৰ মৃত্যু, কোনো এখন চৰকাৰৰ বলপূবচ্ছুক অপসাৰণ নাইবা গণতান্ত্ৰিক পদ্ধতিৰে শান্তিপূৰ্ণভাৱে নতুন চৰকাৰ গঠন আদিৰ দৰে কাৰ্যৰ ফলত ৰাষ্ট্ৰৰ অস্তিত্ব বিলুপ্ত নহয়। চৰকাৰৰ পৰিৱৰ্তনে ৰাষ্ট্ৰৰ পৰিৱৰ্তন সাধন নকৰে। কাৰণ, ৰাষ্ট্ৰৰ প্ৰকৃতি স্থায়ী আৰু চৰকাৰ অস্থায়ী।

➢ ৰাষ্ট্ৰ বিমূৰ্ত, চৰকাৰ মূৰ্ত

ৰাষ্ট্ৰৰ কোনো স্থায়ী ৰূপ নাই। ইয়াক দেখা পোৱা নাযায়। ৰাষ্ট্ৰ এটা অনুভৱ কৰিব পৰা ধাৰণা। ইয়াৰ বিপৰীতে চৰকাৰ মূৰ্ত। আমি চৰকাৰী প্ৰক্ৰিয়াবোৰত ব্যক্তিৰ জড়িতভৱন দেখা পাওঁ।

➢ নিৰ্দিষ্ট ভূখণ্ড হ'ল ৰাষ্ট্ৰৰহে আৱশ্যকীয় উপাদান, চৰকাৰৰ নহয় -

নিৰ্দিষ্ট ভূখণ্ড হ'ল ৰাষ্ট্ৰ গঠনৰ বাবে এটি আৱশ্যকীয় উপাদান। চৰকাৰৰ বাবে নিৰ্দিষ্ট ভূখণ্ডৰ প্ৰয়োজন নাই। নিৰ্দিষ্ট ভূখণ্ড আবিহনে কোনো ৰাষ্ট্ৰৰ অস্তিত্ব নাই। কিন্তু চৰকাৰে নিৰ্দিষ্ট ভূখণ্ড অবিহনেও কাৰ্য সম্পাদন কৰিব পাৰে। কেতিয়াবা কোনো এখন ৰাষ্ট্ৰৰ চৰকাৰ অন্য দেশত গঠন কৰা হয়। যেনে- দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাৰ্মানীয়ে নৰৱে'ক পৰাস্ত কৰাৰ পাচত ইংলেণ্ডত নৰৱে' চৰকাৰে গঠন কৰা হৈছিল আৰু এই চৰকাৰখনে ইংলেণ্ডৰ পৰাই কাম-কাজ চলাই গৈছিল।

➢ ব্যক্তিৰ চৰকাৰৰ বিৰুদ্ধে অধিকাৰ থাকিব পাৰে, কিন্তু ৰাষ্ট্ৰৰ বিৰুদ্ধে কাৰো কোনো অধিকাৰ নাথাকে -

নাগৰিকৰ চৰকাৰৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ থাকে। কিন্তু ৰাষ্ট্ৰৰ বিৰুদ্ধে মাত মতাৰ কোনো অধিকাৰ নাগৰিকৰ নাথাকে। কাৰণ, ৰাষ্ট্ৰ নিজেই সকলো ক্ষমতাৰ উৎস। চৰকাৰ আৰু নাগৰিক উভয়েই ৰাষ্ট্ৰৰ অধীন। সেয়েহে, নাগৰিকে চৰকাৰৰ বিৰুদ্ধে

ওজৰ-আপত্তি উঠাব পাৰে নাইবা অভিযোগ কৰিব পাৰে। ৰাষ্ট্ৰৰ বিৰুদ্ধে এনে আপত্তি আৰু অভিযোগ উঠোৱাৰ কোনো সুৰুঙা নাই। ৰাষ্ট্ৰই কেতিয়াও নিজে কোনো কার্য সম্পাদন নকৰে। ই সদায় চৰকাৰৰ জৰিয়তে কাম কৰে।

➢ সার্বভৌমত্ব ৰাষ্ট্ৰৰ একচেটিয়া ক্ষমতা, চৰকাৰ সার্বভৌম নহয়-

সার্বভৌমত্ব ৰাষ্ট্ৰৰ একচেটিয়া বৈশিষ্ট্য। চৰকাৰ কেৱল ৰাষ্ট্ৰৰ এক প্রতিভূ। চৰকাৰৰ হাতত যিবোৰ কর্তৃত্ব অথবা ক্ষমতা থাকে, সেই সকলোবোৰ ৰাষ্ট্ৰৰ পৰা উযপন্ন হয়। ৰাষ্ট্ৰই চৰকাৰৰ ক্ষমতা বঢ়াব নাইবা কমাব পাৰে। অর্থাৎ, ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজত মালিক আৰু ভৃত্যৰ দৰে সম্পর্ক আছে বুলি ক'ব পাৰি।

➢ ৰাষ্ট্ৰ বোৰৰ বৈশিষ্ট্য সকলোতে একে, চৰকাৰবোৰৰ মাজত বহুতো প্রভেদ থাকে-

সকলো ৰাষ্ট্ৰ একে। সকলো ৰাষ্ট্ৰতে চাৰিটা প্রধান উপাদান থাকে। কেৱল ৰাষ্ট্ৰৰ আকাৰ সৰু-ডাঙৰ হ'ব পাৰে। কিন্তু ৰাষ্ট্ৰৰ প্রকৃতি সম্পূর্ণ একে। কিন্তু ৰাষ্ট্ৰবোৰৰ চৰকাৰবোৰৰ প্রকৃতি বেলেগ বেলেগ। যেনে- ভাৰততে সংসদীয় পদ্ধতিৰ চৰকাৰে আছে; আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতিৰ শাসনাধীন চৰকাৰে দেশ পৰিচালনা কৰে।

➢ ৰাষ্টই সকলো নাগৰিককে সামৰি লয় কিন্তু চৰকাৰত মাত্র কেইগৰাকীমান ব্যক্তিহে থাকে

নিজৰ চাৰিসীমাৰ ভিতৰত বাস কৰা সকলো লোককে ৰাষ্ট্ৰই সামৰি লয়। সেয়েহে, ৰাষ্ট্ৰৰ জনসংখ্যা লাখ লাখ হ'ব পাৰে। যেনে- ভাৰততে এশ কৌটিতকৈ অধিক লোকে বাস কৰি দেশখন গঢ়িছে। তাৰ বিপৰীতে চৰকাৰত মাত্র কেইগৰাকীমান ব্যক্তিহে থাকে। যেনে- ভাৰতীয় চৰকাৰত মাত্র কেইশমান মন্ত্রী আৰু কেইহাজাৰ মান অসামৰিক সেৱা আগবঢ়োৱা বিষয়া- কর্মচাৰী থাকে।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে ৰাষ্ট্ৰ আৰু চৰকাৰ একে নহয়। চৰকাৰ হ'ল ৰাষ্ট্ৰৰ এক প্রতিভূ। চৰকাৰে ৰাষ্ট্ৰৰ জৰিয়তে কার্য সম্পাদন কৰে। অৱশ্যে, প্রভেদ থাকিলেও দুয়োটাই অস্তিত্ব বর্তাই ৰাখিবলৈ পৰস্পৰৰ ওপৰত নির্ভৰশীল।

৬.৫.১.৩ ৰাষ্ট্ৰ আৰু সমাজৰ মাজৰ প্রভেদ

'ৰাষ্ট্ৰ' আৰু 'সমাজ' বোলা অভিধা দুটা কেতিয়াবা সমার্থক ৰূপত ব্যৱহাৰ কৰা হয়। কিন্তু, দুয়োটাৰে মাজত বিভিন্ন দিশত বহুতো পার্থক্য আছে। ৰাষ্ট্ৰ সমাজত বর্তি থাকে। কিন্তু ই সমাজৰ এটা ৰূপ নহয়। ৰাষ্ট্ৰ হ'ল এটা ৰাজনৈতিক সংগঠন। সংৰচনা আৰু কার্য-সম্পাদন পদ্ধতি- এই দুয়োটা দিশেৰে ৰাষ্ট্ৰ আৰু সমাজ পৃথক। তলত ৰাষ্ট্ৰ আৰু সমাজৰ প্রধান পার্থক্যবোৰ আলোচনা কৰা হ'ল।

➢ সমাজ পৰিসৰ ৰাষ্ট্ৰতকৈ বহল-

এক নির্দিষ্ট ভূখণ্ডৰ ভিতৰত আইনৰ অধীনত সংগঠিত মানৰ সম্প্রদায়টোৱেই হ'ল ৰাষ্ট্ৰ। ইয়াৰ পৰিসৰ সীমিত। ৰাষ্ট্ৰই কেৱল সংগঠিত সম্প্রদায়বোৰৰ ৰাজনৈতিক

সম্পৰ্কবোৰত মনোনিৱেশ কৰে। ইয়াৰ বিপৰীতে সমাজৰ পৰিসৰ অতি বিশাল। ই মানুহৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্মীয় ইত্যাদি বিভিন্ন মানৱীয় সম্পৰ্কক সামৰি লয়। সমাজ প্ৰত্যক্ষ অথবা পৰোক্ষ, সচেতন অথবা অসচেতন, সংগঠিত অথবা অসংগঠিত সকলো ধৰণৰ পাৰস্পৰিক মানৱীয় সম্পৰ্কৰ সৈতে জড়িত। সমাজ হ'ল এক বিশ্বজনীন, সৰ্বব্যাপ্ত আৰু সৰ্বাত্মক মানৱ সমষ্টি। ৰাষ্ট্ৰৰ উদ্দেশ্য হ'ল সমাজৰ বাহ্যিক পৰিস্থিতিবোৰ বৰ্তাই ৰখা। সেই দিশেৰে সমাজৰ পৰিসৰ ৰাষ্ট্ৰতকৈ যথেষ্ট বিশাল।

➢ ৰাষ্ট্ৰৰ সৈতে নিৰ্দিষ্ট ভূখণ্ড জড়িত হৈ থাকে, সমাজৰ সৈতে ভূখণ্ডৰ প্ৰশ্নটো জড়িত নহয় -

ৰাষ্ট্ৰ হ'ল এটা নিৰ্দিষ্ট ভূখণ্ডকেন্দ্ৰিক সংগঠন। ৰাষ্ট্ৰৰ নিজা চাৰিসীমা থাকে । কিন্তু সমাজ কোনো ভৌগলিক এলেকাৰ ভিতৰত সীমাৱদ্ধ নহয়। যেনে- ইহুদীসকলৰ এখন সমাজ আছে। অথচ, তেওঁলোক কোনো এক নিৰ্দিষ্ট স্থানৰ বাসিন্দ নহয়। সমগ্ৰ বিশ্বতে ইহুদী লোক সিঁচৰতি হৈ আছে। একে কথাই হিন্দু, ইছলাম আৰু খৃষ্টান সমাজৰ ক্ষেত্ৰতো প্ৰযোজ্য। অৰ্থাৎ, ৰাষ্ট্ৰৰ দৰে সমাজৰ ক্ষেত্ৰত কোনো অঞ্চলৰ উল্লেখ নাথাকে। সমাজে বিভিন্ন দেশৰ চাৰিসীমা অতিক্ৰম কৰি সমগ্ৰ পৃথিৱীখনকে সামৰি ল'ব পাৰে। ইয়াৰ উপৰি একোখন দেশৰ ভিতৰতে মানুহ বিভিন্ন সামাজিক পৰম্পৰা সমৃদ্ধ বিভিন্ন সমাজ গঠন কৰি ল'ব পাৰে। কিন্তু ৰাষ্ট্ৰই নিজৰ চাৰিসীমা অতিক্ৰম কৰিব নোৱাৰে।

➢ ৰাষ্ট্ৰ সাৰ্বভৌমত্বৰ গৰাকী, সমাজৰ সাৰ্বভৌমত্ব নাই -

প্ৰত্যোকখন ৰাষ্ট্ৰই সাৰ্বভৌমত্বৰ গৰাকী। কিন্তু সমাজবোৰৰ সাৰ্বভৌম ক্ষমতা নাথাকে। এক নিৰ্দিষ্ট চাৰিসীমাৰ ভিতৰত ৰাষ্ট্ৰৰ শাসন ক্ষমতা সৰ্বাধিক। ৰাষ্ট্ৰই নাগৰিকৰ ওপৰত নিজ সিদ্ধান্ত বলপূৰ্বক জাপি দিব পাৰে, নিৰ্দেশ পালনৰ বাবে ক্ষমতা প্ৰয়োগ কৰিব পাৰে। সমাজৰ এনে কোনো ক্ষমতা নাথাকে। সমাজে বিহিব পৰা একমাত্ৰ শাস্তিটো হ'ল আইন উলংঘাকাৰীক সামাজজিক ভাৱে বহিষ্কাৰ কৰা। ৰাষ্ট্ৰই সামূহিক ইচ্ছাক বাস্তৱ ৰূপ দিবলৈ আৰক্ষী, সেনা আৰু আইন-আদালতৰ সহায় প্ৰয়োগ কৰিব পাৰে।

➢ ৰাষ্ট্ৰই সমাজত শৃংখলা স্থাপন কৰে -

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হৈছে যে সমাজ আৰু ৰাষ্ট্ৰ একে নহয়। ৰাষ্ট্ৰই সামাজিক শৃংখলাৰ সংৰচনাটো বৰ্তাই ৰাখে। ৰাষ্ট্ৰই সমাজক একেলগ কৰি ৰাখে। সেই দিশৰ পৰা ৰাষ্ট্ৰ হ'ল সামাজিক সংগঠনৰ শ্ৰেষ্ঠ ৰূপ। ৰাষ্ট্ৰই ব্যক্তিক কিছুমান আইন মানি চলিবলৈ বাধ্য কৰে। ইয়াৰ অবিহনে এক শৃংখলাৱদ্ধ সামাজিক জীৱন যাপন কৰাটো মানুহৰ পক্ষে সম্ভৱ নহ'ব।

➢ সমাজৰ ৰাষ্ট্ৰতকৈ আগতে সৃষ্টি হয়

এই কথা সৰ্বজন স্বীকৃত যে সমাজৰ জন্ম ৰাষ্ট্ৰতকৈ আগতে হৈছিল। ৰাষ্ট্ৰ নামৰ ৰাজনৈতিক সংগঠনটো সৃষ্টি হোৱাৰ বহু আগৰেপৰা সমাজৰ অস্তিত্ব আছে। মানুহ সামাজিকভাৱে সংগঠিত হোৱাৰ আগৰেপৰাই সমাজৰ অস্তিত্বৰ প্ৰমাণ পোৱা

যায়। জনগোষ্ঠী হিচাপে ইঠাইৰ পৰা সিঠাইলৈ মানুহ ঘূৰি ফুৰা সময়তো সমাজ আছিল। সমাজৰ বিৱৰ্তনে মানুহক সুসভ্য আৰু সংগঠিত কৰি তুলিলে। মানুহে কৃষিৰ কলা শিকিলে আৰু এসময়ত এটা সুসংগঠিত ৰাজনৈতিক সংগঠনৰ প্ৰয়োজন অনুভৱ কৰিলে। এনেকৈয়ে ৰাষ্ট্ৰৰ জন্ম হ'ল। অৰ্থাৎ, সমাজৰ পৰাই ৰাষ্ট্ৰৰ উৎপত্তি হৈছে।


➢ সমাজে ৰাষ্ট্ৰৰ উদ্দেশ্য নির্ধাৰণ কৰি দিয়ে-

যিহেতু সমাজৰ জন্ম ৰাষ্ট্ৰতকৈ আগতে, সেয়েহে সমাজে ৰাষ্ট্ৰৰ উদ্দেশ্য নির্ধাৰণ কৰি দিয়াৰ সুবিধা পায়। এখন সুস্থ সমাজৰ সদস্যসকলৰ প্ৰকাশ্য অনুমোদন অবিহনে কোনো ৰাষ্ট্ৰই ইয়াৰ চৰকাৰৰ দ্বাৰা গৃহিত কোনো আইন ফলপ্ৰসূভাৱে কার্যকৰী আৰু প্ৰণয়ন কৰিব নোৱাৰে। কিন্তু, সমাজৰ কাম-কাজ নির্ধাৰণ কৰি দিয়াত ৰাষ্ট্ৰৰ ভূমিকা নিচেই সামান্য।

➢ ৰাষ্ট্ৰৰ বাবে সংগঠন অপৰিহার্য, সমাজৰ বাবে নহয়-

সমাজবোৰ সংগঠিত নাইবা অসংগঠিত উভয় ধৰণৰ হ'ব পাৰে। মানুহ পৰিয়াল আৰু জনগোষ্ঠীৰ সৈতে থাকোতে নাইবা ৰাষ্ট্ৰ গঠনৰ পূৰ্বে ইঠাই সিঠাই ঘূৰি ফুৰোতে সৃষ্টি হোৱা সমাজবোৰৰ ৰূপ সংগঠিত নহয়। ৰাষ্ট্ৰ অথবা চৰকাৰে সমাজক প্ৰথমে সংগঠিত ৰূপ দিয়ে। সামাজিক সংগঠন অবিহনে ৰাষ্ট্ৰ আৰু চৰকাৰৰ অস্তিত্ব নাথাকে। চৰকাৰ গঠনৰ লগে লগে ৰাষ্ট্ৰ এক অস্তিত্বশীল সত্বাত পৰিণত হয়।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে ৰাষ্ট্ৰ আৰু সমাজৰ মাজত স্পষ্ট প্ৰভেদ আছে। কিন্তু প্ৰভেদ থকা সত্বেও দুয়োটাৰে মাজত এৰাব নোৱাৰা সম্পর্কও আছে। ইটো আনটোৰ ওপৰত নির্ভৰশীল। ৰাষ্ট্ৰই কল্যাণৰ কাম হাতত নোলোৱা পর্যন্ত সমাজে অগ্ৰগতি লাভ নকৰে। বিপৰীতভাৱে, সমাজে উপযুক্ত বিধৰ মানৱ সম্পদ আৰু অনুকূল সামাজিক পৰিৱেশ গঢ়ি নোতোলা পর্যন্ত ৰাষ্ট্ৰই সুকলমে ইয়াৰ কার্য সম্পাদন কৰিব নোৱাৰে।



অগ্ৰগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰক-

(৩) .....ৰাষ্ট্ৰৰ জন্ম হোৱাৰ আগৰে পৰা সমাজৰ অস্তিত্ব আছে।

(৪) নির্দিষ্ট ভূখণ্ড..... গঠনৰহে পূর্বচর্ত, ...ৰ বাবে নির্দিষ্ট ভূখণ্ডৰ প্ৰয়োজন নাই।



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰ হ'ল কোনো এক নির্দিষ্ট ভূখণ্ডৰ ভিতৰত গঠিত এখন স্বতন্ত্ৰ চৰকাৰৰ অধীনত ৰাজনৈতিক ভাৱে সংগঠিত হোৱা মানুহৰ সমষ্টি।

- ৰাষ্ট্ৰৰ চাৰিটা প্ৰধান উপাদান হ'ল- জনসংখ্যা, নিৰ্দিষ্ট ভূখণ্ড, চৰকাৰ আৰু সাৰ্বভৌমত্ব।
- এডোখৰ নিৰ্দিষ্ট অঞ্চলত বাস কৰা সকলো লোকৰ সাৰ্বভৌম সম্প্ৰদায়টোৱেই হ'ল ৰাষ্ট্ৰ।
- সংস্থা হ'ল মাত্ৰ কেইগৰাকীমান ব্যক্তিয়ে গঠন কৰা সাৰ্বভৌমত্ব নথকা সংগঠন।
- কোনো বিশেষ উদ্দেশ্য অথবা প্ৰয়োজন পূৰণৰ অৰ্থে সংস্থা গঠন কৰা হয়।
- সংস্থাবোৰে সংশ্লিষ্ট ৰাষ্ট্ৰৰ আইনৰ অধীনত কাম কৰে। ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজৰ প্ৰভেদ বুজাবলৈ বহুতো স্পষ্ট সংজ্ঞা আৰু সূচক আছে। কিন্তু সাধাৰণভাৱে দুয়োটা অভিধাই একেই অৰ্থ প্ৰকাশ কৰে বুলি ধৰি লোৱা হয়।
- এটা চৰকাৰী বিভাগক প্ৰায়েই ৰাষ্ট্ৰীয় বিভাগ বুলি উল্লেখ কৰা হয়। কিন্তু বিভিন্ন প্ৰভেদ থকা সত্বেও ৰাষ্ট্ৰ আৰু সমাজৰ কেইটামান উমৈহতীয়া বৈশিষ্ট্য আছে।
- ৰাষ্ট্ৰ আৰু সমাজে কেতিয়াবা ব্যৱহাৰিক দিশেৰে একেখিনি মানুহকে সামৰি লয়। বেছিভাগ সময়তে এখন সমাজৰ অধিকাংশ সদস্য একেখন ৰাষ্ট্ৰৰে নাগৰিক হোৱা দেখা যায়।



৬.৭ আধিক জানিবলৈ

- Dillon, Leiden and Stewart. 1965. *Introduction to Political Science.* New Delhi : Affiliated East-West Press Pvt. Ltd.
- Madhurima. 2016. *Reading in Sociology.* Jalandhar : New Academic Publishing Co.
- Mehta, J. C. 2010. *Fundamentals of Sociology.* Jalandhar. Raj Publishers.
- P. Sharn. 1976. *Comparative Government and Politics.* New Delhi : Meenakshi Prakashan.
- Rodee, Anderson and christol. 1957. *Introduction to Political Science.* London : McGRAW-HILL BOOK COMPANY, INC
- Badyal, J. S. 2008. *Indian Political System,* Jalandhar : Raj Publishers.
- Biswas K, Dipti. 1978. *Political Sociology : An Introduction,* Calcutta : Firma KLM Private Limited.



৬.৮ অগ্ৰগতিৰ খতিয়ান

(১) নিৰ্দিষ্ট ভূখণ্ড

(২) মানুহৰ

(৩) ৰাজনৈতিক সংগঠন

(৪) ৰাষ্ট্ৰ, চৰকাৰ



৬.৯ আৰ্হিপ্ৰশ্ন

(১) ৰাষ্ট্ৰৰ অৰ্থ আলোচনা কৰক।

(২) ৰাষ্ট্ৰৰ বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰক।

(৩) ৰাষ্ট্ৰ আৰু সংস্থাৰ মাজৰ প্ৰভেদবোৰ কি কি?

(৪) ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজৰ প্ৰভেদবোৰ ব্যাখ্যা কৰক।

(৫) ৰাষ্ট্ৰ আৰু সমাজৰ মাজৰ পাঁচটা প্ৰভেদ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ৭ ঃ প্রভাৱ গোষ্ঠী

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ প্রভাৱ গোষ্ঠীৰ অর্থ আৰু সংজ্ঞা
৭.৪ প্রভাৱ গোষ্ঠীৰ বৈশিষ্ট্য
৭.৫ প্রভাৱ গোষ্ঠীৰ প্রকাৰ
৭.৬ প্রভাৱ গোষ্ঠী আৰু স্বার্থজড়িত গোষ্ঠীৰ মাজৰ প্রভেদ
৭.৬.১ প্রভাৱ গোষ্ঠী আৰু ৰাজনৈতিক দলৰ মাজৰ প্রভেদ
৭.৭ ভাৰতৰ প্রভাৱ গোষ্ঠী
৭.৮ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্রগতিৰ খতিয়ান
৭.১১ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রভাৱ গোষ্ঠীৰ অর্থ বুজাব পাৰিব
- প্রভাৱ গোষ্ঠী আৰু ৰাজনৈতিক দলৰ মাজৰ প্রভেদ বিচাৰি উলিয়াব পাৰিব
- ভাৰতৰ প্রভাৱ গোষ্ঠীবোৰৰ বৈশিষ্ট্য আৰু ভূমিকা বহলাই ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

প্রভাৱ গোষ্ঠীবোৰ প্রশাসনীয় প্রণালী এটাৰ গুৰুত্বপূর্ণ অংশত পৰিণত হৈছে। প্রভাৱ গোষ্ঠীবোৰ হ'ল একাধিক স্বার্থজড়িত গোষ্ঠী আৰু অন্য প্রভাৱশালী দল-সংগঠনৰ সন্থা। এই প্রভাৱ গোষ্ঠীবোৰে নিজ নিজ সদস্য গোটবোৰৰ স্বার্থৰ পোষকতা কৰে। এনে স্বার্থ ৰক্ষা কৰিবলৈ গোষ্ঠীবোৰে চৰকাৰৰ ওপৰত প্রত্যক্ষ আৰু পৰোক্ষ দুয়ো ধৰণে সকলো প্রকাৰৰ চাপৰ সৃষ্টি কৰে। প্রভাৱ গোষ্ঠীবোৰ ৰাজনৈতিক দলতকৈ পৃথক। এটা ৰাজনৈতিক দলৰ বিশাল জাতীয় ভিত্তি থাকে। ৰাজনৈতিক দলবোৰে প্রকাশ্যে নিজৰ কাম-কাজ আগবঢ়াই নিয়ে। কোনো প্রশাসন ব্যৱস্থাই ৰাজনৈতিক দলবোৰৰ মতামত তথ্য দৃষ্টিভংগী বিবেচনা কৰি নোচোৱাকৈ ফলপ্রসূভাৱে নিজ কার্য সম্পাদন কৰিব নোৱাৰে। সেই দিশেৰে চাবলৈ গলে ৰাজনৈতিক দলবোৰে নিজৰ কর্মসূচীৰ সৈতে জড়িত নীতিবোৰ জনসাধাৰণৰ আগত সদৰি কৰে আৰু সেইবোৰৰ কার্যৰূপায়ণত

ৰাজহুৱা সমৰ্থন বিচাৰে। কিন্তু প্ৰভাৱ গোষ্ঠীবোৰে নিজৰ কাম-কাজ মুকলিকৈ আগবঢ়াই নিনিয়ে। গোপনীয়তাৰ পৰ্দাৰে প্ৰভাৱ গোষ্ঠীবোৰৰ কাম- কাজ জনচক্ষুৰ পৰা আঁতৰাই ৰখা হয়। প্ৰভাৱ গোষ্ঠীবোৰে একোটা সুস্থিৰকাৰী ব্যৱস্থা গঢ়ি তোলাৰ লগতে সাংগঠনিক ভাৰসাম্যতাৰ এটা গুৰুত্বপূৰ্ণ উপাদানৰ ভূমিকা পালন কৰে। অৰ্থাৎ, প্ৰভাৱ গোষ্ঠীবোৰে শাসন ব্যৱস্থা তদাৰককাৰী প্ৰকাৰ্য সম্পাদন কৰে। স্বাভাৱিকভাৱেই দেশৰ সাধাৰণ নাগৰিক এই প্ৰভাৱ গোষ্ঠীবোৰৰ অস্তিত্ব সম্পৰ্কে অজ্ঞ। কিন্তু দেশৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত এই প্ৰভাৱ গোষ্ঠীবোৰৰ প্ৰভাৱ অতি গভীৰ। এই অধ্যায়টিত প্ৰভাৱ গোষ্ঠী সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল।

৭.৩ প্ৰভাৱ গোষ্ঠীৰ অৰ্থ আৰু সংজ্ঞা

প্ৰভাৱ গোষ্ঠী হ'ল একোটা সংগঠিত সামাজিক গোট। এনে গোটৰ সদস্যসকলে উমৈহতীয়া মনোভাৱ, বিশ্বাস অথবা স্বাৰ্থ প্ৰকট কৰে। এনে মনোভাৱ অথবা স্বাৰ্থৰ সহায়ত প্ৰভাৱ গোষ্ঠীবোৰে ৰাজহুৱা নীতিবোৰক প্ৰভাৱিত কৰাৰ চেষ্টা চলায়। এনে গোষ্ঠীবোৰে কিন্তু চৰকাৰৰ হৈ কোনোধৰণৰ দায়িত্ব গ্ৰহণ নকৰে। এই আনুষ্ঠানিক সংজ্ঞাটোৰ পৰা আমি প্ৰভাৱ গোষ্ঠী কি আৰু এনে গোষ্ঠীবোৰৰ কোনবোৰ বৈশিষ্ট্য নাই সেয়া গম পালোঁ। এখন সমাজত ৰাজনীতিৰ দিশেৰে গুৰুত্বপূৰ্ণ বহুতো গোট থাকিব পাৰে। এনে গোটবোৰৰ মাজত বহুতো বিমূৰ্ত সংগঠনো থাকিব পাৰে যিবোৰৰ সদস্যসকলে প্ৰায়েই নিজে কি সেয়া বিচাৰি উলিয়াব নোৱাৰে। ইয়াৰ কেইটামান উদাহৰণ হ'ল- বৃটিছ ৰাজনীতিৰ ভিতৰু (pro-changers) আৰু 'পৰিৱৰ্তনবিৰোধী' (no-changers) সকল। কিন্তু এই গোটবোৰক প্ৰভাৱ গোষ্ঠী বুলি ক'ব নোৱাৰি। কাৰণ, এনে গোটবোৰত সুনিৰ্দিষ্ট আনুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্যবোৰ দেখা পোৱা নাযায়। একেদৰে, ৰাষ্ট্ৰ নামৰ সংগঠনটোৰ সৈতে নিচেই সীমিত সম্পৰ্ক থকা দলবোৰকো প্ৰ ভাৱ গোষ্ঠী বুলি ক'ব নোৱাৰি। এনে বহুতো দলো নিঃসন্দেহে আছে যিবোৰ ন্যায়সংগতভাৱে সংগঠিত। কিন্তু এনে গোটবোৰৰ সংৰচনাই ইয়াৰ প্ৰকৃত সদস্যসকলক চিনাক্ত কৰাৰ সময়ত জটিলতাৰ সৃষ্টি কৰে। এনে গোটবোৰকো প্ৰভাৱ গোষ্ঠী বুলি ক'ব পৰা নাযায়।

প্ৰভাৱ গোষ্ঠীবোৰক স্বাৰ্থজড়িত গোষ্ঠী (interest group) বুলিও জনা যায়। এনে গোষ্ঠীবোৰে 'ল'বিং' (lobbying) প্ৰক্ৰিয়াৰ সহায়ত নিজ নিজ ৰাজনৈতিক অভিসন্ধি পূৰণৰ চেষ্টা কৰে। 'ল'বিং' হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে ব্যক্তি অথবা দলৰ সদস্যই চৰকাৰৰ সিদ্ধান্তক প্ৰভাৱিত কৰাৰ উদ্দেশ্যেৰে উচ্চপদস্থ ৰাজহুৱা সেৱা বিষয়াসকলৰ সৈতে যোগাযোগ কৰে। তেওঁলোকে নিজ স্বাৰ্থৰ পোষকতা কৰা পতিয়ন নিয়াব পৰা লিখিত সাহিত্যও বিতৰণ কৰে। প্ৰভাৱ গোষ্ঠীবোৰে নিজৰ ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ বাবে প্ৰয়োজন হোৱা গণ-সমৰ্থন আহৰণৰ অৰ্থে তৃণমূল পৰ্যায়ত ৰাজহুৱা অভিযানো চলায়। প্ৰকাৰ্যবাদীসকলৰ মতে এই গোষ্ঠীবোৰে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত এক গঠনমূলক ভূমিকা পালন কৰে। তেওঁলোকে এক শৃংখলাৰদ্ধ ৰাজনৈতিক অংশগ্ৰহণৰ বাবে সুচল ভেটি গঢ়ি তোলে। আনহাতে, সংঘাতত্ত্ববিদসকলে

যুক্তি দর্শায় যে এনে প্রভাৱ গোষ্ঠীবোৰৰ মাজৰ কিছুমান অনুষ্ঠান-প্রতিষ্ঠানে সমাজৰ দুখীয়া তথা সা-সুবিধাৰ পৰা বঞ্চিত শ্রেণীটোৰ হকে কাম কৰে যদিও অধিকাংশ প্রভাৱ গোষ্ঠীয়েই বাণিজ্যি জগতৰ নেতা, বহুজাতিক কোম্পানীৰ ল'বী, চহকী বৃত্তিজীৱী আৰু ৰাজনৈতিক নেতাৰ ন্যস্তস্বার্থকহে প্রতিনিধিত্ব কৰে। সংঘাতত্ত্ববিদসকলে ইয়াকো ক'ব খোজে যে প্রভাৱ গোষ্ঠীবোৰৰ শক্তিশালী ল'বীবোৰে ৰাজনীতিত অংশগ্রহণ কৰিবলৈ নাগৰিকে চলোৱা ব্যক্তিগত প্রচেষ্টাক বাধা প্রদান কৰে। একনায়কত্ববাদী শাসন ব্যৱস্থাততকৈ গণতান্ত্রিক শাসন ব্যৱস্থাত প্রভাৱ গোষ্ঠীবোৰে অধিক শক্তিশালী ৰূপত নিজৰ মতামত দাঙি ধৰাৰ সুযোগ পায়।

"আই. চি.আই. (ICI) আৰু চিটি অব্ মানছেষ্টাৰ ন্যায়িক দিশেৰে দুটা সংগঠিত গোট। দুয়োটা গোটকেই নিশ্চিভাৱে চৰকাৰক প্রভাৱিত কৰিব পৰা অভিকৰণ বুলিব পাৰি। কিন্তু আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংগঠনৰ মাজৰ ব্যৱধান ইমানেই বেছি যে যদি আমি সেয়া বুজিবলৈ যাওঁ তেন্তে আমি কোনোদিনেই উকীলৰ আইন জগতখনৰ পৰা বাহিৰ হ'ব নোৱাৰিম। আমি লাগিলে সংবিধানৰ ধাৰাৰ পৰা সংস্থা গঠনৰ স্মাৰকপত্রলৈকে নাইবা প্রাসংগিক আইন সংলগ্নকৰণৰ চনদলৈ যি বিষয়েই অধ্যয়ন নকৰোঁ কিয় এই ব্যৱধান পাৰ কৰিব নোৱাৰোঁ। অর্থাৎ, এটা সামাজিক গোটক তেতিয়াহে এটা প্রভাৱ গোষ্ঠী বুলি কোৱা হ'ব যেতিয়া- (i) ইয়াৰ এটা স্পষ্টৰূপত চিনি উলিয়াব পৰা আনুষ্ঠানিক গাঁথনি থাকিব, (ii) ইয়াৰ সদস্যসকল উমৈহতীয়া মনোভাৱ অথবা স্বার্থৰ দ্বাৰা পৰস্পৰৰ সৈতে বান্ধ খাই থাকিব আৰু (iii) ই ৰাজহুৱা সিদ্ধান্ত গ্রহণৰ প্রক্রিয়াটোক প্রভাৱিত কৰাৰ চেষ্টা কৰিব।

সংজ্ঞা

এইচ. জেদ. ঝীগ্লাৰৰ মতে, 'এটা প্রভাৱ গোষ্ঠী হ'ল সংগঠিত জনসমষ্টি যিটোৱে আনুষ্ঠানিক চৰকাৰী শক্তিবোৰত নিজৰ সদস্য অন্তর্ভুক্তিৰে চৰকাৰী সিদ্ধান্তবোৰৰ পটভূমিক প্রভাৱিত কৰাৰ চেষ্টা কৰে।"

বি.কে. গোখ্লেৰ ভাষাত, "প্রভাৱ গোষ্ঠীবোৰ হ'ল ৰাজহুৱা নীতিক প্রভাৱিত কৰিবলৈ গঠিত হোৱা ব্যক্তিগত সংগঠন। এই গোষ্ঠীবোৰৰ লক্ষ্য হ'ল চৰকাৰক প্রভাৱিত কৰাৰ চেষ্টা কৰি নিজ স্বার্থ পূৰণ কৰা।"

এচ.ই. ফাইনাৰৰ সংজ্ঞা অনুসৰি, "প্রভাৱ গোষ্ঠীবোৰ কম-বেছি পৰিমামে স্ব-নিয়ন্ত্রিত আৰু ৰাজনৈতিকভাৱে নিৰপেক্ষ গোট। এই গোটবোৰে ক্ষমতাসীন চৰকাৰখনৰ ৰাজনৈতিক প্রকৃতি নির্বিশেষে ৰাজনৈতিক দল আৰু আমোলাতন্ত্রৰ সৈতে নিজ স্বার্থ ৰক্ষাৰ অর্থে দৰ-দাম কৰে।

লেইজাৰ্চনৰ মতে, "এটা প্রভাৱ গোষ্ঠীয়ে সাধাৰণতে নিজকে অ-পক্ষীয় ব্যক্তিৰ সংগঠন বুলি ঘোষণা কৰে। এনে গোষ্ঠীৰ সদস্যসকলে গোষ্ঠীটোৰ অস্তিত্ব নাইবা বর্তি থকাৰ ক্ষমতা অক্ষুণ্ণ ৰখাৰ বাবে প্রয়োজনীয় কিছুমান নির্দিষ্ট নীতিত উপনীত হ'বলৈ আৰু বৈষয়িক কার্যকলাপৰ লগতে আদর্শ কাৰণবোৰ সুৰক্ষিত ৰখাৰ উপৰি সেইবোৰৰ পৃষ্ঠপোষকতা কৰিবলৈ ঐক্যৱদ্ধ হয়।"

এন. চি. হাণ্টৰ সংজ্ঞা অনুসৰি, "এটা প্রভাৱ গোষ্ঠী হ'ল এনে এক সংগঠন যিটোৱে ৰাজহুৱা কার্যালয়বোৰৰ কোনো দায়িত্ব গ্রহণৰ বাবে অনিচ্ছা প্রকাশ কৰে কিন্তু চৰকাৰী নীতিবোৰৰ ওপৰত প্রভাৱ বিস্তাৰৰ চেষ্টা কৰে।"

ডিল্ল'নৰ ভাষাত, "সৰল ভাষাত এটা স্বার্থজড়িত গোষ্ঠী মানে হ'ল উমৈহতীয়া বিষয় সমস্যা থকা লোকৰ সস্থা। এনে গোষ্ঠী এটাই তেতিয়াই প্রভাৱ গোষ্ঠীৰ ৰূপ লয় যেতিয়া তেওঁলোকৰ বাবে লাভজনক কোনো কার্য সফল কৰি তুলিবলৈ তেওঁলোকে চৰকাৰৰ সহায় বিচৰা আৰম্ভ কৰে।"

ৰ'বার্ট এ. ডালৰ মতে, "নিজৰ সদস্য অথবা অনুগামীৰ বাবে অনুকূল ৰাষ্ট্রীয় নীতিবোৰ সুৰক্ষিত ৰখাৰ চেষ্টা কৰা যিকোনো সংগঠনকেই প্রভাৱ গোষ্ঠী বুলি ক'ব পাৰি।"

ওপৰত উল্লেখ কৰা সংজ্ঞাবোৰ ভালদৰে অধ্যয়ন কৰাৰ পাচত আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে প্রভাৱ গোষ্ঠীবোৰ হ'ল উমৈহতীয়া স্বার্থ জড়িত থকা লোকৰ দ্বাৰা গঠিত দল। এই গোষ্ঠীবোৰে নিজ নিজ স্বার্থ পূৰণৰ বাবে চৰকাৰক হেঁচা দিয়ে। এনে গোষ্ঠীৰ লক্ষ্য ৰাজনৈতিক ক্ষমতা দখল কৰাটো নহয়। তেওঁলোকৰ লক্ষ্য হ'ল চৰকাৰী নীতিবোৰ নিজৰ অনুকূল কৰি তোলা। প্রভাৱ গোষ্ঠীবোৰৰ কার্য-সম্পাদন নীতিক সুবিধাবাদী নীতি বুলি ক'ব পাৰি। এই গোষ্ঠীবোৰে নিজ স্বার্থ সুৰক্ষিত ৰাখিবলৈ প্রতিটো ৰাজনৈতিক দলৰ সৈতে মিত্রতা স্থাপন কৰিবলৈ সদায় প্রস্তুত হৈ থাকে।

৭.৪ প্রভাৱ গোষ্ঠীৰ বৈশিষ্ট্য

প্রভাৱ গোষ্ঠীৰ বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'লঃ

● **আনুষ্ঠানিক সংগঠন** ঃ প্রভাৱ গোষ্ঠীবোৰ আনুষ্ঠানিক সংগঠন। গোষ্ঠীবোৰৰ শক্তি তেওঁলোকৰ সাংগঠনিক ভেটিটোতেই নিহিত থাকে। তেওঁলোকে সংশ্লিষ্ট কার্যালয়ৰ পৰা দায়িত্বপ্রাপ্ত বিষয়াৰ সহায়ত নিজৰ কার্যকলাপ আগবঢ়াই নিয়ে, সদস্যৰ সৈতে যোগাযোগ ৰক্ষা কৰে আৰু সদস্যসকলৰ বাবে বিশেষ নির্দেশনা জাৰি কৰে।

● **নির্দিষ্ট স্বার্থ ভিত্তিক** ঃ প্রতিটো প্রভাৱ গোষ্ঠীয়েই কিছুমান নির্দিষ্ট স্বার্থ আগত ৰাখি সংগঠিত হয়। তাৰপাচত তেওঁলোকে ৰাজনৈতিক ব্যৱস্থা এটাৰ ক্ষমতা গাঁথনিটোৰ আলম লোৱাৰ চেষ্টা কৰে। প্রতিখন চৰকাৰ আৰু প্রতিটো ৰাজনৈতিক দলতে মতবিৰোধ থকা স্বার্থজড়িত দল থাকে। এনে দলবোৰে ৰাজনৈতিক গাঁথনিটোত আধিপত্য বিস্তাৰ কৰিব আৰু নিজৰ স্বার্থত আঘাত হানিব পৰা অন্য দলবোৰৰ স্বার্থক দমাই ৰাখিব খোজে। অর্থাৎ , প্রতিটো ৰাজনৈতিক দল আৰু ব্যৱস্থাকে কিছুমান স্বার্থজড়িত গোষ্ঠীয়ে হেঁচা দি থাকে। এনে হেঁচা কেতিয়াবা সদৃশ আৰু আন কেতিয়াবা পাৰস্পৰিক প্রতিক্রিয়া প্রকাশক হ'ব পাৰে।

● **স্বৈচ্ছিক সদস্যপদ** ঃ প্রভাৱ গোষ্ঠীৰ সদস্যপদ স্বৈচ্ছিক। অর্থাৎ, ব্যক্তিয়ে নিজৰ আগ্রহত কোনো গোষ্ঠীৰ সদস্য হ'ব পাৰে। তেওঁক কোনেও এনে গোষ্ঠীৰ সদস্য হ'বলৈ জোৰ কৰিব

নোৱাৰে। উদাহৰণ স্বৰূপে, প্রতিজন শিক্ষার্থীয়েই ছাত্র-ছাত্রী একতা সভাৰ সদস্য নহয়। ইয়াৰ উপৰি প্রভাৱ গোষ্ঠীৰ যিকোনো সদস্যই যেতিয়াই ইচ্ছা কৰে তেতিয়াই সদস্যপদ ত্যাগ কৰিব পাৰে।

● **আধুনিক আৰু পৰম্পৰাগত উপায়বোৰৰ প্রয়োগ** ঃ প্রভাৱ গোষ্ঠীবোৰৰ আন এক বৈশিষ্ট্য হ'ল কার্যসম্পাদনৰ পৰম্পৰাগত অথবা পুৰণি পন্থাবোৰ সম্পূর্ণ বাদ নিদিয়াকৈয়ে তেওঁলোকে চৰকাৰৰ ওপৰত হেঁচা প্রয়োগৰ আধুনিক উপায় অনুসৰণ কৰিবলৈ লৈছে। তেওঁলোকে বর্তমান ৰাজনৈতিক দলবোৰলৈ বিত্তীয় সাহায্য আগবঢ়োৱা, নির্বাচনৰ সময়ত গোষ্ঠীৰ সৈতে ঘনিষ্ঠ প্রার্থীৰ পোষকতা কৰা আৰু আমোলাসকলক সন্তুষ্ট ৰখা আদিৰ দৰে কৌশল প্রয়োগ কৰিবলৈ লৈছে। প্রভাৱ গোষ্ঠীবোৰে গ্রহণ কৰা কিছুমান পৰম্পৰাগত উপায় হ'ল নিজ স্বার্থৰ পোষকতা কৰিবলৈ মানুহক জাতি সম্প্রদায় আৰু ধর্মৰ ভিত্তিত শোষণ কৰা ইত্যাদি।

● **ৰাজহুৱা নীতিক প্রভাৱিত কৰা** ঃ নিজ স্বার্থ সুৰক্ষিত ৰাখিবলৈ আৰু পোষকতা কৰিবলৈ প্রভাৱ গোষ্ঠীবোৰে বিভিন্ন পদ্ধতি গ্রহণ কৰি ৰাজহুৱা নীতিবোৰক প্রভাৱিত কৰে। তেওঁলোকে বিধায়ক, মন্ত্রী আৰু চৰকাৰী বিষয়াৰ সৈতে সম্পর্ক স্থাপন কৰি নিজ নিজ স্বার্থৰ বিষয়ে অৱগত কৰোৱায়। প্রচাৰৰ অভিযানৰ দৰে পন্থা গ্রহণ কৰি প্রভাৱ গোষ্ঠীবোৰে নিজ স্বার্থৰ সপক্ষত জনমত গঢ়াৰ চেষ্টা কৰে। নিজ স্বার্থ পোষকতা কৰাৰ অংশ হিচাপে তেওঁলোকে নীতি নির্ধাৰকসকলক বিভিন্ন দিশেৰে হেঁচা দিয়ে।

● **অ-ৰাজনৈতিক চৰিত্র** ঃ প্রভাৱ গোষ্ঠীবোৰৰ চৰিত্র অ-ৰাজনৈতিক। সাধাৰণতে এই গোষ্ঠীবোৰে দেশৰ ৰাজনীতিত প্রত্যক্ষভাৱে অংশগ্রহণ নকৰে। এনে গোষ্ঠীৰ কোনো ৰাজনৈতিক আদর্শ নাথাকে। তেওঁলোকে নির্বাচনত প্রত্যক্ষভাৱে নিজ প্রার্থী থিয় নকৰায়। নিজৰ স্বার্থ সিদ্ধিৰ বাবে প্রভাৱ গোষ্ঠীবোৰে শাসক দল আৰু আমোলাতন্ত্রৰ সৈতে দৰদাম কৰে। কেতিয়াবা তেওঁলোকৰ স্বার্থৰ সুৰক্ষাৰ বাবে কাম কৰাৰ প্রতিশ্রুতি দিয়া নির্বাচন প্রার্থীক এনে গোষ্ঠীবোৰে সমর্থন আগবঢ়ায়।

● **দায়িত্ববোধৰ অভাৱ** ঃ ৰাজনৈতিক দলবোৰৰ দৰে প্রভাৱ গোষ্ঠীবোৰ জনসাধাৰণৰ প্রতি দায়ৱদ্ধ নহয়। প্রভাৱ গোষ্ঠীবোৰে সদস্যসকলৰ পৰাহে নিজৰ ক্ষমতা আহৰণ কৰে, জনসাধাৰণৰ পৰা নহয়। সেয়েহে এনে গোষ্ঠীবোৰে জনসাধাৰণৰ প্রতি নহয়, নিজৰ সদস্যসকলৰ প্রতিহে দায়ৱদ্ধতা দেখুৱায়।

● **সার্বজনীনতা** ঃ প্রভাৱ গোষ্ঠীবোৰ সার্বজনীন। বিশ্বৰ প্রায় সকলো দেশতে প্রভাৱ গোষ্ঠীৰ অস্তিত্ব আছে। আনকি একনায়কত্ববাদী শাসন ব্যৱস্থাৰ প্রচলন থকা দেশবোৰতো অসংখ্যা প্রভাৱ গোষ্ঠী থকা দেখা যায়। গণতান্ত্রিক দেশৰ প্রভাৱ গোষ্ঠীবোৰে অবাধে নিজৰ কার্যকলাপ চলাই যাব পাৰে। একনায়কত্ববাদী ৰাষ্ট্রবোৰত তেওঁলোকৰ গতিবিধি কিছু সীমিত।

● **প্রভাৱ গোষ্ঠী আৰু অর্থনৈতিক উন্নয়ন** ঃ প্রভাৱ গোষ্ঠীবোৰৰ দেশৰ অর্থনৈতিক উন্নয়নৰ সৈতে ঘনিষ্ঠ সম্পর্ক থাকে। সমাজৰ উন্নতি ঘটাৰ লগে লগে সমাজৰ কার্যকলাপো সলনি হয়। ইয়াৰ লগে লগে প্রভাৱ গোষ্ঠীবোৰৰ সংখ্যা আৰু কার্যকলাপো বাঢ়ি যায়। এটা উদাহৰণলৈ মন

কৰক। আমেৰিকা, ইংলেণ্ড আৰু ফ্ৰান্স হ'ল ঔদ্যোগিক দিশেৰে উন্নত দেশ। সেয়েহে এই দেশ কেইখনৰ প্ৰভাৱ গোষ্ঠীবোৰৰ সংখ্যা যথেষ্ট বেছি। ইয়াৰ উপৰি এই গোষ্ঠীবোৰ সু-সংগঠিত আৰু সক্ৰিয়। আনহাতে ভাৰত, পাকিস্তান, ম্যানমাৰ আৰু শ্ৰীলংকা হ'ল ঔদ্যোগিক দিশেৰে কম উন্নত দেশ। সেয়েহে এই দেশকেখিনত প্ৰভাৱ গোষ্ঠীৰ সংখ্যা কম। ইয়াৰ উপৰি এই দেশকেইখনৰ প্ৰভাৱ গোষ্ঠীবোৰ উন্নত দেশৰ দৰে সু-সংগঠিত আৰু সক্ৰিয় নহয়।



অগ্ৰগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰক-

প্ৰশ্ন নং ১ ঃ একোটা উমৈহতীয়া অৰ্থনৈতিক স্বাৰ্থ থকা লোকৰ এক.....কেই প্ৰভাৱ গোষ্ঠী বুলি ক'ব পাৰি।

প্ৰশ্ন নং ২ ঃ প্ৰভাৱ গোষ্ঠীবোৰে বিভিন্ন পদ্ধতি অৱলম্বন কৰি.....ক প্ৰভাৱিত কৰাৰ চেষ্টা চলায়।

৭.৫ প্ৰভাৱ গোষ্ঠীৰ প্ৰকাৰ

তুলনামূলক চৰকাৰ সম্পৰ্কে লিখা- মেলা কৰা বিভিন্ন লেখকে গাঁথনি আৰু সংগঠনৰ আধাৰত প্ৰভাৱ গোষ্ঠী নাইবা স্বাৰ্থজড়িত গোষ্ঠীবোৰক কেইটামান ভাগত বিভক্ত কৰিছে। এলম'ণ্ড আৰু পাৱেলৰ মতে স্বাৰ্থজড়িত গোষ্ঠীবোৰক চাৰিটা ভাগত ভগাব পাৰি-

- আনুষ্ঠানিক স্বাৰ্থজড়িত গোষ্ঠী (Institutional Interest Groups)
- সংস্থাভিত্তিক স্বাৰ্থজড়িত গোষ্ঠী (Associational Interest Groups)
- স্পষ্ট নীতিহীন অসংগঠিত স্বাৰ্থজড়িত গোষ্ঠী (Anomic Interest Groups)
- অনা-সংস্থাভিত্তিক স্বাৰ্থজড়িত গোষ্ঠী (Non-associational Interest Groups)

● আনুষ্ঠানিক স্বাৰ্থজড়িত গোষ্ঠী ঃ

এনে গোষ্ঠীবোৰ আনুষ্ঠানিকভাৱে সংগঠিত হয়। এনে গোষ্ঠীত বৃত্তিজীৱী বিষয়া-কৰ্মচাৰীক নিযুক্তি দিয়া হয়। এনে গোষ্ঠীবোৰ হ'ল চৰকাৰ ব্যৱস্থাটোৰ একোটা অংশ। এনে গোষ্ঠীয়ে চৰকাৰক প্ৰভাৱিত কৰাৰ চেষ্টা কৰে। কিন্তু এই গোষ্ঠীবোৰৰ বেছি স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ নাথাকে। ৰাজনৈতিক দল, বিধান পৰিষদ, সামৰিক বাহিনী, আমোলাতন্ত্ৰ আৰু ধৰ্মীয় অনুষ্ঠানবোৰক আনুষ্ঠানিক স্বাৰ্থজড়িত গোষ্ঠী বুলি ধৰা হয়। এনে গোষ্ঠীৰ এটা উদাহৰণ হ'ল পশ্চিম বংগ অসামৰিক সেৱা সংস্থা। এনেধৰণৰ সংস্থাই সাংবিধানিক পন্থাৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে আৰু বিহিত নীতি-নিৰ্দেশনাবোৰ মানি চলে।

(ii) সংস্থাভিত্তিক স্বাৰ্থজড়িত গোষ্ঠী ঃ

নিজ স্বার্থৰ পোষকতা কৰিবলৈ গঠন কৰা সংগঠিত বিশেষীকৃত গোষ্ঠীবোৰকেই সংস্থাভিত্তিক স্বার্থজড়িত গোষ্ঠী বোলে। এনে গোষ্ঠীয়ে কিছুমান সীমিত স্বার্থ পূৰণৰ চেষ্টা কৰে। শ্ৰমিক সংঘ, ব্যৱসায়ী সন্থা, উদ্যোগপতিৰ সন্থা আৰু পৌৰ দলবোৰ হ'ল এনে গোষ্ঠীৰ উদাহৰণ। ভাৰতত থকা সংস্থাভিত্তিক স্বার্থজড়িত গোষ্ঠী দুটামান হ'ল- বেংগল চেম্বাৰ অব্ কমার্চ এণ্ড ইণ্ডাষ্ট্ৰী, ভাৰতীয় চেম্বাৰচ্ অৱ কমার্চ, নিখিল ভাৰত শ্ৰমিক সংঘ কংগ্ৰেছৰ দৰে শ্ৰমিক সংঘবোৰ, শিক্ষক সংস্থা, নেশ্যনেল ষ্টুডেণ্টচ্ ইউনিয়ন অৱ ইণ্ডিয়া (NSUI) ৰ দৰে ছাত্ৰ সংগঠন ইত্যাদি।

● **স্পষ্ট নীতিহীন অসংগঠিত স্বার্থজড়িত গোষ্ঠী ঃ**

এনে গোষ্ঠীবোৰে ব্যক্তিগত স্ব-উপস্থাপনৰ দৃষ্টান্ত দাঙি ধৰে। এনে গোষ্ঠীবোৰে বিক্ষোভ, ৰাজহুৱা মাৰপিটৰ ঘটনা আদিত চিৰদিন অনুপ্ৰৱেশ কৰি আহিছে। আন্দোলন, বিক্ষোভ প্ৰদৰ্শন, সমদল, চহী সংগ্ৰহ কাৰী অভিযান, পথৰ দাঁতিত সভা আয়োজন কৰা দল আদিৰ ৰূপত এনে গোষ্ঠীবোৰৰ উপস্থিতি দেখ যায়। তেওঁলোকৰ কাম-কাজ সাংবিধানিক নাইবা অসাংবিধানিক হ'ব পাৰে।

● **অনা-সংস্থাভিত্তিক স্বার্থজড়িত গোষ্ঠী ঃ**

স্বজন, বংশ, নৃগোষ্ঠী, আঞ্চলিক, সামাজিক প্ৰস্থিতি আৰু সামাজিক শ্ৰেণীৰ ভেটিত এনে গোষ্ঠীবোৰ গঢ় লৈ উঠে। ব্যক্তিবিশেষ, পৰিয়াল আৰু ধৰ্মীয় মুৰব্বীৰ জৰিয়তে এই গোষ্ঠীবোৰে নিজৰ স্বার্থ পূৰণৰ চেষ্টা কৰে। এনে গোষ্ঠীবোৰৰ গাঁথনিটো অনানুষ্ঠানিক প্ৰকৃতিৰ। জাতিভিত্তিক দল আৰু ভাষাভিত্তিক দলবোৰকো এই গোষ্ঠীৰ ভিতৰুৱা বুলি ধৰিব পাৰি।

৭.৬ প্রভাৱ গোষ্ঠী আৰু স্বার্থজড়িত গোষ্ঠীৰ মাজৰ প্রভেদ

এটা কথা মনত ৰখা ভাল যে প্ৰভাৱ গোষ্ঠীবোৰ স্বার্থজড়িত গোষ্ঠীতকৈ বেলেগ। সাধাৰণতে প্ৰভাৱ গোষ্ঠী আৰু স্বার্থজড়িত গোষ্ঠীবোৰক পৰস্পৰৰ সমার্থক বুলি ধৰা হয়। কিন্তু প্ৰকৃততে দুয়োটাৰে মাজত কিছুমান পার্থক্য আছে। প্ৰভাৱ গোষ্ঠীবোৰ হ'ল এক বিশেষ প্ৰকাৰৰ স্বার্থজড়িত গোট যিবোৰে নিজৰ স্বার্থ পূৰণৰ বাবে চৰকাৰ নাইবা সিদ্ধান্ত গ্ৰহণকাৰীসকলক হেঁচা দিয়ে। প্ৰভাৱ গোষ্ঠী আৰু স্বার্থজড়িত গোষ্ঠীবোৰৰ মাজৰ প্ৰভেদ চিনাক্ত কৰাটো অতি গুৰুত্বপূৰ্ণ। স্বার্থজড়িত গোষ্ঠীবোৰে নিজৰ স্বার্থ পূৰণৰ হকে চৰকাৰ অথবা সিদ্ধনাত গ্ৰহণকাৰীৰ ওপৰত কোনো ধৰণৰ হেঁচা প্ৰয়োগ নকৰাকৈও নিজৰ অস্তিত্ব বর্তাই ৰাখিব পাৰে।

যিটো গোষ্ঠীয়ে কাংক্ষিত উদ্দেশ্যত উপনীত হ'বলৈ কর্তৃপক্ষক প্ৰভাৱিত কৰিবলৈ নাইবা হেঁচা দিবলৈ কোনো চেষ্টা নকৰে তেনে গোষ্ঠীক প্ৰভাৱ গোষ্ঠী বুলি কোৱা নহয়। নিজ লক্ষ্যত উপনীত হ'বলৈ চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰা গোষ্ঠীবোৰকহে প্ৰভাৱ গোষ্ঠী বোলে। সকলো প্ৰভাৱ গোষ্ঠীয়েই স্বার্থজড়িত গোষ্ঠী। কিন্তু সকলো স্বার্থজড়িত গোষ্ঠী প্ৰভাৱ গোষ্ঠী নহ'বও পাৰে। এলম'ণ্ড আৰু ডিল্ল'নে সংজ্ঞাৱদ্ধ কৰা মতে স্বার্থজড়িত গোষ্ঠী হ'ল মানুহৰ এনে

একোটা দল যিটো দলক কোনো এক বিশেষ সামূহিক চিন্তা নাইবা সুবিধাই বান্ধি ৰাখে। এনে দলৰ সদস্যসকল কিছু পৰিমাণে হ'লেও এই বান্ধোন সম্পৰ্কে সচেতন। এনে গোষ্ঠীৰ বৈশিষ্ট্য হ'ল- তেওঁলোক সু-সংগঠিত, তেওঁলোকৰ নিৰ্দিষ্ট উমৈহতীয়া স্বাৰ্থ কিছুমান থাকে আৰু যিবোৰ স্বাৰ্থৰ বাবে তেওঁলোক ঐক্যৱদ্ধ সেই স্বাৰ্থবোৰৰ পূৰণ, সুৰক্ষা আৰু পোষকতাৰ বাবে তেওঁলোকে কাম কৰি যায়।

প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থজড়িত গোষ্ঠীৰ মাজত থকা প্ৰভেদবোৰ তলত আলোচনা কৰা হ'ল-

- স্বাৰ্থজড়িত গোষ্ঠীবোৰ হ'ল কোনো এক নিৰ্দিষ্ট স্বাৰ্থ অথবা উদ্দেশ্য পূৰণৰ বাবে বান্ধ খাই থকা লোকৰ দল। এনে দলৰ সদস্যসকল তেওঁলোকক ঐক্যৱদ্ধ কৰি ৰখা বান্ধোন সম্পৰ্কে সজাগ। যেতিয়াই কোনো স্বাৰ্থজড়িত গোষ্ঠীয়ে নিজৰ লাভালাভৰ বাবে চৰকাৰক হেঁচা প্ৰয়োগ কৰিবলৈ লয় তেতিয়াই ই প্ৰভাৱ গোষ্ঠীৰ ৰূপ ধাৰণ কৰে। সাধাৰণতে স্বাৰ্থজড়িত গোটবোৰেই প্ৰভাৱ গোষ্ঠীৰ ৰূপ লৈ কাম কৰে।
- প্ৰভাৱ গোষ্ঠীবোৰ অনমনীয় গাঁথনিৰে গঠন কৰা হয়। আনহাতে, স্বাৰ্থজড়িত গোষ্ঠীবোৰ আনুষ্ঠানিকভাৱে সংগঠিত হয়।
- প্ৰভাৱ গোষ্ঠীবোৰে বিভিন্ন ধৰণৰ চাপ নাইবা হেঁচা দিয়াত মনোনিৱেশ কৰে। স্বাৰ্থজড়িত গোষ্ঠীবোৰ কেৱল স্বাৰ্থকেন্দ্ৰিক।
- প্ৰভাৱ গোষ্ঠীয়ে চৰকাৰৰ নীতিবোৰক প্ৰভাৱিত কৰিবই লাগিব। স্বাৰ্থজড়িত গোষ্ঠীবোৰে নীতিবোৰক প্ৰভাৱিত কৰিবও পাৰে নকৰিবও পাৰে।
- প্ৰভাৱ গোষ্ঠীবোৰৰ আচৰণ কঠোৰ। স্বাৰ্থজড়িত গোটবোৰৰ প্ৰকৃতি নৰম।
- প্ৰভাৱ গোষ্ঠীবোৰ নিজ স্বাৰ্থৰ সংৰক্ষক আৰু পৃষ্ঠপোষক। স্বাৰ্থজড়িত গোষ্ঠীবোৰ কম-বেছি পৰিমাণেহে সংৰক্ষকৰ ভূমিকা পালন কৰে।
- প্ৰভাৱ গোষ্ঠীবোৰে সাধাৰণতে নিজৰ সদস্যসকলৰ লাভালাভৰ বাবে কাম কৰে। স্বাৰ্থজড়িত গোষ্ঠীবোৰৰ কাম-কাজে ইয়াৰ সদস্যসকলক উপকৃত কৰিবও পাৰে, নকৰিবও পাৰে।

৭.৬.১ প্ৰভাৱ গোষ্ঠী আৰু ৰাজনৈতিক দলৰ মাজৰ প্ৰভেদ

আগতেই উল্লেখ কৰা হৈছে যে প্ৰভাৱ গোষ্ঠীবোৰ হ'ল কিছুমান অনানুষ্ঠানিক সংগঠন। কিছুমান বিশেষ স্বাৰ্থৰ সুৰক্ষাৰ বাবে এনে গোষ্ঠীবোৰৰ জন্ম হয়। বিভিন্ন পদ্ধতিৰ সহায়ত প্ৰভাৱ গোষ্ঠীবোৰে চৰকাৰৰ কাৰ্যকলাপক প্ৰভাৱিত কৰে। কিন্তু প্ৰভাৱ গোষ্ঠী মানে ৰাজনৈতিক দল নহয়। মেক্‌ল্‌ভাৰৰ সংজ্ঞা অনুসৰি ৰাজনৈতিক দল হ'ল এনে এটা সংস্থা যিটোক কিছুমান আদৰ্শ অথবা নীতিৰ সমৰ্থনত সংগঠিত ৰূপত জন্ম দিয়া হয় আৰু যিটোৱে সাংবিধানিক পদ্ধতিৰে নিজ উদ্দেশ্য পূৰণৰ চেষ্টা কৰি চৰকাৰৰ নিৰ্ণায়কৰ ভূমিকা লয়।"

অর্থাৎ, এটা ৰাজনৈতিক দল হ'ল সংগঠিত লোকৰ দল। এই সংগঠিত দলটোৱে কিছুমান উমৈহতীয়া আদর্শ আৰু লক্ষ্যত বিশ্বাস কৰে। ইয়াৰ উদ্দেশ্য হ'ল সমূহীয়া প্রচেষ্টাৰ জৰিয়তে ৰাজনৈতিক ক্ষমতা লাভ কৰা। ৰাজনৈতিক দলে নির্বাচনৰ জৰিয়তে চৰকাৰৰ নিয়ন্ত্রণ নিজৰ হাতলৈ আনিবলৈ সাংবিধানিক আৰু শান্তিপূর্ণ পদ্ধতি প্রয়োগ কৰে। ই নিজৰ ঘোষিত উদ্দেশ্যবোৰক চৰকাৰী নীতিৰ ৰূপ দি বাস্তৱত পৰিণত কৰাৰ চেষ্টা চলায়।

ৰাজনৈতিক দলবোৰে চৰকাৰত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দলবোৰে চৰকাৰৰ নিয়ন্ত্রণ নিজৰ হাতলৈ নিবলৈ মানুহক ঐক্যৱদ্ধ কৰে, নিজৰ নাইবা সমর্থকৰ স্বার্থৰ অনুকূল নীতিৰ বিকাশ ঘটায় আৰু চৰকাৰ গঠন কৰিব পৰাকৈ দলৰ প্রার্থীক নির্বাচিত কৰিবলৈ জনসাধাৰণক সংগঠিত কৰে তথা পতিয়ন নিওৱাৰ চেষ্টা কৰে।

ৰাজনৈতিক দল আৰু প্রভাৱ গোষ্ঠী একে নহয়। অৱশ্যে দুয়োটাই গণতন্ত্রত শক্তিশালী ভূমিকা পালন কৰে। দুয়োটাৰ মাজত এক ঘনিষ্ঠ আৰু স্পষ্ট সম্পর্কও আছে। যেনে- শ্রমিক সংঘবোৰে তেওঁলোকে সমর্থন কৰা ৰাজনৈতিক দলবোৰলৈ নির্বাচনত সময়ত কর্মীৰ যোগান ধৰে। আনহাতে, ৰাজনৈতিক দলবোৰেও শ্রমিকৰ স্বার্থ ৰক্ষার্থে বিভিন্ন বিধান প্রণয়নৰ পোষকতা কৰে। আপুনি জানেনে নেশ্যনেল ষ্টুডেণ্টচ্ ইউনিয়ম অৱ ইণ্ডিয়া (NSUI)-ই কংগ্রেছ দলক আৰু অখিল ভাৰতীয় বিদ্যার্থী পৰিষদ (ABVP) এ ভাৰতীয় জনতা পাটিক ভৱিষ্যতে নেতৃত্ব দিব পৰা সদস্য আগবঢ়াই আহিছে? কিছুমান প্রভাৱ গোষ্ঠীক কোনো এক নির্দিষ্ট ৰাজনৈতিক দলৰ সৈতে সম্পর্ক থকা বুলি কোৱা হয়। কিন্তু কোনো ৰাজনৈতিক দলৰ সৈতে সম্পর্ক নথকা প্রভাৱ গোষ্ঠীও আছে। সেয়েহে, প্রভাৱ গোষ্ঠীবোৰ কিহত ৰাজনৈতিক দলতকৈ পৃথক সেয়া জনাটো বৰ গুৰুত্বপূর্ণ। তলত দুয়োটাৰে কেইটামা পার্থক্য উল্লেখ কৰা হ'লঃ

- প্রভাৱ গোষ্ঠীবোৰৰ মৌলিক প্রকৃতি ৰাজনৈতিক নহয়। যেনে- ৰাষ্ট্রীয় স্বয়ংসেৱক সংঘ (RSS) ভাৰতীয় জনতা পার্টিৰ সমর্থক যদিও ই মূলতঃ হ'ল এটা সাংস্কৃতিক সংগঠন। ৰাজনৈতিক দলবোৰৰ প্রকৃতি সম্পূর্ণ ৰাজনৈতিক।
- প্রভাৱ গোষ্ঠীবোৰে প্রত্যক্ষ ক্ষমতা নিবিচাৰে। তেওঁলোকে কেৱল তেওঁলোকৰ স্বার্থৰ অনুকূলে যোৱাকৈ সিদ্ধান্তবোৰ গঢ়ি- পিটি ল'বলৈ ক্ষমতাত থকাসকলৰ ওপৰত বিভিন্ন দিশেৰে প্রভাৱ পেলাব খোজে? ৰাজনৈতিক দলবোৰে চৰকাৰ গঠন কৰিবলৈ ক্ষমতা হস্তগত কৰিব খোজে।
- প্রভাৱ গোষ্ঠীয়ে নির্বাচনত প্রতিদ্বন্দ্বিতা নকৰে। তেওঁলোকে কেৱল পচন্দৰ ৰাজনৈতিক দলবোৰলৈ সমর্থন আগবঢ়ায়। ৰাজনৈতিক দলে প্রার্থী মনোনীত কৰে, নির্বাচনত প্রতিদ্বন্দ্বিতা কৰে আৰু নির্বাচনী প্রচাৰ অভিযানত অংশ লয়।
- প্রভাৱগোষ্ঠীয়ে নিজৰ দাবী কার্যৰূপায়িত কৰিবলৈ আন্দোলন আৰু বিভিন্ন প্রদর্শনৰ আশ্রয় লয়। ৰাজনৈতিক দলবোৰে নিজ লক্ষ্যত উপনীত হ'বলৈ সংবিধানিক পদ্ধতি

অৱলম্বন কৰে।

- প্রভাৱ গোষ্ঠীৰ কোনো ৰাজনৈতিক আদর্শ নাথাকিবও পাৰে। ৰাজনৈতিক দলবোৰৰ নিজস্ব আদর্শ থাকে। যেনে- কংগ্রেছ দলৰ আদর্শ হ'ল সমাজবাদ, ধর্মনিৰপেক্ষতা আৰু গণতন্ত্র; কমিউনিষ্ঠ দলে শ্রমিক, কৃষক আৰু সমাজৰ আন দুর্বল শ্রেণীৰ লোকৰ স্বার্থৰ পৃষ্ঠপোষকতা কৰে।
- প্রভাৱ গোষ্ঠীৰ সদস্য সংখ্যা সীমিত। ৰাজনৈতিক দলবোৰৰ সদস্য সংখ্যা যথেষ্ট বেছি।
- প্রভাৱ গোষ্ঠীবোৰ অনানুষ্ঠানিক সংস্থা। ৰাজনৈতিক দলবোৰ আনুষ্ঠানিক সংস্থা।
- প্রভাৱ গোষ্ঠীবোৰ সাধাৰণতে নির্দিষ্ট আৰু বিশেষ। ৰাজনৈতিক দলবোৰে ৰাষ্ট্রীয় তথা আন্তঃৰাষ্ট্রীয় বিন্যাসৰ নীতি আৰু কার্যসূচী গ্রহণ কৰে।

৭.৭ ভাৰতৰ প্রভাৱ গোষ্ঠী

ভাৰতত থকা প্রভাৱ গোষ্ঠীবোৰ ব্যৱসায়ী, শিক্ষার্থী, বৃত্তিজীৱী, মহিলা, জনজাতি, জাতিগত আদি বিভিন্ন ভিত্তিত গঢ় লৈ উঠিছে। এই গোষ্ঠীবোৰক তলৰ বিভাগবোৰত ভগোৱা হয়-

১। ব্যৱসায়ী প্রভাৱ গোষ্ঠী
২। শিক্ষার্থী প্রভাৱ গোষ্ঠী
৩। বৃত্তিজীৱীৰ প্রভাৱ গোষ্ঠী
৪। মহিলা প্রভাৱ গোষ্ঠী
৫। জনজাতি (আঞ্চলিক গোট) প্রভাৱ গোষ্ঠী
৬। জাতি, সম্প্রদায় আৰু ধর্মীয় প্রভাৱ গোষ্ঠী
৭। ভাষিক প্রভাৱ গোষ্ঠী
৮। গাওঁ পঞ্চায়ত প্রভাৱ গোষ্ঠী
৯। যৌথ পৰিয়াল
১০। অন্যান্য প্রভাৱ গোষ্ঠী
১১। গান্ধীবাদী প্রভাৱ গোষ্ঠী

- **ব্যৱসায়ী প্রভাৱ গোষ্ঠী ঃ**

  যুক্ত নাইবা মিশ্রিত অর্থনীতিৰ প্রচলন থকা দেশবোৰত এনে প্রভাৱ গোষ্ঠীয়ে একোটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এনে দেশবোৰত ব্যৱসায়ী প্রভাৱ গোষ্ঠীবোৰৰ হাতত বিপুল পৰিমাণৰ বিত্তীয় সম্পদ থাকে। তেওঁলোকে এই সম্পদ ব্যৱহাৰ কৰি নিজৰ স্বার্থ সুৰক্ষিত ৰাখে। ভাৰতত ১৮৩০ চনত বণিক সভা (The Traders Association)

গঠন কৰা হৈছিল। ১৮৩৪ চনত কলিকতা চেম্বাৰ অৱ কৰ্মাচ গঠিত হৈছিল। কিন্তু কেৱল বৃটিছ ব্যৱসায়ীসকলহে ইয়াৰ সদস্য হ'ব পাৰিছিল। ভাৰতীয় ব্যৱসায়ীসকলে নিজৰ স্বার্থ সুৰক্ষিত ৰাখিবলৈ ১৮৮৭ চনত ভাৰতীয় চেম্বাৰ অৱ কমার্চ গঠন কৰিছিল। কিন্তু ইয়াৰ কার্যকলাপ কেৱল বংগৰ চাৰিসীমাৰ ভিতৰতে সীমাৱদ্ধ আছিল। ১৯০৭ চনত বোম্বেৰ ব্যৱসায়ীসকলে এটা একেধৰণৰ সংস্থা গঠন কৰিছিল। ইয়াৰ পাচত, ১৯০৯ চনত দক্ষিণ ভাৰততে আন এটা চেম্বাৰ অৱ কমার্চে আত্মপ্রকাশ কৰিছিল। স্বনামধন্য উদ্যোগপতি শ্রী জি.জি. বিৰ্লাই এই আটাইবোৰ ব্যৱসায়িক সংস্থা আৰু সংগঠনক একেলগ কৰি ১৯২৭ চনত ফেডাৰেশ্যন অৱ ইণ্ডিয়া চেম্বার্চ অৱ কমার্চ এণ্ড ইণ্ডাষ্ট্রী (FICCI) গঠন কৰিছিল। ভাৰতৰ আগশাৰীৰ ঔদ্যোগিক প্রতিষ্ঠান টাটা, বিৰ্লা, ডালমিয়া. ডি.এম. চি., ৰিলায়েন্স আৰু হিন্দুস্তান লিভার্চ FICCI-ৰ সদস্য আৰু এওঁলোকে ভাৰতৰ সর্ববৃহৎ ব্যৱসায়ী প্রভাৱ গোষ্ঠীৰ ভূমিকা পালন কৰি আহিছে। মধ্যম পৰিসৰৰ আৰু ক্ষুদ্র উদ্যোগবোৰে মিলিত হৈ জন্ম দিয়া আন এটা উল্লেখযোগ্য প্রভাৱ গোষ্ঠী হ'ল অল ইণ্ডিয়া মেনুফেক্চার্ছ অর্গেনাইজেশ্যন (AIMO)।

- **কার্যাৱলী**

FICCI হ'ল ভাৰতৰ ব্যৱসায়ী আৰু উদ্যোগপতিসকলৰ দ্বাৰা গঠিত সবাতোকৈ গুৰুত্বপূর্ণ ৰাষ্ট্রীয় ব্যৱসায়ী সংগঠন। এই সংগঠনটোৱে মহাত্মা গান্ধীৰ নেতৃত্বত চলা জাতীয় আন্দোলনকো সর্বতোপ্রকাৰৰ সহায় আগবঢ়াইছিল। সংগঠনটোৱে বৃহৎ আৰু ক্ষুদ্র দুয়ো ধৰণৰ ব্যৱসায়ী আৰু উদ্যোগপতিৰ স্বার্থ ৰক্ষা কৰে। ই চৰকাৰৰ ঔদ্যোগিক নীতিবোৰক প্রভাৱিত কৰাৰ লগতে সামগ্রীৰ উৎপাদন তথা আমদানি-ৰপ্তানী- নীতি সন্দর্ভত চৰকাৰলৈ পৰামর্শ আগবঢ়ায়।

- **শিক্ষার্থী প্রভাৱ গোষ্ঠীঃ**

ভাৰতৰ ছাত্র-ছাত্রীয়ে গঠন কৰা সংগঠনবোৰে স্বাধীনতা লাভৰ পূর্বে আৰু স্বাধীনতা লাভৰ পাচত শক্তিশালী প্রভাৱ গোষ্ঠীৰ ভূমিকা পালন কৰি আহিছে। ১৯২৮ চনত নিখিল বংগ ছাত্র সন্থাই আতুপ্রকাশ কৰিছিল। ১৯৩৬ চনত গঠন কৰা হৈছিল নিখিল ভাৰত ছাত্র ফেডাৰেশ্যন (AISF)। স্বাধীনতা যুদ্ধৰ কালছোৱাত কংগ্রেছ দলৰ দ্বাৰা পৰিচালিত শিক্ষার্থী সংগঠনবোৰে 'ভাৰত ত্যাগ' আন্দোলনত সক্রিয় ভূমিকা পালন কৰিছিল। দেশে স্বাধীনতা লাভ কৰাৰ পাচত ৰাজনৈতিক দলবোৰে বিভিন্ন ছাত্র সংগঠনৰ সৈতে মিত্রতা স্থাপনৰ প্রথা অব্যাহত ৰাখিছিল। নিখিল ভাৰত শিক্ষার্থী কংগ্রেছে পাচত নাম সলনি কৰি নেশ্যনেল ষ্টুডেণ্টচ্ ইউনিয়ম অৱ ইণ্ডিয়া (NSUI) নাম লৈছিল। ই কংগ্রেছ দলৰ এটা সহযোগী সংগঠন। অন্য ৰাজনৈতিক দলবোৰেই নিজা নিজা শিক্ষার্থী সংগঠনৰ জন্ম দিছে। কমিউনিষ্ট দলৰ সমর্থনপুষ্ট নিখিল ভাৰত ছাত্র ফেডাৰেশ্যনে বহুদিন আগতেই আত্মপ্রকাশ কৰিছিল বুলি আমি ইতিমধ্যে গম পাইছোঁ। সমাজবাদী

দলে 'য়াং চোছিয়েলিষ্ট লীগ' আৰু মার্ক্সবাদী দলে 'প্ৰ'গ্রেচিভ ষ্টুডেণ্টচ ইউনিয়ন'ৰ জন্ম দিছিল। অন্য ৰাজনৈতিক দল কেইটামানে গঠন কৰা আন দুটামান শিক্ষার্থী সন্থা হ'ল- ৰেডিকেল ষ্টুডেণ্টচ্ ইউনিয়ন, ডেম'ক্রেটিক ষ্টুডেণ্টচ্ ইউনিয়ন, অখল ভাৰতীয় বিদ্যার্থী পৰিষদ (ABVP) ইত্যাদি। তেওঁলোকে বিভিন্ন গুৰুতৰ সমস্যাক লৈ চৰকাৰক নীতি গ্ৰহণ কৰিবলৈ হেঁচা দিয়াৰ চেষ্টা চলায়। এনে সংগঠনবোৰৰ কাম-কাজ কেৱল শৈক্ষিক বিষয়বোৰতেই সীমাৱদ্ধ হৈ নাথাকে।

- **বৃত্তিজীৱীৰ প্ৰভাৱ গোষ্ঠীঃ**

  বিভিন্ন বৃত্তি আৰু জীৱিকাত জড়িত লোকৰ স্বার্থ সুৰক্ষিত ৰাখিবলৈ এই প্ৰভাৱ গোষ্ঠীবোৰে আত্ম প্ৰকাশ কৰে। ভাৰতত বৃত্তিজীৱীৰ দ্বাৰা গঠিত প্ৰভাৱ গোষ্ঠীৰ সংখ্যা অধিক। ইয়াৰে দুটামানৰ নাম হ'ল- ইণ্ডিয়ান মেডিকেল এচোছিয়েশ্যন,অল ইণ্ডিয়া বাৰ এচোছিয়েশ্যন, অল ইণ্ডিয়া ফেডাৰেশ্যন অৰ এম্প্ৰয়িজ, নিখিল ভাৰত ৰে'লৱে'মেন ফেডাৰেশ্যন, নিখিল ভাৰত পোষ্টেল আৰু টেলিগ্ৰাফ কর্মী সংঘ, নিখিল ভাৰত বেংক কর্মচাৰী সন্থা, অল ইণ্ডিয়া ফেডাৰেশ্যন অৰ ইউনিভার্চিটি এণ্ড ক'লেজ টিচার্ছ ইত্যাদি। এই সংগঠনবোৰে সংশ্লিষ্ট বৃত্তিবোৰৰ সৈতে জড়িত সমস্যাবোৰ চৰকাৰৰ আগত দাঙি ধৰে আৰু সমাধান সম্পর্কে যাৱতীয় পৰামর্শ দিয়ে আৰু কেতিয়াবা চৰকাৰী নীতিবোৰক প্ৰভাৱিত কৰে।

- **মহিলা প্ৰভাৱ গোষ্ঠীঃ**

  কিছুমান মহিলা প্ৰভাৱ গোষ্ঠীয়ে সমাজৰ সকলো মহিলাৰ স্বার্থ সুৰক্ষিত ৰখাৰ বাবে কাম কৰে। এই গোষ্ঠীবোৰৰ ভিতৰত সবাতোকৈ গুৰুত্বপূর্ণ গোষ্ঠীটো হ'ল - অল ইণ্ডিয়া উইমেন কনফাৰেন্স। প্ৰথম অৱস্থাত এই গোষ্ঠীটোত কমিউনিষ্ট প্ৰভাৱ আছিল যদিও বর্তমান ই এক মুক্ত গোষ্ঠী। গোষ্ঠীটোৱে মহিলা কল্যাণৰ ক্ষেত্ৰখনত সক্ৰিয় ভূমিকা পালন কৰি আহিছে। ই মহিলাসকলৰ ন্যায়িক আৰু সামাজিক দশা উন্নত কৰাৰ প্ৰয়াস কৰে। সংসদত হিন্দু সংহিতা বিধেয়কখন গৃহিত কৰাত এই গোষ্ঠীটোৱে এক গুৰুত্বপূর্ণ প্ৰভাৱ গোষ্ঠীৰ ভূমিকা লৈছিল।

- **জনজাতি (আঞ্চলিক গোট) প্ৰভাৱ গোষ্ঠীঃ**

  ভাৰতত কেইবাটাও জনজাতি স্বার্থজড়িত গোষ্ঠী সক্ৰিয় হৈ আছে। উদাহৰণ স্বৰূপে ইউনাইটেড মিজো ফেডাৰেল অর্গেনাইজেশ্যন, অসম ট্ৰাইবেল সংঘ, **অমস ট্ৰাইবেল লীগ**, ঝাৰখণ্ড মুক্তি মোর্ছা আদিৰ নাম ল'ব পাৰি। এই জনজাতি প্ৰভাৱ গোষ্ঠীবোৰে উত্তৰ-পূব ভাৰতত চলোৱা বিভিন্ন আন্দোলনৰ ফলশ্রুতিতেই ১৯৭১ চনলৈ ভাৰতত নতুন ৰাজ্য, ক্রমে- নাগালেণ্ড, মেঘালয় আৰু মিজোৰাম তথা অৰুণাচল প্ৰদেশৰ সৃষ্টি হৈছিল।

- **জাতি, সম্প্রদায় আৰু ধর্মীয় প্রভাৱ গোষ্ঠীঃ**

  ভাৰতীয় সমাজখন বিভিন্ন জাতি আৰু সম্প্রদায়ত বিভক্ত। প্রতিটো জাতি নাইবা সম্প্রদায়েই নিজ স্বার্থ সুৰক্ষিত ৰখাৰ বাবে প্রভাৱ গোষ্ঠী গঠন কৰে। অন্ধ্রপ্রদেশৰ কাম্মা, কর্ণাটকৰ লিংগায়ট, কেৰালাৰ খৃষ্টান আৰু মুছলমান, পশ্চিম বংগৰ গোর্খা আৰু বিহাৰৰ ভূমিহাৰ সম্প্রদায়ৰ লোকসকলে অহৰহ শিক্ষানুষ্ঠান আৰু চৰকাৰী বিভাগবোৰত তেওঁলোকৰ বাবে আসন সংৰক্ষণৰ দাবী উত্থাপন কৰি আহিছে। পশ্চিম উত্তৰ প্রদেশ আৰু হাৰিয়ানাত জাট কিষাণ নামৰ সংগঠনটোৱে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আছে। চিডিউলড্ কাষ্ট ফেডাৰেশ্যনে দেশৰ অনুসূচিত জাতিৰ লোকসকলৰ স্বার্থক সুৰক্ষিত কৰাৰ বাবে কাম কৰে। মাইৰ'ন ৰেইনাৰ নামৰ যশস্বী পণ্ডিতগৰাকীয়ে আঞ্চলিক ৰাজনৈতিক দল ডি.এম.কে আৰু আকালি দলকো প্রভাৱ গোষ্ঠীৰ স্বীকৃতি দিছে। একেদৰে, হিন্দু মহাসভা আৰু মুছলিম লীগ প্রধানতঃ দুটা ৰাজনৈতিক দল আছিল যদিও দল দুটাই বহুপৰিমাণে প্রভাৱ গোষ্ঠীৰ ভূমিকা ৰূপায়ণ কৰিছিল।

- **ভাষিক প্রভাৱ গোষ্ঠীঃ**

  ভাৰতৰ বহুতো প্রভাৱ গোষ্ঠীৰ গঠন ভাষিক বৈশিষ্ট্যভিত্তিক। ভাৰতীয় ৰাজনীতিৰ এক শক্তিশালী উপাদান হ'ল ভাষাৰ ভিত্তিত ৰাজ্য গঠন প্রক্রিয়া। ভাষিক প্রভাৱ গোষ্ঠীবোৰে নিজ নিজ ভাষাৰ সুৰক্ষা তথা বিকাশৰ স্বার্থত নতুন ৰাজ্য গঠনত জোৰ দিয়ে। সম্পূৰণ মহাৰাষ্ট্র সমিতি, তেলেংগানা প্রজা সমিতি, নাগবিদর্ভ আন্দোলন সমিতি আৰু গোর্খা লীগক এনে গোষ্ঠীৰ তালিকাত স্থান দিব পৰা যায়।

- **গাওঁ পঞ্চায়ত প্রভাৱ গোষ্ঠী ঃ**

  এখন গাঁৱৰ সমস্যা আৰু বিষয়ত, প্রধানতঃ ৰাজনৈতিক তথা অর্থনৈতিক বিষয়বোৰত গাওঁ পঞ্চায়তবোৰে ভাৰতীয় গাওঁবোৰত গঠিত সবাতোকৈ গুৰুত্বপূর্ণ প্রভাৱ গোষ্ঠীৰূপে কাম কৰে। ১৯৪৭ চনত বর্তমান দেশত প্রচলিত গাওঁ পঞ্চায়ত ব্যৱস্থাটো বিকশাই তোলা হৈছিল। দেশে স্বাধীনতা লাভ কৰাৰ পাচত গাওঁবোৰৰ পঞ্চায়তবোৰক পুনর্সংগঠিত কৰা হৈছিল। গাওঁ পঞ্চায়তবোৰে গাঁৱৰ বাসিন্দাৰ মাজত একেলগে কাম কৰাৰ অভ্যাস গঢ়ি তুলিছিল। গাঁৱৰ বাসিন্দাই গাঁৱত সংঘটিত বিভিন্ন কার্যকলাপৰ দায়িত্ব ল'বলৈ শিকিছিল, ৰাজহুৱা স্বার্থজড়িত কথাবোৰ বুজিছিল, সহযোগিতাৰে বাস কৰিছিল আৰু দান-বৰঙণিৰে পৰস্পৰক সহায় কৰিছিল। পঞ্চায়ত আদালতে গাঁৱৰ বাসিন্দাক পাৰস্পৰিক আলাপ-আলোচনাৰে ভুল বুজাবুজি আঁতৰোৱাৰ কৌশল শিকাইছিল। গাঁৱৰ বাসিন্দাৰ মাজত নগৰীকৰণৰ কুপ্রভাৱবোৰ হ্রাস কৰি সামূহিক একতাৰ মনোভাৱ বৃদ্ধি কৰাত পঞ্চায়তবোৰে গুৰুত্বপূর্ণ ভূমিকা লৈছিল। গাঁৱৰ যুৱচামৰ মাজত দায়িত্ববোধৰ অভাৱ, স্বার্থপৰতা আৰু উগ্রতাৰ ৰূপত নগৰীকৰণৰ কুপ্রভাৱে দেখা দিছিল। তেওঁলোকৰ মনত পুনৰ সমগ্র গাওঁখনক নিজৰ পৰিয়ালৰ দৰে গণ্য কৰাৰ প্রৱণতা

জাগি উঠিছিল। গাঁৱৰ বাট-পথ, নলা-নৰ্দমা, জলভাণ্ডাৰ, বিদ্যালয় আৰু পঞ্চায়ত ভৱন আদিৰ দৰে বিভিন্ন সমূহীয়া নিৰ্মাণত শ্ৰমদান কৰাৰ ফলত এই ইতবাচক মনোভাৱে পুনৰ গা কৰি উঠিছিল। যোথ পৰিয়ালবোৰৰ সংহতি ভাগি যোৱা আৰু জাতিভিত্তিক পঞ্চায়তবোৰ দুৰ্বল হৈ পৰাৰ ফলস্বৰূপে বাঢ়ি অহা দায়িত্ববোধহীনতাৰ পৰা গ্ৰাম্য সমাজখনক আঁতৰ কৰাত পঞ্চায়তবোৰে একোটা গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ৰেডিঅ' চেট সংগ্ৰহ, বক্তৃতা প্ৰদান অনুষ্ঠান আদিৰ দৰে কাৰ্যৰ জৰিয়তে পঞ্চায়তবোৰে ল'ৰা-ছোৱালীক শিক্ষালাভৰ সুযোগ দিয়াৰ বিষয়ত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিছিল। সম্প্ৰদায়ৰ বয়োজ্যেষ্ঠ সদস্যসকলক শিক্ষিত কৰি তোলাৰ উদ্দেশ্যেৰে প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰ আৰু নৈশ বিদ্যালয় স্থাপন কৰা হৈছিল। সময়ে সময়ে সাহিত্য সপ্তাহ উদ্‌যাপন কৰাৰ উপৰি দেশৰ পৰা নিৰক্ষৰতা আঁতৰ কৰাৰ দৃঢ় প্ৰচেষ্টা চলোৱা হৈছিল।

- **যৌথ পৰিয়ালঃ**

ভাৰতীয় সমাজৰ, বিশেষকৈ গ্ৰাম্য ভাৰতৰ এটা গুৰত্বপূৰ্ণ প্ৰভাৱ গোষ্ঠী হ'ল যৌথ পৰিয়াল। এনে পৰিয়ালত স্বামী, স্ত্ৰী, খুৰা-খুৰী, পেহা, পুত্ৰ-কন্যা আৰু ভতিজা আদি থাকিব পাৰে। যৌথ পৰিয়ালত সবাতোকৈ জ্যেষ্ঠ সদস্যগৰাকীৰ হাতত কৰ্তৃত্ব সম্পত্তিত এনে পৰিয়ালৰ সকলো সদস্যৰে উমৈহতীয়া স্বত্ব থাকে। পৰিয়ালৰ মুৰব্বীয়ে এটা উমৈহতীয়া ৰান্ধনীঘৰ পৰিচালনা কৰে আৰু প্ৰতিজন /জন সদস্যই এক উমৈহতীয়া স্থানত একেলগে থাকে।

- **অন্যান্য প্ৰভাৱ গোষ্ঠীঃ**

কিছুমান প্ৰভাৱ গোষ্ঠীয়ে কোনো নিৰ্দিষ্ট জাতি, ধৰ্ম, শ্ৰেণী অথবা বৃত্তিৰ প্ৰতিনিধিত্ব নকৰে। কিন্তু বিভিন্ন সামাজিক কুপ্ৰথা, যেনে- অস্পৃশ্যতা, যৌতুক প্ৰথা, বাল্য বিবাহ, কন্যা শিশু হত্যা, সতীদাহ প্ৰথা আদি নিৰ্মূল কৰাৰ বাবে এনে গোষ্ঠীৰ জন্ম হ'ব পাৰে। তেওঁলোকে চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। কেতিয়াবা বানপানী নাইবা খৰাঙৰ দৰে প্ৰাকৃতিক পৰিস্থিতিৰ মোকাবিলা কৰিবলৈকো কিছুমান প্ৰভাৱ গোষ্ঠ সংগঠিত হোৱা দেখা যায়।বানপীড়িত নাইবা গৰাংপীড়িত লোকৰ সাহাৰ্য্যৰ বাবে এনে গোষ্ঠীবোৰে সমদল, ধৰ্ণা, বিক্ষোভ প্ৰদৰ্শন আদিৰ আয়োজন কৰে। নিজ লক্ষ্যত উপনীত হোৱাৰ পাচত এনে গোষ্ঠীবোৰৰ অস্তিত্ব লোপ পায়। এলম'ণ্ড আৰু পাৰেলে এনে গোষ্ঠীবোৰকেই স্পষ্ট নীতিহীন অসংগঠিত স্বাৰ্থজড়িত গোষ্ঠী (Anomic Interest Groups) বুলি অভিহিত কৰিছে।

- **গান্ধীবাদী প্ৰভাৱ গোষ্ঠীঃ**

ভাৰতীয় ৰাজনৈতিৰ ক্ষেত্ৰখনত গান্ধীবাদী আদৰ্শ কঠোৰ ভাৱে মানি চলা দল কিছুমানো আছে। তেওঁলোকে গান্ধীৰ আদৰ্শক একোটা ব্যৱহাৰিক ৰূপ দিব খোজে। তেওঁলোকে

চৰকাৰকো গান্ধীবাদী নীতি গ্ৰহণ কৰিবলৈ জোৰ কৰে। এনে এটা প্রভাৱ গোষ্ঠী 'সর্ব সেৱা সংঘ'ই ভূদান আন্দোলনত গুৰুত্বপূর্ণ ভূমিকা লৈছিল। গান্ধীজীয়ে নিজে এই প্রভাৱ গোষ্ঠীটোৰ মৌলিক নীতিবোৰ সদৰি কৰি কৈছিল যে "ক্ষমতা দখলৰ ধাৰণাটো নাইকিয়া কৰিব পাৰিলেই মানুহে ক্ষমতাক দিক্ নির্দেশনা প্রদান কৰি শুদ্ধ পথেৰে আগবঢ়াই লৈ যাব পাৰিব।" গান্ধীজীৰ প্রভাৱ থকা দেশত বর্তমানেও প্রচলিত দুটা ব্যৱস্থা হ'ল পঞ্চায়তী ৰাজ আৰু সামূহিক উন্নয়ন কার্যসূচী।



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রভাৱ গোষ্ঠীবোৰক বর্তমান গণতান্ত্রিক প্রক্রিয়াৰ এক অপৰিহার্য আৰু সহায়কাৰী উপাদান বুলি গণ্য কৰা হয়।
- প্রভাৱ গোষ্ঠীবোৰৰ নিজাকৈ একোটা ৰাজনৈতিক চৰিত্র থাকিব পাৰে যদিও গোষ্ঠীবোৰে ৰাজনৈতিক ক্ষমতা লাভৰ চেষ্টা নকৰে।
- ৰাজনৈতিক দল আৰু প্রভাৱ গোষ্ঠীবোৰ পৰস্পৰ নির্ভৰশীল। স্বার্থজড়িত গোষ্ঠীবোৰে ৰাজনৈতিক দলবোৰক ৰাজসুৱা কর্তৃত্বৰ কায চপাৰ এক গুৰুত্বপূর্ণ মাধ্যম বুলি গণ্য কৰে। আনহাতে, ৰাজনৈতিক দলবোৰে নির্বাচনত জয়লাভ কৰিবলৈ আৰু ক্ষমতাসীন হৈ থাকিবলৈ প্রভাৱ গোষ্ঠীৰ সমর্থন বিচাৰে।
- প্রভাৱ গোষ্ঠীবোৰে অধিক দৰদাম কৰাৰ ক্ষমতা লাভৰ বাবে অন্যৰ সহায় আদায় কৰিব লাগে। সেয়েহে উমৈহতীয়া স্বার্থৰ ভিত্তিত প্রভাৱ গোষ্ঠীবোৰৰ উত্থান ঘটে।
- এক দীঘলীয়া সময়ৰ বাবে এই গোষ্ঠীবোৰ লোকচক্ষুৰ আঁৰ, আছিল। এনে গোষ্ঠীবোৰক গণতান্ত্রিক প্রক্রিয়াৰ বাবে অপকাৰী বুলি ভৱা হৈছিল। কিন্তু বর্তমান ৰাজনৈতিক প্রক্রিয়াত প্রভাৱ গোষ্ঠীবোৰে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- গণতান্ত্রিক ৰাজনীতিত উপদেশ আৰু আলাপ-আলোচনাৰ প্রয়োজনীয়তা থকাৰ লগতে কিছু পৰিমাণে দৰদাম কৰাৰো অৱকাশ থাকে।
- নীতি নির্ধাৰণ আৰু কার্য ৰূপায়ণৰ সময়ত চৰকাৰে এনে সংগঠিত প্রভাৱ গোষ্ঠীবোৰৰ দিহা-পৰামর্শ লোৱাটো অতি প্রয়োজনীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ভূদান আন্দোলনৰ সৈতে জড়িত প্রভাৱ গোষ্ঠী এটাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৪ ঃ লিংগায়ত সকল কোন ৰাজ্যৰ বাসিন্দা?

.....

.....



৭.৯ অধিক জানিবলৈ

- Chakraborty, Sunil Ranjan. 1974. Pressure Groups in West Bengal, in Indian *Journal of Political Science*, April-June, Volume 35.
- Duggal, R. N. 2016. *Indian Government and Politic,* (Indian Political System), New Delhi : Surjeet Publications.
- Madhurima. 2016. *Reading in Sociology.* Jalandhar : New Academic Publishing Co.
- Mehta, J. C. 2010. *Fundamentals of Sociology* Jalandhar : Raj Publishers.
- Mukhopadhyay, A. K. 1977. *Political Sociology - An Introduction Analysis*, Calcutta : K. P. Bagchi and Company.
- Sharan, P. 1976. *Comparative Government and Politics,* New Delhi : Meenakshi Prakashan.
- Sharma, R. N. 2005. *Society in India : An Overview,* Delhi : Surjeet Publications.



৭.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সংস্থা

২ নং প্রশ্নৰ উত্তৰ ঃ ৰাজহুৱা নীতিবোৰ

৩ নং প্রশ্নৰ উত্তৰ ঃ সর্ব সেৱা সংঘ

৪ নং প্রশ্নৰ উত্তৰ ঃ কর্ণাটত



৭.১১ আৰ্হিপ্ৰশ্ন

চুটি প্ৰশ্ন- (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

(ক) প্ৰৱাব গোষ্ঠীৰ সংজ্ঞা দিয়ক।

(খ) প্ৰভাৱ গোষ্ঠীৰ যিকোনো চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

ৰচনাধৰ্মী প্ৰশ্ন- (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

(ক) প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থজড়িত গোষ্ঠীৰ মাজৰ প্ৰভেদ ব্যাখ্যা কৰক।

(খ) ভাৰতৰ দুটামান প্ৰভাৱ গোষ্ঠীৰ বিষয়ে বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ ৰাজনৈতিক আদর্শ- ১

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ গণতন্ত্র

৮.৩.১ গণতন্ত্রৰ প্রকাৰ

৮.৩.২ গণতন্ত্রৰ মূল নীতি অথবা অত্যাৱশ্যকীয় দিশ

৮.৩.৩ গণতন্ত্রৰ গুণ আৰু দোষ

৮.৪ পূঁজিবাদ

৮.৪.১ পূঁজিবাদৰ দৃষ্টিকোণ

৮.৫ সমাজবাদ

৮.৫.১ সমাজবাদৰ অত্যাৱশ্যকীয় দিশ

৮.৫.২ সমাজবাদৰ দোষ

৮.৫.৩ সমাজবাদৰ গুণ

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- গণতন্ত্রৰ অর্থ, ইয়াৰ বিভিন্ন প্রকাৰ, মূল নীতি অথবা অত্যাৱশ্যকীয় দিশ আৰু গণতন্ত্রৰ গুণ আৰু দোষ জানিব পাৰিব
- পূঁজিবাদ আৰু ইয়াৰ বিভিন্ন দিশ ব্যাখ্যা কৰিব পাৰিব
- সমাজবাদ আৰু ইয়াৰ অর্থ, প্রয়োজনীয় দিশ আৰু গুণ ব্যাখ্যা কৰাৰ লগতে সমালোচনা কৰিব পাৰিব

৮.২ পৰিচয় (INTRODUCTION)

ৰাজনীতি বিজ্ঞানত বিভিন্ন আদর্শবাদ থকা দেখা যায়। ৰাজনৈতিক সমাজতত্ত্বৰ ক্ষেত্রত অধ্যয়ন কৰোতে এই আদর্শবাদ সমূহো আলোচনা কৰাটো গুৰুত্বপূর্ণ। কেইটামান গুৰুত্বপূর্ণ ৰাজনৈতিক আদর্শবাদ হৈছে গণতন্ত্র, পূঁজিবাদ, সমাজবাদ, সাম্যবাদ আৰু ফেচিবাদ। এই অধ্যায়ত

আমি গণতন্ত্র, পুঁজিবাদ আৰু সমাজবাদৰ অৱধাৰণা আলোচনা কৰিম।

৮.৩ গণতন্ত্র (DEMOCRACY)

গণতন্ত্রৰ ইংৰাজী শব্দ democracy আহিছে গ্রীক শব্দ demosআৰু cratosৰ পৰা। ইয়াৰে demos ৰ অর্থ হৈছে ৰাইজ আৰু cratos মানে হৈছে ক্ষমতা। গতিকে গণতন্ত্রৰ অর্থ হৈছে ৰাইজৰ ক্ষমতা। বিভিন্ন বিদ্বানে গণতন্ত্রৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে।

আব্রাহাম লিংকন (Abraham Lincoln)ৰ মতে গণতন্ত্র হৈছে ৰাইজৰ দ্বাৰা, ৰাইজৰ বাবে ৰাইজৰ চৰকাৰ।

ব্রাইচ (Bryce)ৰ মতে, গণতন্ত্র হৈছে চৰকাৰৰ এনে প্রকাৰ য'ত ৰাষ্ট্রৰ শাসকীয় ক্ষমতা কোনো নির্দিষ্ট শ্রেণী অথবা শ্রেণীসমূহৰ পৰিৱর্তে সম্প্রদায়ৰ সদস্যসকলৰ মাজত আইনগতভাৱে নির্ধাৰণ কৰা হয়।

ডাইচি (Dicey)ৰ মতে, গণতন্ত্র হৈছে এনে প্রকাৰৰ চৰকাৰ য'ত তুলনামুলকভাৱে শাসক যন্ত্র সমগ্র ৰাষ্ট্রৰ এক বৃহৎ অংশ।

গেট্টেল (Gettell)ৰ মতে, গণতন্ত্র হৈছে এনে চৰকাৰ য'ত ৰাইজৰ বৃহৎ অংশৰ হাতত সার্বভৌম ক্ষমতা ব্যৱহাৰ কৰাৰ ক্ষেত্রত অংশীদাৰীৰ অধিকাৰ থাকে।

গতিকে আমি ক'ব পাৰো যে গণতন্ত্র হৈছে এনে প্রকাৰৰ চৰকাৰ য'ত ৰাষ্ট্রৰ সার্বভৌম ক্ষমতা ৰাইজৰ হাতত থাকে। ৰাইজেই ৰাষ্ট্রৰ ক্ষমতাৰ উৎস। তেওঁলোকে প্রত্যক্ষভাৱে অথবা প্রতিনিধিৰ জৰিয়তে চৰকাৰত অংশগ্রহণ কৰে। এইটো স্বাভাৱিক যে ৰাইজে নিজে প্রশাসন চলাব নোৱাৰে অথবা ৰাজনৈতিক বিষয়সমূহত তেওঁলোকৰ মাজত ঐক্যমত থাকিব নোৱাৰে। গতিকে গণতান্ত্রিক চৰকাৰৰ ক্ষেত্রত ৰাইজে নিজৰ প্রতিনিধি নির্বাচন কৰে। এই নির্বাচিত প্রতিনিধিসকলে ইয়াৰ প্রতিদানত নাগৰিকসকলৰ স্বার্থৰক্ষাৰ ক্ষেত্রত দায়বদ্ধ হয়।

৮.৩.১ গণতন্ত্রৰ প্রকাৰ (Kinds of Democracy)

গণতন্ত্রৰ প্রকাৰ দুবিধ। এইকেইবিধ হৈছে বিশুদ্ধ অথবা প্রত্যক্ষ গণতন্ত্র আৰু পৰোক্ষ অথবা প্রতিনিধিত্বমূলক গণতন্ত্র।

- **বিশুদ্ধ অথবা প্রত্যক্ষ গণতন্ত্র ঃ** যেতিয়া ৰাইজে ৰাজহুৱা বিষয়সমূহত নিজৰ ইচ্ছা প্রত্যক্ষভাৱে প্রকাশ কৰে তেতিয়া তেনে চৰকাৰক বিশুদ্ধ অথবা প্রত্যক্ষ গণতন্ত্র বুলি কোৱা হয়। ইয়াত সমূহীয়া বৈঠকত ৰাইজে আইন প্রণয়ন কৰে। প্রাচীন গ্রীক নগৰ-ৰাষ্ট্রসমূহত প্রত্যক্ষ গণতন্ত্র প্রতিষ্ঠা কৰা হৈছিল। বর্তমানৰ জটিল সমাজত এনে ধৰণৰ গণতন্ত্র অবাস্তৱ।



জানি থোৱা ভাল

গ্রীক নগৰ-ৰাষ্ট্রসমূহ প্রাচীন কালত জনসংখ্যাৰ বৃদ্ধিৰ ফলত গঢ়ি উঠিছিল। এখন নগৰ ৰাষ্ট্রত 'পলিছ' নামৰ এক কেন্দ্রীয় চহৰ আছিল। প্রতিখন নগৰ ৰাষ্ট্রত সুকীয়া চৰকাৰ আৰু আইনৰ ব্যৱস্থা আছিল। সকলো নগৰ-ৰাষ্ট্রৰ মাজত এক সাধাৰণ ভাষা, ধর্ম আৰু জীৱনশৈলী আছিল। গ্রীক নগৰ-ৰাষ্ট্রত তিনি ধৰণৰ চৰকাৰ আছিল। শাসকগোষ্ঠীৰ চৰকাৰত কেইজনমান ক্ষমতাশালী আৰু বিত্তশালী লোকৰ শাসন ব্যৱস্থা আছিল। আন নগৰ ৰাষ্ট্রসমূহত এজন ব্যক্তিৰ শাসন আছিল যিজনে সাধাৰণ ৰাইজক নিজৰ ইচ্ছাৰ বিপৰীতে নিয়ন্ত্রণ কৰিছিল। এনে চৰকাৰক অত্যাচাৰী শাসন আখ্যা দিয়া হৈছিল। ইয়াৰে কেতবোৰ নগৰ ৰাষ্ট্রত গণতন্ত্রৰ ব্যৱস্থা আছিল আৰু ৰাইজে চৰকাৰী বিষয়ত অংশ লৈছিল। এনে ধৰণৰ গ্রীক নগৰ ৰাষ্ট্রৰ দুটা উদাহৰণ হৈছে এথেন্স-ইয়াত গণতন্ত্রৰ ব্যৱস্থা আছিল আৰু স্পার্টা-ইয়াত দুজন ৰজাৰ শাসন অর্থাৎ শাসকগোষ্ঠীৰ শাসন আছিল)

- **পৰোক্ষ অথবা প্রতিনিধিত্বমূলক গণতন্ত্র ঃ** প্রতিনিধিত্বমূলক অথবা পৰোক্ষ গণতন্ত্রত ৰাইজে নিজৰ ইচ্ছা প্রত্যক্ষভাৱে প্রকাশ অথবা কার্যকৰী নকৰে। ইয়াক তেওঁলোকে সেইসমূহ প্রতিনিধিৰ জৰিয়তে প্রকাশ কৰে যিসকলৰ হাতত তেওঁলোকে বিবেচনা আৰু সিদ্ধান্ত গ্রহণৰ ক্ষমতা প্রদান কৰে। এই ক্ষেত্রত **জন ষ্টুৱার্ট মিলে** (John Stuart Mill) কৈছে যে পৰোক্ষ অথবা প্রতিনিধিত্বমূলক গণতন্ত্র হৈছে এনে চৰকাৰ য'ত সকলো ব্যক্তি অথবা তেওঁলোকৰ বৃহৎ অংশই তেওঁলোকে সময়ে সময়ে নির্বাচন কৰা ডেপুটিৰ জৰিয়তে চৰকাৰী ক্ষমতা ব্যৱহাৰ কৰে।

সপ্তদশ শতিকাত ইংলেণ্ডত এনে চৰকাৰ প্রতিষ্ঠা কৰা হৈছিল। ফ্রান্সত ১৮৩০ চনত আৰু ইটালীত ১৯৪৮ চনত গণতন্ত্র প্রতিষ্ঠা কৰা হৈছিল। বর্তমান সময়ত এই ব্যৱস্থাক জাপান, শ্রীলংকা, ভাৰত, কানাডা আৰু অন্যান্য বিভিন্ন দেশত থকা দেখা যায়।

৮.৩.২ গণতন্ত্রৰ মূল নীতি অথবা অত্যাৱশ্যকীয় দিশ (Principles or Requisites of Democracy)

- **স্বাধীনতাঃ** গণতন্ত্রৰ এক অন্যতম মূল নীতি হৈছে স্বাধীনতা। এই ব্যৱস্থাত ৰাইজে সর্বাধিক স্বাধীনতা উপভোগ কৰে। গণতান্ত্রিক প্রকাৰৰ চৰকাৰে মতামত, সাধাৰণ ৰাইজৰ দৃষ্টিভংগী প্রতিনিধিত্ব কৰাৰ প্রয়াস কৰে।
- **সমতাঃ** গণতন্ত্রত সমতাৰ নীতিত বিশেষ গুৰুত্ব প্রদান কৰা হয়। গণতন্ত্রৰ আদর্শই সকলোৰে বাবে সমতা ৰক্ষা কৰাত গুৰুত্ব দিয়ে। ইয়াত জাতি, বর্ণ, ধর্ম, স্থান নির্বিশেষে বৈষম্য সহ্য কৰা নহয়। সেইবাবে এইসমূহক এৰাই চলা হয়। গণতান্ত্রিক

প্রকাৰৰ চৰকাৰৰ অধীনত আইনে ইয়াৰ নাগৰিকসকলক সম দৃষ্টিৰে ব্যৱহাৰ কৰি সমতা ৰক্ষা কৰাত গুৰুত্ব প্রদান কৰে।

- **ভাতৃত্ববোধ ঃ** গণতন্ত্রৰ এয়া আন এক গুৰুত্বপূর্ণ নীতি। ভাতৃত্ববোধ মানে একতা। ভাতৃত্ববোধে ব্যক্তিসকলক এক কৰি ৰখাত সহায় কৰে আৰু গণতন্ত্র কেৱল শান্তিপূর্ণ পৰিৱেশতহে সফল হ'ব পাৰে, ইয়াৰ অন্যথাই ই ধ্বংস হ'ব।
- **সার্বভৌমত্ব ঃ** গণতন্ত্রত ৰাইজেই হৈছে সার্বভৌমত্বৰ মূল উৎস আৰু চৰকাৰে তেওঁলোকৰ পৰা ক্ষমতা লাভ কৰে। এইবাবে গণতন্ত্রত নির্বাচন অনুষ্ঠিত হয় আৰু ইয়াত ৰাইজে ভোটদান কৰি নিজৰ চৰকাৰ নির্বাচন কৰে।
- **ৰাইজৰ মৌলিক অধিকাৰ ঃ** গণতন্ত্রত ৰাইজক মৌলিক অধিকাৰ প্রদান কৰা হয় কাৰণ এই অধিকাৰসমূহৰ অবর্তমানত এজন ব্যক্তিৰ বিকাশ সম্ভৱ নহয়। নাগৰিকৰ মৌলিক অধিকাৰসমূহ দেশৰ সংবিধানত অন্তর্ভুক্ত কৰা হয়।
- **ন্যায়পালিকাৰ স্বাধীনতা ঃ** গণতন্ত্রত ৰাইজৰ মৌলিক অধিকাৰ ৰক্ষাৰ ভাৰ ন্যায়পালিকাৰ ওপৰত ন্যস্ত থাকে। সেইবাবে ন্যায়পালিকা যদি মুক্ত নহয় তেনেহ'লে এই অধিকাৰসমূহ ৰক্ষা কৰাটো সম্ভৱ নহয়। আমাৰ দেশত উচ্চতম ন্যায়ালয় অথবা উচ্চ ন্যায়ালয়ে ৰাইজৰ মৌলিক অধিকাৰসমূহ ৰক্ষা কৰে।
- **কল্যাণকামী ৰাষ্ট্র ঃ** এখন গণতান্ত্রিক ৰাষ্ট্রত এক নির্দিষ্ট শ্রেণীৰ পৰিৱর্তে সামগ্রিকভাৱে ৰাইজৰ কল্যাণৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰা হয়। গণতন্ত্রত ৰাষ্ট্রক মাধ্যমৰূপে গ্রহণ কৰি ৰাইজকে অন্তিম লক্ষ্য বুলি বিবেচনা কৰা হয়। নাগৰিকসকলৰ কল্যাণৰ দিশ চোৱাচিতা কৰা ভাৰ ৰাষ্ট্রৰ ওপৰত ন্যস্ত কৰা হয়।

৮.৩.৩ গণতন্ত্রৰ গুণ আৰু দোষ (Merits and Demerits of Democracy)

গণতন্ত্রৰ গুণসমূহ হৈছে-

- গণতন্ত্রত নাগৰিকসকলৰ স্বার্থক সর্বাধিক গুৰুত্ব প্রদান কৰি সর্বোচ্ছ বুলি বিবেচনা কৰা হয়।
- গণতন্ত্র সাম্যতাৰ ওপৰত ভিত্তি কৰে। গণতন্ত্রত সমাজৰ কোনো শ্রেণীক বিশেষ অধিকাৰ প্রদান কৰা নহয়। গণতান্ত্রিক ব্যৱস্থাৰ চৰকাৰত বর্ণ, লিংগ অথবা ধর্মৰ ভিত্তিত বৈষম্য কঠোৰভাৱে নিষিদ্ধ।
- জনমতৰ ওপৰত ভিত্তি কৰি গণতন্ত্র গঢ়ি উঠে। গণতান্ত্রিক চৰকাৰত নাগৰিকৰ মত, দৃষ্টিভংগী তেওঁলোকৰ নির্বাচিত প্রতিনিধিৰ জৰিয়তে প্রকাশ পায়। বিধানপালিকাই নাগৰিকৰ প্রয়োজন, আশা-আকাংখ্যা অনুসৰি আইন প্রণয়ন কৰে।

- গণতান্ত্রিক চৰকাৰক এক দক্ষ চৰকাৰ বুলি বিবেচনা কৰা হয়। ৰাইজৰ প্রতিনিধিয়ে প্রশাসন চলোৱাৰ লগতে সংসদ আৰু ইয়াৰ নাগৰিকসকলৰ ওচৰত প্রত্যক্ষভাৱে দায়ৱদ্ধ হয়।
- গণতন্ত্রই ৰাইজৰ নৈতিক মান উন্নত কৰে। নির্দিষ্ট সময়ৰ ব্যৱধানত নির্বাচন অনুষ্ঠিত হয় য'ত সাধাৰণ ৰাইজ সক্রিয়ভাৱে জড়িত হয়। ইয়াত সাধাৰণ ৰাইজৰ ভূমিকা কেৱল দর্শকৰ নহয় বৰং তেওঁলোকে নাগৰিক হিচাপে নিজৰ ক্ষমতা বুজি উঠে আৰু তাৰ বাবে এক ধৰণৰ দায়িত্ববোধৰ ভাৱ তেওঁলোকৰ মাজত গঢ়ি উঠে। দায়িত্বশীল নাগৰিক হিচাপে ৰাইজে বুজি উঠে যে এজন ভুল ব্যক্তিক নির্বাচন কৰিলে দীর্ঘসময়ত প্রশাসনৰ ওপৰত কুপ্রভাৱ পৰে। ইয়াৰ লগতে তেওঁলোকৰ জীৱনৰ ওপৰতো ঋণাত্মক প্রভাৱ পৰিব পাৰে।
- গণতন্ত্রই দেশপ্রেম আৰু ৰাষ্ট্রীয় একতাৰ ভাৱৰ বিকাশ ঘটায়। নির্বাচনৰ মাধ্যমত নাগৰিকসকলৰ মাজত চৰকাৰী বিষয়ত অংশগ্রহণৰ ভাৱ গঢ়ি উঠে। ইয়াৰ লগতে নাগৰিকসকলৰ মাজত দেশপ্রেমৰ ভাৱৰ সৃষ্টি হয়।

আনহাতে গণতন্ত্রৰ দোষসমূহ হৈছে-

- গণতন্ত্রক প্রায়ে মূর্খ, অযোগ্য আৰু অশিক্ষিত মানুহৰ শাসন বুলি ধাৰণা কৰা হয়। প্লেট'ৰ মতে প্রশাসন হৈছে এক কলা আৰু ইয়াক সাধাৰণ ৰাইজে আয়ত্ব কৰিব নোৱাৰে।
- গণতন্ত্রই গুণতকৈ সংখ্যাক অধিক গুৰুত্ব প্রদান কৰে। ইয়াৰ কাৰণ গণতন্ত্রত জয় আৰু পৰাজয় এজন ব্যক্তিয়ে লাভ কৰা ভোটৰ সংখ্যাৰ ওপৰত নির্ভৰ কৰে।
- গণতন্ত্রত নির্বাচনী প্রক্রিয়া অতি ব্যয়বহুল হয় আৰু এইসমূহত বৃহৎ পৰিমাণৰ ধন খৰছ হয়। ৰাজনৈতিক সমাৱেশ, প্রচাৰ অভিযান আদি বহু ব্যয়বহুল।
- কিছু সময়ত ৰাজনৈতিক দলসমূহে সম্প্রীতিৰ পৰিৱেশ বিনষ্ট কৰে আৰু দুর্নীতিয়ে পোখা মেলি ধৰে। নির্বাচনৰ সময়ত নৈতিক বিবেচনাক বর্জন কৰা হয়। ইয়াৰ ঠাইত বৃহৎ সংখ্যক ভোট লাভ কৰাই হৈ পৰে নির্বাচিত নেতাসকলৰ মূল লক্ষ্য। ৰাজনৈতিক দলসমূহে ভোটাৰক আকর্ষিত কৰিবলৈ যিকোনো পন্থা গ্রহণ কৰে লাগিলে সেয়া অনৈতিক পন্থাই নহওক কিয়। ইয়াৰ পৰিণতিত দুর্নীতিৰ অনুশীলনৰ ফলত অসৎ ব্যক্তিয়ে সমাজক দমন কৰে আৰু ৰাষ্ট্রৰ নৈতিক মান অৱনমিত হয়।
- কোনো কোনো সময়ত গণতন্ত্রত চৰকাৰ স্থায়ী নহয়। গণতন্ত্রত বৃহৎ সংখ্যক দল থকাৰ ফলত প্রায়ে স্বার্থৰ সংঘাতৰ সৃষ্টি হয় আৰু প্রচলিত চৰকাৰখন অস্থিৰ হৈ পৰে।
- স্থানীয় স্বার্থই গণতন্ত্রত অগ্রাধিকাৰ লাভ কৰে যিয়ে ৰাষ্ট্রীয় স্বার্থ বিঘ্নি কৰে। বিভিন্ন গোট অথবা সম্প্রদায়ৰ মাজত সংঘাতে ভালৰ পৰিৱর্তে বেয়া পৰিস্থিতিৰ সৃষ্টি কৰে।

পৰৱর্তী শাখাৰ আমি আন এক ৰাজনৈতিক আদর্শবাদ, পুঁজিবাদৰ বিষয়ে আলোচনা কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গণতন্ত্র কোন দুটা শব্দৰ পৰা সৃষ্টি হৈছে?

.....

.....

প্রশ্ন নং ২ঃ গণতন্ত্রৰ দুটা প্রকাৰ কি কি?

.....

.....

৮.৪ পুঁজিবাদ (CAPITALISM)

পুঁজিবাদ হৈছে ব্যক্তিগত মালিকীস্বত্বৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা এক অর্থনৈতিক ব্যৱস্থা। ইয়াত সামগ্রী অথবা সেৱা কেৱল লাভৰ প্রতি দৃষ্টি ৰাখি উৎপাদন কৰা হয়। এই ক্ষেত্রত পুঁজিবাদক বুজিবলৈ কার্ল মার্ক্সৰ লেখনীক অতি গুৰুত্বপূর্ণ বুলি বিবেচনা কৰা হয়। পৰৱর্তী উপ-শিতানত আমি পুঁজিবাদৰ সৈতে জড়িত কেতবোৰ দিশ আলোচনা কৰিম।

৮.৪.১ পুঁজিবাদৰ দৃষ্টিকোণ (Perspectives of Capitalism)

পুঁজিবাদৰ বিভিন্ন দিশসমূহ হৈছে-

- **ধ্রুপদী ৰাজনৈতিক অর্থনীতি ঃ** ওঠৰ শতিকাত ব্রিটেইনত ধ্রুপদী ৰাজনৈতিক অর্থনীতিৰ চিন্তা-ধাৰা গঢ়ি উঠে। এই ক্ষেত্রত আদাম স্মিথ (Adam Smith), ডেভিদ ৰিকার্ড' (David Ricardo), জ্যা বাপিষ্টে চে (Jean-Baptiste Say) আৰু জন ষ্টুৱার্ট মিলে (John Stuart Mill) উৎপাদন, বিতৰণ আৰু এখন বজাৰত সামগ্রীৰ আদান-প্রদানৰ বিশ্লেষণ তুলি ধৰিছে।

  আদাম স্মিথে তেওঁৰ কর্মৰাজী, 'The Wealth of Nations' ত উল্লেখ কৰিছে যে মুনাফাদায়ী ব্যৱসায়ৰ কথা উল্লেখ কৰিছে আৰু প্রাকৃতিক স্বাধীনতাৰ ব্যৱস্থাত নিজৰ যুক্তি প্রদর্শন কৰিছে। সাধাৰণতে ইয়াকে ধ্রুপদী ৰাজনৈতিক দৃষ্টিভংগীৰ আৰম্ভনি বুলি ধৰা হয়। স্মিথে কেতবোৰ ধাৰণাৰ সূত্রপাত কৰিছে যিসমূহ পুঁজিবাদৰ সৈতে নিকট সম্পর্কীয়। তেওঁ নিজৰ সময়ৰ একাধিপত্য, দায়িত্ব আৰু ৰাষ্ট্রই আৰোপ কৰা অন্যান্য বাধা-নিষেধক সমালোচনা কৰিছে। তেওঁ বিশ্বাস কৰিছিল যে সম্পদৰ ক্ষেত্রত বজাৰেই হৈছে আটাইতকৈ নিকা আৰু দক্ষ প্রশাসক। একে ধৰণৰ দৃষ্টিভংগীকে প্রকাশ কৰিছে ডেভিদ ৰিকার্ড'ই।

- **মাৰ্ক্সবাদী ৰাজনৈতিক অৰ্থনীতি ঃ** পুঁজিবাদৰ মাৰ্ক্সবাদী বিশ্লেষণৰ মূল পৃষ্ঠপোষক আছিল কাৰ্ল মাৰ্ক্স।

  মাৰ্ক্সৰ মতে বিকাশৰ পুঁজিবাদী স্তৰ অথবা সংশ্লিষ্ট পুঁজিবাদী সমাজে সেইসময়ৰ সামাজিক সংগঠনৰ আটাইতকৈ বিকশিত ৰূপ প্ৰদৰ্শন কৰে। অৱশ্যে মাৰ্ক্সে এনে ধাৰণাৰো পোষকতা কৰিছিল যে যেতিয়া বিশ্বজুৰি সমাজবাদী অথবা সাম্যবাদী ৰূপান্তৰ ঘটিব তেতিয়া শ্ৰমিক শ্ৰেণী ক্ষমতালৈ আহিব।

- **ৰেবাৰৰ ৰাজনৈতিক সমাজশাস্ত্ৰ ঃ** পুঁজিবাদৰ বিবেচনাত ৰেবাৰৰ দৃষ্টিভংগী অতি গুৰুত্বপূৰ্ণ বুলি ধৰা হয়। ৰেবাৰৰ মতে ব্যৱসায়-বাণিজ্যত বজাৰৰ আদান-প্ৰদান, শ্ৰমিকৰ স্বেচ্ছামূলক সৰবৰাহ আৰু শ্ৰমিকৰ সংগঠিত বিভাজনেই হৈছে পুঁজিবাদৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

  ৰেবাৰে যুক্তি প্ৰদৰ্শন কৰিছিল যে পুঁজিবাদৰ বিকাশৰ বাবে পুঁজিবাদী ধাৰণাৰ বিকাশ অতি গুৰুত্বপূৰ্ণ। তেওঁৰ গ্ৰন্থ 'The Protestant Ethic and Spirit of Capitalism' ত তেওঁ দেখুৱাইছে যে কেনেকৈ অৰ্থনৈতিক কাৰ্যৰ পৰম্পৰাগত পদ্ধতিৰ সৈতে এক বিশেষ ধৰণৰ ধৰ্মীয় ধাৰণাই কাম কৰে। ৰেবাৰে দেখুৱাইছিল যে কেনেকৈ ই আধুনিক পশ্চিমীয়া পদ্ধতিৰ পুঁজিবাদৰ সম্ভাৱনাৰ দিশ মুকলি কৰাত সহায়ক হৈছিল।

- **সংস্থামূলক অৰ্থনীতি ঃ** এই চিন্তাধাৰা অনুসৰি পুঁজিবাদক ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাৰ পৰা পৃথক কৰিব নোৱাৰি, ইয়াৰ সৈতে ই সংযুক্ত হৈ থাকে। পুঁজিবাদৰ আইনী ভেঁটি, ইয়াৰ বিৱৰ্তনমূলক, অভ্যাসগত আৰু ইচ্ছাকৃত প্ৰক্ৰিয়া যাৰ জৰিয়তে সংস্থাসমূহৰ গঠন অথবা পৰিৱৰ্তন হয় তাত ই গুৰুত্ব প্ৰদান কৰে। থৰষ্টেইন ভেবলেন (Thorstein Veblen) হৈছে এই চিন্তাধাৰাৰ অন্যতম বাটকটীয়া যিয়ে পুঁজিবাদত বিত্তশালী ব্যক্তিসকলৰ উদ্দেশ্য বিশ্লেষণ কৰিছে।

- **জাৰ্মান ঐতিহাসিক চিন্তাধাৰা আৰু অষ্ট্ৰিয়াৰ চিন্তাধাৰা ঃ** জাৰ্মান ঐতিহাসিক চিন্তাধাৰা অনুসৰি পুঁজিবাদক প্ৰাথমিকভাৱে বজাৰৰ বাবে উৎপাদনৰ সংগঠনৰ ভিত্তিত চিনাক্ত কৰা হৈছে। ঊনবিংশ শতিকাৰ শেষৰ ফালে অৰ্থনীতিৰ নতুন চিন্তাধাৰাৰ বিকাশৰ সৈতে এই দৃষ্টিভংগী ভিন্নমুখী হৈ পৰে।

- **কিনেছিয়াৰ অৰ্থনীতি ঃ** ব্ৰিটিশ অৰ্থনীতিবিদ **জে এম কিনছে** (J. M. Keynes) ১৯৩৭ চনৰ তেওঁৰ গ্ৰন্থ 'The General Theory of Employment, Interest and Money'ত যুক্তি প্ৰদৰ্শন কৰিছে যে বিনিয়োগৰ মন্থৰ গতিৰ ধাৰাৰ পৰা উত্থানৰ ক্ষমতাৰ ক্ষেত্ৰত পুঁজিবাদে মূল সমস্যাত আক্ৰান্ত হৈছিল। তেওঁৰ মতে উচ্চহাৰৰ নিবনুৱা সমস্যাৰ মাজতো পুঁজিবাদী অৰ্থনীতি সুস্থিৰ হৈ থাকিব পাৰে।

- **নব্যধ্ৰুপদী অৰ্থনীতি আৰু চিকাগো চিন্তাধাৰা ঃ** বৰ্তমানৰ ইংৰাজী ভাষী বিশ্বত

পুঁজিবাদৰ শিক্ষাগত গৱেষণাৰ গৰিষ্ঠভাগেই নব্যধ্রুপদী অর্থনৈতিক চিন্তাধাৰাৰ ওপৰত ভিত্তি কৰে। ইয়াত বজাৰৰ বর্ধিত সমন্বয় আৰু তুলনামূলকভাৱে নিৰপেক্ষ চৰকাৰী বজাৰ ব্যৱস্থা, সম্পত্তিৰ অধিকাৰ ৰক্ষণা-বেক্ষণ দিয়াৰ লক্ষ্য, অনিয়ন্ত্রিত শ্রম, বৃহৎ গোষ্ঠী, ফার্মসমূহৰ বিত্তীয় একতাৰ বাবে অৱদমিত প্রশাসন আৰু ৰাষ্ট্রৰ অনুদানৰ পৰিৱর্তে পুঁজিবাদ বজাৰ ভিত্তিক বিত্তীয় ব্যৱস্থাত গুৰুত্ব প্রদান কৰা হয়।

আন এক ৰাজনৈতিক আদর্শবাদ হৈছে সমাজবাদ। এতিয়া আমি সমাজবাদৰ কেতবোৰ সংজ্ঞাৰ লগতে ইয়াৰ অৱধাৰণাক বিস্তৃতভাৱে বুজিবলৈ চেষ্টা কৰিম।

৮.৫ সমাজবাদ (SOCIALISM)

সমাজবাদৰ সংজ্ঞা প্রদান কৰা সহজ নহয়। অৱশ্যে এই ক্ষেত্রত বিভিন্ন চিন্তাবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে।

এনচাইক্লু'পেডিয়া ব্রিটানিকাৰ মতে, 'সমাজবাদ হৈছে এনে নীতি অথবা সূত্র যিয়ে গণতান্ত্রিক কর্তৃত্বৰ জৰিয়তে এক উন্নত বিতৰণ ব্যৱস্থাৰ বাবে লক্ষ্য নির্ধাৰণ কৰে আৰু বহু উপ সমন্বয়ৰ বাবে সম্পদৰ উন্নত উৎপাদন ব্যৱস্থা বর্তমান থকা দেখা যায়। ডিক্‌ছনেৰী অৱ পলিটিকছৰ মতে, সমাজবাদ হৈছে, ৰাজনৈতিক আৰু অর্থনৈতিক সূত্র যাৰ জৰিয়তে উৎপাদন, বিতৰণ আৰু আদান-প্রদানৰ ব্যৱস্থা ৰাইজে গ্রহণ কৰাৰ লগতে নিয়ন্ত্রণ কৰিব পাৰে। প্রত্যেককে নিজৰ দক্ষতা বিকাশৰ বাবে সমপর্যায়ৰ সুযোগ প্রদান কৰাৰ লগতে সম্প্রদায়ৰ সম্পদসমূহ সমভাৱে বিতৰণ কৰা উচিত।

৮.৫.১ সমাজবাদৰ অত্যাৱশ্যকীয় দিশ (Essentials of Socialism)

সমাজবাদৰ বিভিন্ন সংজ্ঞাৰ মাজতো ইয়াৰ কেতবোৰ অত্যাৱশ্যকীয় দিশ আছে যিবোৰ সমাজবাদৰ সকলো প্রকাৰৰ মাজত দেখা যায়।

- সমাজবাদত ব্যক্তিতকৈ সমাজৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰা হয়। ব্যক্তি স্বার্থতকৈ সামগ্রিকভাৱে সমাজৰ স্বার্থক উচ্চ বুলি বিবেচনা কৰা হয়।
- সমাজবাদে পুঁজিবাদৰ দর্শনক নির্মূল কৰাৰ লক্ষ্য গ্রহণ কৰে। পুঁজিবাদী আৰু ঔদ্যোগীসকলক শ্রমিক শ্রেণীৰ প্রাকৃতিক শত্রু বুলি বিবেচনা কৰা হয়। সমাজবাদে বিশ্বাস কৰে যে ৰাষ্ট্রই ৰাইজৰ অভিভাৱকৰূপে কার্য কৰাৰ লগতে সকলোৰে স্বার্থ ৰক্ষা কৰিব লাগে। সেইবাবে ৰাষ্ট্রই পুঁজিবাদৰ অত্যাচাৰৰ পৰা ৰাইজক ৰক্ষা কৰিব লাগে আৰু ইয়াৰ বাবে পুঁজিবাদক গুৰিৰ পৰা নির্মূল কৰাটো অতি প্রয়োজনীয়।
- সমাজবাদ হৈছে সাধাৰণ স্বার্থৰক্ষাৰ বাবে উৎপাদন বৃদ্ধিতকৈ মুনাফা আদায়ৰ

নীতিৰ ওপৰত নির্ভৰশীল পুঁজিবাদৰ বিপৰীত আদর্শ। পুঁজিবাদে বিভিন্ন শ্রেণীৰ মাজত সম্পদৰ অসমান বিতৰণ কৰে।

- সমাজবাদে বৃহৎ পৰিমাণৰ অর্থনৈতিক লোকচান কৰা প্রতিযোগিতাৰ অন্ত পেলায়। লক্ষ্যণীয় যে প্রচলিত অর্থনৈতিক বৈষম্যৰ মাজত ধনী-দুখীয়াৰ মাজত কোনো সুষ্ঠ প্রতিযোগিতা গঢ় লৈ উঠিব নোৱাৰে।
- সমাজবাদে সমতাৰ হকে থিয় দিয়ে। সমাজবাদীসকলে সাম্প্রতিক পুঁজিবাদী ব্যৱস্থাত থকা বৈষম্যক গৰিহণা দিয়ে।
- সমাজবাদে ভূমিৰ ক্ষেত্রত থকা ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন প্রয়াস কৰে। ভূমি হৈছে প্রকৃতিৰ উপহাৰ আৰু কোনো ব্যক্তিকে ইয়াক নিজৰ ব্যক্তিগত আৰু স্বার্থপৰ উদ্দেশ্য পূৰণৰ বাবে ব্যৱহাৰ কৰিবলৈ অনুমতি দিব নালাগে।
- সমাজবাদে ব্যক্তিগত উৎপাদন সংস্থাৰ বিৰোধিতা কৰে। উৎপাদনৰ সকলো কাৰক ৰাষ্ট্রৰ নিয়ন্ত্রণত ৰখাৰ পোষকতা কৰা হয়। উৎপাদনৰ সকলো কাৰকৰ ৰাষ্ট্রীয়কৰণ কৰাৰ প্রয়োজন।
- সমাজৰ জৈৰিক একতাত সমাজবাদে গুৰুত্ব প্রদান কৰে। ব্যক্তিগত স্বাধীনতাই ইয়াৰ লক্ষ্য। অৱশ্যে এই স্বাধীনতাই সকলো ধৰণৰ বাধা-নিষেধ নথকাটো বুজোৱা নাই। বৰঞ্চ ইয়াৰ দ্বাৰা সেইসমূহ সুযোগ-সুবিধা প্রদান কৰাত গুৰুত্ব দিয়া হৈছে যিসমূহৰ দ্বাৰা এজন ব্যক্তিয়ে এক পূর্ণ আৰু স্বাধীন জীৱন কটোৱাৰ লগতে নিজে শুদ্ধ বুলি বিবেচনা কৰা কার্য কৰিব পাৰে।
- সমাজবাদীসকলে ৰাষ্ট্রক বাধ্য-বাধকতা আৰু শোষণৰ আহিলা বুলি গণ্য কৰে আৰু সেইবাবে তেওঁলোকে ৰাষ্ট্রক নস্যাৎ কৰিব বিচাৰে। তেওঁলোকে বিশ্বাস কৰে যে ৰাষ্ট্র মৰহি যাব।

৮.৫.২ সমাজবাদৰ গুণ আৰু দোষ (Merits and Demerits of Socialism)

সমাজবাদৰ কেতবোৰ গুণ হৈছেঃ

- সমাজবাদীসকলে প্রচলিত ব্যৱস্থাৰ কুসংস্কাৰসমূহ বিস্তৃতভাৱে আৰু কার্যকৰীভাৱে বর্ণনা কৰে আৰু এই দিশত ব্যক্তিসকলৰ মনোযোগ আকর্ষণ কৰি এইসমূহ নিৰসন কৰাৰ প্রয়াস কৰে।
- ব্যক্তি আৰু দেশৰ চৰিত্র আৰু ভাগ্য নির্ধাৰণৰ ক্ষেত্রত সমাজবাদে প্রকৃতিৰ ভূমিকাক গুৰুত্ব প্রদান কৰে। মানুহৰ দুখ-দুর্দশাৰ বাবে সমাজবাদে নিয়তিৰ সিদ্ধান্ত অথবা ভগৱানৰ ইচ্ছাক দোষী সাব্যস্ত নকৰে। ইয়াৰ পৰিৱর্তে সমাজবাদে মানুহে বসবাস কৰা পুঁজিবাদী শাসন ব্যৱস্থাক ইয়াৰ বাবে জগৰীয়া কৰে। সমাজৰ বেয়া দিশৰ বাবে সমাজৰ প্রচলিত পৰিস্থিতিকে সমাজবাদে জগৰীয়া কৰে।

- সমাজবাদে সমাজ কল্যাণৰ পোষকতা কৰে। কিছু সংখ্যক লোকৰ পৰিৱর্তে সকলোৰে কল্যাণেই হৈছে সমাজবাদৰ লক্ষ্য। সমাজবাদী সমাজত ৰাষ্ট্রৰ কার্য সীমিত নহয়। ৰাষ্ট্রৰ অধিকাংশ কার্যাৱলীয়ে হৈছে কল্যাণকামী। সমাজবাদে সকলোৰে বাবে সমান সুবিধা প্রদান কৰে। ৰাইজৰ দুখ-দুর্দশা নির্মূল কৰাৰ পিছত তেওঁলোকে সুখী আৰু সম্পদশালীভাৱে বাস কৰিব পাৰে।
- অর্থনৈতিক ক্ষেত্রত সমাজবাদে দ্রুত উন্নতি সাধন কৰে। সামাজিক বেয়া দিশ যেনে নিবনুৱা সমস্যা, অধিক উৎপাদন, লোকচান, বস্তি এলেকা আৰু একাধিপত্য সমাজবাদত দেখা নাযায়। পৰিকল্পনা হৈছে সমাজবাদৰ এটা অংশ। ৰাষ্ট্রই ইয়াৰ সকলো সম্পদ পৰিকল্পিত আৰু প্রণালীবদ্ধভাৱে বিতৰণ কৰে। প্রতিযোগিতামূলক অর্থনীতিৰ বিপৰীতে সমাজবাদে লোকচান আৰু অপব্যয়ৰ দিশক এৰাই চলে।
- সমাজবাদে ব্যক্তিৰ পৰিৱর্তে সমাজৰ ওপৰত অধিক গুৰুত্ব দিয়ে। ইয়াত স্বার্থপৰ উদ্দেশ্যসমূহক প্রাধান্য দিয়া নহয়। সামগ্রিকভাৱে সমাজক এনে ভাৱে সংগঠিত কৰা হয় যে যিমান কম সময়ত সম্ভৱ সর্বাধিক মুনাফা আদায় কৰিব পৰা যায়।

সমাজবাদক বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হয়। এইসমূহ হৈছে ঃ

- মানৱ প্রকৃতিৰ সমাজবাদী বর্ণনা শুদ্ধ নহয়। ইয়ে ব্যক্তিভিত্তিক প্রচেষ্টাক হত্যা কৰে। সমাজবাদীসকলে ব্যক্তিগত উৎপাদন সংস্থা আৰু ব্যক্তিগত সম্পদক নির্মূল কৰাৰ হকে থিয় দিয়ে। কিন্তু ইয়াৰ বিপৰীতে মানৱৰ অর্জনশীল প্রবৃত্তিয়ে ইয়াৰ প্রয়োজন অনুভৱ কৰে। একেদৰে প্রত্যেক মানুহৰ তেজত প্রতিযোগিতাৰ ভাৱ নিহিত হৈ থাকে।
- সমাজবাদৰ মতে ৰাষ্ট্রই কেৱল সুৰক্ষামূলক পদক্ষেপ হিচাপে আইন-শৃংখলা ৰক্ষা, ন্যায় প্রদান, বিদেশী আগ্রাসনৰ বিৰুদ্ধে নিৰাপত্তা প্রদান কৰাই নহয় ই উৎপাদনো বৃদ্ধি কৰিব লাগে। সমাজবাদৰ এনে ধাৰণাৰ অধীনত ৰাষ্ট্রৰ কার্যাৱলীৰ পৰিসৰ ইমানেই বৃদ্ধি পাব যে ৰাষ্ট্রৰ পক্ষে এইসমূহ ভালদৰে সম্পাদন কৰাটো সম্ভৱ নহ'ব।
- সমাজবাদে সমাজক দুটা শ্রেণীত বিভক্ত কৰে, পুঁজিবাদী আৰু শ্রমিক শ্রেণী। এই দুই শ্রেণীৰ স্বার্থ পৰস্পৰ বিৰোধী আৰু এওঁলোকৰ মাজত একতাৰ ভাৱ গঢ়ি উঠিব নোৱাৰে। ইয়ে সমাজত সংঘাত আৰু সংঘর্ষৰ সূত্রপাত ঘটায়।
- সমাজবাদে ব্যক্তি স্বাধীনতা খর্ব কৰে। সমাজবাদে ৰাষ্ট্রক যথেষ্ট ক্ষমতা প্রদান কৰিছে আৰু ই ব্যক্তিৰ কার্য সীমাৰ প্রতিটো পদক্ষেপত হস্তক্ষেপ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ পুঁজিবাদৰ অধীনস্থ বিভিন্ন দৃষ্টিভংগীসমূহ কি কি?

.....

.....

প্রশ্ন নং ৪ঃ এনচাইক্লপেডিয়া ব্রিটানিকাৰ মতে সমাজবাদৰ সংজ্ঞা কি?

.....

.....



৮.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন বিদ্বানে গণতন্ত্রৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে কিন্তু সহজ অর্থত গণতন্ত্র হৈছে ৰাইজৰ ক্ষমতা।
- গণতন্ত্রৰ দুটা প্রকাৰ আছে বিশুদ্ধ অথবা প্রত্যক্ষ গণতন্ত্র, য'ত ৰাইজে প্রত্যক্ষভাৱে নিজৰ ইচ্ছা প্রকাশ কৰে আৰু পৰোক্ষ অথবা প্রতিনিধিত্বমূলক গণতন্ত্র, ইয়াত ৰাইজে নিজৰ ইচ্ছা তেওঁলোকৰ প্রতিনিধিৰ মাধ্যমত প্রকাশ কৰে।
- স্বাধীনতা, সমতা, ভাতৃত্ববোধ আদি হৈছে গণতন্ত্রৰ কেতবোৰ গুৰুত্বপূর্ণ নীতি।
- গণতন্ত্রৰ কেতবোৰ গুণ আছে যেনে ই ৰাইজৰ স্বার্থ, মানুহৰ মাজত সমতা, জনমত আদিৰ ওপৰত ভিত্তি কৰে। আনহাতে ইয়াৰ কেতবোৰ দোষ আছে যেনে ই গুণতকৈ সংখ্যাৰ ওপৰত অধিক গুৰুত্ব দিয়ে, সময়ে সময়ে কেতবোৰ অদক্ষ ব্যক্তিয়ে ইয়াত শাসন চলোৱাৰ সম্ভাৱনা থাকে।
- পুঁজিবাদ হৈছে এক অর্থনৈতিক ব্যৱস্থা যিটো উৎপাদনৰ পদ্ধতিৰ ব্যক্তিগত মালিকীস্বত্ব আৰু মুনাফাৰ বাবে বস্তু অথবা সেৱাৰ সৃষ্টিৰ ওপৰত নির্ভৰ কৰে।
- বিভিন্ন বিদ্বানে পুঁজিবাদৰ বিভিন্ন ব্যাখ্য আগবঢ়াইছে। এইসমূহ হৈছে ধ্রুপদী ৰাজনৈতিক অর্থনীতি, মার্ক্সবাদী ৰাজনৈতিক অর্থনীতি, ৱেবাৰৰ ৰাজনৈতিক সমাজশাস্ত্র, সংস্থাগত অর্থনীতি, জার্মান ঐতিহাসিক চিন্তাধাৰা আৰু অষ্ট্রিয়াৰ চিন্তাধাৰা, কিনেছিয়াৰ অর্থনীতি, নব্য ধ্রুপদী অর্থনীতি আৰু চিকাগোৰ চিন্তাধাৰা।
- ৰাজনৈতিক সমাজতত্ত্বৰ অধীনত সমাজবাদ হৈছে আন এক গুৰুত্বপূর্ণ আদর্শ। ই ব্যক্তিতকৈ সমাজৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰে। সমাজবাদৰ এক গুৰুত্বপূর্ণ লক্ষ্য হৈছে পুঁজিবাদৰ অৱসান। পুঁজিবাদী প্রথাই সৃষ্টি কৰা প্রচলিত বৈষম্যক সমাজবাদীসকলে গৰিহণা দিয়ে।

- অৱশ্যে সমাজবাদকো বিভিন্ন যুক্তিৰে সমালোচনা কৰা হৈছে। যেনে ই ব্যক্তিগত প্ৰচেষ্টা আৰু ব্যক্তি স্বাধীনতাক হত্যা কৰে। লগতে সমাজবাদে সমাজক দুটা শ্ৰেণীত বিভক্ত কৰে-পুঁজিবাদী আৰু শ্ৰমিক শ্ৰেণী আৰু এই দুই শ্ৰেণীৰ মাজত একতাৰ অভাৱৰ ফলত সমাজত সংঘাতৰ সৃষ্টি হয়।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1) J.C. Johari.(2009).*Principles of Modern Political Science*. New Delhi: Sterling Publishers Private Limited.
2) R.C. Agarwal.(1991).*Political Theory: Principles of Political Science*. New Delhi: S.Chand & Company Ltd.
3) Vidya Dhar Mahajan.(1975). *Principles of Political Science*. New Delhi: S. Chand & Company Ltd.



৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ গণতন্ত্ৰৰ ইংৰাজী শব্দ democracy আহিছে গ্ৰীক শব্দ demosআৰু cratosৰ পৰা।

২ নং প্ৰশ্নৰ উত্তৰঃ দুই প্ৰকাৰৰ গণতন্ত্ৰ হৈছে বিশুদ্ধ অথবা প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ অথবা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ।

৩ নং প্ৰশ্নৰ উত্তৰঃ পুঁজিবাদৰ বিভিন্ন দিশসমূহ হৈছে ধ্ৰুপদী ৰাজনৈতিক অৰ্থনীতি, মাৰ্ক্সবাদী ৰাজনৈতিক অৰ্থনীতি, ৰেবাৰৰ ৰাজনৈতিক সমাজশাস্ত্ৰ, সংস্থাগত অৰ্থনীতি, জাৰ্মান ঐতিহাসিক চিন্তাধাৰা আৰু অষ্ট্ৰিয়াৰ চিন্তাধাৰা, কিনেছিয়াৰ অৰ্থনীতি, নব্য ধ্ৰুপদী অৰ্থনীতি আৰু চিকাগোৰ চিন্তাধাৰা।

৪ নং প্ৰশ্নৰ উত্তৰঃ এনচাইক্লু'পেডিয়া ব্ৰিটানিকাৰ মতে, 'সমাজবাদ হৈছে এনে নীতি অথবা সূত্ৰ যিয়ে গণতান্ত্ৰিক কৰ্তৃত্বৰ জৰিয়তে এক উন্নত বিতৰণ ব্যৱস্থাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰে আৰু বহু উপ সম্বনয়ৰ বাবে সম্পদৰ উন্নত উৎপাদন ব্যৱস্থা বৰ্তমান থকা দেখা যায়।'



৮.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ গণতন্ত্ৰ বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ সমাজবাদৰ সংজ্ঞা দিয়ক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ গণতন্ত্ৰৰ নীতিৰ বিষয়ে আলোচনা কৰক আৰু লগতে গণতন্ত্ৰৰ গুণ-দোষৰ বিষয়েও উল্লেখ কৰক।

প্ৰশ্ন ২ঃ পুঁজিবাদৰ বিভিন্ন দিশ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ সমাজৰ অত্যাৱশ্যকীয় দিশসমূহ কি কি? ইয়াৰ সমালোচনা আগবঢ়োৱাওক।

*** ***** ***

অধ্যায় ৯ ঃ ৰাজনৈতিক আদর্শ - ২

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সাম্যবাদ

৯.৩.১ সাম্যবাদৰ তাত্বিক মাত্রা

৯.৩.২ সাম্যবাদৰ ব্যৱহাৰিক মাত্রা

৯.৩.৩ সাম্যবাদৰ বৈশিষ্ট্যমূলক বিশেষত্ব

৯.৩.৪ সাম্যবাদৰ সমালোচনা

৯.৩.৫ সমাজবাদ আৰু সাম্যবাদৰ সাধাৰণ বৈশিষ্ট্য

৯.৪ ফেচিবাদ

৯.৪.১ ফেচিবাদৰ উত্থান

৯.৪.২ ফেচিবাদৰ লক্ষ্যণীয় বৈশিষ্ট্য

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সাম্যবাদ তথা ইয়াৰ বৈশিষ্ট্যমূলক বিশেষত্ব আৰু সমাজবাদৰ সৈতে সম্পর্ক ব্যাখ্যা কৰিব পাৰিব
- ফেচিবাদ ব্যাখ্যা কৰাৰ লগতে ফেচিবাদৰ উত্থানৰ সৈতে জড়িত বিভিন্ন দিশ আৰু ইয়াৰ বিভিন্ন বৈশিষ্ট্য আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয় (INTRODUCTION)

পূর্বৰ অধ্যায়ত আমি গণতন্ত্র, পুঁজিবাদ আৰু সমাজবাদৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি আন দুটা আদর্শৰ বিষয়ে আলোচনা কৰিম। সেই দুটা আদর্শ হৈছে সাম্যবাদ আৰু ফেচিবাদ।

৯.৩ সাম্যবাদ (COMMUNISM)

সাধাৰণ অর্থত সাম্যবাদ হৈছে অতি প্ৰাচীন অৱধাৰণা আৰু বিশ্বৰ বিভিন্ন ধর্মীয় তথা দর্শনৰ গ্ৰন্থত ইয়াৰ উল্লেখ আছে। কিন্তু বিশেষ অর্থত ই হৈছে এক সিদ্ধান্ত যিটোৰ উৎস হৈছে ১৮৪৭-৪৮চনৰ মার্ক্স আৰু এংগেলছৰ 'Communist Manifesto'। ইয়াক বিজ্ঞানসম্মত সমাজবাদ অথবা মার্ক্সবাদ বুলিও জনা যায়। 'Communist Manifesto' ত মার্কসে কৈছে যে, শাব্দিক অর্থত সাম্যবাদ হৈছে অত্যাৱশ্যকীয়ভাৱে এক প্ৰক্ৰিয়াৰ সূত্ৰ, ইয়ে নীতি নির্ধাৰণৰ প্ৰয়াস কৰে যাৰ ওপৰত ভিত্তি কৰি পুঁজিবাদৰ পৰা সমাজবাদলৈ পৰিৱর্তন হ'ব পাৰে আৰু ইয়াৰ দুটা অত্যাৱশ্যকীয় সিদ্ধান্ত হৈছে শ্ৰেণী সংগ্ৰাম আৰু বিপ্লৱ অর্থাৎ সর্বহাৰা শ্ৰেণীলৈ বলপূর্বকভাৱে ক্ষমতাৰ স্থানান্তৰ। মার্ক্স আৰু এংগেলছৰ পৰৱর্তী লিখনীত ইয়াক বহলাই ব্যাখ্যা কৰা হৈছে। গতিকে মার্ক্সবাদ হৈছে সাম্যবাদৰ আদর্শমূলক ভেঁটি। কিন্তু ১৯১৯ চনত ৰাছিয়াৰ প্ৰেক্ষাপটত লেনিনে ইয়াক প্ৰয়োগ কৰিছিল সেয়ে মহান ৰাছিয়াৰ নেতাজনৰ কার্য আৰু আদর্শতহে ইয়াৰ প্ৰায়োগিক দিশ পৰিস্ফুট হয়। সেইবাবে মার্ক্সবাদক সাম্যবাদৰ তাত্ত্বিক ৰূপ আৰু লেনিনবাদক ইয়াৰ ব্যৱহাৰিক ৰূপ বুলি কোৱা হয়। বিশ্বৰ অন্য দেশত ইয়াৰ বিকাশ ঘটিছে বহু বিশিষ্ট ব্যক্তিৰ নেতৃত্বত আৰু এই মহান ৰাষ্ট্ৰীয় নেতাসকলৰ নামো মার্ক্সবাদ-লেনিনবাদৰ সৈতে সংযুক্ত হৈছে বিভিন্ন সময়ত। গতিকে সাম্যবাদৰ দুটা দিশ আছে তাত্ত্বিক আৰু ব্যৱহাৰিক। মার্ক্সৰ 'Communist Manifesto'ত ইয়াৰ তাত্ত্বিক দিশ আৰু মহান নেতাসকলৰ কার্য আৰু আঁচনিত ইয়াৰ ব্যৱহাৰিক দিশ দেখা যায়। এতিয়া আমি সাম্যবাদৰ দুটা দিশক পৰৱর্তী শিতানত আলোচনা কৰিম।

৯.৩.১ সাম্যবাদৰ তাত্ত্বিক মাত্ৰা (Theoretical Dimension)

মার্ক্স আৰু এংগেল্ছৰ লগতে অন্যান্য সকলৰ ব্যাখ্যা অনুসৰি সকলো সামাজিক বিকাশৰ কাৰণ হৈছে বিসংগতিৰ নিয়ম আৰু এই ক্ষেত্ৰত বস্তুগত শক্তিয়ে নির্ণায়ক ভূমিকা গ্ৰহণ কৰে। সমাজক দুটা প্ৰতিযোগী শ্ৰেণীত ভাগ কৰা হৈছে। ইয়াত শাসক আৰু শোষণকাৰী শ্ৰেণী সিদ্ধান্ত ৰূপে পৰিগণিত হয় তথা শোষিত আৰু অৱদমিত শ্ৰেণীয়ে সিদ্ধান্ত বিৰোধী ৰূপত দেখা দিয়ে। এই দুই শ্ৰেণীৰ পৰস্পৰ বিৰোধিতাৰ ফলস্বৰূপে সামাজিক বিকাশ সাধন হয়। এই ব্যাখ্যাৰ আধাৰত মার্ক্স আৰু এংগেল্ছে ভৱিষৎ বাণী কৰিছিল যে সমাজত পুঁজিবাদৰ স্থানত সমাজবাদ প্ৰতিষ্ঠাপিত হ'ব। এয়া প্ৰকৃততে অৱহেলিত আৰু শোষিত শ্ৰেণীৰ বাবে এক মহান বার্তা আছিল।

বিপ্লৱ হৈছে আৱশ্যাম্ভাৱী কাৰণ শ্ৰমিক শ্ৰেণীৰ ৰূপত পুঁজিবাদী শ্ৰেণীৰ শত্ৰু থাকে। পুঁজিবাদী আৰু সাম্ৰাজ্যবাদীসকলে প্ৰতিষ্ঠা কৰা সমগ্ৰ ব্যৱস্থা সর্বহাৰা শ্ৰেণীৰ মাধ্যমত একচ্ছত্ৰী আৰু শোষক শ্ৰেণীৰ বিৰুদ্ধে থিয় দিব পাৰে আৰু ইয়ে নির্দিষ্ট দেশত শ্ৰমিক শ্ৰেণীৰ অগ্ৰদূত ৰূপে সাম্যবাদী দলৰ নেতৃত্বত মার্ক্সৰ সমাজবাদৰ উত্থানক

সূচাব।

Communist Manifesto ত 'গণতান্ত্রিক বিপ্লৱ' ৰূপে সামন্ততান্ত্রিক ব্যৱস্থাৰ বিলোপ ঘটি পুঁজিবাদৰ উত্থানৰ প্রসংগ সন্নিবিষ্ট হৈছে কাৰণ ইয়ে পৰৱর্তী সময়ত সমাজবাদৰ উত্থানৰ বাট মুকলি কৰে যিটোৱে এখন দেশত শোষিত শ্রেণীৰ প্রথম বিজয়ক সূচায়। তদুপৰি ইয়াৰ দ্বাৰা বিশ্বৰ অন্যান্য প্রান্ততো সর্বহাৰা শ্রেণীৰ বিজয়ৰ বাট মুকলি হয়।

৯.৩.২ সাম্যবাদৰ ব্যৱহাৰিক মাত্রা (Practical Dimension)

পূর্বে উল্লেখ কৰাৰ দৰে সাম্যবাদ হৈছে প্রধানকৈ এক ব্যৱহাৰিক সূত্র যাৰ লক্ষ্য হৈছে মার্ক্স আৰু এংগেল্‌ছে বর্ণনা কৰা সমাজবাদক প্রতিফলিত কৰা। ইয়াৰ বাবে বিপ্লৱৰ প্রয়োজন। সাম্যবাদীসকলৰ দৃষ্টিত এনে ধৰণৰ বিপ্লৱ সর্বহাৰাসকলৰ দ্বাৰা সাম্যবাদী দলৰ নেতৃত্বত সম্পন্ন হয়। শ্রমিক শ্রেণীৰ এনে বিপ্লৱ দমন কৰিবলৈ বুর্জোৱা শ্রেণীয়ে সকলো ধৰণৰ প্রয়াস অব্যাহত ৰখাৰ বাবে শ্রমিক শ্রেণীয়ে নিজৰ লক্ষ্য পূৰণ কৰিবলৈ বিদ্রোহ আৰু হিংসাৰ সকলো পন্থা গ্রহণ কৰে।

সাম্যবাদৰ সিদ্ধান্তৰ দুটা পর্যায় আছে। সেইকেইটা হৈছে-

- **ৰূপান্তৰৰ পর্যায় ঃ** বিপ্লৱত শ্রমিক শ্রেণীৰ বিজয়ৰ ঠিক পিচতে এই পর্যায়ৰ সৃষ্টি হ'ব পাৰে আৰু নতুন ধৰণৰ ৰাষ্ট্রক 'সর্বহাৰাৰ একনায়কত্ববাদ' বুলি জনা যায়। এই ৰাষ্ট্রৰ লক্ষ্য হৈছে পুঁজিবাদ, সামন্ততান্ত্রিক প্রভুসকল, প্রতিক্রিয়াশীল শক্তি আৰু বিপ্লৱ বিৰোধীসকলক নির্মূল কৰা। এখন শ্রেণীহীন সমাজ প্রতিষ্ঠা কৰিবলৈ ই সকলো ধৰণৰ শক্তি আৰু বলপ্রয়োগ কৰে। ৰাছিয়াত ১৯১৭ চনত আৰু চীনত ১৯৪৯ চনত এই ধৰণৰ ৰাষ্ট্র গঢ়ি উঠিছিল। কিন্তু ৰাছিয়া আৰু চীনৰ প্রসংগৰ পার্থক্যই দেখুৱাইছিল যে যি ক্ষেত্রত ৰাছিয়াত সকলো অর্থনীতি ৰাষ্ট্রৰ হাতত অর্পণ কৰি 'সম্পূর্ণ ৰাষ্ট্র'ৰ ধাৰণাই দেখা দিছিল তেনে ক্ষেত্রত চীনত 'মিশ্রিত অর্থনীতি'ৰ জৰিয়তে সাম্যবাদৰ একত্রীকৰণত গুৰুত্ব প্রদান কৰা হৈছিল। অৱশ্যে সকলো ধৰণৰ সাম্যবাদীয়ে একে দৃষ্টিভংগীৰ পোষকতা কৰে যে সমাজবাদৰ সকলো প্রকাৰৰ শত্রু নির্মূল কৰিবলৈ ৰাষ্ট্রই বল প্রয়োগকাৰী আৰু দমনমূলক চৰিত্র গ্রহণ কৰে। এই নতুন ৰাষ্ট্রক লেনিনৰ পৰিভাষাত 'অর্ধ ৰাজ্য' আখ্যা দিয়া হয় আৰু ইয়ে এই বিপ্লৱী শ্রমিক শ্রেণীৰ প্রতিনিধিৰূপে কার্য কৰে। ইয়াৰ দ্বাৰা বুজোৱা হৈছে যে এই পর্যায়ত ৰাষ্ট্রই দমনমূলক তথা স্বৈৰাচাৰী ৰূপে দেখা দিয়ে, ইয়ে বাধ্যতামূলকভাৱে ক্ষমতাৰ প্রয়োগ কৰে তথা ই সম্পূর্ণৰূপে গণতান্ত্রিক নহয় বা ৰাষ্ট্রৰ সকলো দলক এনে ৰাষ্ট্রই প্রতিনিধিত্ব নকৰে। ইয়াৰ বিপৰীতে এনে ৰাষ্ট্রই কেৱল এটা দল অর্থাৎ সর্বহাৰাৰ দলকহে

প্ৰতিনিধিত্ব কৰে আৰু এই দলে ৰাষ্ট্ৰৰ মাধ্যমত বুৰ্জোৱা শ্ৰেণীক দমন কৰে।

- **চূড়ান্ত পৰ্যায় ঃ** এই পৰ্যায় হৈছে বিপ্লৱোত্তৰ পৰ্যায় অথবা সামাজিক বিকাশৰ অন্তিম স্তৰ য'ত মানুহৰ পূৰ্ণ স্বাধীনতা অৰ্থাৎ সাম্যবাদী ৰাষ্ট্ৰৰ অধীনত নিৰ্ধাৰণ কৰিবলগীয়া লক্ষ্য নিশ্চিত কৰা হয়। নৈৰাজ্যবাদীসকলে ইয়াক ৰাষ্ট্ৰ, পুঁজিবাদী আৰু ধৰ্মৰ হকা-বধাৰ পৰা মানুহৰ পূৰ্ণ স্বাধীনতা নিশ্চিত কৰা ভৱিষ্যতৰ সমাজ আখ্যা দিছে। এইটো হৈছে এনে পৰ্যায় য'ত ৰাষ্ট্ৰ অপ্ৰাসংগিক হৈ পৰাৰ লগতে শ্ৰেণীহীন সমাজ গঠন হয়। সৰ্বহাৰাৰ একনায়কত্ববাদত ই ৰাষ্ট্ৰবিহীন জীৱনৰ সূত্ৰপাত ঘটায়। সাম্যবাদীসকলে আশা কৰে যে এনে এটা সময় আহিব য'ত মানুহ সকলো ধৰণৰ বলপ্ৰয়োগ, শোষণ আৰু দমনৰ পৰা মুক্ত হৈ পৰিব। সকলো ৰাজহুৱা বিষয় মানুহৰ মুক্ত আৰু স্বেচ্ছাসেৱী সংস্থাৰ দ্বাৰা পৰিচালিত হ'ব। যিমান দিনলৈকে শ্ৰেণীসংগ্ৰাম অব্যাহত থাকে ৰাষ্ট্ৰৰ ধাৰণাও অব্যাহত থাকিব, শ্ৰেণী বিভাজনৰ প্ৰভাৱ নোহোৱা হোৱাৰ লগে লগে ইয়াৰো প্ৰভাৱ হ্ৰাস পাব। এংগেলছৰ মতে, যিহেতু ৰাষ্ট্ৰ কেৱল এক অস্থায়ী সংস্থা যাক বিৰোধীসকলক শক্তিপ্ৰয়োগ কৰি দমন কৰিবলৈ বিপ্লৱত ব্যৱহাৰ কৰা হয়, এনে ক্ষেত্ৰত এক মুক্ত আৰু জনপ্ৰিয় ৰাষ্ট্ৰৰ ধাৰণা প্ৰলাপৰ বাহিৰে একো নহয়। যেতিয়ালৈকে সৰ্বহাৰাসকলে ৰাষ্ট্ৰৰ প্ৰয়োজন অনুভৱ কৰে তেতিয়ালৈকে ইয়াৰ প্ৰয়োজন স্বাধীনতাৰ স্বাৰ্থৰ পৰিৱৰ্তে তেওঁলোকৰ বিৰোধীসকলক দমনৰ বাবেহে অনুভৱ কৰে আৰু যিসময়ত স্বাধীনতাৰ প্ৰসংগ উত্থাপন কৰা সম্ভৱ হয় তেতিয়ালৈকে এনে ধৰণৰ ৰাষ্ট্ৰৰ অস্তিত্ব মজুত থাকে।



Insurrection অৰ্থাৎ বিদ্রোহৰ দ্বাৰা কৰ্তৃপক্ষ বা প্ৰচলিত চৰকাৰৰ বিৰুদ্ধে তাৎক্ষণিক বিপ্লৱৰ কাৰ্যক বুজোৱা হৈছে।

৯.৩.৩ সাম্যবাদৰ বৈশিষ্ট্যমূলক বিশেষত্ব (Distinctive Features of Communism)

- উৎপাদনৰ সাম্যবাদী ধৰণ উৎপাদনৰ ক্ষেত্ৰত একক ধৰণৰ (ৰাজহুৱা, অৰ্থাৎ সমগ্ৰ ৰাইজৰ অধীনস্থ) মালিকীস্বত্বক সূচায়।
- 'প্ৰত্যেকৰে দক্ষতা অনুসৰি পৰা প্ৰত্যেকৰে প্ৰয়োজন অনুসৰি' সমাজৰ সামগ্ৰিক বিকাশে এই মহান সূত্ৰ বুজি উঠাত সহায় কৰে।
- সাম্যবাদী শ্ৰমত ৰাইজ নিয়োগ হয় আৰু নিজৰ কামৰ বাবে কোনো মজুৰি লাভ নকৰে। ইয়াৰ পৰিৱৰ্তে প্ৰত্যেকৰে দক্ষতা খটুৱাই ৰাইজৰ ব্যৱহাৰৰ লগতে সমাজৰ ভালৰ দিশত কাম কৰাৰ মূল প্ৰয়োজনীয়তাক তেওঁলোকে অভিজ্ঞতা ৰূপে লাভ কৰে।
- সমাজত শ্ৰেণীসমূহ অন্তৰ্ধান হোৱাৰ পিছত সমাজৰ সকলো সদস্যৰ মাজত সামাজিক সমতাৰ লক্ষ্য পূৰণ হয়।

- ৰাজহুৱা স্ব-প্রশাসনৰ অর্থ হৈছে সমাজৰ সকলো বিষয় আৰু সামাজিক জীৱনৰ সকলো দিশলৈ মুক্ত আৰু সামাজিকভাৱে সচেতন কর্মী ব্যক্তিক আকর্ষণ কৰা।
- এখন সাম্যবাদী সমাজত অস্তিত্ব আৰু বিকাশৰ বাবে ৰাইজৰ কল্যাণ আৰু সর্বাংগীন উন্নতিক মূল লক্ষ্য ৰূপে গ্রহণ কৰা হয়।

৯.৩.৪ সাম্যবাদৰ সমালোচনা (Criticism of Communism)

- যিহেতু সাম্যবাদ প্রধানকৈ শ্রেণীযুদ্ধৰ ভেটিৰ ওপৰত নির্ভৰশীল ই আমাৰ সামাজিক জীৱনৰ অত্যাধিক সৰলীকৃত দৃষ্টিভংগীৰ পৰিৱর্তে এক বিপজ্জনক দৃষ্টিভংগী প্রদর্শন কৰে। ইয়াৰ দ্বাৰা প্রথমে সমাজক দুটা বিৰোধী গোটত বিভক্ত কৰি তেওঁলোকক যুদ্ধত লিপ্ত কৰাই শ্রমিক শ্রেণীৰ স্বার্থৰ পৰিৱর্তে সাম্যবাদীসকলৰ স্বার্থত ৰাষ্ট্রৰ ক্ষমতা কঢ়াৰ প্রয়াসৰ দ্বাৰা এক ক্ষতিকাৰক লক্ষ্য বিচাৰি উলিয়াব পৰা যায়।
- কোনো সিদ্ধান্তৰ সপক্ষে হিংসাত্মক পন্থাৰ প্রয়োগ উচিত নহয়। হিংসাত্মক পন্থা গ্রহণ কৰি ধ্বংসৰ পথতহে অগ্রসৰ হোৱা যায়। হিংসাই সদায় হিংসাৰহে সৃষ্টি কৰে। ইয়ে সমাজৰ ক্ষতিসাধন কৰিব পাৰে। এক হিংসাত্মক বিপ্লৱে ৰাইজৰ জীৱন আৰু সম্পত্তিৰ অকল্পনীয় ক্ষতিসাধনৰ পথ মুকলি কৰিব পাৰে।
- বিপ্লৱৰ পিছত ৰাষ্ট্রৰ চৰিত্র হৈছে একনায়কত্ববাদী আৰু ইয়াক সর্বহাৰাৰ একনায়কত্ববাদ আখ্যা দি গণতন্ত্রৰ ৰূপ দিয়া হৈছে। কিন্তু একনায়কত্ববাদ হৈছে একনায়কত্ববাদেই লাগিলে সেয়া এজন ব্যক্তিৰ দ্বাৰাই হওক অথবা এটা শ্রেণীৰ দ্বাৰাই হওক। এয়া হৈছে এটা ডাঙৰ বেয়া দিশ। সেইবাবে তাত্বিকভাৱে এয়া শ্রমিক শ্রেণীৰ একনায়কত্ববাদ হলেও প্রকৃ ততে এয়া লেনিন আৰু অন্যান্যসকলৰ নেতৃত্বত সাম্যবাদী দলৰ অতি ক্ষুদ্র গোটৰ স্বেচ্ছাচাৰী শাসন। ই শ্রমিক শ্রেণীৰ বাবে গণতন্ত্র হ'লেও ইয়াৰ শত্রুসকলৰ বাবে একনায়কত্ববাদ ৰূপে দেখা দিয়ে। যিকোনো সাম্যবাদী দেশত ৰাষ্ট্র হৈছে সবাতোকৈ বলপ্রয়োগকাৰী আৰু দমনমূলক সংস্থা যাক সাম্যবাদী নেতাসকলৰ এটা চামে ব্যৱহাৰ কৰে সমাজবাদী সিদ্ধান্তক উৎখাত কৰিবলৈ।

৯.৩.৫ সাম্যবাদ আৰু সাম্যবাদৰ সাধাৰণ বৈশিষ্ট্য (Common features of Socialism and Commuism

- দুয়ো ক্ষেত্রতে বস্তুগত দিশৰ উৎপাদন হৈছে ৰাজহুৱা মালিকীস্বত্ত, বন্ধুত্বমূলক সহযোগিতা আৰু শোষণমুক্ত শ্রমিক শ্রেণীৰ পাৰস্পৰিক সহায়ৰ সম্পর্কৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা।

- ইয়াত কোনো শোষক শ্রেণী, মানুহে মানুহক কৰা শোষণ, কোনোধৰনৰ সামাজিক, জাতিগত অথবা প্রাকৃতিক দমন নাথাকে।
- সামাজিক উৎপাদনৰ লক্ষ্য হৈছে শ্রমিক শ্রেণীৰ কল্যাণ, তেওঁলোকৰ বস্তুগত আৰু সাংস্কৃতিক প্রয়োজনীয়তা পূৰণ, তেওঁলোকৰ দক্ষতা আৰু প্রতিভাৰ বিকাশ সাধন। শ্রমিক শ্রেণীয়ে নিজে এই লক্ষ্য পূৰণ কৰে।
- সামাজিক উৎপাদনৰ লগতে সামাজিক জীৱনৰ সকলো দিশৰ এক পৰিকল্পিত আৰু সমানুপাতিক হাৰত বিকাশ ঘটে।
- সমাজ হৈছে প্রতিদ্বন্দ্বিতা আৰু সংঘাতমুক্ত এক সংহত ব্যৱস্থা। সমাজৰ আধ্যাত্মিক দিশটো বিজ্ঞানসম্মত দৃষ্টিভংগীৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা।
- ক্রমাগতভাৱে সামাজিক প্রগতি, ৰাষ্ট্রসমূহৰ মাজত শান্তি আৰু বন্ধুত্বৰ ভাবৰ বিকাশ ঘটোৱা হয়।

Repudiation বা অগ্রাহ্য হৈছে গ্রহণ বা সমর্থন (কোনো এটা বিষয় বা দিশক) নকৰা কার্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সাম্যবাদৰ প্রতিষ্ঠাতা কোন?

.....

.....

প্রশ্ন নং ২ ঃ সাম্যবাদৰ অন্যান্য ব্যৱহৃত প্রতিশব্দ কি কি?

.....

.....

৯.৪ ফেচিবাদ (FASCISM)

ফেচিবাদক বিংশ শতিকাত গঢ় লৈ উঠা অন্যতম গণ আন্দোলন আখ্যা দিয়া হয়। জে এছ বর্ণি্ছৰ মতে ফেচিবাদক সাধাৰণভাৱে পৰম্পৰাৰ সোঁতে নির্ধাৰণ কৰা এক ৰাজনৈতিক আৰু সামাজিক ক্রম বুলিব পৰা যায় যিয়ে ইউৰোপীয় সভ্যতা, ৰোমান সাম্রাজ্যই প্রথমে সৃষ্টি কৰা পৰম্পৰা আৰু পৰৱর্তী সময়ত কেথলিক গীর্জাঘৰসমূহে সৃষ্টি কৰা পৰম্পৰাক গঢ় দিলে। বিপৰীত অর্থত ফেচিবাদে ধর্মীয় নৱজাগৰণ, সংস্কাৰ আৰু পৰৱর্তী সময়ত ফৰাচী বিপ্লৱত প্রথমবাৰ মূর্ত হৈ উঠা ব্যক্তিৰ মানসিকতাৰ অগ্রাহ্যকৰণক সূচাইছে।

এবেনষ্টেইন (Ebenstein)ৰ মতে, ফেচিবাদ হৈছে মুক্তপন্থী জীৱনৰ বিৰুদ্ধে এক বৈপ্লৱিক সর্বগ্রাসী বিদ্রোহ। গতিকে ফেচিবাদ হৈছে তীব্র জাতীয়তাবাদী, সামৰিক আৰু সাম্রাজ্যবাদী দল এটাৰ একনায়কত্ববাদৰ মাধ্যমত চৰকাৰ আৰু সমাজৰ সর্বগ্রাসী সংস্থা।

ৰজনী পালমে দত্ত (Rajni Palme Dutta) ই লিখিছে, প্রকৃততে ফেচিবাদ হৈছে প্রচলিত পুঁজিবাদী সমাজৰ বিৰোধিতাৱে গঢ়ি উঠা কোনো একলেখিয়া স্বতন্ত্র সিদ্ধান্ত অথবা

ব্যৱস্থা নহয়। ইয়াৰ বিপৰীতে ফেচিবাদ হৈছে সহজাত প্ৰৱণতা আৰু আধুনিক পুঁজিবাদৰ চৰম ক্ষয়ৰ কেতবোৰ পৰিস্থিতিত সম্পূৰ্ণৰূপত ক্ৰমাগত কার্য।

৯.৪.১ ফেচিবাদৰ উত্থান (Rise of Fascism)

প্ৰথম বিশ্বযুদ্ধৰ সময়ত(১৯১৪-১৮লৈ) ইটালীয়ে ইংলেণ্ড আৰু ফ্ৰান্সৰ পক্ষ লৈছিল। সেই বাবে জার্মানী আৰু অষ্ট্ৰিয়াৰ হাতত ইটালীয়ে ব্যাপক ক্ষতিৰ সন্মুখীন হ'বলগীয়া হৈছিল। লণ্ডনৰ গোপন চুক্তিৰ সময়ত ইংলেণ্ডে ইটালীক পর্যাপ্ত ধন আৰু এক বৃহৎ ক্ষেত্ৰ প্ৰদান কৰিবলৈ ৰাজী হৈছিল। কিন্তু যেতিয়া যুদ্ধত ইংলেণ্ড জয়ী হ'ল তেতিয়া ইটালীৰ এই দাবী সম্পূৰ্ণৰূপে নস্যাৎ কৰা হ'ল। প্ৰথম বিশ্বযুদ্ধৰ সময়ত ইটালীয়ে বৃহৎ লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। সেইবাবে ইটালীৰ ৰাইজৰ মাজত প্ৰচণ্ড ক্ষোভে দেখা দিয়ে।

দ্বিতীয়তে, যুদ্ধৰ পিছতে ইটালীত বৃহৎ হাৰত সম্প্ৰসাৰিত অসন্তুষ্টিয়ে দেখা দিয়ে, কাৰণ সেনাৰ মাজত ছাটাই অভিযান চলিছিল। সাম্যবাদীসকলে সাম্যবাদৰ প্ৰতিষ্ঠাৰ বাবে শ্ৰমিকসকলক ধর্মঘট কৰিবলৈ উচটনি দিয়াত উৎপাদনৰ পৰিমানো হ্ৰাস পাবলৈ ধৰিছিল।

তৃতীয়তে, ইটালীত জীৱনযাত্ৰাৰ সকলো দিশতে বিশৃংখলা আৰু বেমেজালিয়ে গা কৰি উঠিছিল।

চতুর্থতে, প্ৰথম বিশ্বযুদ্ধৰ পিছত ইটালীত প্ৰতিষ্ঠা হোৱা গণতান্ত্ৰিক চৰকাৰখনে দেশখনৰ এটাও সমস্যা সন্তোষজনকভাৱে সমাধান কৰিব পৰা নাছিল

এনে পৰিস্থিতিত মুছৌলিনীয়ে ফেচিবাদৰ সিদ্ধান্ত প্ৰতিষ্ঠা কৰে। এনেদৰে ফেচিবাদে ৰাজনৈতিক দলৰ ৰূপত ১৯২৯ চনলৈ ক্ষমতা দখল কৰি আছিল।

৯.৪.২ ফেচিবাদৰ লক্ষ্যণীয় বৈশিষ্ট্য (Salient Features of Fascism)

প্ৰকৃততে ফেচিবাদ কোনো সিদ্ধান্ত নাছিল আৰু ইয়াৰ কোনো বিস্তৃত কার্যসূচীও নাছিল। ই আছিল হিংসাৰ মাধ্যমত ক্ষমতা দখল আৰু ভোগ কৰাৰ এক কৌশল। মুছৌলিনীৰ ভাষাত, 'আমাৰ কার্যসূচী সৰল, আমি ইটালী শাসন কৰিব বিচাৰো। তেওঁলোকে আমাক কার্যসূচী বিচাৰিছে কিন্তু এনে কার্যসূচী ইতিমধ্যে বহুতো আছে। ইটালীৰ মোক্ষ লাভৰ বাবে কোনো কার্যসূচীয়ে নহয় বৰঞ্চ মানুহ আৰু ইচ্ছাশক্তিয়েহে অপেক্ষা কৰিছে। আনুষ্ঠানিক নীতিসমূহ হৈছে লোহা আৰু টিনৰ শিকলি। ফেচিবাদীসকল হৈছে ইটালীৰ ৰাজনীতিৰ অঘৰী ব্যক্তি আৰু কোনো নির্দিষ্ট নীতিয়ে এওঁলোকক বান্ধি ৰখা নাই। তেওঁলোকে ইটালীৰ ৰাইজৰ ভৱিষ্যতৰ উন্নতি, এই এটাই লক্ষ্যৰ দিশে অবিৰতভাৱে অগ্ৰসৰ হয়।'

- ফেচিবাদীসকলে ৰাষ্ট্ৰক মহিমামণ্ডিত কৰে। তেওঁলোকৰ মতে ব্যক্তিসকলৰ বাহিৰেও ৰাষ্ট্ৰৰ এক ব্যক্তিত্ব, ইচ্ছা আৰু নিজস্ব সমাপ্তি থাকে। তেওঁলোকৰ মতে ৰাষ্ট্ৰ হৈছে সামঞ্জস্যপূৰ্ণ ব্যক্তিৰ এটা সমূহ যিসকলক একগোট কৰি ৰাখে এক সাধাৰণ ভাষা, ৰীতি, পৰম্পৰা আৰু ধৰ্মই। কেৱল ৰাষ্ট্ৰীয় জীৱনৰ প্ৰেক্ষাপটতহে ব্যক্তিসকলৰ অৰ্থ থাকে আৰু ইয়াৰ পৰা বিচ্ছিন্ন হ'লে ব্যক্তিসকল কেৱল একোটা বিমূৰ্ত সংস্থাৰ বাহিৰে একো নহয়। ৰাষ্ট্ৰ নিজে স্বয়ংসম্পূৰ্ণ সংস্থা আৰু ইয়াৰ জীৱনক নিৰৱচ্ছিন্ন আৰু চিৰস্থায়ী বিবেচনা কৰা হৈছিল।
- ফেচিবাদীসকলে ৰাষ্ট্ৰক মহিমামণ্ডিত কৰিছিল আৰু এইকাৰ্যই ইয়াৰ সমাপ্তিৰূপে পৰিগণিত হৈছিল। ব্যক্তিজীৱনৰ মূল্যৰ বিনিময়তো ৰাষ্ট্ৰক মহিমামণ্ডিত কৰা হৈছিল।
- ফেচিবাদীসকলে কোনো যুক্তিত বিশ্বাস কৰা নাছিল। এনে বিশ্বাসহীনতাই সম্ভৱতঃ ফেচিবাদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিশেষত্ব আছিল। ফেচিবাদে মানুহক অযুক্তিকৰ প্ৰাণীৰূপে বিবেচনা কৰিছিল আৰু সেইবাবে এই নীতিৰ ওপৰত ভিত্তি কৰি তেওঁৰ সামাজিক আৰু ৰাজনৈতিক কাৰ্যসূচী নিৰ্ধাৰণ কৰা হৈছিল। এনেদৰে ফেচিবাদ আছিল যুক্তিৰ বিৰুদ্ধে বিদ্ৰোহ। ইয়ে যুক্তিৰ পৰিৱৰ্তে প্ৰবৃত্তি আৰু আলোচনাৰ পৰিৱৰ্তে কাৰ্যক উচ্চ বুলি গণ্য কৰিছিল।
- ফেচিবাদে কল্পনাত বিশ্বাস কৰিছিল। বিজ্ঞানসন্মত শিক্ষাৰ পৰিৱৰ্তে প্ৰচাৰত অধিক গুৰুত্ব দিয়া হৈছিল।
- ফেচিবাদী ৰাষ্ট্ৰত অধিক স্বাধীনতাৰ কোনো অৱকাশ নাছিল কাৰণ ফেচিবাদীসকলে ব্যক্তিৰ স্বাধীনতাতকৈ ৰাষ্ট্ৰৰ মহানতাত অধিক জোৰ দিছিল।
- ফেচিবাদীসকলে এক কৰ্তৃত্বসুলভ, সৰ্বগ্ৰাসী আৰু সৰ্বশক্তিমান ৰাষ্ট্ৰত বিশ্বাস কৰিছিল। তেওঁলোকে নাগৰিকৰ অধিকাৰৰ পৰিৱৰ্তে দায়িত্বৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। ৰাষ্ট্ৰৰ নামত ব্যক্তিৰ বলিদান কৰিবলৈ তেওঁলোক সদায় প্ৰস্তুত আছিল।
- ফেচিবাদীসকল গণতন্ত্ৰ আৰু উদাৰনীতিৰ বিৰোধী আছিল। তেওঁলোকে সংসদীয় চৰকাৰক বিশ্বাস নকৰিছিল আৰু ইয়াক মূৰ্খ, দূৰ্নীতিগ্ৰস্ত, মন্থৰগতিৰ, অবাস্তৱিক আৰু অদক্ষ বুলি গণ্য কৰিছিল। তেওঁলোকে ইয়াক পচিবলৈ ধৰা মৃতদেহ বুলি গ্ৰহণ কৰিছিল। তেওঁলোকে সংসদক কোনো ধৰণৰ পৰ্যাপ্ত কাৰ্য সম্পন্ন কৰিব নোৱাৰাৰ বাবে দোষী সাব্যস্ত কৰিছিল। তেওঁলোকে গণতন্ত্ৰক অপ্ৰাকৃতিক বুলি বিবেচনা কৰিছিল আৰু গণতন্ত্ৰৰ মূল ভেঁটিক অগ্ৰাহ্য কৰিছিল। মানুহৰ অন্তৰ্নিহিত মূল্যক আওকাণ কৰি তেওঁলোকে ধাৰণা কৰিছিল যে মানুহৰ সৰ্বশ্ৰেষ্ঠ গুণ হৈছে ৰাষ্ট্ৰক মানি চলা আৰু সৰ্বশেষত নিজকে ৰাষ্ট্ৰৰ মাজত বিলীন কৰি দিয়া।
- ফেচিবাদীসকলে ৰাষ্ট্ৰত এটা দলৰ অস্তিত্বত বিশ্বাস কৰিছিল আৰু এই অনুসৰি

সমগ্র প্রশাসন পৰিচালনা কৰিব সেই নির্দিষ্ট দলটোৱে। ফেচিবাদৰ মূল শ্লগান আছিল *'এটা দল, এজন নেতা'*।

- ফেচিবাদে নেতাসকলক সর্বাধিক গুৰুত্ব প্রদান কৰিছিল আৰু তেওঁলোকক নায়ক অথবা মহামানৱৰূপে আৰাধনা কৰা হৈছিল। জার্মানীত হিটলাৰ আৰু ইটালীত মুছোলিনীক আক্ষৰিক অর্থত আৰাধনা কৰা হৈছিল আৰু তেওঁলোকৰ আলোকচিত্র আৰু মহানতাৰ জোৰদাৰ প্রচাৰ কৰা হৈছিল। এনে প্রচাৰ চলোৱা হৈছিল যে জার্মানী মানেই হিটলাৰ আৰু হিটলাৰ মানেই জার্মানী। ফেচিবাদ আছিল বিপ্লৱবিৰোধী আৰু অগণতান্ত্রিক। সকলো ধৰণৰ পৰিৱর্তনক ই নস্যাৎ কৰিছিল আৰু পৰিৱর্তনকামী সকলো আন্দোলনক মষিমূৰ কৰিছিল। পূর্ণ শক্তিৰ প্রয়োগ কৰি পৰিৱর্তনক ফেচিবাদে বাধা দিছিল আৰু স্থিতাৱস্থা বাহাল ৰাখিছিল।
- ফেচিবাদ সকলোধৰনৰ মানৱীয় মূল্যবোধ আৰু অনুভূতিৰ বিৰোধী আছিল। বুদ্ধিবাদৰ বিৰুদ্ধে ফেচিবাদে কঠোৰ স্থিতি গ্রহণ কৰিছিল। ফেচিবাদে সকলোৰে পৰা পূর্ণ আনুগত্য বিচাৰিছিল। শাসকৰ সন্মুখত সকলোৱে প্রভুভক্ত কুকুৰৰ দৰে আচৰণ কৰাটো বিচৰা হৈছিল আৰু শাসকে ব্যক্তিসকলৰ বৌদ্ধিক ক্ষমতাৰ কোনো প্রয়োজন অনুভৱ নকৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বিংশ শতিকাত আৰম্ভ হোৱা এক গণ আন্দোলনৰ উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন নং ৪ ঃ ফেচিবাদী শাসনে ৰাষ্ট্র অথবা ব্যক্তিক কাক অধিক গুৰুত্ব প্রদান কৰিছিল?

.....

.....

প্রশ্ন নং ৫ ঃ ফেচিবাদে কেনে ধৰণৰ ৰাষ্ট্রত বিশ্বাস কৰিছিল?

.....

.....



৯.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সাম্যবাদ হৈছে আন এক ৰাজনৈতিক আদর্শ আৰু ইয়াক মার্ক্সবাদী অথবা বিজ্ঞানসন্মত সমাজবাদ বুলিও জনা যায়।

  মার্ক্স আৰু এংগেলছৰ Communist Manifestoৰ পৰা ইয়াৰ সৃষ্টি হৈছে। কালমার্ক্সক

সাম্যবাদৰ স্রষ্টা ৰূপে জনা যায়।

- ফেচিবাদ হৈছে এক বৃহৎ গণ আন্দোলন। মুছৌলিনীয়ে ফেচিবাদৰ সিদ্ধান্ত প্রতিষ্ঠা কৰিছিল।
- এক ৰাজনৈতিক দলৰূপে ফেচিবাদে ১৯২৯ চনলৈকে বৃহৎ ক্ষমতা দখল কৰি আছিল। ই যুক্তিত বিশ্বাস নকৰিছিল।

ই কেৱল কল্পনাত বিশ্বাস কৰিছিল। তদুপৰি ইয়াত স্বাধীনতাৰো বিশেষ অৱকাশ নাছিল। ফেচিবাদ গণতন্ত্র আৰু উদাৰনীতি উভয়ৰে বিৰোধী আছিল।



৯.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

1) J.C. Johari.(2009).*Principles of Modern Political Science*. New Delhi: Sterling Publishers Private Limited.
2) R.C. Agarwal.(1991).*Political Theory: Principles of Political Science*. New Delhi: S.Chand & Company Ltd.
3) Vidya Dhar Mahajan.(1975). *Principles of Political Science*. New Delhi: S. Chand & Company Ltd.



৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কার্ল মার্ক্সক সাম্যবাদৰ প্রতিষ্ঠাতাৰূপে জনা যায়। মার্ক্সবাদক সাম্যবাদৰ আদর্শমূলক ভেটিৰূপে জনা যায়।

২ নং প্রশ্নৰ উত্তৰঃ সাম্যবাদক বিজ্ঞানসম্মত সমাজবাদ অথবা মার্ক্সবাদ বুলিও জনা যায়।

৩ নং প্রশ্নৰ উত্তৰঃ বিংশ শতিকাত আৰম্ভ হোৱা এক গণ আন্দোলনৰ উদাহৰণ হৈছে ফেচিবাদ।

৪ নং প্রশ্নৰ উত্তৰঃ ফেচিবাদে শাসনে ব্যক্তিতকৈ ৰাষ্ট্রক অধিক গুৰুত্ব প্রদান কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰঃ ফেচিবাদে এক কর্তৃত্বসুলভ, সর্বগ্রাসী আৰু সর্বশক্তিমান ৰাষ্ট্রত বিশ্বাসী আছিল।



৯.৮ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ সাম্যবাদ বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ ফেচিবাদৰ সংজ্ঞা লিখক। ফেচিবাদৰ উত্থানৰ বিষয়ে লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ সাম্যবাদৰ বিভিন্ন দিশ আলোচনা কৰক আৰু ইয়াৰ সমালোচনা আগবঢ়োৱাওক।

*** ***** ***

অধ্যায় ১০ ঃ ৰাজনৈতিক দল

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ৰাজনৈতিক দলৰ অর্থ
১০.৪ ৰাজনৈতিক দলৰ কার্যাৱলী
১০.৫ ৰাজনৈতিক দলৰ শ্রেণীবিভাজন
১০.৬ গণতান্ত্রিক পৃষ্ঠভূমি আৰু ভাৰতত ৰাজনৈতিক দল
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজনৈতিক দলৰ অর্থ জানিব পাৰিব
- অন্য সামাজিক গোটতকৈ ৰাজনৈতিক দলবোৰ কিহত পৃথক সেয়া বুজিব পাৰিব
- বিভিন্ন প্রকাৰৰ ৰাজনৈতিক দলৰ বৈশিষ্ট আৰু শ্রেণীবিভাজনৰ বিষয়ে জানিব পাৰিব
- ৰাজনৈতিক দলৰ সংৰচনা আৰু গুৰুত্ব অনুধাৱন কৰিব পাৰিব
- ভাৰতৰ দলীয় ব্যৱস্থাটোৰ বিষয়ে বুজিব পাৰিব।

১০.২ পৰিচয়

আমি সকলোৱে জানো যে বহুতো সংগঠিত দল আৰু গোটৰ সহায়ত সামাজিক জীৱন গঢ় লৈ উঠে। ইয়াৰে কিছুমান দল আৰু গোটে ৰাজনৈতিক সমাজতত্ত্বত বিশেষ গুৰুত্ব লাভ কৰে। কাৰণ, এনে দল আৰু গোটবোৰৰ ৰাজনৈতিক প্রক্রিয়াৰ সৈতে প্রত্যক্ষ সম্পর্ক থাকে। ৰাজনৈতিক সমাজতত্ত্বই ৰাজনৈতিক বিশ্লেষণক এক নতুন দিশ প্রদান কৰিছে। ই সামাজিক ক্ষমতা পৰীক্ষা কৰি চোৱাৰ লগতে বিভিন্ন সমাজৰ ৰাজনৈতিক মনোভাৱ, প্রমূল্য তথা আচৰণ অধয়নত মনোনিৱেশ কৰে। এই অধ্যায়টিত আমি ৰাজনৈতিক দল নামৰ ৰাজনৈতিক সমাজতত্ত্বত বিশ্লেষণৰ অন্তর্গত এটা বিশেষ গোট সম্পর্কে বহলাই আলোচনা কৰিম।

১০.৩ ৰাজনৈতিক দলৰ অর্থ

ৰাজনৈতিক সমাজতত্ত্ব (Political Sociology)ৰ ধাৰণাটো ৰাজনৈতিক ক্ষমতা আৰু কর্তৃত্বৰ কার্য সম্পাদন প্রক্রিয়াৰ অধ্যয়নক কেন্দ্র কৰি বিকশিত হৈছে। সেয়েহে, ৰাজনৈতিক দলৰ ভূমিকা উপযুক্তভাৱে মূল্যাংকন নকৰাকৈ ৰাজনৈতিক সমাজতত্ত্বৰ বিষয়বস্তুবোৰ ভালদৰে বুজাটো সম্ভৱ নহয়। কাৰণ, ৰাজনৈতিক দলবোৰৰ অধ্যয়ন হ'ল এনে এমুঠিমান ভাৰসাযোগ্য উপায়ৰ এটা যিটোৱে আমাক ক্ষমতা লাভৰ আকাংক্ষা পুহি ৰখাসকলে প্রতিদ্বন্দ্বিতা কৰে সেয়া বুজাত সহায় কৰে। এই অধ্যয়নৰ পৰা আমি প্রকৃত ক্ষমতাৰ অধিকাৰীসকলে কেনেকৈ ক্ষমতা আহৰণ কৰে আৰু এনেদৰে আনুষ্ঠানিকভাৱে আহৰণ কৰা ক্ষমতা কেনেদৰে আনুষ্ঠানিক মাধ্যমবোৰৰ জৰিয়তে প্রবহিত হয় সেয়া বুজিব পাৰোঁ। ৰাজনৈতিক সমাজতাত্ত্বিকসকলে কৰা ৰাজনৈতিক দলবোৰৰ অধ্যয়ন ৰাজনীতি বিজ্ঞানীসকলৰ অধ্যয়নতকৈ পৃথক। ৰাজনীতি বিজ্ঞানীৰ দৃষ্টিত ৰাজনৈতিক দল মানে হ'ল এখন আধুনিক ৰাষ্ট্রৰ চৰকাৰ গঠন আৰু কাম-কাজ পৰিচালনাৰ ক্ষেত্রত অপৰিসীম গুৰুত্ব থকা এটা ৰাজনৈতিক অনুষ্ঠান। আনহাতে, ৰাজনৈতিক সমাজতাত্ত্বিকৰ মতে ৰাজনৈতিক দল হ'ল 'মূলতঃ একোটা সামাজিক দল।' মেক্স ৱেবাৰৰ ভাষাত ৰাজনৈতিক দল হ'ল "সামাজিক সম্পর্কৰ এটা সহযোগিতামূলক প্রকাৰ যিটোৰ সদস্যপদ আনুষ্ঠানিকভাৱে মুক্ত সদস্যভর্তি প্রক্রিয়াৰ ওপৰত নির্ভৰশীল।" গেব্রিয়েল এলম'ণ্ডৰ ভাষাত, "ৰাজনৈতিক দল হ'ল আধুনিক সমাজবোৰৰ এটা সামাজিকী কৃত সংৰচনাৰ সমষ্টি।" বুর্কে'ৰ মতে, "এটা ৰাজনৈতিক দল হ'ল জাতীয় স্বার্থত কিছুমান সর্বসন্মত নির্দিষ্ট নীতি অনুসৰণৰ সংযুক্ত প্রয়াসৰ পৃষ্ঠপোষকতা কৰিবলৈ গঠিত হোৱা মানুহৰ অভিকৰণ।" ৰাজনৈতিক দলবোৰ হ'ল একোটা সামাজিক গোট। কাৰণ, এই দলবোৰে আন্তঃনির্ভৰশীল কার্যকলাপ সম্পাদন আৰু আন্তঃব্যক্তিক সম্পর্ক স্থাপন কৰে। এই দলবোৰে যথাসম্ভৱ লক্ষ্য ভিত্তিক সমন্বয়পূর্ণ কাম-কাজ সম্পাদন কৰে। ৰাজনৈতিক দলবোৰে উমৈহতীয়াভাৱে স্বীকৃত লক্ষ্য কিছুমানত উপনীত হোৱাৰ উদ্দেশ্যেৰে ইয়াৰ সদস্যসকলৰ আচৰণক একেটা যুক্তিসংগত নির্দেশনা প্রদান কৰে। ৰাজনৈতিক দলবোৰৰ আন্তঃনির্ভৰশীল কার্য-কলাপ আৰু নির্ধাৰিত লক্ষ্যবোৰৰ প্রকাৰ সামাজিক তথা ৰাজনৈতিক পৰিৱেশ অনুসৰি ভিন ভিন ধৰণৰ হ'ব পাৰে। ইয়াৰ কাৰণ হ'ল, ৰাজনৈতিক দলবোৰ এখন সমাজৰ সামাজিক তথা ৰাজনৈতিক প্রয়োজনীয়তাৰ আৰ্হি।

ওপৰৰ আলোচনাৰ আধাৰত ক'ব পাৰি যে সকলোবোৰ সামাজিক দলৰ ভিতৰত ৰাজনৈতিক দলেই হ'ল সবাতোকৈ প্রাৰম্ভিক আৰু খাপ খুৱাই ল'ব পৰা সংগঠন। ৰাজনৈতিক দলবোৰে নিজ নিজ ক্ষমতাৰ আকাংক্ষাক বাস্তৱত ৰূপ দিয়াৰ স্বার্থত সদস্য সংখ্যা বঢ়োৱাৰ প্রতি সর্বদা আগ্রহী। আৰু ক্ষমতা হাতলৈ অহাৰ পাচত ই ক্ষমতা বর্তাই ৰখাৰ স্বার্থত আন বহুতো সুবিধাৰ সৃষ্টি কৰে। ৰাজনৈতিক দলবোৰ হ'ল সদস্যভিত্তিক সংগঠন। সেয়েহে এই দলবোৰে বিভিন্ন ধৰণৰ সামাজিক শ্রেণী তথা অর্থনৈতিক স্বার্থ সামৰি লয়। এটা ৰাজনৈতিক দলত সদায় পদানুক্রমিক গাঁথনি (hierarchical Structure) দেখা পোৱা যায়। যেতিয়ালৈকে এই পদানুক্রমিক

গাঁথনিটোৰ নিয়ন্ত্রণ অতি কেন্দ্রীভূত প্রকৃতিৰ হৈ নপৰে তেতিয়ালৈকে ইয়াত এটা বিশেষত্ব থাকে। এই বিশেষত্বটো হ'ল পদানুক্রমত একেবাৰে শীর্ষত থকা সদস্যসকলৰ মাজত ক্ষমতা ব্যৱহাৰৰ অধিকাৰ ভগোৱা থাকে। আগতেই কৈ অহা হৈছে যে ৰাজনৈতিক দলবোৰৰ প্রকৃতি পৰিৱেশ অনুকূল আৰু ই ভিন্নধর্মী স্বার্থ সামৰি ল'ব লাগে। সেয়েহে এই ক্ষমতা আৰু দায়িত্ব একেবাৰে শীর্ষ পর্যায়ৰ সদস্যৰ পৰা স্থানীয় তৃণমূল পর্যায়ৰ সদস্যৰ মাজত ভগাই দিবলগীয়া হয়।

পৰিয়াল, উপাসনা গৃহ আৰু ব্যৱসায়িক প্রতিষ্ঠানৰ দৰে সামাজিক দলবোৰতকৈ ৰাজনৈতিক দলবোৰ পৃথক। ইয়াৰ এনে কিছুমান বৈশিষ্ট্য আছে যিবোৰে ইয়াক অন্য সামাজিক দলৰ পৰা পৃথক কৰে। এনে এটা বৈশিষ্ট্য হ'ল ৰাজনৈতিক দলৰ লক্ষ্যবোৰৰ আৰ্হি। এটা ৰাজনৈতিক দলৰ প্রধান লক্ষ্য হ'ল ৰাজনৈতিক ক্ষমতা আহৰণ কৰা আৰু অকলে নাইবা অন্য ৰাজনৈতিক দলৰ সহযোগিতাত এই ক্ষমতা হস্তগত কৰি ৰখা। সহজ ভাষাত এটা ৰাজনৈতিক দল হ'ল "চৰকাৰৰ জৰিয়তে অনুশীলন কৰা সামাজিক নিয়ন্ত্রণ নিজ হাতলৈ অনাৰ প্রয়াস কৰা সামাজিক দলবোৰৰ এটা প্রকাৰ।" এটা ৰাজনৈতিক দলে ইয়াৰ সদস্যসকলে উমৈহতীয়া ভাৱে মানি লোৱা এটা আদর্শগত বিশ্বাসৰ পটভূমিত উল্লিখিত ৰাজনৈতিক লক্ষ্যত উপনীত হোৱাৰ চেষ্টা চলায়। এই আদর্শগত দৃষ্টিভংগীটো হ'ল ৰাজনৈতিক দল এটাক অন্য সামাজিক দলৰ পৰা পৃথক কৰা আন এটা বৈশিষ্ট্য। আকৌ, অন্য সামাজিক দলৰ তুলনাত ৰাজনৈতিক দলবোৰ হ'ল অধিক সদস্য কেন্দ্রিক সংগঠন। ৰাজনৈতিক দলবোৰ নিজৰ সদস্য সংখ্যা বৃদ্ধি কৰাৰ প্রতি আগ্রহী। সেয়েহে সম্ভাব্য সদস্য তথা নেতাক আকর্ষণ কৰিব পৰাকৈ এই দলবোৰ যথাসম্ভৱ মুক্ত হৈ থাকে।

১০.৪ ৰাজনৈতিক দলৰ কার্যাৱলী

ৰাজনৈতিক দলবোৰৰ গুৰুত্বপূর্ণ কার্যাৱলী অধ্যয়ন কৰিলেই এটা সামাজিক দল হিচাপে ইয়াৰ বিশেষত্ববোৰ বুজি পোৱা যায়।

- স্বার্থৰ সমষ্টি ঃ এটা ৰাজনৈতিক দলে বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰে। এই কার্যবোৰৰ ভিতৰত গুৰুত্বপূর্ণ কার্যটো হ'ল বিভিন্ন ধৰণৰ স্বার্থ পূৰণৰ প্রচেষ্টা (aggregation of interests)। আমি আটায়ে জানোঁ যে এটা ৰাজনৈতিক দল হ'ল একাধিক স্বার্থ সম্বলিত গোট। ই সমাজ এখনৰ ভিন্নধর্মী স্বার্থৰ প্রতিনিধিত্ব কৰে। কিন্তু তাৎপর্যপূর্ণ কথাটো হ'ল ৰাজনৈতিক দল এটাই ইয়াৰ সকলোবোৰ স্বার্থৰ মাজত এক সামঞ্জস্য স্থাপন কৰে আৰু সমাজৰ বিভিন্ন দল /গোটৰ মাজৰ পৰিপন্থী মনোভাৱ লাঘৱ কৰাৰ চেষ্টা চলায়। এই চেষ্টাৰ অংশৰূপে ৰাজনৈতিক দল এটাই যিমান পাৰে সিমান অধিক দল/ গোটৰ মাজত সহমত সৃষ্টি কৰিব খোজে। অর্থাৎ, কোনোবা এটা বিশেষ শ্রেণীৰ স্বার্থ এবাৰ ৰাজনৈতিক দলৰ স্বার্থসমষ্টিৰ অন্তর্ভুক্ত হোৱাৰ পাচত আৰু কেৱল সেই শ্রেণীটোৰ স্বার্থ হৈ নাথাকে। ৰাজনৈতিক দলৰ পৰিধিৰ ভিতৰত ভৌগলিক বৈচিত্র্যতাৰ দিশটো

অস্পষ্ট হৈ পৰে। এইবোৰ বিশেষত্বৰ বাবেই এটা ৰাজনৈতিক দলে একোটা সুসংগত আৰু স্পষ্ট নীতি গ্ৰহণ তথা প্ৰযোজ্য কৰিব পাৰে। এবাৰ ভিন্নধৰ্মী স্বাৰ্থবোৰে কোনো এটা ৰাজনৈতিক দলৰ ৰূপৰেখাৰ সৈতে সমধৰ্মিতা স্থাপন কৰাৰ পাচত ৰাজনৈতিক প্ৰক্ৰিয়াবোৰ সৰল হৈ পৰে, দলৰ ভিতৰত শৃংখলাৱদ্ধতাৰ সৃষ্টি হয় আৰু দলটোৱে সুস্থিৰতা লাভ কৰে। সেয়েহে ক'ব পাৰি যে ৰাজনৈতিক দলবোৰে সমাজৰ বিভিন্ন স্তৰত থকা নানা ধৰণৰ অসন্তুষ্টি তথা মতানৈকি শান্তিপূৰ্ণ আৰু আনুষ্ঠানিকভাৱে মীমাংসা কৰাত এক দক্ষ মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে।

- দ্বিমুখী সংযোগ স্থাপন প্ৰক্ৰিয়া ঃ ৰাজনৈতিক দলবোৰে সম্পাদন কৰা আন এটা গুৰুত্বপূৰ্ণ কাৰ্য হ'ল চৰকাৰ তথা জনসাধাৰণৰ মাজত এটা দ্বিমুখী সংযোগ প্ৰক্ৰিয়াৰ সংঘটন নিশ্চিত কৰা। চৰকাৰে প্ৰধানতঃ ৰাজনৈতিক দলবোৰৰ পৰাই সমাজৰ সাধাৰণ দাবীবোৰৰ বিষয়ে অহৰহ অৱগত হৈ থাকে। চৰকাৰৰ শাসন প্ৰক্ৰিয়া সন্দৰ্ভত জনসাধাৰণে দেখুওৱা আগ্ৰহ তথা মনোভাৱে ৰাজনৈতিক দলবোৰে চৰকাৰক জনাই থাকে। আকৌ, জনসাধাৰণেও ৰাজনৈতিক দলবোৰৰ পৰাই প্ৰয়োজনীয় ৰাজনৈতিক তথ্য লাভ কৰে। দলবোৰে চৰকাৰী সিদ্ধান্তবোৰ জনসাধাৰণক অৱগত কৰোৱাবলৈ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰে আৰু জনমত সংগ্ৰহ কৰে। বিভিন্ন ৰাজহুৱা বিষয় / সমস্যা সম্পৰ্কে ৰাজনৈতিক দলবোৰে জনসাধাৰণক শিক্ষিত কৰি তোলে আৰু প্ৰয়োজন সাপেক্ষে নিৰ্দেশনা প্ৰদান কৰে। দলবোৰৰ উদ্যোগতে সমস্যা/ বিষয়বোৰৰ বিকল্পসমূহ সহজ আৰু স্পষ্ট ৰূপত জনসাধাৰণে বুজি পায়। ৰাজনৈতিক দলবোৰে এই কামটো কেৱল নিৰ্বাচনৰ সময়তেই নকৰে। ই এক অবিৰত প্ৰক্ৰিয়া। এই বৈশিষ্ট্যটোৰ বাবেই ৰাজনৈতিক দলবোৰ ৰাজনৈতিক অংশগ্ৰহণৰ এক এৰাব নোৱাৰা অভিকৰণত পৰিণত হৈছে।
- ৰাজনৈতিক নিয়োগ ঃ ৰাজনৈতিক দলবোৰে সম্পাদন কৰা আন এটা গুৰুত্বপূৰ্ণ কাৰ্য হ'ল ৰাজনৈতিক নিয়োগ। গণতান্ত্ৰিক শাসন ব্যৱস্থাত অভিজাত অথবা শাসন কাৰ্য পৰিচালনা কৰা শ্ৰেণীটোক প্ৰধানতঃ ৰাজনৈতিক দলবোৰৰ সদস্যসকলৰ মাজৰ পৰাই বাছনি কৰা হয়। চৰকাৰৰ নেতাসকল সাধাৰণতে কোনোবা এটা ৰাজনৈতিক দলৰ সদস্য। একদলীয় শাসন ব্যৱস্থাৰ প্ৰচলন থকা দেশবোৰত ৰাজনৈতিক দলবোৰৰ এই কাৰ্যটোৱে এক বৃহত্তৰ মাত্ৰা লাভ কৰে। কাৰণ, এই ব্যৱস্থাত ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী হোৱাৰ একমাত্ৰ পথ হ'ল ৰাজনৈতিক দল। কোনো এটা ৰাজনৈতিক দলৰ সদস্যৰ নিয়োগ আৰ্হিটোক সাধাৰণতে দুভাগত ভগাব পাৰি- আধিপতসূচক (hegemonic) আৰু আৱৰ্তিত (turn over)। আধিপত্যসূচক নিয়োগ আৰ্হিত একেটা ৰাজনৈতিক দল অথবা একেকেইটা ৰাজনৈতিক দলৰ জোঁট এটাই দীৰ্ঘদিন ধৰি চৰকাৰী ক্ষমতা হস্তগত কৰি ৰাখে। আৱৰ্তিত আৰ্হিত শাসক দলবোৰ অথবা মিত্ৰজোঁট এটাত

আধিপত্য বিস্তাৰ কৰি থকা ৰাজনৈতিক দলটো সঘনাই সলনি হৈ থাকে। অৰ্থাৎ, ক'ব পাৰি যে আৱৰ্তিত আৰ্হিতকৈ আধিপতসূচক আৰ্হিত নিয়োগৰ স্থিতি অধিক স্থায়ী। ভাৰত হ'ল আধিপত্যসূচক নিয়োগৰ এক উত্তম উদাহৰণ। আৱৰ্তিত নিয়োগৰ উদাহৰণ হিচাপে আমি বৃটিছ ৰাজনীতিৰ কথা ক'ব পাৰোঁ।

- ৰাজনৈতিক সামাজিকীকৰণ ঃ ৰাজনৈতিক দলবোৰে এখন দেশৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াটোত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ওপৰৰ শিতানবোৰত কৰা আলোচনাৰ পৰা আমি গম পাইছো যে দেশ এখনৰ নাগৰিকৰ ৰাজনৈতিক অংশগ্ৰহণ সুনিশ্চিত কৰাত ৰাজনৈতিক দলবোৰে এক তাৎপৰ্য পূৰ্ণ আহিলাৰূপে কাম কৰে। ৰাজনৈতিক অংশগ্ৰহণৰ সুবিধাবোৰ সম্প্ৰসাৰণৰ বাবে চলোৱা প্ৰচেষ্টাই ৰাজনৈতিক সামাজিকীকৰণৰ ৰূপ ধাৰণ কৰে। এনে সামাজিকীকৰণ প্ৰক্ৰিয়াক দুটা ভাগত ভগাব পৰা যায়। ইয়াৰে প্ৰথমটো হ'ল ৰাজনৈতিক সামাজিকীকৰণৰ জৰিয়তে কোনো এটা ৰাজনৈতিক দলে পূৰ্বৰে পৰা প্ৰচলিত ৰাজনৈতিক সংস্কৃতি এটা পুনৰ সুদৃঢ় কৰি তুলিব পাৰে। আৰু আনটো হ'ল- ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে কোনো ৰাজনৈতিক দলে নতুন মনোভাৱ তথা বিশ্বাসৰ সৃষ্টি কৰি কোনো এটা প্ৰতিষ্ঠিত ৰাজনৈতিক সংস্কৃতিৰ আৰ্হি সলনি কৰাৰ চেষ্টা চলাব পাৰে।
- বিকলাৱস্থা সৃষ্টিকাৰী প্ৰভাৱ ঃ কোনো এটা ৰাজনৈতিক দলে কোনো এটা প্ৰচলিত ৰাজনৈতিক সংস্কৃতি পুনৰ সুদৃঢ় কৰিবলৈ চলোৱা প্ৰচেষ্টাই সকলো সময়তে ৰাজনৈতিক ব্যৱস্থা এটাক সুস্থিৰ কৰি নাৰাখিবও পাৰে। কেতিয়াবা ই ৰাজনৈতিক ব্যৱস্থাটোত বিকলাৱস্থাৰ সৃষ্টি কৰিব পাৰে। অৰ্থাৎ, শক্তিশালী পৰম্পৰাগত তথা নৃগোষ্ঠীয় উপ-সংস্কৃতিৰ প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক দলবোৰে যদি তেওঁলোকৰ আদৰ্শবোৰ সমাজত পুনৰ সুদৃঢ়ৰূপত প্ৰচলন কৰাৰ চেষ্টা কৰে তেন্তে এটা বিভেদ সৃষ্টিকাৰী বৈশিষ্ট্যবাদৰ সৃষ্টি হ'ব পাৰে। ই প্ৰচলিত ৰাজনৈতিক বৰস্থা এটাৰ সুস্থিৰতাত আঘাত হানিব পাৰে। আঞ্চলিক আৰু সাম্প্ৰদায়িক আদৰ্শেৰে পৰিচালিত কিছুমান ভাৰতীয় ৰাজনৈতিক দল হ'ল এই কথাৰ জ্বলন্ত নিদৰ্শন। অৱশ্যে সুস্থিৰ আৰু শৃংখলাৱদ্ধ আৰ্থ-সামাজিক পৰিস্থিতি এটাক অস্থিৰ কৰি তুলি ৰাজনৈতিক দলবোৰে নতুন ৰাজনৈতিক সংস্কৃতি এটা প্ৰচলনৰ চেষ্টা কৰাৰ আশা ক্ষীণ। কোনোবা দলে যদি এনে প্ৰচেষ্টা চলায়, তেন্তে ইয়াৰ সফলতাৰ সম্ভাৱনাও নিচেই কম। কাৰণ, যথেষ্ট কমসংখ্যক লোকেহে প্ৰতিষ্ঠিত বিশ্বাসৰ বাতাৱৰণটোক বাদ দি পৰিৱৰ্তনৰ নতুন ধাৰাটোৰ প্ৰতি আকৰ্ষিত হ'ব। কিন্তু, যদি কোনো এখন দেশৰ আৰ্থ-সামাজিক অৱস্থাই সমাজত প্ৰতিবন্ধক নাইবা অচলাৱস্থাৰ সৃষ্টি কৰিছে, তেন্তে প্ৰচলিত ৰাজনৈতিক সংস্কৃতি এটা সলনি কৰিবলৈ ৰাজনৈতিক দল এটাই লোৱা ভূমিকাক হয়তো সকলোৱে সন্মান জনাব। সুদূৰপ্ৰসাৰী, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ মুখামুখি হ'বলগীয়া হোৱা জনসমষ্টি এটাই এই পৰিৱৰ্তনবোৰৰ

অনুকূল সংস্কৃতি এটাৰ প্ৰচাৰত ব্ৰতী ৰাজনৈতিক দল এটাৰ বিষয়ে অধিক ভালদৰে জনাৰ প্ৰয়াস কৰিব। সেয়েহে, বৈপ্লৱিক, সামাজিক তথা ৰাজনৈতিক ৰূপান্তৰৰ বাবে কাম কৰি থকা উন্নয়নশীল সমাজবোৰৰ ৰাজনৈতিক দলবোৰে চলোৱা সামাজিকীকৰণ প্ৰক্ৰিয়াবোৰে একোটা বিশেষ অভিজ্ঞতাৰ ৰূপ লয়।

এটা ৰাজনৈতিক দলে কিমান ফলপ্ৰসূভাৱে ৰাজনৈতিক সামাজিকীকৰণ কাৰ্যকলাপবোৰ আগুৱাই নিব পাৰে সেই কথা বহুকেইটা কাৰকৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰে ভিতৰত উল্লেখযোগ্য কাৰণটো হ'ল ৰাজনৈতিক দলটোৰ আভ্যন্তৰীণ সংৰচনা। ইয়াৰ সামাজিক তথা ৰাজনৈতিক পৰিৱেশৰ আৰ্হিবোৰেও সামাজিকীকৰণ প্ৰক্ৰিয়াটোক প্ৰভাৱিত কৰে। ৰাজনৈতিক দলবোৰৰ কাৰ্যাৱলীৰ আপাতঃ দৃষ্টিৰে কৰা অধ্যয়নৰ পৰা এইবোৰ স্বতন্ত্ৰ চলক যেন বোধ হয়। কিন্তু প্ৰকৃতাৰ্থত ৰাজনৈতিক দলবোৰ হ'ল নিৰ্ভৰশীল চলক। নিৰ্ভৰশীল চলক (তাৰতম্যপূৰ্ণ গোট) হিচাপে ৰাজনৈতিক দলবোৰৰ বিষয়ে বুজিবলৈ আমি দলবোৰৰ সংৰচনা আৰু সম্ভাব্য নিৰ্ণায়কসমূহ অধ্যয়ন কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

(ক) খালী ঠাই পূৰণ কৰক-

(১) বিভেদ সৃষ্টিকাৰী .....এ প্ৰচলিত ৰাজনৈতিক ব্যৱস্থা এটাৰ সুস্থিৰতাত আঘাত হানিব পাৰে।

(২) এটা ৰাজনৈতিক দলত সদায়.....গাঁথনি দেখা পোৱা যায়।

১০.৫ ৰাজনৈতিক দলৰ শ্ৰেণীবিভাজন

ৰাজনৈতিক দলবোৰক সংৰচনাৰ লগতে আন বহুতো বিষয়ৰ ভিত্তিৰ বিভিন্ন শ্ৰেণীত বিভক্ত কৰা হয়। সবাতোকৈ সাধাৰণ আৰু সঘনাই ব্যৱহৃত হোৱা ভিত্তিটো হ'ল এটা দলীয় প্ৰণালীত থকা ৰাজনৈতিক দলৰ সংখ্যা। দলীয় প্ৰণালী এটা একদলীয়, দ্বিদলীয় নাইবা বহুদলীয় হ'ব পাৰে। প্ৰতিটো শিতানৰ ভিতৰত আকৌ আন কেইবাটাও উপ-শিতান থাকিব পাৰে। একদলীয় ব্যৱস্থা এটা একনায়কত্ববাদী হ'ব পাৰে। এনে দল এটা একক, সংহত, আদৰ্শগতভাৱে অভিবিন্যাসসকৃত কিন্তু অনা-একনায়কত্ববাদী প্ৰকৃতিৰ হ'ব পাৰে। ফ্ৰেংক'ৰ স্পেইন, খ্ৰুমাহ্ৰ ঘানা আৰু ডিয়েমৰ নেতৃত্বাধীন দক্ষিণ ভিয়েটনাম হ'ল এনে ব্যৱস্থাৰ উদাহৰণ। ইয়াৰ উপৰি কোনো কোনো দেশত বহুত্ববাদী একদলীয় বৱস্থাৰ প্ৰচলন থাকিব পাৰে। এনে একদলীয় বৱস্থাত দলটোৰ সাংগঠনিক সংৰচনা বহুত্ববাদী প্ৰকৃতিৰ হ'ব পাৰে, দৃষ্টিভংগীত কম আদৰ্শবাদী তথা অন্য দল গোটৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ ক্ষেত্ৰত কঠোৰ আৰু ধ্বংসকামী মনোভাৱ প্ৰদৰ্শন কৰাৰ সলনি সমিলমিলেৰে কাম কৰাৰ আগ্ৰহ দেখুৱাব পাৰে। মেক্সিকান বিপ্লৱৰ পাচৰে পৰা দেশখনত সক্ৰিয় হৈ থকা ৰিপাব্লিকান পার্টিটো হ'ল এনেধৰণৰ ৰাজনৈতিক দলৰ উৎকৃষ্ট উদাহৰণ।

ইয়াৰ উপৰি কিছুমান দেশত সম্পূৰ্ণ একনায়কত্ববাদী একদলীয় ৰাজনৈতিক ব্যৱস্থা প্ৰচলন থাকিব পাৰে। এনে দেশৰ শাসন ক্ষমতাক এটা সংহত দলে নিয়ন্ত্ৰণাধীন কৰি ৰাখিব পাৰে। এই দলটোৰ এটা প্ৰভাৱশালী আদৰ্শ থকাৰ উপৰি ই ৰাষ্ট্ৰখনৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যকলাপৰ সকলো দিশ কঠোৰ হাতেৰে নিয়ন্ত্ৰণ কৰিব পাৰে। চীন, ছোভিয়েট ইউনিয়ন, ভিয়েটনাম, উত্তৰ কোৰিয়া আৰু পূৰ ইউৰোপৰ বহুকেইখন দেশ এনে ৰাজনৈতিক ব্যৱস্থাৰ উদাহৰণ।

দ্বি-দলীয় ৰাজনৈতিক প্ৰণালীটোক আকৌ স্পষ্ট আৰু অস্পষ্ট এই দুটা ভাগত ভগাব পাৰি। স্পষ্ট দ্বি-দলীয় ব্যৱস্থাৰ প্ৰচলন থকা দেশৰ উদাহৰণ হ'ল বৃটেইন, অষ্ট্ৰেলিয়া আৰু পশ্চিম জাৰ্মানী। অস্পষ্ট দ্বি-দলীয় ব্যৱস্থাৰ দেশ এখন হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰ। স্পষ্ট দ্বি-দলীয় ব্যৱস্থাৰ দেশবোৰত ৰাজনৈতিক দলবোৰ অধিক কেন্দ্ৰীভূত আৰু আদৰ্শভিত্তিক। এনে ৰাজনৈতিক দলে পদানুক্ৰমিক সংগঠনিক সংৰচনা অনুসৰণ কৰে। তেওঁলোকৰ কাৰ্যকলাপ কেৱল নিৰ্বাচন কেন্দ্ৰিক নহয়। অস্পষ্ট দ্বি-দলীয় ব্যৱস্থাৰ ৰাজনৈতিক দলবোৰ প্ৰকৃতাৰ্থত গণ দল নহয়। এনে ৰাজনৈতিক দলবোৰে আদৰ্শত সিমান জোৰ নিদিয়ে। নিৰ্বাচনত জয়লাভ কৰাতহে এনে দলবোৰ অধিক আগ্ৰহী।

বহুদলীয় ৰাজনৈতিক প্ৰণালী এটাক সক্ৰিয় বহুদলীয় ব্যৱস্থা আৰু অস্থিৰ বহুদলীয় ব্যৱস্থা -এই দুভাগত ভগাব পাৰি। নৰৱে' আৰু চুইডেন হ'ল সক্ৰিয় বহুদলীয় ব্যৱস্থা থকা দেশৰ উদাহৰণ। আনহাতে, ফ্ৰান্স আৰু ইটালীত অস্থিৰ বহুদলীয় ব্যৱস্থা আছে। সক্ৰিয় বহুদলীয় ব্যৱস্থাত ৰাজনৈতিক দলবোৰে স্পষ্ট দ্বি-দলীয় ব্যৱস্থাৰ আৰ্হিত কাম কৰে আৰু ই চৰকাৰৰ কাৰ্য সম্পাদনসাধ্যতাক প্ৰভাৱিত নকৰে। অস্থিৰ বহুদলীয়া ব্যৱস্থাৰ বাবে চৰকাৰবোৰ সঘনে সলনি হয়। ই চৰকাৰী শৃংখলাৰ সুস্থিৰতা পৰিৱৰ্তন কৰে। কেতিয়াবা এটা বহুদলীয় প্ৰণালীৰ সংৰচনাৰ ভিতৰতে আন এটা দলীয় ব্যৱস্থাৰ উত্থান ঘটে। ইয়াক আধিপত বিস্তাৰকাৰী দলীয় ব্যৱস্থা বোলে। এনে ব্যৱস্থাত বহুদলীয় কাম-কাজ চলি থকাৰ মাজতে এটা দলৰ অন্য দলবোৰতকৈ শক্তিশালী ৰূপত উত্থান ঘটে আৰু প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাটোত আনুষ্ঠানিক-ভাৱে নিজকে প্ৰতিষ্ঠা কৰে। ভাৰতীয় ৰাজনৈতিক দৃশ্যপটত অবিৰতভাৱে আধিপত্য বিস্তাৰ কৰি থকা কংগ্ৰেছ দলটো হ'ল ইয়াৰ এক উত্তম নিদৰ্শন।

দলীয় নীতিৰ অনমনীয়তাৰ আধাৰত ৰাজনৈতিক দলবোৰক বাস্তৱবাদী আৰু আদৰ্শবাদী- এই দুভাগত ভগোৱা হয়। বাস্তৱবাদী দলবোৰ অধিক কাৰ্যসূচীকেন্দ্ৰিক আৰু কম আদৰ্শবাদী। এনে দলবোৰক মধ্যস্থতাকাৰী-বন্দৰস্তকাৰী দল বুলিও কোৱা হয়। কাৰণ, এটা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ এনে দলে নিজৰ সৈতে যিমান পাৰে সিমান দল /গোটক চামিল কৰিব খোজে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজনৈতিক দলবোৰ এনে প্ৰকৃতিৰ। ভাৰতৰ কংগ্ৰেছ দলকো এই ভাগত অন্তৰ্ভুক্ত কৰিব পাৰি। আনহাতে, আদৰ্শবাদী দলবোৰ হ'ল অধিক নীতিবাদী আৰু অন্ধ অনুসৰণকাৰী। এনে দলবোৰে ৰাজনৈতিক বন্দৰস্ত আৰু বুজাবুজি এৰাই চলে।

স্বাভাৱিকভাৱেই এনে দলবোৰে যিকোনো ধৰণৰ ৰাজনৈতিক বিৰোধিতাৰ প্ৰতি অসহিষ্ণুতা প্ৰদৰ্শন কৰে। চীন আৰু ৰাছিয়াৰ কমিউনিষ্ট পার্টি দুটা হ'ল এনেধৰণৰ ৰাজনৈতিক দলৰ উদাহৰণ। এই দুটা প্ৰকাৰৰ দলৰ মাজতে আন এক প্ৰকাৰৰ দল থাকিব পাৰে। তৃতীয় প্ৰকাৰটোৱে সাধাৰণতে নমনীয় আৰু মধ্যস্থতাকাৰী- বন্দৰস্তকাৰী প্ৰকৃতিৰ হয়। এনে দলে যথাসম্ভৱ সমৰ্থক গোটোৱাৰ চেষ্টা কৰে, কিন্তু একে সময়তে কেৱল এক নিৰ্দিষ্ট ভোটাৰৰ দলক অথবা একোটা নিৰ্দিষ্ট নীতিৰহে প্ৰতিনিধিত্ব কৰি ইয়াৰ আকৰ্ষন সীমাৱদ্ধ কৰি ৰাখে। **মালিহিছিয়াৰ ইউনাইটেড মালয়চ্ নেশ্যনেল অৰ্গেনাইজেশ্যন** হ'ল এনে ৰাজনৈতিক দলৰ উদাহৰণ।

ৰাজনৈতিক দল গঠন ব্যৱস্থাবোৰত থকা এই তাৰতম্যবোৰে ইয়াকে বুজায় যে বিভিন্ন সমাজে সমাজ পৰিচালনাৰ বাবে বিভিন্ন ধৰণৰ সংঘাত ব্যৱস্থাপনা পদ্ধতি অৱলম্বন কৰে। অধিকাংশ সময়তে কোনো সংঘাতে দেখা দিয়া আৰ্থ-সামাজিক পৰিৱেশক পৃষ্ঠভূমি হিচাপে লৈ এনে ব্যৱস্থাপনা পদ্ধতি বাছনি কৰা হয়। এখন উন্নত ঔদ্যোগিক সমাজে শ্ৰম বিভাজন আৰু বৃত্তিগত কাৰ্যকলাপৰ ব্যুৎপত্তিৰ আধাৰত বৰস্থাপনা পদ্ধতি গ্ৰহণ কৰে। এনে সমাজত স্বাভাৱিকভাৱেই বহুতো ভিন্নধৰ্মী স্বাৰ্থ সক্ৰিয় হৈ থাকে। বিভিন্ন স্বাৰ্থেৰে ভৰা ঔদ্যোগিক সমাজ এখনে সুসমন্বিত সামাজিক কাৰ্যকলাপৰ সহায়ত সুচাৰুৰূপে চলি গৈ থাকে। এখন ঔদ্যোগিক সমাজে বস্তুনিষ্ঠ প্ৰয়োজনীয়তাবোৰৰ দ্বাৰা সৃষ্ট শক্তিৰে পৰিচালিত হৈ থাকে। এনে সমাজবোৰে সৰ্বসন্মতভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰে যে অৰ্থনৈতিক উৎপাদনশীলতা বৃদ্ধি কৰাটোৱেই হ'ল সবাতোকৈ গুৰুত্বপূৰ্ণ লক্ষ্য। এই লক্ষ্যত যিকোনো মূল্যৰ বিনিময়ত উপনীত হোৱাৰ চেষ্টাত এনে সমাজবোৰে সমস্ত শক্তি প্ৰয়োগ কৰে। ফলত ভিন্ন বৈশিষ্ট্যৰ সামাজিক স্বাৰ্থবোৰে কেতিয়াও তেওঁলোকৰ মাজত বিভেদৰ সৃষ্টি কৰিব নোৱাৰে। এইটো কাৰণতে এখন বহল ঔদ্যোগিক সমাজত সদায় এটা দ্বি-দলীয় অথবা বহুদলীয় ৰাজনৈতিক প্ৰণালীৰ প্ৰচলন দেখা যায়। কাৰণ, এনে সমাজৰ **বহুধা** বিভক্ত স্বাৰ্থবোৰৰ মাত্ৰ এটা ৰাজনৈতিক দলে প্ৰতিনিধিত্ব কৰিব নোৱাৰে। আকৌ, যিহেতু এনে সমাজে একোটা সাধাৰণ সহমতত উপনীত হৈ কাম কৰি যায়, সেয়েহে ৰাজনৈতিক দলবোৰৰ মাজৰ প্ৰতিদ্বন্দ্বিতাই কেতিয়াও আপোচহীন শত্ৰুতাৰ ৰূপ নহয়। এনে শত্ৰুতাই ৰাজনৈতিক ব্যৱস্থা এটাৰ কাৰ্যক্ষমতাক বিপদাপন্ন কৰিব পাৰে। এনে সমাজত নগৰীকৰণ আৰু সংযোগৰ এটা ফলপ্ৰসূ নেটৱৰ্কে একেৰূপী প্ৰভাৱ বিস্তাৰ কৰে। নগৰীকৰণে ঔদ্যোগিকীকৰণৰ পথ প্ৰচাস্ত কৰে আৰু সংযোগ নেটৱৰ্ক হ'ল ঔদ্যোগিক সমাজৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এই দুয়োটা কথাই সংঘাত-ব্যৱস্থাপনাৰ প্ৰক্ৰিয়াটো আগবঢ়াই নিয়ে।

কিন্তু যিবোৰ সমাজ ঔদ্যোগিক প্ৰকৃতিৰ নহয়, সেইবোৰ সমাজত কোনো সমস্যা অথবা বিষয় সন্দৰ্ভত সৰ্বসন্মত সিদ্ধান্ত এটাত উপনীত হোৱাৰ পথত নানা অন্তৰায় থাকে। এনে সমাজবোৰ পৰম্পৰাগত বৈশিষ্ট্যবাদী তথা সংকীৰ্ণ আঞ্চলিকতাবাদী শক্তিৰ দ্বাৰা প্ৰভাৱিত হয়। সেয়েহে, এনে সমাজে ন্যস্ত স্বাৰ্থৰ বাবে চলা তিক্ত মতানৈক্যৰ মুখামুখি হ'বলগীয়া হয়। এনে এখন সমাজৰ ভিন্ন শ্ৰেণীৰ ভিন্ন স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক দলবোৰে হিংসাত্মক পন্থাৰে ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাত নামিব পাৰে। স্বাভাৱিকতেই ইয়াৰ ফলস্বৰূপে এনে সমাজৰ ৰাজনৈতিক

প্ৰণালীটোৰ সুস্থিৰতা প্ৰভাৱিক হয়। কেতিয়াবা এনেধৰণৰ বিশৃংখল পৰিস্থিতিৰসৃষ্টি হয় যে ই এক সামগ্ৰিক নৈৰাশ্যৰ জন্ম দিয়ে। এনে নৈৰাশ্যই ৰাজনৈতিক ক্ষমতা লাভৰ বাবে ৰাজনৈতিক দলবোৰৰ থাকিবলগীয়া ফলপ্ৰসূ প্ৰতিদ্বন্দ্বিতামূলক সামৰ্থ নাইকিয়া কৰে। এনে দোমোজা আৰু বিশৃংখলতাৰ মাজতে কোনো এটা নিৰ্দিষ্ট ৰাজনৈতিক দলে হঠাতে অগতানুগতিক ধৰণৰ ক্ষমতাৰ অধিকাৰী হৈ পৰে। অৱশেষত ইয়াৰ পৰিণামস্বৰূপে এটা প্ৰভাৱশালী ৰাজনৈতিক ব্যৱস্থা নাইবা এটা বহুত্ববাদী একদলীয় ব্যৱস্থা গঢ় লৈ উঠে। শেহতীয়াভাৱে বহুকেইখন আফ্ৰিকান- এচিয়ান ৰাষ্ট্ৰত এনে ব্যৱস্থাৰ উত্থান পৰিলক্ষিত হৈছে।

এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল যে আৰ্থ-সামাজিক তাৰতম্য আৰু ৰাজনৈতিক দলৰ বিকাশৰ মাজত থকা সহ-সম্পৰ্কটো একনায়কত্ববাদী একদলীয় ৰাজনৈতিক ব্যৱস্থাটোত কিন্তু সহজে প্ৰতিপন্ন কৰিব নোৱাৰি। একনায়কত্ববাদী একদলীয় ব্যৱস্থাটোৱে এখন ঔদ্যোগিক সমাজৰ দ্বাৰা ক্ৰমবৰ্দ্ধিত ৰূপত ভিন্ন বৈশিষ্টৰ স্বাৰ্থ সৃষ্টি হয় বুলি প্ৰতিষ্ঠিত সিদ্ধান্তটো মানি লয়। এখন ঔদ্যোগিক সমাজৰ সকলো ধৰণৰ প্ৰয়োজনীয়তাৰ ফলত সৃষ্ট সৰ্বসন্মত সাধাৰণ সামাজিক বাতাৱৰণটোও এনে একদলীয় ব্যৱস্থাই স্বাভাৱিক বুলি গ্ৰহণ কৰে। প্ৰচলিত ৰাজনৈতিক শৃংখলাটোৰ সুস্থিৰতাত বিৰূপ প্ৰভাৱ নেপেলালে একনায়কত্ববাদী একদলীয় ৰাজনৈতিক ব্যৱস্থাটোৱে ঔদ্যোগিক সমাজ এখনত একাধিক দলৰ বিকাশকো সহজভাৱে মানি লয়। একনায়কত্ববাদী একদলীয় ব্যৱস্থাটোৰ এই ব্যতিক্ৰম বৈশিষ্ট্যটোৱে ইয়াকে বুজায় যে ব্যৱস্থাটো বিভিন্ন স্বাৰ্থৰ এক সমৰূপতা সৃষ্টিত আগ্ৰহী। মতানৈক্য সৃষ্টিকাৰী স্বাৰ্থবোৰৰ এটা সংশ্লেষণ বাহিৰ কৰাৰ প্ৰতি এই ব্যৱস্থাটোৰ কোনো আগ্ৰহ নাই। সেয়েহে এই ব্যৱস্থাটোৱে ৰাষ্ট্ৰৰ কঠোৰ নিয়ন্ত্ৰণ অধীনত এটা অনমনীয় প্ৰকৃতিৰ একৰূপতা থকা সমাজ এখন প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা চলায়। এই ব্যৱস্থাটোত সমাজ এখনৰ ওপৰত ৰাজনৈতিক নিয়ন্ত্ৰণ বৰ্তাই ৰখাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অভিকৰণটো হ'ল ৰাজনৈতিক দল। অৰ্থাৎ, এই ব্যৱস্থাটোৱে ৰাজনৈতিক দলক কাংক্ষিত সামাজিক পৰিৱৰ্তন সাধনৰ ফলপ্ৰসূ আহিলাৰূপে ব্যৱহাৰ কৰে। ইয়াৰ দ্বাৰা গম পোৱা যায় যে ৰাজনৈতিক দল এটা কেৱল আৰ্থ-সামাজিক শক্তিবোৰৰে প্ৰতিফল নহয়, ই এখন সমাজৰ বৈশিষ্ট্য নিৰ্ধাৰণটো এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উদাৰপন্থী গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাটোতো ৰাজনৈতিক দলবোৰৰ এই বৈশিষ্ট্যটো সঘনাই পৰিলক্ষিত হয়। এটা গণতান্ত্ৰিক ৰাজনৈতিক সংৰচনাৰ অন্তৰ্ভুক্ত দ্বি-দলীয় ব্যৱস্থা এটাই যদি ফলপ্ৰসূভাৱে কাম কৰি যায়, তেন্তে ই সমাজ এখনক বুজা-পৰা তথা শান্তিপূৰ্ণ আলাপ-আলোচনাৰ কলাৰ প্ৰতি থকা বিশ্বাস দৃঢ় কৰি তুলিব পাৰে। এনে সমাজে হিংসা, চৰম উগ্ৰবাদী চিন্তা আৰু তেনে কাৰ্য-কলাপত জড়িত হোৱাৰ পৰা নিজকে বিৰত ৰাখে।

ডাভেৰ্জাৰ-এ তেওঁৰ গ্ৰন্থ (Political Partics)ত লিখিছে যে ৰাজনৈতিক সংৰচনা থকা সম্প্ৰদায় এটাকেই ৰাজনৈতিক দল বোলা হয়। তেওঁ ৰাজনৈতিক দলবোৰক 'বাহ্যিকভাৱে সৃষ্ট' আৰু 'আভ্যন্তৰীণভাৱে সৃষ্ট দলত ভাগ কৰিছে। ডাভেৰ্জাৰৰ মতে বাহ্যিকভাৱে সৃষ্ট ৰাজনৈতিক দলবোৰ অধিক কেন্দ্ৰীভূত, সংহত আৰু শৃংখলাৱদ্ধ। আভ্যন্তৰীণভাৱে সৃষ্ট দলবোৰৰ তৃণমূল পৰ্যায়ত বিকাশ ঘটে। স্থানীয় সমিতিবোৰে নিজৰ কাৰ্যকলাপৰ মাজত সমন্বয় সাধনৰ অৰ্থে এটা

কেন্দ্রীয় অভিকৰণ সৃষ্টি কৰে। সেয়েহে স্বাভাৱিকভাৱেই এনে অভিকৰণৰ স্ব-নিয়ন্ত্রণ ক্ষমতা স্থানীয় সমিতিয়েই তদাৰক কৰে। এনেধৰণে গঠিত কেন্দ্রীয় অভিকৰণক সীমিত ক্ষমতাহে প্রদান কৰা হয়।

১০.৬ গণতান্ত্রিক পৃষ্ঠভূমি আৰু ভাৰতত ৰাজনৈতিক দল

১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছ দল গঠন হোৱাৰ লগে লগে দেশত ৰাজনৈতিক দল গঠনৰ আৰম্ভণি হৈছিল বুলি ধৰা হয়। ভাৰতীয় জাতীয় কংগ্রেছ আৰম্ভণিতে এটা ছত্র সংগঠন আছিল। ই সমাজৰ সকলো শ্রেণীৰ লোকৰ স্বার্থৰ প্রতিনিধিত্ব কৰিছিল আৰু জাতীয় আন্দোলনৰ গুৰি ধৰিছিল। দলটোক প্রাৰম্ভিক সময়ছোৱাত দাদা ভাই নৌৰ'জী:, সু�ৰেন্দ্র নাথ বেনার্জী, গোপাল কৃষ্ণ গোখলে আদিৰ দৰে নৰমপন্থী নেতাই নেতৃত্ব দিছিল। তাৰ পৰৱর্তী পর্যায়ত 'লাল-বাল-পাল' নামেৰে জনপ্রিয়তা অর্জন কৰা লালা লাজপত ৰায়, বাল গংগাধৰ তিলক আৰু বিপিন চন্দ্র পালৰ দৰে উগ্রবাদী নেতাই দলৰ নেতৃত্বৰ ভাৰ গ্রহণ কৰিছিল। প্রথম বিশ্বযুদ্ধৰ পাচতে ভাৰতীয় জাতীয় কংগ্রেছে মহাত্মা গান্ধীৰ নেতৃত্বত স্বাধীনতা লাভৰ যুঁজ আৰম্ভ কৰিছিল। এইখিনি সময়তে মুছলিম লীগ, ভাৰতীয় কমিউনিষ্ট পার্টি আৰু হিন্দু মহাসভাৰ দৰে আন কেইবাটাও ৰাজনৈতিক দলৰ উত্থান ঘটিছিল। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পাচত কংগ্রেছ দলে নির্বাচনত প্রতিদ্বন্দ্বিতা আৰু পৰৱর্তী পর্যায়ত চৰকাৰ গঠন কৰি নিজকে এক পূর্ণাংগ ৰাজনৈতিক দলৰ ৰূপ দিছিল। ১৯৬৭ চনলৈকে ই ভাৰতৰ সবাতোকৈ প্রভাৱশালী ৰাজনৈতিক দল হৈ আছিল। কংগ্রেছ দলে একেৰাহে ১৯৫২,১৯৫৭, ১৯৬২ আৰু ১৯৬৭ চনৰ নির্বাচনত জয়লাভ কৰি কেন্দ্রৰ লগতে প্রায় আটাইকেইখন ৰাজ্যতে চৰকাৰ গঠন কৰিছিল। ভাৰতীয় ৰাজনীতিত এই সময়ছোৱাক 'একদলীয় আধিপত্য ব্যৱস্থা'ৰ যুগ বুলি জনা যায়। আন বহুকেইটা ৰাজনৈতিক দলেও নির্বচনত প্রতিদ্বন্দ্বিতা কৰিছিল যদিও সেই দলবোৰে মাত্র কেইখনমান আসনতহে বিজয়ী হৈছিল। ১৯৬৭ চনৰ পৰা ভাৰতৰ ৰাজনৈতিক দল গঠন প্রক্রিয়াটো অবিৰতভাৱে সলনি হৈ আছে। ১৯৭১ চনত কংগ্রেছ দলে লোকসভা নির্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল যদিও বহুকেইখন ৰাজ্যত অন্য দলে চৰকাৰ গঠন কৰিছিল। এনে চৰকাৰৰ অধিকাংশই আছিল মিত্রজোঁটৰ চৰকাৰ। ১৯৭৭ চনৰ পাচৰ পৰা ভাতত দ্বি-দলীয় ৰাজনৈতিক ব্যৱস্থা প্রচলিত হ'বলৈ ধৰিলে। প্রথম অৱস্থাত সবাতোকৈ প্রভাৱশালী দল দুটা আছিল ভাৰতীয় জাতীয় কংগ্রেছ আৰু জনতা দল। কিন্তু এই বৱস্থা দীর্ঘদিন নিটিকিল। কাৰণ, জনতা দল আছিল কংগ্রেছ (৩), জন সংঘ, দ্য চোছিয়েলিষ্ট পার্টি, ভাৰতীয় লোকদল আৰু দ্য কংগ্রেছ ফৰ ডেম'ক্রেচি আদি বিভিন্ন দলৰ এট মিত্রজোঁট। এই মিত্রজোঁট ভংগ হোৱাৰ লগে লগে কংগ্রেছ দল লাভান্বিত হ'ল আৰু ১৯৮০ চনত পুনৰ ক্ষমতালৈ আহে। দলটোৱে ১৯৮৯ চনলৈকে ভাৰতৰ ৰাজনৈতিক ক্ষমতা সম্পূর্ণৰূপে নিজৰ দখলত ৰাখিছিল। অৱশ্যে ১৯৮৯ চনৰ পৰা কংগ্রেছ দলৰ আধিপত্যৰ যুগৰ অৱসান ঘটিছিল। ভাৰতীয় ৰাজনৈতিক দল ব্যৱস্থাটোৱে তেতিয়াৰ পৰা মিত্রজোঁটৰ চৰকাৰ গঠন প্রক্রিয়াটো

প্রত্যক্ষ কৰি আহিছে। ১৯৯৯ চনৰ পৰা বর্তমানলৈকে দেশত দুটা বৃহৎ মিত্রজোঁট সক্রিয় হৈ আছে। ইয়াৰে এটা হ'ল ভাৰতীয় জনতা পাটিৰ নেতৃত্বাধীন নেশ্যনেল ডেম'ক্রেটিক এলায়েন্স (NDA) আৰু আনটো হ'ল কংগ্রেছ দলৰ নেতৃত্বাধীন ইউনাইটেড প্র'গ্রেছিভ এলায়েন্স (UPA)। বর্তমান ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাটোৱে বহুদলীয় ৰূপ গ্রহণ কৰিছে। দেশৰ ৰাজনৈতিক প্রক্রিয়াত আজিকালি যতেষ্ট সংখ্যক দলে অংশগ্রহণ কৰে।



অগ্রগতি নিৰীক্ষণ

(খ)

(১) ভাৰতৰ প্রধান ৰাজনৈতিক মিত্রজোঁট দুটাৰ নাম লিখক।

.....

.....

(২) বহুদলীয় ৰাজনৈতিক ব্যৱস্থাৰ প্রচলন থকা দেশ দুখনৰ নাম লিখক।

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক সমাজতত্ত্বৰ ধাৰণাটো ৰাজনৈতিক ক্ষমতা আৰু কর্তৃত্বৰ কার্য সম্পাদন প্রক্রিয়াৰ অধ্যয়নক কেন্দ্র কৰি বিকশিত হৈছে
- ৰাজনৈতিক দলবোৰ হ'ল একোটা সামাজিক গোট। কাৰণ, এই দলবোৰে আন্তঃনির্ভৰশীল কার্যকলাপ সম্পাদন আৰু আন্তঃ ব্যক্তিক সম্পর্ক স্থাপন কৰে।
- ৰাজনৈতিক দলবোৰে যথাসম্ভৱ লক্ষ্যভিত্তিক সমন্বয়পূর্ণ কাম-কাজ সম্পাদন কৰে। ৰাজনৈতিক দলবোৰে উমৈহতীয়াভাৱে স্বীকৃত লক্ষ্য কিছুমানত উপনীত হোৱাৰ উদ্দেশ্যেৰে ইয়াৰ সদস্যসকলৰ আচৰণক একোটা যুক্তিসংগত নির্দেশনা প্রদান কৰে।
- পৰিয়াল, উপাসনা গৃহ আৰু ব্যৱসায়িক প্রতিষ্ঠানৰ দৰে সামাজিক দলবোৰতকৈ ৰাজনৈতিক দলবোৰ পৃথক। ইয়াৰ এনে কিছুমান বৈশিষ্ট্য আছে যিবোৰে ইয়াক অন্য সামাজিক দলৰ পৰা পৃথক কৰে।
- ৰাজনৈতিক দলক অন্য সামাজিক দল /গোটৰ পৰা পৃথক কৰা বৈশিষ্ট্য এটা হ'ল ৰাজনৈতিক দলৰ লক্ষ্যবোৰৰ আৰ্হি। এটা ৰাজনৈতিক দলৰ প্রধান লক্ষ্য হ'ল ৰাজনৈতিক ক্ষমতা আহৰণ কৰা আৰু অকলে নাইবা অন্য ৰাজনৈতিক দলৰ সহযোগিতাত এই ক্ষমতা হস্তগত কৰি ৰখা।

- ৰাজনৈতিক দলবোৰক সংৰচনাৰ লগতে আন বহুতো বিষয়ৰ ভিত্তিত বিভিন্ন শ্ৰেণীত বিভক্ত কৰা হয়।
- সবাতোকৈ সাধাৰণ আৰু সঘনাই ব্যৱহৃত হোৱা ভিত্তিটো হ'ল এটা দলীয় প্ৰণালীত থকা ৰাজনৈতিক দলৰ সংখ্যা। দলীয় প্ৰণালী এটা এক দলীয়, দ্বিদলীয় নাইবা বহুদলীয় হ'ব পাৰে।
- ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ দল গঠন হোৱাৰ লগে লগে দেশত ৰাজনৈতিক দল গঠনৰ আৰম্ভণি হৈছিল বুলি ধৰা হয়।
- ভাৰতীয় জাতীয় কংগ্ৰেছ আৰম্ভণিতে এটা ছাত্ৰ সংগঠন আছিল। ই সমাজৰ সকলো শ্ৰেণীৰ লোকৰ স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰিছিল আৰু জাতীয় আন্দোলনৰ গুৰি ধৰিছিল।
- ভাৰতীয় ৰাজনৈতিক দল ব্যৱস্থাটোৱে ১৯৮৯ চনৰ পৰা মিত্ৰজোঁটৰ চৰকাৰ গঠন প্ৰক্ৰিয়াটো প্ৰত্যক্ষ কৰি আহিছে।



১০.৮ অধিক জানিবলৈ

- Chandhoke, Neera (ed.), 2000. *State and Civil Society*. New Delhi : Sage Publishers.
- Faulks, Keith. 2011. *Political Sociology : a Critical Introduction.* New Delhi : Rawat Publications.
- Kumar, Anand. 2014. Readings in Indian Sociology : Political Sociology of India (Volume 8), New Delhi : Sage Publishers.
- Kaviraj, Sudipta & Sunil Khilnani. 2002. *Civil Society : History and Possibilities,* New Delhi : Cambridge University Press.
- Asharaf, Ali and Sharma, L. N. 1983. *Polotical Sociology - Globalization, Polotics and Power.* Blackwell Publishers.
- Rathod, P.B. 2005. *Fundamentals of Political Sociology.* Jaipur : ABD Publishers.



১০.৯ অগ্ৰগতিৰ খতিয়ান

উত্তৰসমূহঃ

(ক)

১ নং প্ৰশ্নৰ উত্তৰ ঃ - বৈশিষ্ট্যবাদে

২ নং প্ৰশ্নৰ উত্তৰ ঃ - পদানুক্ৰমিক

(খ)

১ নং প্ৰশ্নৰ উত্তৰ ঃ - নেশ্যনেল ডেম'ক্ৰেটিক এলায়েন্স (NDA) আৰু ইউনাইটেড প্ৰ'গ্ৰেছিভ এলায়েন্স (UPA)

২ নং প্ৰশ্নৰ উত্তৰ ঃ - নৰৱে' আৰু চুইডেন



১০.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ- ৰাজনৈতিক দল মানে কি?

প্ৰশ্ন নং ২ ঃ- ৰাজনৈতিক দলবোৰ অন্য সামাজিক দল /গোটতকৈ কিহত পৃথক?

প্ৰশ্ন নং ৩ ঃ- বহুদলীয় ৰাজনৈতিক ব্যৱস্থাৰ বিষয়ে এখন ৰচনা লিখক।

প্ৰশ্ন নং ৪ ঃ- ৰাজনৈতিক দলৰ কাৰ্যাৱলী ব্যাখ্যা কৰক।

*****

অধ্যায় ১১ ঃ ভাৰতত ৰাজনীতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ৰাষ্ট্ৰীয়তাবাদৰ সামাজিক পটভূমি

- ১১.৩.১ প্ৰাক ব্ৰিটিছ্ গ্ৰাম্য অৰ্থনীতি
- ১১.৩.২ প্ৰাক ব্ৰিটিছ্ গ্ৰাম্য সংস্কৃতি
- ১১.৩.৩ প্ৰাক ব্ৰিটিছ্ নগৰীয়া অৰ্থনীতি
- ১১.৩.৪ প্ৰাক ব্ৰিটিছ্ নগৰীয়া সংস্কৃতি
- ১১.৩.৫ অৰ্থনীতিৰ ৰূপান্তৰকৰণ
- ১১.৩.৬ গ্ৰাম্য কুটিৰ শিল্পৰ অৱনতি
- ১১.৩.৭ নগৰীয়া হস্তশিল্পৰ অৱনতি
- ১১.৩.৮ যোগাযোগ আৰু ৰূপান্তৰকৰণৰ আধুনিক পদ্ধতি
- ১১.৩.৯ আধুনিক শিক্ষাৰ প্ৰৱৰ্তন

১১.৪ ৰাষ্ট্ৰীয় সংহতি আৰু প্ৰত্যাহ্বানসমূহ

- ১১.৪.১ ভাষাৰ ভিন্নতা
- ১১.৪.২ জাতিবাদ
- ১১.৪.৩ অৰ্থনৈতিক বৈষম্য

১১.৫ ভাৰতৰ সংবিধানৰ আদৰ্শ

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্ৰগতিৰ খতিয়ান

১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাষ্ট্ৰীয়তাবাদৰ সামাজিক পটভূমিৰ সৈতে সম্পৰ্কিত বিভিন্ন দিশ চিনাক্ত কৰিব পাৰিব
- ৰাষ্ট্ৰীয় সংহতিৰ ধাৰণা আৰু ইয়াৰ সৈতে জড়িত প্ৰত্যাহ্বানসমূহ আলোচনা কৰিব পাৰিব
- ভাৰতীয় সংবিধানৰ বিভিন্ন আদৰ্শ ব্যাখ্যা কৰিব পাৰিব

১১.২ পৰিচয়

যিকোনো ৰাষ্ট্ৰৰ ক্ষেত্ৰতে ইয়াৰ ৰাজনৈতিক দৃশ্যপটৰ এক বিশেষ গুৰুত্ব থাকে। ইয়াৰ সৈতে জড়িত ৰাজনীতি আৰু ঘটনাক্ৰম হৈছে ৰাজনৈতিক সমাজশাস্ত্ৰ আৰু ৰাজনীতি বিজ্ঞান উভয়ৰে আলোচনাৰ কেন্দ্ৰবিন্দু। সৰ্বশেষত 'ৰাজনীতি', দলসমূহৰ লগতে আমোলাতন্ত্ৰ আৰু ৰাইজেই এখন ৰাষ্ট্ৰৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰে। এই অধ্যায়ত আমি ৰাজনীতিৰ সৈতে জড়িত দিশসমূহ যেনে ৰাষ্ট্ৰীয়তাবাদ, ৰাষ্ট্ৰীয় সংহতিৰ প্ৰতি প্ৰত্যাহ্বান, সাম্প্ৰদায়িকতাবাদ আৰু আঞ্চলিকতাবাদৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ লগতে সংবিধানৰ আদৰ্শ আৰু সাধাৰণ ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰাৰ ক্ষেত্ৰত ইয়াৰ ভূমিকাও লক্ষ্য কৰিম। সৰ্বশেষত আমি ভাৰতত ৰাজনীতিৰ সৈতে সম্পৰ্কিত দিশৰূপে সন্ত্ৰাসবাদৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিম।

প্ৰথমে আমি ৰাষ্ট্ৰীয়তাবাদৰ সামাজিক পটভূমিৰ বিষয়ে আলোচনা কৰোঁ আহক—

১১.৩ ৰাষ্ট্ৰীয়তাবাদৰ সামাজিক পটভূমি (SOCIAL BACKGROUND OF NATIONALISM)

ভাৰতত ৰাজনীতিৰ বিষয়ে আলোচনা কৰোতে ৰাষ্ট্ৰীয়তাবাদ হৈছে অন্যতম গুৰুত্বপূৰ্ণ বিষয়। অৱশ্যে ৰাষ্ট্ৰীয়তাবাদৰ সৰ্বজনস্বীকৃত সংজ্ঞা নিৰ্ধাৰণ কৰাটো অতি কঠিন। ৰাষ্ট্ৰীয়তাবাদক এটা গোটৰ অধীনস্থৰূপে অনুভৱ কৰা মানসিকতা ৰূপে ব্যাখ্যা কৰিব পাৰি, যাৰ কেতবোৰ সাধাৰণ বৈশিষ্ট্য থাকে অথবা আমি মনৰ এক স্থিতি, এক মনোবৈজ্ঞানিক আৰু সাংস্কৃতিক ধাৰণা বুলি ক'ব পাৰো।

বহুসময়ত ৰাষ্ট্ৰীয়তাবাদক স্বদেশপ্ৰেম অৰ্থাৎ দেশৰ প্ৰতি থকা গভীৰ ভালপোৱাৰ সৈতেও একেঅৰ্থত বিবেচনা কৰা হয়। আকৌ বহুতে ইয়াক এটা সম্প্ৰদায়ক এক নিৰ্দিষ্ট অঞ্চলৰ ভিতৰত একগোট কৰি ৰখা শক্তিৰূপে ব্যাখ্যা কৰে। ই হৈছে একেটা গোটৰ অধীনস্থ লোকসকলৰ মাজত সাদৃশ্যৰ অনুভূতি। ই হৈছে সমূহীয়া সজাগতাৰ অনুভৱ। পৰৱৰ্তী সময়ত ভাৰতীয় প্ৰেক্ষাপটত ৰাজনৈতিক সমাজশাস্ত্ৰৰ বিষয়ে আলোচনা কৰোতে ৰাষ্ট্ৰীয়তাবাদৰ ধাৰণাই বহুলভাৱে গুৰুত্ব লাভ কৰিছে।

এ আৰ দেশাই (A. R. Desai) ৰ মতে 'ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ উদ্ভৱ হৈছে ব্ৰিটিছ যুগত বহুসংখ্যক বিষয়গত আৰু বস্তুগত শক্তি আৰু কাৰকৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে। ভাৰতীয় সমাজত ইয়াৰ বিকাশ হৈছে ব্ৰিটিছ শাসনৰ পৰিস্থিতি আৰু বিশ্ব শক্তিৰ প্ৰভাৱৰ অধীনত।'

ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ উদ্ভৱ আৰু বিকাশৰ এক বহুমাত্ৰিক, জটিল আৰু আচহুৱা সামাজিক পটভূমি আছে। বিভিন্ন কাৰণৰ বাবে এয়া হৈছে।

ভাৰত হৈছে বৃহৎ সংখ্যক জনসংখ্যাৰ বিশাল দেশ যাৰ বৈশিষ্ট্যসমূহৰ অন্যতম হৈছে ভিন্ন সংস্কৃতি, ভাষা আৰু ধৰ্ম। প্ৰাক ব্ৰিটিছ ভাৰতত সামাজিক আৰু ৰাজনৈতিক সংৰচনা যথেষ্ট অন্যন্য আছিল। যদিও এয়া তেওঁলোকৰ নিজৰ স্বাৰ্থৰ বাবে গ্ৰহণ কৰিছিল তথাপিও ঔপনিৱেশিক

শাসনৰ অধীনত নতুন ব্যৱস্থাসমূহে যুক্তিসংগতভাৱে ভাৰতীয় সমাজৰ অৰ্থনৈতিক সংৰচনাৰ পৰিৱৰ্তন সাধন কৰে। ব্ৰিটিছসকলে নতুন ভূমি ৰাজহ ব্যৱস্থাৰ লগতে আধুনিক শিক্ষা, যোগাযোগৰ আধুনিক ব্যৱস্থা আৰু অন্যান্য সংস্থাসমূহৰ প্ৰৱৰ্তন কৰে। বাস্তৱিকতে ইয়ে শোষণৰ প্ৰক্ৰিয়াক অধিক সহজ কৰি তোলে।

ঔপনিৱেশিক ক্ষমতা প্ৰয়োগৰ পৰোক্ষ পদ্ধতিয়ে নতুন সামাজিক শক্তিৰ অভ্যুত্থান ঘটায়। এই সামাজিক শক্তিসমূহে নিজৰ স্বভাৱগতভাৱে ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ সৈতে সংঘাতত লিপ্ত হয়। সেইবাবে ইয়াকে ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ উত্থান আৰু বিকাশৰ ভেটি আখ্যা দিব পৰা যায়। এই পৰিপ্ৰেক্ষিতত ভাৰতীয় অৰ্থনীতিৰ বিভিন্ন স্তৰক আমি ভালদৰে লক্ষ্য কৰাটো অতি জৰুৰী। ইয়াৰ দ্বাৰা ভাৰতীয় প্ৰেক্ষাপটত ৰাষ্ট্ৰীয়তাবাদৰ ভাবধাৰা বুজাত সহায়ক হ'ব।

১১.৩.১ প্ৰাক ব্ৰিটিছ গ্ৰাম্য অৰ্থনীতি (Pre-British Village Economy)

প্ৰাক ব্ৰিটিছ গাঁওসমূহ আছিল ক্ষুদ্ৰ গণৰাজ্যৰ দৰে। এই স্বনিৰ্ভৰশীল গ্ৰাম্য অৰ্থনীতি আছিল প্ৰধানকৈ কৃষিপ্ৰধান আৰু আত্মনিৰ্ভৰশীল। এই গাওঁসমূহে নিজৰ বাবে উৎপাদন কৰিছিল। ইয়াত লাভালাভ অৰ্জন অথবা বৃহৎ হাৰত উৎপাদনৰ ভাৰ নিহিত নাছিল। সেইবাবে ঔপনিৱেশিক যুগৰ পূৰ্বে গাঁৱৰ ৰাইজে এক স্বাধীনচিতিয়া জীৱন যাপন কৰিছিল।

১১.৩.২ প্ৰাক ব্ৰিটিছ গ্ৰাম্য সংস্কৃতি (Pre-British Village Culture)

প্ৰাক ব্ৰিটিছ গাওঁসমূহ আছিল ৰক্ষণশীল, অপৰিৱৰ্তনীয়, ইয়াৰ বাসিন্দাসকলৰ মাজত অন্ধবিশ্বাস, ৰহস্যবাদী ধাৰ্মিকতা তথা প্ৰাকৃতিক শক্তিৰ আদিম ৰূপৰ উপাসনাৰ প্ৰচলন আছিল। অৱশ্যে সেই যুগৰ গাঁওসমূহো যথেষ্ট পৰিমাণৰ ভিতৰুৱা সামাজিক কাৰ্যাৱলীৰ পটভূমি ৰূপে বিবেচিত হৈছিল। গাঁওবাসীয়ে বিভিন্ন সামাজিক কাৰ্যসূচী যেনে ৰামলীলা, ধাৰ্মিক আলোচনা আৰু অন্যান্য উপলক্ষ্য উদযাপন কৰিছিল। গাঁওবাসীৰ মাজত ধাৰ্মিক ভাৱধাৰা যথেষ্ট শক্তিশালী আছিল। এইক্ষেত্ৰত ডি পি মুখাৰ্জী (D.P. Mukherji)য়ে মন্তব্য কৰিছে যে 'এয়া ৰাজনৈতিক-অৰ্থনৈতিক একতা(ৰাষ্ট্ৰীয়তাবাদ)ৰ পৰিৱৰ্তে আছিল ধাৰ্মিক-আদৰ্শগত একতাৰ সচেতনতা।'

১১.৩.৩ প্ৰাক ব্ৰিটিছ নগৰীয়া অৰ্থনীতি (Pre-British Urban Economy)

ব্ৰিটিছ সকল অহাৰ পূৰ্বে অৰ্থনীতি আছিল উন্নত আৰু স্ব-নিৰ্ভৰশীল। কালভাৰটন (Calverton)ৰ মতে 'ভাৰতৰ উদ্যোগসমূহ পশ্চিমৰ উদ্যোগসমূহতকৈ বহু আগবঢ়া আছিল, এইসমূহ আছিল তীক্ষ্ণ মগজু, উচ্চমানৰ দক্ষতা আৰু সৃষ্টিশীল মেধাৰ ফচল।' বস্ত্ৰ, কঁপাহ আদিকে ধৰি ভাৰতৰ উদ্যোগসমূহ আছিল যথেষ্ট উন্নত।

নগৰৰ হস্তশিল্পই এটা বিশেষ পর্যায়লৈ উন্নীত হোৱাৰ লগতে ইয়াৰ ভিন্নতা তথা কাৰিকৰী গুণৰ বাবে জনাজাত হৈ পৰিছিল। এনেদৰে ভাৰতীয় অর্থনীতিৰ বিকাশ সাধন হোৱাৰ উপৰিও ইয়ে স্থানীয় ৰাইজক লাভান্বিত কৰিছিল।

১১.৩.৪ প্ৰাক ব্ৰিটিছ নগৰীয়া সংস্কৃতি (Pre-British Urban Culture)

প্ৰাক ব্ৰিটিছ ভাৰতৰ নগৰ কেন্দ্ৰসমূহত চহকী, জটিল আৰু তুলনামূলকভাৱে বিকশিত সংস্কৃতিৰ পয়োভৰ দেখা গৈছিল। অৱশ্যে এই সংস্কৃতি কোনো ৰাষ্ট্ৰীয় আবেগৰ দ্বাৰা অনুপ্ৰাণিত হোৱাৰ পৰিৱর্তে ধার্মিক দিশৰ প্ৰতি অনুৰক্ত আছিল। যদিহে ইয়াৰ কোনো ধর্মনিৰপেক্ষ চৰিত্ৰ আছিল তেনেহ'লে ই শাসকৰ মহানতা আদি দিশৰ সৈতে সম্পর্কিত আছিল। গতিকে আমি লক্ষ্য কৰিব পাৰো যে ইয়াত ৰাষ্ট্ৰীয় আৱেগৰ কোনো স্থান নাছিল।

১১.৩.৫ অর্থনীতিৰ ৰূপান্তৰকৰণ (Transformation of Economy)

ব্ৰিটিছসকলে প্ৰৱর্তন কৰা ঔপনিৱেশিক ৰাজহ ব্যৱস্থাই প্ৰচলিত আত্মনির্ভৰশীল গ্ৰাম্য আৰু নগৰীয়া অর্থনীতিক সম্পূর্ণৰূপে ভাঙি পেলাইছিল। গ্ৰাম্য কৃষিব্যৱস্থাৰ মূল লক্ষ্য আছিল গাঁৱখনৰ প্ৰয়োজনীয়তা পূ�ৰণ কৰা কিন্তু নতুন ৰাজহ ব্যৱস্থাৰ অধীনত এই লক্ষ্য সলনি হৈ বজাৰৰ চাহিদা পূ�ৰণ কৰাই ইয়াৰ লক্ষ্য হৈ পৰে। ঔপনিৱেশিক শাসকসকলে নির্ধাৰণ কৰা উচ্চহাৰৰ ৰাজহ আদায় দিবলৈ কৃষকসকলে ধন ঘটাৰ উদ্দেশ্যৰে উৎপাদন কৰিবলৈ আৰম্ভ কৰে।

নতুন ভূমি নীতি অনুসৰি গাওঁবাসীয়ে নিজৰ মাটিৰ গৰাকীস্বত্ব হেৰুওৱাৰ লগতে প্ৰত্যক্ষভাৱে ৰাষ্ট্ৰৰ কেন্দ্ৰীভূত ব্যৱস্থাৰ সৈতে জড়িত হৈ পৰিছিল। ৰাষ্ট্ৰৰ এই নতুন ব্যৱস্থাত পৰম্পৰাগত পঞ্চায়ত প্ৰথাৰ বিলোপ ঘটি নতুন আইন-কানুনৰ সৈতে ন্যায়ালয়সমূহ গঢ়ি উঠে। গতিকে ব্ৰিটিছ নীতিসমূহে কেৱল গ্ৰাম্য অর্থনীতিতে প্ৰভাৱ পেলোৱা নাছিল ইয়াৰ লগতে এই নীতিসমূহে গাঁৱৰ চৰিত্ৰ সলনি কৰি তুলিছিল। সকলো ধৰণৰ ন্যায়িক কাম-কাজৰ বাবে আধুনিক ন্যায়ালয়সমূহে পঞ্চায়তৰ স্থান দখল কৰিছিল।

ভূমি আৰু বনাঞ্চলৰ ক্ষেত্ৰত সমূহীয়া গৰাকীস্বত্বৰ ৰূপান্তৰ ঘটি এইসমূহ ৰাষ্ট্ৰ অথবা ব্যক্তিগত গৰাকীস্বত্বৰ অধীনলৈ আহে, যাৰ ফলত গাঁওবাসীয়ে নিজৰ পৰিসীমাৰ হাবি-বননিৰ মুক্ত ব্যৱহাৰৰ অধিকাৰ হেৰুৱাই পেলায়। মুঠতে 'গাঁওসমূহে ধীৰে-সুস্থিৰে স্ব-শাসিত সম্প্ৰদায়ৰ ৰূপ পৰিত্যাগ কৰি কেন্দ্ৰীভূত ৰাষ্ট্ৰৰ প্ৰশাসনীয় গোট আৰু ৰাষ্ট্ৰীয় অর্থনীতি আনকি বিশ্ব অর্থনীতিৰ এক নির্ভৰশীল অর্থনৈতিক অংগলৈ পৰিণত হয়।' যেতিয়া ই ৰাষ্ট্ৰীয় অর্থনীতিৰ এক অংশ হৈ পৰে তেতিয়া গ্ৰাম্য কৃষিৰ সমস্যাসমূহে

সমগ্ৰ দেশতে প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰে। ঋণ, দৰিদ্ৰতা আদি সমস্যাসমূহ গ্ৰাম্য কৃষি ব্যৱস্থাৰ সমস্যাৰ ফলস্বৰূপে দেখা দিবলৈ ধৰে।

আকৌ কৃষি ব্যৱস্থাৰ অৱনতিয়ে উদ্যোগ খণ্ড আৰু উদ্যোগীসকলৰ অৰ্থনৈতিক স্থানত কুপ্ৰভাৱ পেলাবলৈ ধৰে আৰু এক সাধাৰণ সমস্যাৰূপে দেখা দিয়ে। যিহেতুকে ভাৰতীয় কৃষিব্যৱস্থাৰ সমস্যাসমূহ একেবোৰ কাৰকৰ দ্বাৰা সৃষ্ট সাধাৰণ আৰু ৰাষ্ট্ৰীয় সমস্যাৰূপে দেখা দিয়ে সেয়ে ই এক সমূহীয়া স্বাভাৱিক আৱেগ আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত গতিশীলতাৰ শক্তিৰূপে পৰিগণিত হয়।

১১.৩.৬ গ্ৰাম্য কুটিৰ শিল্পৰ অৱনতি (Decline of Village Artisan Industry)

যন্ত্ৰনিৰ্মিত সস্তীয়া উৎপাদিত সামগ্ৰীৰ উপলব্ধতাই গ্ৰাম্য কুটিৰ শিল্পৰ অৱনতিৰ মূল কাৰকত পৰিণত হয়। লোকচানৰ সন্মুখীন হোৱা কিছু সংখ্যক শিল্পীয়ে নগৰ অঞ্চললৈ আহি কাৰখানা আৰু কৰ্মশালাত চাকৰি কৰিবলৈ আৰম্ভ কৰে। আন কিছু সংখ্যক কৃষক স্বত্তাধিকাৰীলৈ পৰিণত হোৱাৰ লগতে যিসকল শিল্পী তাৰ পিচতো বৰ্তি আছিল তেওঁলোক বজাৰৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য হৈ পৰে। গ্ৰাম্য অৰ্থনীতি এনেদৰে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ লগতে বিশ্ব অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। সেইবাবে এই অৰ্থনীতিয়ে ৰাষ্ট্ৰীয় স্তৰত অৰ্থনৈতিক আত্মৰক্ষাৰ বাবে নিজকে সুসংগঠিত কৰি তোলে।

১১.৩.৭ নগৰীয়া হস্তশিল্পৰ অৱনতি (Decline of Town Handicrafts)

ব্ৰিটিছসকলৰ শোষণমূলক ঔপনিৱেশিক আঁচনি ভাৰতৰ নগৰীয়া হস্তশিল্পৰ দুৰ্যোগৰ মূল কাৰণ হৈ পৰে। সস্তীয়া যন্ত্ৰসমূহৰ আগমন আছিল এই অৱনতিৰ মূল কাৰণ।

এ আৰ দেশাইৰ মতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনে ভাৰতৰ হস্তশিল্প ধ্বংস কৰাৰ মূল কাৰণমূহ হৈছেঃ

- এই উদ্যোগৰ মূল ক্ৰেতা আৰু পৃষ্ঠপোষক ওচৰ-চুবুৰীয়া ৰাজ্যসমূহক ই ধ্বংস কৰি পেলাইছিল।
- এই ৰাজ্যসমূহৰ উত্তৰাধিকাৰী ব্ৰিটিছৰ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে এই উদ্যোগত গুৰুত্ব দিব পাৰিলেহেঁতেন। কিন্তু বিদেশী শক্তিৰ অধীনস্থ বিদেশী কোম্পানী হোৱাৰ বাবে ই ব্ৰিটিছ চৰকাৰৰ হেঁচাত কাৰ্য কৰিবলৈ ধৰে যিটো ভাৰতীয় উৎপাদনকাৰীসকলৰ স্বাৰ্থৰ অহিতে গতি কৰিছিল।
- ইষ্ট ইণ্ডিয়া কোম্পানী আছিল এটা বেপাৰী কোম্পানী আৰু এই কোম্পানীয়ে কম খৰছত বস্তু উৎপাদন কৰি অন্য বজাৰত লাভজনকভাৱে এইসমূহ বিক্ৰী

কৰিব বিচাৰিছিল। ভাৰতীয় সামগ্ৰীৰ ওপৰত ইংলেণ্ডত আৰোপ কৰা উচ্চ হাৰৰ কৰ ব্যৱস্থাই পৰৱৰ্তী সময়ত ইয়াৰ পৰা ক্ৰয় কৰা সামগ্ৰীৰ দাম হ্ৰাস কৰি ইংলেণ্ডক লাভান্বিত কৰিছিল।

- ভাৰতত সীমা শুল্ক ব্যৱস্থাৰ প্ৰৱৰ্তন কৰাৰ ফলত ভাৰতীয় ব্যৱসায়ীসকল শলঠেকত পৰিছিল যাৰ বাবে তেওঁলোকে দেশৰ ভিতৰতে ইঠাইৰ পৰা সিঠাইত বাণিজ্য কৰাৰ ক্ষেত্ৰত ব্যাপক অসুবিধাৰ সন্মুখীন হৈছিল।

গতিকে অৱনমিত হস্তশিল্পৰ সৈতে জড়িত বহু ব্যক্তিয়ে আধুনিক ভাৰতীয় উদ্যোগত যোগদান কৰিবলৈ বাধ্য হৈছিল আৰু কাৰখানা তথা যাতায়ত কৰ্মী ৰূপে কাম কৰিবলৈ আৰম্ভ কৰিছিল। কিন্তু উদ্যোগৰ পৰ্যাপ্ত বিকাশৰ অভাৱৰ বাবে অৱশেষত তেওঁলোকে কৃষি ব্যৱস্থাত যোগদান কৰিবলগীয়া হৈ ভূমি শ্ৰমিকলৈ পৰিণত হৈছিল। এক অভিন্ন ভাৰতীয় অৰ্থনীতিৰ অধীনত এইসকল কাৰখানা অথবা যাতায়ত কৰ্মী অথবা কৃষকসকলে সমূহীয়া স্বাৰ্থ আৰু সমূহীয়া সমস্যাৰ সৈতে এইসময়চোৱাত এক সম্প্ৰদায় ৰূপে গঢ়ি উঠিছিল।

১১.৩.৮ যোগাযোগ আৰু ৰূপান্তৰকৰণৰ আধুনিক পদ্ধতি (Modern Means of Transportation and Comunication)

লৰ্ড ডেলহাউছি (Lord Dalhousie)য়ে ভাৰতত প্ৰৱৰ্তন কৰা সম্প্ৰসাৰিত ৰেল সেৱাই যোগাযোগৰ ক্ষেত্ৰত দীৰ্ঘস্থায়ী বৰঙনি আগবঢ়ায়। ৰেলপথ নিৰ্মাণৰ আঁৰৰ অৰ্থনৈতিক কাৰণ আছিল ব্ৰিটিছৰ উদ্বৃত্ত পুঁজি সঞ্চয় কৰি ৰখা আৰু ভাৰতক এখন প্ৰকৃত বজাৰ ৰূপে গঢ়ি তোলা। দ্বিতীয়তে, তেওঁলোকে ভাৰতৰ ৰাজনৈতিক-প্ৰশাসনীয় একতা অটুট ৰাখিবলৈপৰিবহন আৰু যোগাযোগৰ এক সহজ ব্যৱস্থা বিচাৰিছিল। তদুপৰি ৰেলৱেৰ নিৰ্মানে দ্ৰুত গতিশীলতা আৰু সেনা বাহিনী স্থানান্তৰ কৰাত সহায়ক হৈছিল।

অৱশ্যে ঔপনিৱেশিক স্বাৰ্থৰক্ষাৰ বাবে ৰেলপথ নিৰ্মাণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতি (টেলিগ্ৰাফৰ লগতে নতুন ডাক ব্যৱস্থা) হৈছিল যদিও এই ব্যৱস্থাসমূহে ভাৰতত ৰাষ্ট্ৰীয়তাবোধ উদ্ভৱ হোৱাত বৰঙনি যোগাইছিল। এই ব্যৱস্থাৰ জৰিয়তে কৃষিৰ উৎপাদিত ফচলে বজাৰ লাভ কৰাৰ লগতে উদ্যোগীকৰণৰ প্ৰক্ৰিয়া খৰটকীয়া কৰি তুলিছিল। যাতায়ত ব্যৱস্থাৰ উন্নতিৰ ফলত এঠাইৰ পৰা আন ঠাইলৈ বৃহৎ সংখ্যক লোকৰ প্ৰব্ৰজন ঘটিছিল। ৰেলসেৱা আৰু বাছসেৱাই প্ৰগতিশীল সামাজিক আৰু বৈজ্ঞানিক ধ্যান-ধাৰণা ৰাইজৰ মাজত প্ৰচাৰ কৰাত সহায় কৰিছিল।

১১.৩.৯ আধুনিক শিক্ষাৰ প্ৰৱৰ্তন (Introduction of Modern Education)

ভাৰতত আধুনিক শিক্ষাৰ প্ৰচাৰ কৰা তিনিটা শক্তি হৈছে খ্ৰীষ্টিয়ান মিছনেৰী, ব্ৰিটিছ চৰকাৰ আৰু প্ৰগতিশীল ভাৰতীয়সকল। খ্ৰীষ্টিয়ান মিছনেৰীসকলে শিক্ষাৰ প্ৰচাৰ কৰিছিল খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ কৰিবলৈ, ব্ৰিটিছ চৰকাৰৰ উদ্দেশ্য আছিল ভাৰতীয়সকলৰ বাবে শিক্ষিত কৰ্মচাৰী তৈয়াৰ কৰাকে মুখ্য কৰি অৰ্থনৈতিক প্ৰয়োজনৰ ওপৰত নিৰ্ভৰশীল। এই ক্ষেত্ৰত আন এক কাৰক আছিল ব্ৰিটিছ সংস্কৃতিৰ প্ৰচাৰ।

ভাৰতত আধুনিক শিক্ষাৰ প্ৰসাৰ ঘটোৱা তৃতীয়টো শক্তিশালী সংস্থা আছিল স্বয়ং ভাৰতীয়সকল। ৰাজা ৰামমোহন ৰায়ে বাটকটীয়া ৰূপে আৰম্ভ কৰা শিক্ষাৰ প্ৰচাৰৰ এই যাত্ৰাৰ গুৰি ধৰিছিল স্বামী বিবেকানন্দ, ফিৰোজশ্বাহ মেহতা, দাদাভাই নৌৰাজী আদিয়ে। একে ধৰণে ব্ৰাহ্ম সমাজ, আৰ্য সমাজ, ৰামকৃষ্ণ মিছন, আলীগড় আন্দোলন আদিয়ে আধুনিক শিক্ষাৰ বাবে ৰাইজক অনুপ্ৰাণিত কৰিবলৈ ধৰে। লাহে লাহে শিক্ষিত ভাৰতীয়সকল ৰাষ্ট্ৰীয়তাবাদৰ ভাব গঢ়াৰ দিশত বাটকটীয়াৰূপে উদ্ভাসিত হ'বলৈ ধৰে।

ৰাষ্ট্ৰীয়তাবাদৰ সামাজিক পটভূমি সন্দৰ্ভত আলোচনা কৰাৰ পিছত আমি এতিয়া আলোচনা কৰিম ৰাষ্ট্ৰীয় সংহতি আৰু ভাৰতীয় প্ৰেক্ষাপটত ইয়াৰ প্ৰতি সৃষ্টি হোৱা প্ৰত্যাহ্বানৰ বিষয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ প্ৰাক ব্ৰিটিছ সংস্কৃতিৰ প্ৰেক্ষাপটত গাঁওসমূহৰ দুটা সামাজিক অনুষ্ঠানৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ২ঃ ব্ৰিটিছ কালত ভাৰতীয় হস্ততাঁতৰ অৱনতিৰ মূল কাৰণ কি কি আছিল?

.....

.....

১১.৪ ৰাষ্ট্ৰীয় সংহতি আৰু প্ৰত্যাহ্বান সমূহ (NATIONAL INTEGRATION AND CHALLENGES)

ভাৰতৰ ৰাজনীতি বুজাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সংহতিৰ ওপৰত গুৰুত্ব দিয়াটো অতি প্ৰয়োজনীয়। ৰাষ্ট্ৰীয় সংহতিৰ ব্যাখ্যা বিভিন্নজন বিদ্বানে বিভিন্ন ধৰণে আগবঢ়াইছে। সামাজিক বিজ্ঞানী যেনে কার্ল ডাটছ, এডৱার্ড শ্বিলছ, বিন্দাৰ, এমাৰছন, ডেনিয়েল লার্নাৰে ৰাষ্ট্ৰীয় সংহতিৰ ওপৰত নিজৰ নিজৰ ব্যাখ্যা প্ৰদান কৰিছে। ডঃ এছ ৰাধাকৃষ্ণণৰ মতে 'ৰাষ্ট্ৰীয় সংহতি শিল-

ইটাৰে নির্মাণ কৰিব পৰা কোনো ঘৰ নহয়, এয়া কোনো ঔদ্যোগিক আঁচনিও নহয় যাক বিশেষজ্ঞসকলে আলোচনা কৰি প্ৰৱর্তন কৰিব পাৰে। ইয়াৰ পৰিৱর্তে ৰাষ্ট্ৰীয় সংহতি হৈছে এক চিন্তা যিটো ৰাইজৰ মগজুত সৃষ্টি হ'ব লাগিব। এয়া হৈছে এক সচেতনতাবোধ যিটোৰে বৃহৎ হাৰত লোকসকলক সজাগ কৰি তুলিব পাৰে।'

সহজ ভাষাত আমি ৰাষ্ট্ৰীয় সংহতিক সাধাৰণ ৰাইজৰ দেশপ্ৰেমৰ ভাৱ জগাই তোলাত জোৰ দিয়া এক প্ৰক্ৰিয়া আৰু সমূহীয়া কল্যাণ, একতা, পৰিচয় লাভ আৰু একেলগে জড়িত হোৱাৰ লক্ষ্যত উপনীত হ'বলৈ বিভিন্ন গোটৰ প্ৰচেষ্টাৰূপে বুজিব পাৰো। ৰাষ্ট্ৰীয় সংহতি হৈছে একতাৰ ভাৱ সৃষ্টি কৰা এক অনুভৱ য'ত ভিন্নতাসমূহক চিনাক্ত কৰি ৰাষ্ট্ৰীয়তাবোধৰ ভাৱধাৰাৰে সন্মান জনোৱা হয়।

কিন্তু ভাৰতৰ দৰে ভিন্নমুখী এখন দেশত ৰাষ্ট্ৰীয় সংহতিৰ লক্ষ্যত উপনীত হোৱাটো এক বৃহৎ প্ৰত্যাহ্বান। কিমান পর্যায়লৈকে ভাৰতত সংহতিৰ ভাৱ আছে? স্বাধীনতাৰ সময়ৰ পৰা এই প্ৰশ্নই সদায়ে সদায়ে আমনি কৰি আহিছে যে দেশৰ এটা অংশৰ লোকে কিয় ভাৰতৰ সৈতে সংহতিৰ ভাৱ অনুভৱ নকৰে?

ভাৰত হৈছে এক বৈচিত্ৰ্যময় দেশ, ইয়াত বিভিন্ন সম্প্ৰদায়, জাতি, শ্ৰেণী, ভাষা আৰু উপ সংস্কৃতিৰ লোকে বসবাস কৰে। ভাৰতত এই ভিন্নতাসমূহে ৰাষ্ট্ৰীয় অনুভৱৰ বিকাশত বাধাৰ সৃষ্টি কৰি জাতিবাদ, সাম্প্ৰদায়িকতাবাদ, ভাষিক ধর্মান্ধতা, সামাজিক অসমানতা, অর্থনৈতিক বৈষম্য আৰু আঞ্চলিকতাবাদ আদিৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত আন কেতবোৰ ৰাষ্ট্ৰীয় সংহতিৰ বাটত হেঙাৰ হৈ থিয় দিছে। ৰাষ্ট্ৰীয় সংহতি পৰিষদ, ১৯৬১ৰ মতে তিনিটা কাৰকে অহৰহ ৰাষ্ট্ৰীয় সংহতি গঢ়াৰ ক্ষেত্ৰত বাধা দি আহিছে, সেই কেইটা হৈছে আঞ্চলিকতাবাদ, সাম্প্ৰদায়িকতাবাদ আৰু জাতিবাদ। এইসমূহৰ লগতে আন বিভিন্ন কাৰকে ৰাষ্ট্ৰীয় সংহতিৰ প্ৰতি প্ৰত্যহ্বানৰ সৃষ্টি কৰিছে।

১১.৪.১ ভাষাৰ ভিন্নতা (Variation in Language)

আমাৰ দেশত ৰাষ্ট্ৰীয় সংহতিৰ বাটত প্ৰচণ্ড বাধাৰ সৃষ্টি কৰা প্ৰতিবন্ধকতা হৈছে ভাষা। ভাৰত হৈছে এক বহুভাষিক দেশ। আমি লক্ষ্য কৰিব পাৰো যে ভাৰতীয় সংবিধানে ২২টা ভাষাক স্বীকৃতি প্ৰদান কৰিছে। প্ৰায় ২০০০ টা ভাষা ভাৰতৰ ভিন্ন স্থানত কোৱা হয়। ভাৰত স্বাধীন হোৱাৰ পিছত হিন্দীক ৰাষ্ট্ৰভাষা কৰাৰ ক্ষেত্ৰত বহুতে ওজৰ-আপত্তি কৰিছিল। তামিলনাড়ুত হিন্দী বিৰোধী বিদ্ৰোহ হৈছিল। দক্ষিণ ভাৰতত এই সিদ্ধান্তৰ বিৰোধিতা কৰি ভাৰতৰ পৰা পৃথক হ'বলৈ বিচাৰিছিল। ভাৰতে সন্মুখীন হোৱা আন এক সমস্যা আছিল ৰাজ্যসমূহৰ ভাষিক পুনৰ সংগঠন। ১৯৫৬ চনত ৰাজ্যসমূহক ভাষিক ভিত্তিত পুনৰ সংগঠিত কৰা হৈছিল। ভাষিক ভিন্নতাই সংহতিৰ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰা এক গুৰুত্বপূর্ণ কাৰকৰূপে পৰিগণিত হৈছে।

১১.৪.২ জাতিবাদ (Casteism)

ভাৰতত বিভিন্ন জাতিৰ লোকে বসবাস কৰে। জাতিয়ে এজন ব্যক্তিৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক স্থান নিৰ্ধাৰণ কৰে। জাতিবাদ পুষ্ট সমাজত একতা আৰু সংহতি এক নফলিওৱা সপোনত পৰিণত হৈছে। উচ্চ জাতিৰ লোকে দমন কৰা সামাজিকভাৱে অৱহেলিত অনুসূচীত জাতিসমূহে ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত জড়িত হ'ব নোৱাৰে। তেওঁলোকে অৱহেলিত অনুভৱ কৰে আৰু সেইবাবে ভাৰতৰ মূলসূঁতিৰ সৈতে দূৰত্ব বৰ্তাই ৰাখে। বিভিন্ন জাতি আৰু উপ-জাতিসমূহৰ মাজৰ সংঘাতে ৰাষ্ট্ৰীয় সংহতি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে।

১১.৪.৩ অৰ্থনৈতিক বৈষম্য (Economic Inequalities)

আমি যদি বিভিন্ন অঞ্চলৰ অৰ্থনৈতিক স্থিতিৰ প্ৰতি লক্ষ্য কৰো তেনেহ'লে আমি সিবিলাকৰ মাজত পাৰ্থক্য দেখিবলৈ পাওঁ। সকলো ৰাজ্যই একে অথবা সমান অৰ্থনৈতিক স্থান লাভ কৰা নাই। আনকি এখন নিৰ্দিষ্ট ৰাজ্যৰ ভিতৰতো সম্পদৰ বিতৰণ যথাযথভাৱে নহয়। যাৰ ফলস্বৰূপে দিনক দিনে দৰিদ্ৰসকল অধিক দৰিদ্ৰ আৰু চহকীসকল অধিক চহকী হ'বলৈ ধৰিছে। ইয়াৰ ফলত বিবাদ আৰু সংঘাতৰ সূত্ৰপাত হৈ পৰৱৰ্তী সময়ত অৰ্থনৈতিক দিশৰ এই বৰ্ধিত অস্থিৰতাই ৰাষ্ট্ৰীয় সংহতিৰ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰে।

পূৰ্বৰ শিতানত উল্লেখ কৰা আটাইবোৰ কাৰকেই অতীজতে বিক্ষিপ্ত ৰূপত থকা ভাৰতীয় সমাজখনক ঐক্যৱদ্ধ কৰাত অৱদান আগবঢ়াইছিল। এই কথাটোৱে মানুহৰ মনত এক জাতীয়তাবাদৰ উদ্ৰেক কৰিছিল।

ভাৰতীয় সংবিধানৰ ৰূপৰেখা তৈয়াৰ কৰি থকাৰ সময়ত নীতি নিৰ্ধাৰকসকলে মানুহৰ মনত উন্মেষ ঘটা এই জাতীয়তাবোধ অক্ষুন্ন ৰাখিবলৈ সংবিধানত কিছুমান আদৰ্শৰ সংযোজন ঘটোৱাৰ চেষ্টা কৰিছিল। পৰৱৰ্তী শিতানত আমি এনে দুটামান আদৰ্শৰ বিষয়ে আলোচনা কৰিম।



অনুশীলনী ৫.১

ৰাষ্ট্ৰীয় সংহতি বাহাল ৰাখিবলৈ কেতবোৰ পদক্ষেপ উল্লেখ কৰা।

.....

.....

.....

.....

পানী যোগাবলৈ কেতবোৰ নীতি গ্ৰহণ কৰিছিল, সেইসমূহ হৈছে-

১১.৫ ভাৰতৰ সংবিধানৰ আদর্শ (IDEALS OF INDIAN CONSTITUTION)

ভাৰতীয় সংবিধান হৈছে এক সুকীয়া দস্তাৱেজ আৰু অন্যান্য বহু দেশৰ সংবিধান বিশেষকৈ দক্ষিণ আফ্রিকাৰ সংবিধানৰ বাবে এই সংবিধান আদর্শস্বৰূপ। ১৯৫০ চনৰ ২৬ জানুৱাৰীত এই সংবিধান বলৱৎ হৈছিল। 'ই সকলো একক লেবেল পৰিত্যাগ কৰিছে কাৰণ এই সংবিধান হৈছে মুক্ত, গণতান্ত্রিক, সমতাবাদী, ধর্মনিৰপেক্ষ আৰু জাতীয়, সমুদায়ৰ মূল্যবোধৰ প্রতি উদাৰ, ভাষিক আৰু ধর্মীয় সংখ্যালঘূসকলৰ লগতে ঐতিহাসিকভাৱে অৱহেলিত গোটৰ প্রয়োজনৰ প্রতি স্পর্শকাতৰ আৰু এক সাধাৰণ ৰাষ্ট্রীয় পৰিচয় গঢ়ি তোলাৰ প্রতি দায়বদ্ধ।' একে সময়তে এই মূল্যবোধসমূহ কার্যকৰী কৰিবলৈ শান্তিপূর্ণ আৰু গণতান্ত্রিক পদ্ধতিৰ ওপৰত স্পষ্টভাৱে গুৰুত্ব প্রদান কৰা হৈছে।

- **ব্যক্তিগত স্বাধীনতা** (Individual Freedom) ঃ ভাৰতীয় সংবিধানে ব্যক্তিগত স্বাধীনতা প্রদানৰ বাবে প্রতিজ্ঞাবদ্ধ। সংবিধানৰ প্রণেতাসকলে ব্যক্তিগত স্বাধীনতাৰ প্রতি যথেষ্ট সচেতন আছিল আৰু সেইবাবে সংবিধানত কেতবোৰ বিশেষ সংৰক্ষিত অধিকাৰ সন্নিবিষ্ট কৰিছিল যিসমূহক জনা যায় 'মৌলিক অধিকাৰ' বুলি। এই অধিকাৰসমূহ সংযোজিত হৈ আছে সংবিধানৰ অনুচ্ছেদ ১২ ৰ পৰা অনুচ্ছেদ ৩৫ লৈ আৰু মুঠ ছটা অধ্যায়ত বহলভাৱে এই অধিকাৰসমূহৰ উল্লেখ আছে। মৌলিক অধিকাৰসমূহ আইনৰ দ্বাৰা বিচাৰযোগ্য। বিধানমণ্ডল অথবা কার্যপালিকাই এই অধিকাৰসমূহ ভংগ কৰিলে এজন ব্যক্তিয়ে ইয়াৰ বিৰুদ্ধে আদালতৰ কাষ চাপিব পাৰে। বাক স্বাধীনতা হৈছে ভাৰতীয় সংবিধানৰ এক অবিচ্ছেদ্য অংগ।
- **ধর্মনিৰপেক্ষতা** (Secularism) ঃ ইয়াৰ অর্থ হৈছে ৰাষ্ট্র আৰু ধর্মৰ পাৰস্পৰিক বহিষ্কাৰ। ব্যক্তিগত স্বাধীনতা আৰু ব্যক্তিৰ নাগৰিকত্ব অধিকাৰ আদি মূল্যবোধৰ সুৰক্ষা প্রদান কৰিবলৈ এই কার্য অতি প্রয়োজন। ধর্মনিৰপেক্ষতাৰ গণ্ডীৰ ভিতৰত ৰাষ্ট্রই ধর্মক কেৱল এক ব্যক্তিগত বিষয় বুলি বিবেচনা কৰে। ধর্মৰ সৈতে ৰাষ্ট্রৰ কোনো সম্পর্ক নাথাকে। প্রথম অৱস্থাত ভাৰতীয় সংবিধানত 'ধর্মনিৰপেক্ষতা' সংজ্ঞাক অন্তর্ভুক্ত কৰা হোৱা নাছিল যদিও সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ জৰিয়তে ইয়াক সংবিধানত অন্তর্ভুক্ত কৰা হয়।
- **সার্বজনীন ভোটাধিকাৰ** (Universal Franchise) ঃ ৰাষ্ট্রৰ ইচ্ছাক প্রকৃত ৰূপত ফুটাই তোলাৰ ক্ষেত্রত ভাৰতত সার্বজনীন ভোটাধিকাৰক অন্যতম গুৰুত্বপূর্ণ, যুক্তিসংগত পদ্ধতি বুলি বিবেচনা কৰা হয়। ভাৰতীয় সংবিধানৰ খচৰা প্রস্তুতকৰণ প্রথমটো বে চৰকাৰী প্রয়াস গ্রহণ কৰা হৈছিল ১৮৯৫ চনত আৰু সংবিধানৰ এই খচৰাত ঘোষণা কৰা হৈছিল যে 'ভাৰতত জন্মগ্রহণ কৰা যিকোনো ব্যক্তিয়ে দেশৰ বিষয়ত অংশগ্রহণ কৰিব পাৰিব।' মতিলাল নেহৰুৱে ১৯২৮-ত প্রতিবেদন দাখিল কৰিছিল যে 'উভয় লিংগৰে প্রতিজন ব্যক্তি যিসকলৰ বয়সে ২১ বছৰৰ সীমা অতিক্রম কৰিছে তেওঁলোকে সংসদৰ প্রতিনিধি

নির্বাচন কৰিব পাৰে।'

- **বৈচিত্র্যৰ প্রতি সন্মান** (Respect for diversity) ঃ ভাৰতৰ দৰে এখন বৈচিত্র্যৰে ভৰপূৰ দেশত একতা বর্তাই ৰখাটো সংবিধান প্রণেতাসকলৰ বাবে এক বৃহৎ প্রত্যাহ্বান আছিল। নিজস্ব সংস্কৃতি, মূল্যবোধ, পৰম্পৰা, ভাষিক বৈশিষ্ট্য আদি থকা ভিন্নমুখী সাংস্কৃতিক সম্প্রদায়ৰ বসতিস্থান ভাৰত হৈছে এক বৃহৎ দেশ । সংবিধানক ৰূপ দিওতে এই কথাত গুৰুত্ব প্রদান কৰা হৈছিল যে এটা সম্প্রদায়ে যাতে আন এটা সম্প্রদায়ক দমন কৰিব নোৱাৰে।
- **ৰাষ্ট্রীয় পৰিচয়** (National Identity) ঃ ভাৰতীয় সংবিধানে ধাৰাবাহিকভাৱে এক সাধাৰণ পৰিচয়ত গুৰুত্ব প্রদান কৰি আহিছে। জোৰ-জুলুমকৈ একতা অনাতকৈ ভাৰতীয় সংবিধানে বৈচিত্র্যৰ মাজত একতা বর্তাই ৰখাত গুৰুত্ব দিয়ে। আমি ইতিমধ্যে আলোচনা কৰি আহিছো যে ভাৰত হৈছে বিভিন্ন সাংস্কৃতিক সম্প্রদায়ৰে পৰিপূর্ণ এখন বৃহৎ দেশ। গতিকে ইয়াত কেৱল এটা সংস্কৃতি, এটা ভাষা, এটা ধর্মক ৰাষ্ট্রীয় পৰিচয় ৰূপে তুলি ধৰাৰ কোনো অৱকাশ নাই। ভাৰতীয় সংবিধানে বিভিন্ন পৰিচয়সমূহৰ মাজত সমতা ৰক্ষাৰ প্রয়াস কৰাৰ মাজতে কেতবোৰ চর্তাৱলীৰ মাজত এক সাধাৰণ পৰিচয় গঢ়ি তোলাত প্রাধান্য দিয়া হৈছিল।
- **ৰাষ্ট্রৰ সংহতি আৰু একতা** (Unity and Integrity of the Nation) ঃ দেশৰ একতা আৰু সংহতি ৰক্ষাৰ ক্ষেত্রত ভাৰতীয় সংবিধানে গুৰুত্ব প্রদান কৰি আহিছে। বৈচিত্র্যৰ মাজত একতা আৰু সংহতি বর্তাই ৰাখিবলৈ ভাৰতীয় সংবিধানে নিৰৱচ্ছিন্নভাৱে সমাজৰ ভিন্ন শ্রেণীৰ মাজত ভাতৃত্ববোধৰ ভাব গঢ়ি তোলাৰ চেষ্টা কৰি আহিছে।
- **সমাজবাদী ৰাষ্ট্র** (A Socialist State) ঃ সংবিধানে ভাৰতক এক সমাজবাদী ৰাষ্ট্রৰূপে ঘোষণা কৰিছে। ১৯৭৬ চনৰ ৪২ সংখ্যক সংশোধনীৰ জৰিয়তে ভাৰতীয় সংবিধানত সমাজবাদী সংজ্ঞাটো সংযোজন কৰা হৈছিল। সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ন্যায়ৰ ওপৰত গুৰুত্ব দিয়াৰ লগত কেতবোৰ নির্দেশাত্মক নীতিৰ সংযোজন ঘটাই ভাৰতীয় সংবিধানে এক সমাজবাদী ৰাষ্ট্র গঠনৰ পদক্ষেপ লৈছে।
- **গণতন্ত্র** (Democracy) ঃ ভাৰতীয় সংবিধানে ভাৰতক এক গণতান্ত্রিক ৰাষ্ট্রৰূপে ঘোষণা কৰিছে। ইয়াত ৰাইজৰ দ্বাৰা নির্বাচিত জনপ্রতিনিধিয়ে চৰকাৰৰ কার্য পৰিচালনা কৰে। ইয়াৰ লগতে ভাৰতত সার্বজনীন প্রাপ্তবয়স্কৰ ভোটাধিকাৰ আৰু নির্দিষ্ট সময়ৰ ব্যৱধানত নির্বাচনৰ ব্যৱস্থা আছে। তদুপৰি ভাৰতীয় সংবিধানত নাগৰিকসকলৰ বাবে আইনৰ দ্বাৰা বিচাৰযোগ্য কেতবোৰ মৌলিক অধিকাৰো সন্নিবিষ্ট কৰা হৈছে।
- **গণৰাজ্য** (Republic) ঃ ভাৰতীয় সংবিধানৰ প্রস্তাৱনাই ভাৰতক গণৰাজ্য ৰূপে স্বীকৃতি দিছে। ইয়াৰ দ্বাৰা বুজোৱা হৈছে ভাৰতৰ কার্যপালিকাৰ সর্বোচ্ছ কর্তৃত্ব এনে এজন ব্যক্তিৰ ওপৰত ন্যস্ত কৰা থাকে যিজনক এক নির্দিষ্ট সময়ৰ বাবে প্রত্যক্ষ অথবা পৰোক্ষভাৱে নির্বাচন কৰা হ'ব।

- **ন্যায়** (Justice) ঃ ভাৰতে ঔপনিৱেশিক শাসনৰ অধীনস্থ সকলো ধৰণৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অন্যায়ৰ বিৰোধিতা কৰে। ইয়াৰ বাবে সংবিধানে সমাজৰ সকলো শ্ৰেণীৰ লোকক সকলো দিশতে ন্যায় প্ৰদানৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিয়ে। চৰকাৰে কেৱল সমাজৰ এক নিৰ্দিষ্ট শ্ৰেণীৰ কল্যাণৰ ওপৰত গুৰুত্ব নিদিয়ে, ইয়াৰ পৰিৱৰ্তে ই সকলোৰে কল্যাণৰ বাবে যত্নপৰ হয়। সেইবাবে সংবিধানে সমাজৰ দুৰ্বল শ্ৰেণীৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা কৰিছে।

আমি এতিয়া সন্ত্ৰাসবাদৰ ধাৰণাৰ ওপৰত আলোকপাত কৰিম। সন্ত্ৰাসবাদ হৈছে দেশৰ অখণ্ডতা আৰু সংহতিৰ প্ৰতি এক বৃহৎ প্ৰত্যাহ্বান। সেইবাবে ভাৰতৰ ৰাজনৈতিক দৃশ্যপটৰ বিষয়ে আলোচনা কৰোতে সন্ত্ৰাসবাদৰ বিষয়ে ভালদৰে বুজাটো প্ৰয়োজনীয়।



অনুশীলনী ৫.২

আপোনাৰ অঞ্চলত বাস কৰা বিভিন্ন গোটৰ মাজত সংহতি বজাই ৰাখিবলৈ কেতবোৰ পদক্ষেপ উল্লেখ কৰক।

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাৰতীয় সংবিধানৰ যিকোনো দুটা আদৰ্শ উল্লেখ কৰক।

.....

.....



১১.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰীয়তাবাদক এটা গোটৰ অধীনস্থৰূপে অনুভৱ কৰা মানসিকতা ৰূপে ব্যাখ্যা কৰিব পাৰি যাৰ কেতবোৰ সাধাৰণ বৈশিষ্ট্য থাকে অথবা আমি মনৰ এক স্থিতি, এক মনোবৈজ্ঞানিক আৰু সাংস্কৃতিক ধাৰণা বুলি ক'ব পাৰো।
- ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ উদ্ভৱ আৰু বিকাশৰ এক বহুমাত্ৰিক, জটিল আৰু আচহুৱা সামাজিক পটভূমি আছে।
- ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ সামাজিক পটভূমি বুজিবলৈ হ'লে প্ৰাক-ব্ৰিটিছ আৰু ঔপনিৱেশিক যুগৰ সামাজিক পৰিৱৰ্তনৰ বিষয়ে জানিব লাগিব।

- ৰাষ্ট্ৰীয় সংহতি হৈছে একতাৰ ভাৱ সৃষ্টি কৰা এক অনুভৱ য'ত ভিন্নতাসমূহক চিনাক্ত কৰি ৰাষ্ট্ৰীয়তাবোধৰ ভাৱধাৰাৰে সন্মান জনোৱা হয়।
- ভাষিক ভিন্নতা, জাতিগত দিশত জড়িত বিষয় আৰু অৰ্থনৈতিক দিশৰ বৈষম্যই ৰাষ্ট্ৰীয় সংহতিৰ বাটত হেঙাৰ হৈ থিয় দিছে।
- ভাৰতৰ ৰাজনীতিৰ বিষয়ে আলোচনা কৰোত সাম্প্ৰদায়িকতাবাদ আৰু আঞ্চলিকতাবাদে কেন্দ্ৰীয় স্থান দখল কৰিছে।
- ভাৰতীয় সংবিধানৰ বিভিন্ন আদৰ্শসমূহ হৈছে, ব্যক্তিগত স্বাধীনতা, ধৰ্মনিৰপেক্ষতা, সাৰ্বজনীন ভোটাধিকাৰ, বৈচিত্ৰ্যতাৰ প্ৰতি সন্মান, ৰাষ্ট্ৰীয় পৰিচয়, ৰাষ্ট্ৰৰ একতা আৰু অখণ্ডতা, সমাজবাদী ৰাষ্ট্ৰ, গণতন্ত্ৰ, গণৰাজ্য আৰু ন্যায়।
- ৰাষ্ট্ৰীয় সংহতিৰ লক্ষ্যত উপনীত হওঁতে সন্ত্ৰাসবাদ হৈছে বৃহৎ সমস্যা আৰু ইয়াক সমাধান কৰাটো অতি জৰুৰী।



১১.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ-

1) Desai, A. R (2010). *Social Background of Indian Nationalism*. Popular Prakashan: Mumbai.
2) Chandra, Bipan.et al. (1987). *India's Struggle for Independence*. Penguin Books: New Delhi.
3) Bandyopadhayay, Sekhar. (2009). *From Plassey to Partition-A history of Modern India*. Orient Blackswan: New Delhi.
4) Chatterjee, Partha.(1993). *National Thought and colonial world*:A Derivative Discourse. Zed Books.



১১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ৰামলীলা আৰু প্ৰৱচন কথা হৈছে প্ৰাক ব্ৰিটিছ গ্ৰাম্য সংস্কৃতিৰ দুটা সামাজিক উপলক্ষ্য।

২ নং প্ৰশ্নৰ উত্তৰঃ ব্ৰিটিছসকলৰ ঔপনিৱেশিক শোষণৰ আঁচনিয়ে আছিল ভাৰতীয় হস্তশিল্প

উদ্যোগৰ বিপর্যয়ৰ মূল কাৰণ। ঔপনিৱেশিক শাসকসকলে প্ৰচলন কৰা সস্তীয়া যন্ত্ৰ উৎপাদিত সামগ্ৰীসমূহ আছিল এই বিপর্যয়ৰ আঁৰৰ কাৰণ।

৩ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতীয় সংবিধানৰ দুটা আদর্শ হৈছে সার্বজনীন ভোটাধিকাৰ আৰু ধর্মনিৰপেক্ষতা।



১১.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ সৈতে আধুনিক শিক্ষাৰ প্ৰচলনক কেনেকৈ সংযোগ কৰিব?

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় সংহতিৰ লক্ষ্য পূৰণ কৰোতে ভাষিক বৈচিত্ৰ্যৰ দিশ কেনেকৈ গুৰুত্বপূর্ণ?

প্ৰশ্ন ৩ঃ কেন্দ্ৰ-ৰাজ্যৰ সম্পর্কৰ ভিত্তিত আঞ্চলিকতাবাদক ব্যাখ্যা কৰক।

খ) ৰচনাধর্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ভাৰতীয় প্ৰেক্ষাপটত ৰাষ্ট্ৰীয়তাবাদৰ উত্থানৰ প্ৰসংগ সমালোচনা কৰক।

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় সংহতিৰ ক্ষেত্ৰত ঋণাত্মক প্ৰভাৱ পেলোৱা কাৰক ৰূপে সাম্প্ৰদায়িকতাবাদ আৰু আঞ্চলিকতাবাদ উভয়কে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ আঞ্চলিকতাবাদৰ প্ৰসংগত দ্ৰাবিড়ীয় আন্দোলন বুলিলে কি বুজে? দেশৰ ভিন্ন প্ৰান্তত সন্ত্ৰাসবাদী কার্যকলাপৰ বিভিন্ন প্ৰভাৱ উল্লেখ কৰক।

*** ***** ***

অধ্যায়- ১২ ঃ ভাৰতত তৃণমূল পর্যায়ৰ গণতন্ত্র

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ পঞ্চায়তীৰাজ ব্যৱস্থা
১২.৪ বিকেন্দ্রিকৰণ
১২.৫ প্রতিবাদী আন্দোলন
১২.৬ ক্ষমতাৰ বিকেন্দ্রিকৰণ আৰু সামাজিক পৰিবর্তন
১২.৭ তৃণমূল পর্যায়ত ৰাজনীতিত যোগদান
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্রগতিৰ খতিয়ান
১২.১১ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিকেন্দ্রিকৰণৰ ধাৰণা, ইয়াৰ সুবিধা আৰু অসুবিধাসমূহ বুজিবলৈ সমর্থ হ'ব
- ভাৰতত বিকেন্দ্রিকৰণৰ ধাৰণাক বাস্তৱায়িত কৰিবলৈ পঞ্চায়তী ৰাজ ব্যৱস্থাৰ গুৰুত্ব আলোচনা কৰিব পাৰিব
- প্রতিবাদী আন্দোলন আৰু এইবোৰৰ বাহ্যিক প্রকাশ সম্পর্কে জানিব পাৰিব
- বিকেন্দ্রিকৰণৰ সামাজিক প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব
- তৃণমূল পর্যায়ত কেনেকৈ ৰাজনীতিত অংশগ্রহণ কৰা হয় সেই বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয়

গণতন্ত্রই সর্বব্যাপি শাসন পদ্ধতিৰ ব্যৱস্থাক বুজায় য'ত সকলো নাগৰিকে তেওঁলোকৰ প্রতিনিধি নির্বাচন কৰাৰ প্রক্রিয়াত অংশগ্রহণ কৰে। ভাৰতক আটাইতকৈ বিশাল গণতন্ত্র হিচাপে বিবেচনা কৰা হয় আৰু ১৯৪৭ চনত ব্রিটিছৰ পৰা স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা ভাৰতে এই নাগৰিক অধিকাৰ পালন কৰি আহিছে। এই ক্ষেত্রত আমাৰ দেশৰ গণতান্ত্রিক গাঠনিয়ে বিভিন্ন স্তৰৰ আর্থ-সামাজিক স্থিতিৰ নাগৰিকসকলক সমান সুবিধা প্রদান কৰিছে। সি যি কি নহওঁক, সময়ৰ লগে লগে এটা অধিক সর্বব্যাপি ব্যৱস্থাৰ প্রয়োজন আহি পৰিছে, যাৰ দ্বাৰা নাগৰিকসকলৰ আৰু বেছি সক্রিয় ৰাজনৈতিক অংশগ্রহণ সম্ভৱ কৰি তুলিব পাৰি। তৃণমূল

পৰ্যায়ৰ গণতন্ত্ৰৰ ধাৰণাই গুৰুত্ব লাভ কৰিছিল। এই উদ্দেশ্য সাধনৰ কাৰণে লোৱা বহুতো উপায়ৰ মাজত ভাৰতীয় সংবিধানৰ সংশোধনীৰ ৭৩ আৰু ৭৪ তম দফাৰ বিষয়ে এই অধ্যায়ত আলোচনা কৰা হ'ব। ভাৰতত তৃণমূল পৰ্যায়ত গণতন্ত্ৰৰ বিস্তাৰক নাগৰিকৰ মাজলৈ যোৱাত এই সংশোধনীকেইটাৰ গুৰুত্ব অপৰিসীম।

১২.৩ পঞ্চায়তীৰাজ ব্যৱস্থা

ভাৰতৰ শাসন ব্যৱস্থাৰ দৰ্শন হ'ব লাগে বুলি মহাত্মা গান্ধীয়ে 'গ্ৰাম স্বৰাজ'ৰ ধাৰণাৰ কল্পনা কৰিছিল যাৰ অৰ্থ হৈছে গাওঁবোৰৰ স্ব-শাসন। ৭৩ তম সংবিধান সংশোধনী ধাৰা, ১৯৯২ ৰ জৰিয়তে ভাৰতত পঞ্চায়তী ৰাজ ব্যৱস্থা আৰম্ভ কৰা হৈছিল। বলৱন্ত ৰায় মেহতা আয়োগ আমাৰ দেশত গণতান্ত্ৰিক বিকেন্দ্ৰিকৰণৰ আৰম্ভণি কৰাৰ পৰামৰ্শ দিছিল। ফলস্বৰূপে, পঞ্চায়তী ৰাজ ব্যৱস্থা বলৱৎ কৰা হৈছিল। আঞ্চলিক পৰ্যায়ত ৰাজস্থান আছিল সেইখন ৰাজ্য যি ৰাজ্যই পঞ্চায়তী ৰাজ ব্যৱস্থাৰ শুভাৰম্ভ কৰিছিল। ক্ৰমান্বয়ে দেশৰ আন আন ৰাজ্যসমূহেও পঞ্চায়তী ৰাজ ব্যৱস্থাৰ স্থাপনা কৰিছিল। যি কি নহওঁক, সমগ্ৰ দেশত পঞ্চায়তী ৰাজ ব্যৱস্থা ইয়াৰ বৈশিষ্ট্য, নিৰ্দিষ্টতা আৰু ক্ৰিয়াকলাপৰ প্ৰণালীৰ ফালৰ পৰা ভিন্ন আছিল। উদাহৰণস্বৰূপে, যেতিয়া ৰাজস্থানে তিনি খলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থা গ্ৰহণ কৰিছিল, তেতিয়া তামিলনাড়ুৱে দুই খলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থা গ্ৰহণ কৰিছিল। ইয়াৰ উপৰি কিছুমান ৰাজ্যত ন্যায়-পঞ্চায়ত(বিচাৰ-সংক্ৰান্তীয়) গঠন কৰা হৈছিল যিবিলাক দেৱানী আৰু ফৌজদাৰি গোচৰৰ নিষ্পত্তিকৰণৰ বাবেহে স্থাপন কৰা হৈছিল।

৭৩ তম সংবিধান সংশোধনী আইনে পঞ্চায়তী ৰাজ ব্যৱস্থাৰ নিৰ্দিষ্টতা পৰিস্কাৰকৈ বৰ্ণনা কৰিছে। এই ধাৰা অনুসৰি, গ্ৰাম সভাক ভিত্তি কৰি পঞ্চায়তীৰাজ ব্যৱস্থাই গঢ় ল'ব। গ্ৰাম সভা পঞ্চায়ত এলেকাত বাস কৰা পঞ্জীয়নভুক্ত ভোটদাতাসকলৰ দ্বাৰা গঠিত হ'ব। ৰাজ্যিক বিধানমণ্ডলৰ নিচিনা কাৰ্য আৰু দায়িত্ব বহন কৰাৰ কাৰণে গ্ৰাম সভাক ন্যস্ত কৰা হ'ব।

আইনখনে এইটোও স্পষ্টকৈ উল্লেখ কৰে যে দেশখনত পঞ্চায়তী ৰাজ ব্যৱস্থা গাওঁ পৰ্যায়, মধ্যবৰ্তী পৰ্যায় আৰু জিলা পৰ্যায়ৰ দ্বাৰা গঠিত তিনি খলপীয়া হ'ব। ই সকলোবোৰ ৰাজ্য য'ত আইনখন প্ৰযোজ্য হ'ব, সেই সকলোবোৰ ৰাজ্যত কাৰ্যকৰী হ'ব। কেৱল সভাপতিৰ বাহিৰে পঞ্চায়তৰ জনগণে প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰিব।

এইটো গুৰুত্বপূৰ্ণ যে ধাৰাটোৱে পঞ্চায়তত আসন সংৰক্ষণৰ সুবিধাও প্ৰদান কৰিছে। ই অনুসূচিত জাতি, অনুসূচিত জনজাতি, মহিলা আৰু পিছপৰা জাতিসমূহৰ কাৰণে আসন সংৰক্ষণৰ ব্যৱস্থা প্ৰদান কৰিছে।

আইনখনে, প্ৰত্যেকটো পৰ্যায়ত পঞ্চায়তৰ কাৰ্যকালৰ সময়সীমা পাঁচ বছৰ হ'ব। ই পঞ্চায়তত নিৰ্বাচন অনুষ্ঠিত কৰাৰ কাৰণে ৰাজ্যিক নিৰ্বাচন আয়োগক দায়িত্ব ন্যস্ত কৰিছে।

তদুপৰি আইনখনত উল্লেখ আছে যে পঞ্চায়তৰ ক্ষমতা আৰু কাৰ্য ৰাজ্যিক বিধানমণ্ডলৰ দ্বাৰা তেওঁলোকক অৰ্পণ কৰা হৈছে। পঞ্চায়তৰ বিত্তীয় বিষয়সমূহ থকা প্ৰত্যেক

ৰাজ্যত ৰাজ্যিক বিত্তীয় পৰিষদে চোৱা-চিতা কৰিব। এইটো উল্লেখ কৰা আৱশ্যক যে ৭৩ তম সংবিধান সংশোধনী আইনখন কিছুমান ৰাজ্য যেনে মিজোৰাম, মেঘালয়, নাগালেণ্ড, জম্মু আৰু কাস্মীৰ আৰু কিছুমান অন্য অঞ্চলত প্রযোজ্য নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ কোনখন আইনৰ জৰিয়তে ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্রচলন কৰা হৈছিল?

.....

.....

প্রশ্ন ২ঃ ভাৰতত তিনি খলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থাৰ পর্যায়কেইটা কি কি?

.....

.....

১২.৪ বিকেন্দ্রিকৰণ

বিকেন্দ্রিকৰণ শব্দটোৰ আক্ষৰিক অর্থই এটা সংস্থা নাইবা সংগঠনৰ মনোনিত কেন্দ্রৰ পৰা বাহিৰলৈ কার্য, দায়িত্ব ইত্যাদি অর্পন নাইবা বিতৰণ কৰাৰ ধাৰণাক সূচায়। প্রায়ে বিকেন্দ্রিকৰণক বিভিন্ন প্রকাৰ নাইবা শ্রেণী যেনে, ৰাজনৈতিক বিকেন্দ্রিকৰণ, বিত্তীয় ৰাজকোষৰ বিকেন্দ্রিকৰণ, প্রশাসন আৰু বজাৰৰ বিকেন্দ্রিকৰণ, ইত্যাদি হিচাপে ব্যাখ্যা কৰা হয়। যদিওবা বিভিন্ন প্রকাৰসমূহ এটাৰ লগত আন এটা সংলগ্ন হৈ আছে আৰু এখন ৰাষ্ট্র, অঞ্চল ইত্যাদিত শাসন আৰু শৃঙ্খলাৰ বিষয়সমূহত এইবোৰৰ এটাৰ ওপৰত আনটোৰ নির্ভৰশীলতাৰ ফালৰ পৰা বুজাৰ প্রয়োজন আছে । তথাপি এইবোৰক প্রায়ে নিজস্ব নির্দিষ্টতা (Specification)ৰ সৈতে বর্ণনা কৰা হয়।

সেই প্রসঙ্গত ৰাজনৈতিক বিকেন্দ্রিকৰণ নাগৰিকসকললৈ ক্ষমতাৰ হস্তান্তৰকৰণ বুলি বর্ণনা কৰা হয় যাতে তেওঁলোকক ৰাজহুৱা সিদ্ধান্ত গঠন প্রক্রিয়াত, প্রতিনিধিৰ নির্বাচন ইত্যাদিত সক্রিয় ভূমিকা পালন কৰিবলৈ সক্ষম কৰি তুলিব পৰা যায়।

ইয়াৰ উপৰি, প্রশাসনৰ বিকেন্দ্রিকৰণে ৰাজহুৱা কার্য, সভা সমিতি ইত্যাদি পৰিচালনা কৰাৰ লক্ষ্যেৰে সম্পদ, কর্তৃত্ব, ইত্যাদিৰ বিতৰণ প্রক্রিয়াক সূচায়।

বিত্তীয় ৰাজকোষৰ বিকেন্দ্রিকৰণে অর্থনৈতিক ক্ষমতা আৰু সুবিধা প্রদান কৰাৰ লক্ষ্যেৰে বিত্তৰ যোগান ধৰা সম্পদসমূহ এজন কেন্দ্রীয় কর্তৃত্বৰ পৰা বাহিৰলৈ হস্তান্তৰকৰণক বুজায় ।

আকৌ, অর্থনৈতিক বিকেন্দ্রিকৰণক প্রায়ে বজাৰৰ ব্যক্তিগতকৰণৰ ধাৰণাৰ জৰিয়তে ব্যাখ্যা কৰা হয়। ইয়াত সম্পদসমূহ আৰু এইবোৰৰ পৰিচালনা আৰু মালিকীস্বত্ব চৰকাৰী

খণ্ডৰ পৰা ব্যক্তিগত খণ্ডলৈ পৰিবর্তন কৰাৰ চেষ্টা কৰা হয়।

ওপৰৰ বর্ণনাই বুজোৱাৰ দৰে, বিশেষকৈ ভাৰতৰ নিচিনা দেশ এখনৰ কাৰণে বিকেন্দ্রিকৰণ অসংখ্য লাভ আৰু সুবিধাৰ দ্বাৰা বৈশিষ্ট্যপূর্ণ হৈ আছে । যি কি নহওঁক, ইয়াৰ কিছু অসুবিধাও আছে। বিকেন্দ্রিকৰণৰ কিছুমান সুবিধা আৰু অসুবিধা তলত আলোচনা কৰা হ'ল-

বিকেন্দ্রিকৰণৰ সুবিধাসমূহ

● বিকেন্দিকৰণে বিভিন্ন স্তৰত ক্রিয়াকলাপসমূহ আৰু কার্যাৱলীসমূহ বহুমুখীকৰণ কৰাত সহায় কৰে। যি সময়ত কেন্দ্রীয় ব্যৱস্থা এটাত সকলোবোৰ ক্রিয়াকলাপ এজন অকলশৰীয়া ব্যক্তিৰ কর্তৃত্বৰ নির্দেশত চলে আৰু পালন কৰা হয়, গতিকে সম্পাদিত কামৰ প্রকৃতিত ভিন্ন প্রকাৰ আৰু বহুমুখীতাৰ কমকৈ সুবিধা থাকে।

বিকেন্দ্রিকৃত ব্যৱস্থা এটাত তেনেকুৱা নহয়। অংশীদাৰীৰ সংখ্যা অধিক হোৱা কাৰণে, যিবিলাক ক্রিয়া সম্পাদন কৰা হয় এইবিলাক বহুমুখী প্রকৃতিৰ হয় যিয়ে গোটেই প্রক্রিয়াটোকে সমৃদ্ধ কৰি তোলে।

● এটা কেন্দ্রীয় কর্তৃত্বই প্রায়ে, উন্নয়নৰ বিভিন্ন স্তৰত উদ্ভৱ হোৱা নির্দিষ্ট প্রয়োজনসমূহ আৰু চাহিদাৰ লক্ষ্য ৰখাত ব্যর্থ হয়, কাৰণ এই কর্তৃত্বই তৃণমূল পর্যায়ত থকা জনসাধাৰণৰ বাস্তৱ অসুবিধাসমূহৰ বিষয়ে ধাৰণা কৰিব নোৱাৰে। বিকেন্দ্রিকৰণৰ জৰিয়তে এইটো সমস্যাৰ সমাধান সম্ভৱ কাৰণ এই ব্যৱস্থাই কর্তৃত্বৰ অধিকাৰীক লক্ষ্য কৰা বিষয়ৰ ওচৰলৈ যাবলৈ সামর্থবান কৰি তোলে।

● ওপৰত উল্লেখ কৰি অহা কথাখিনি অন্য উপায়েৰে চাব পৰা যায়। যিসকল মানুহ তলৰ পর্যায়ত কাম কৰে তেওঁলোকে প্রায়ে, ভাবিবলৈ ধৰে যে তেওঁলোক কেন্দ্রীয় কর্তৃত্বৰ দ্বাৰা অৱহেলিত আৰু অনাদৃত। ইয়ে 'আমি বনাম তেওঁলোক'ৰ ধাৰণাৰ সৃষ্টি কৰে। কেন্দ্রীয় কর্তৃত্ব অনধিগম্য প্রতীয়মান হয় আৰু সেই গতিকে বহিৰাগত। এইদৰে, কর্তৃত্বৰ দ্বাৰা বিধিবদ্ধ ক্রিয়াকলাপ, নীতি ইত্যাদি আপত্তিজনক হৈ পৰে। স্থানীয় পর্যায়ত ক্ষমতাৰ হস্তান্তৰকৰণে সহজভাৱে যোগাযোগ কৰাটো সম্ভৱপৰ কৰি তোলে যাৰ ফলত কর্তৃত্ব আৰু তলৰ পর্যায়ত কাম কৰা মানুহৰ মাজত এটা সকাৰাত্মক সম্পর্ক গঢ় দিয়ে ।

বিকেন্দ্রিকৰণৰ অসুবিধাসমূহ

● বিকেন্দ্রিকৰণ ব্যৱস্থাত এটা নির্দিষ্ট, অভিন্ন নাইবা উন্নত উপায়ৰ কার্যপন্থা মানি চলা বৰকৈ জটিল কাৰণ কর্তৃত্বৰ উৎস বহুতো যিয়ে মাজে সময়ে পৰিচালনাত বিশৃঙ্খলা আৰু সমন্বয়ৰ অভাৱৰ ফালে গতি কৰায়।

● বিকেন্দ্রিকৰণ ব্যৱস্থাই বিশাল সংখ্যক শ্রমিকবল আৰু এটা বিস্তৃত কর্তৃত্বৰ গাঁথনি বিচাৰে আৰু সেই গতিকে সমগ্র প্রক্রিয়াটো চলাই নিবলৈ বিত্তীয় বোজা বৃদ্ধি কৰে।

● বিকেন্দ্রিকৰণ ব্যৱস্থাত ক্রিয়াকলাপৰ হস্তান্তৰৰ কাৰণে নিপুণ, প্রশিক্ষণপ্রাপ্ত আৰু কার্যদক্ষ ব্যক্তিৰ প্রয়োজন হয় ।

● বিকেন্দ্রিকৰণ ব্যৱস্থাত মতবিৰোধ হোৱাৰ বহুল সম্ভাৱনা থাকে যিটো গোটেই ব্যৱস্থাটোৰ কার্যাৱলীৰ ক্ষেত্রত কর্তৃত্বৰ বিভিন্ন স্তৰৰ মাজত উদ্ভৱ হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ঃ দুই প্রকাৰৰ বিকেন্দ্রিকৰণ উল্লেখ কৰক।

.....

.....

১২.৫ প্রতিবাদী আন্দোলন

আক্ষৰিকভাৱে প্রতিবাদ শব্দটোৱে এটা বিৰোধৰ কার্যক নাইবা কিহবাৰ প্রতি অসমর্থন কৰাকে বুজায়। এটা বিশেষ অৱস্থান নাইবা উদ্দেশ্যৰ লঙঘনৰ বাবে জনগণৰ দ্বাৰা প্রতিবাদী আন্দোলন সেইবাবে কোনো বিশেষ উদ্দেশ্যৰ প্রতি মুক্ত আৰু প্রত্যক্ষ বিৰোধেই হৈছে প্রতিবাদী আন্দোলনৰ সাৰ। ইয়াৰ উপৰি, এইটো দেখা যায় যে প্রতিবাদী আন্দোলন এটা বিশেষ গোট নাইবা দলৰ সামগ্রিক যোগদানৰ দ্বাৰা গঢ় লয়। প্রতিবাদী আন্দোলন এটাক বিভিন্ন প্রকাৰে ৰূপায়িত কৰিব পাৰি। সচৰাচৰ প্রত্যক্ষ কৰিবলৈ পোৱা প্রতিবাদৰ কিছুমান পদ্ধতি হৈছে -

প্রাসঙ্গিক ছবিৰ প্রদর্শন, শিল্পীসুলভ অভিনয় প্রদর্শন যেনে- বাটৰ নাট, গীত আৰু কবিতা আবৃতি ইত্যাদিৰ মাজেৰে বিৰোধ প্রদর্শন কৰা। বিভিন্ন বস্তু, সা-সামগ্রী ধ্বংস কৰা ইত্যাদিৰ নিচিনা কৌশলসমূহ কোনো এটা বিশেষ বিষয়ৰ প্রতি জনসাধাৰণৰ প্রতীকমূলক প্রতিৰোধ।

সাধাৰণতে প্রয়োগ হোৱা বিৰোধৰ আন এটা পদ্ধতি হৈছে শান্তি সমদল, মমবাতি প্রজ্বলিত সমদল, প্রার্থনা, শান্তি সমাবেশ ইত্যাদি। এনেকুৱা ধৰণৰ প্রতিবাদত, হিংসা আৰু শক্তি নাইবা বল প্রয়োগ কৰা কাচিতহে দেখা যায়।

কোনোবা এটা বিষয়ৰ বিৰুদ্ধে আনুষ্ঠানিকভাৱে প্রতিবাদ সাব্যস্ত কৰিব পাৰি। আলোচনা চক্র, সংবাদ মেল আহ্বান ইত্যাদি বিষয়টোৰ আপত্তিজনক দিশসমূহ মুকলিকৈ আলোচনা কৰা হয়।

পথ অৱৰোধ, প্রদত্ত নিয়ম আৰু প্রবিধানৰ লঙঘনৰ নিচিনা কৌশলৰ ব্যৱহাৰ প্রায়ে ব্যৱহাৰ কৰা দেখা যায়। এনেকুৱা কার্যকলাপে এইটো বার্তাও পঠাই যে প্রদত্ত আদেশক প্রশ্ন কৰা হৈছে। তাৰোপৰি, বৈদুতিন মাধ্যমৰ উপস্থিতিয়ে বর্তমান সময়ত বিষয়সমূহ আৰু সমস্যাসমূহক পোহৰলৈ আনি এনেকুৱা কার্যৰ সহজ প্রচাৰক সক্ষম কৰি তুলিছে।

মাজে সময়ে, মানুহে তেওঁলোকৰ বিষয়সমূহ উত্থাপন কৰিবলৈ হিংসাৰ আশ্রয় লয়। চৰকাৰী সম্পত্তি ধ্বংস কৰা, শাৰীৰিকভাৱে অপদস্তকৰণ ইত্যাদি হৈছে কিছুমান এনেকুৱা সাধাৰণ

প্ৰকাৰৰ বিৰোধ প্ৰদৰ্শন। এইটোও দেখা যায় যে এনেকুৱা হিংসাত্মক কাৰ্যৰ প্ৰত্যুত্তৰ হিংসাত্মকভাৱে দিয়া হয়।

আন এটা প্ৰকাৰৰ প্ৰতিৰোধ প্ৰদৰ্শন হৈছে লিখিত পত্ৰিকা যেনে নিবেদনপত্ৰ, চিঠি ইত্যাদিৰ জৰিয়তে দেখুওৱা প্ৰদৰ্শন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ঃ সাধাৰণতে ব্যৱহাৰ হোৱা দুটা বিৰোধ প্ৰদৰ্শনৰ পদ্ধতি উল্লেখ কৰক।

.....

.....

১২.৬ ক্ষমতাৰ বিকেন্দ্ৰিকৰণ আৰু সামাজিক পৰিবৰ্তন

ৰাজনৈতিক বিকেন্দ্ৰিকৰণ নাইবা ক্ষমতাৰ বিকেন্দ্ৰিকৰণ সিদ্ধান্ত গঠন প্ৰক্ৰিয়াত মানুহক আৰু বেছি ক্ষমতা প্ৰদান কৰিবলৈ বিচৰা হয়। এইদৰে, কেৱলমাত্ৰ ভোটদানৰ ক্ষমতাৰ নিচিনা উপায় সমূহৰ জৰিয়তেই নহয় কেন্দ্ৰীয় কৰ্তৃত্বৰ পৰা তলৰ পৰ্যায়লৈ ক্ষমতাৰ হস্তান্তৰকৰণ হয়। বৰঞ্চ বিত্ত বিষয়ক অধিকাৰ প্ৰদানৰ দ্বাৰাও ক্ষমতাৰ বিকেন্দ্ৰিকৰণে ভাৰতৰ নিচিনা বিশাল আৰু বৈচিত্ৰ্যময় দেশসমূহত বিশেষ গুৰুত্ব বহন কৰে যাতে সমাজৰ সকলো শাখাৰ মানুহৰ প্ৰয়োজনসমূহ পূৰণ কৰিব পৰা যায়। বিকেন্দ্ৰিকৰণৰ সমৰ্থকসকলে যুক্তি আগবঢ়ায় যে ক্ষমতাৰ বিকেন্দ্ৰিকৰণে অধিক ফলপ্ৰসূ সিদ্ধান্ত গ্ৰহণত সহায় কৰে কাৰণ ই অধিক সংখ্যকৰ মতামতক বিবেচনা কৰে। ভাৰতৰ প্ৰেক্ষাপটত, ৭৩ তম আৰু ৭৪ তম সংশোধনী আইনে চহৰ আৰু গ্ৰাম্য দুয়ো অঞ্চললৈ ক্ষমতাৰ হস্তান্তৰকৰণৰ দ্বাৰা ক্ষমতাৰ বিকেন্দ্ৰিকৰণৰ আৰ্হি হৈ পৰিছে। এই ব্যৱস্থাসমূহৰ অন্তৰ্ভুক্তি এইবাৰে উল্লেখনীয় কাপণ এইসমূহে মহিলা, অনুসূচিত জাতি আৰু জনজাতিৰ বাবে ব্যৱস্থাৰ সুবিধা প্ৰদান কৰিছে। ওপৰত আমি যিসকল লোকৰ কথা কৈ আহিছো তেওঁলোকক দীৰ্ঘকাল ধৰি এটা নিৰ্দিষ্ট গণ্ডিৰ মাজলৈ ঠেলি পঠিওৱা হৈছিল। এই ক্ষমতাৰ বিকেন্দ্ৰিকৰণে মূলসূতিৰ শাসন প্ৰণালীৰ অংশ হ'বলৈ অনুমতি প্ৰদান কৰিছে। উদাহৰণস্বৰূপে, এইটো লক্ষ্য কৰা গৈছে যে দেশৰ গ্ৰাম্য অঞ্চলৰ প্ৰায় ২০ লাখ মহিলা স্থানীয় পৰ্যায়ত শাসনৰ ভাগ লৈ আছে আৰু এইয়া সম্ভৱ হৈ উঠিছে ৭৩ তম আৰু ৭৪ তম সংশোধনী আইন বলৱৎ হোৱাৰ পিছত মহিলাসকলৰ কাৰণে আসন সংৰক্ষণৰ সুবিধাৰ বাবে। যি কি নহওঁক, এইটো উল্লেখ কৰা আৱশ্যক যে এই সম্পৰ্কে অমিল লক্ষ্য কৰা হৈছে, বিশেষকৈ মহিলাসকল আৰু পিছপৰা জাতি নাইবা শ্ৰেণীৰ যোগদানৰ ক্ষেত্ৰত। ৰাজনীতিত মহিলাসকলৰ যোগদানৰ লগত জড়িত বিষয় আৰু সমস্যাসমূহৰ আলোচনা পিছৰ বিষয়ত আলোচনা কৰা হৈছে। একে ধৰণে, দেখা যায় যে অনুসূচিত অঞ্চলসমূহ অন্যায়ৰ সন্মুখীন হ'ব লগা হৈছে যেতিয়া তেওঁলোকৰ মূলসূতিৰ ৰাজনীতিত অৱদানৰ কথা চিন্তা কৰা হয়। গতিকে, দিলীপ সিং ভূৰিয়া আয়োগৰ

পৰামৰ্শৰ দ্বাৰা অনুসূচিত অঞ্চলসমূহ অন্তর্ভূক্তিকৰণৰ প্ৰচেষ্টাত অনুসূচিত অঞ্চল পঞ্চায়তী ৰাজ বিস্তাৰ ধাৰা, ১৯৯৬ (PESA Act) আৰম্ভ কৰা হৈছিল । পেছা আইন (PESA Act) অনুসৰি যিবিলাক ৰাজ্যৰ অধিক্ষেত্রত অনুসূচিত অঞ্চল আছে সেই ৰাজ্যসমূহে জনজাতীয় মানুহবোৰক সিদ্ধান্ত গঠন প্রক্রিয়াত অন্তর্ভু ক্ত কৰিবলৈ বিশেষ মনোযোগ দিব লাগিব। ধাৰাটোৱে জনজাতীয় পৰম্পৰাগত আৰু প্রথাগত আইনসমূহৰ গুৰুত্বক স্বীকাৰ কৰে আৰু যেতিয়া আইন প্রণয়ন কৰা হয়, তেতিয়া ৰাজ্য চৰকাৰসমূহক জনজাতীয পৰম্পৰাগত প্রথাৰ লগত ঐক্য বজাই ৰাখিবলৈ নির্দেশ কৰে ইত্যাদি। যি কি নহওঁক, আচল ক্ষেত্রত দেখা যায় যে ধাৰাটোৰ উদ্দেশ্যসমূহ এইবিলাকৰ প্রকৃত অর্থত লাভ কৰা হোৱা নাই। এই সম্পর্কে লক্ষ্য কৰা কিছুমান সাধাৰণ সমস্যা হৈছে -

(১) সিদ্ধান্ত গঠন কৰাৰ ক্ষেত্রত ৰাজ্য চৰকাৰে গ্রাম সভাক প্রায়ে একাষৰীয়া কৰি থৈ দিয়ে।

(২) এইটোও দেখা যায় জনজাতীয় লোকক স্থানীয় ভূমিকা গ্রহণ কৰাৰ ক্ষেত্রত প্রায়ে অগ্রাধিকাৰ দিয়া নহয়। ইয়াৰ পৰিবর্তে গুৰুত্বপূর্ণ পদসমূহ দখল কৰাৰ ক্ষেত্রত পঞ্চায়ত সদস্যসকলে আগস্থান লৈ লয়।

এই ক্ষেত্রত এইটো বৰ প্রয়োজনীয় যে সমগোত্রীয় নাগৰিকসকলৰ প্রতি মানুহৰ মনোভাব তথা চিন্তা নিৰপেক্ষ হোৱা উচিত। সকলোৰে উন্নতি সাধন কৰিবলৈ হ'লে প্রত্যেককে তেওঁলোকৰ কামৰ মাজেৰে নিজকে ব্যক্ত কৰিবলৈ সুযোগ প্রদান কৰাটো বৰ গুৰুত্বপূর্ণ। বিকেন্দ্রিকৰণৰ আৰম্ভণি কৰাৰ পিছৰ ইয়াক বর্তাই ৰখাটো সকলোৰে কর্তব্য যাতে সকলোৰে ইয়াৰ সুফল ভোগ কৰিব পাৰে।

১২.৭ তৃণমূল পর্যায়ত ৰাজনীতিত যোগদান

এইটো উল্লেখ কৰাটো অপ্রয়োজনীয় যে ৭৩ তম আৰু ৭৪ তম সংশোধনী আইনৰ নিচিনা বিধানসমূহে দেশত সাধাৰণ মানুহক প্রায়োগিক ৰাজনৈতিক প্রক্রিয়াৰ অংশ কৰি ল'বলৈ সুবিধা প্রদান কৰিছে। সংশোধনী ধাৰাই দুর্গম অঞ্চলত বাস কৰা মানুহ আৰু চহৰীয়া অঞ্চলত বাস কৰা সকলকো- যিসকলে প্রত্যক্ষভাৱে ৰাজনৈতিক কার্যপ্রণালীত অংশগ্রহণ কৰিব নোৱাৰে, তেওঁলোককো সক্রিয়ভাৱে ৰাজনৈতিক প্রক্রিয়াবোৰত যোগদান কৰিবলৈ সক্ষম কৰি তুলিছে।

. তৃণমূল পর্যায়ত ৰাজনৈতিক যোগদানৰ দৃশ্যপটৰ প্রকৃত বিৱৰণৰ ক্ষেত্রত প্রায়ে ভাৰতত বিকেন্দ্রিকৰণ প্রক্রিয়াৰ কার্যকাৰিতা সম্পর্কে প্রশ্ন উত্থাপন কৰা হয। এই ক্ষেত্রত, মহিলাৰ যোগদানক বলিষ্ঠ সূচক হিচাপে বিবেচনা কৰা যাব পাৰে। ভাৰতত ৰাজনৈতিক কর্মক্ষেত্রৰ বিভিন্ন স্তৰত, মহিলাসকলৰ যোগদান বৃদ্ধি পাইছে বুলি বহুতো অধ্যয়নে দেখুৱায়। এইটোও দেখা যায় যে দেশত২৪-৪৫ বছৰৰ বয়সৰ যুৱতী বয়সৰ গোটৰ মহিলাসকলৰ এটা গৰিষ্ঠ সংখ্যকে ৰাজনীতিৰ লগত এতিয়া জড়িত হৈ আছে। সামাজিক পর্যায়ত ই আন কিছুমান সকাৰাত্মক পৰিবর্তনো আনিছে। উদাহৰণস্বৰূপে, ঘৰৰ বাহিৰত মহিলাসকলৰ যোগদানে

তেওঁলোকক উচ্চ শিক্ষাৰ কৰ্তৃত্বৰ প্ৰয়োজনীয়াতাৰ বিষয়ে আৰু বেছি সজাগ কৰি তুলিছে। যি কি নহওঁক, ক্ষমতাৰ বিকেন্দ্ৰিকৰণৰ সকাৰাত্মক ফলসমূহ থকা সত্বেও, এইটো দেখা যায় যে প্ৰকৃত অৰ্থত বিকেন্দ্ৰিকৰণৰ প্ৰক্ৰিয়াক ফলপ্ৰসু কৰিবলৈ হ'লে ইয়াৰ কিছুমান সীমাবদ্ধতা আছে যিবিলাক আতৰাব লাগিব। ভাৰতৰ তৃণমূল পৰ্যায়ৰ ৰাজনীতিত মহিলাৰ অংশগ্ৰহণে মুখামুখি হোৱা কিছুমান সীমাবদ্ধতাৰ বিষয়ে তলত আলোচনা কৰা হ'ল যিবিলাকক অতি সোনকালে সমাধান কৰা প্ৰয়োজন।

- এইটো দেখা যায় যে তৃণমূল পৰ্যায়ৰ ৰাজনীতিত সকলো মহিলাই কাম কৰি আছে। তেওঁলোকৰ সাক্ষৰতাৰ পৰ্যায় একেবাৰে নিম্ন। চহৰ অঞ্চলত লৈ গ্ৰাম্য অঞ্চলৰ মহিলাসকলৰ ক্ষেত্ৰত ই অধিক প্ৰযোজ্য। ইয়ে কেৱলমাত্ৰ দেশত মহিলাসকলৰ সামাজিক মৰ্যদাই প্ৰতিফলিত নকৰে, বৰঞ্চ ই মহিলাসকলৰ ৰাজনীতিত যোগদান কৰাৰ গুণগত কাৰ্যকাৰিতাৰ ক্ষেত্ৰতো প্ৰত্যাহ্বান সৃষ্টি কৰে।
- অধ্যয়নে দেখুৱায় যে যদিওবা মহিলাসকলে চৰকাৰী ক্ষেত্ৰ অধিকাৰ কৰিছে আৰু সক্ৰিয়ভাৱে ৰাজনৈতিক প্ৰক্ৰিয়াত বৰঙণি যোগাই আছে, তথাপি ব্যক্তিগত কৰ্মক্ষেত্ৰত সমান দায়িত্বৰ বোজাৰে তেওঁলোক ভাৰাক্ৰান্ত হৈ আছে।
- ওপৰৰ আলোচনাত মহিলাসকলৰ নিম্ন সাক্ষৰতাৰ পৰ্যায়ৰ বিষয়ে উল্লেখ কৰা হৈছে। সেই বাবে বাহিৰৰ জগতখনত মহিলাসকলে নিজৰ দক্ষতা প্ৰকাশ কৰিব পৰা নাই। বিশেষকৈ গ্ৰাম্যাঞ্চলৰ নাৰীসকল এনে সুবিধাৰ পৰা অধিক বঞ্চিত। দেশৰ বেছিভাগ অংশৰ মহিলাৰ মনত এই কাৰকসমূহে আত্মবিশ্বাস বৃদ্ধিত অন্তৰায়ৰ সৃষ্টি কৰিছে। বহুতো ক্ষেত্ৰত যোগ্যতাৰ চৰ্তসমূহ পূৰণ কৰা সত্বেও এই প্ৰৱণতাসমূহে গুৰুত্বপূৰ্ণ চৰকাৰী বিষয়বিলাকত আগুৱাই আহিবলৈ মহিলাসকলক বাধা প্ৰদান কৰিছে।
- বৰ্তমান পিতৃতন্ত্ৰ এটা বহুলভাৱে চৰ্চিত শব্দ। মহিলাসকলে ৰাজনীতিত অংশগ্ৰহণ কৰাৰ প্ৰসঙ্গত এইটো দেখা যায় যে শক্তিশালী পিতৃতান্ত্ৰিক ব্যৱস্থাই চৰকাৰী ক্ষেত্ৰত মহিলাসকলৰ যোগদানত প্ৰতিবন্ধকতা সৃষ্টি কৰাত এটা সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে।
- প্ৰতিবন্ধকতাসমূহ সামাজিক নিয়মসমূহ হ'ব পাৰে, নাইবা পৰিয়ালৰ সদস্যসকল হ'ব পাৰে, নাইবা মহিলাসকল নিজেও হ'ব পাৰে যিসকলে ঘৰুৱা কাম-কাজ আৰু ঘৰুৱা দায়িত্বৰ লগত পৰিচিত আৰু ঘৰৰ বাহিৰলৈ আহিবলৈ ভয় কৰে।
- মহিলাসকলৰ দক্ষতাৰ বিষয়ে থকা চিৰাচৰিত সন্দেহৰ ভাৰ আজিও বৰ্তমান। মহিলাসকলে চৰকাৰী বিষয় চম্ভালিব নোৱাৰিব বুলি এনেকুৱা ধাৰণা আজিও ক্ৰিয়াশীল। এনেকুৱা দৃষ্টান্তও দেখা যায় যে মহিলাসকল কেৱল নামমাত্ৰ পঞ্চায়তৰ মূখ্য পৰিচালক আৰু সমগ্ৰ সিদ্ধান্ত গঠন প্ৰক্ৰিয়া আৰু প্ৰশাসনিক কাৰ্যাৱলী তেওঁলোকৰ গিৰীয়েক নাইবা তেওঁলোকৰ ভাতৃসকলে বহুতো ক্ষেত্ৰত সম্পাদন কৰে।

এনেকুৱা বিষয় নাইবা সমস্যাসমূহ সমাধান কৰাৰ কাৰণে ভাৰত চৰকাৰে এতিয়ালৈকে বিভিন্ন গ্ৰহণ ব্যৱস্থা কৰিছে। এই সম্পৰ্কে প্ৰবৰ্তন কৰা কিছুমান আচনি হৈছে স্বশক্তি, ১৯৮৯

(Swashakti, 1989), স্বয়ম্সিদ্ধ ২০০১ (Swayamsiddha, 2001), সাদৰ ২০০২ (Swadhar, 2002), ঘৰুৱা হিংসাৰ আইন, ২০০৬ (Domestic Violence Act, 2006), বেটি বাচাওঁ বেটি পঢ়াওঁ ২০১৫ (Beti Bachao Beti Padhao, 2015) ইত্যাদি। এইবোৰ হৈছে ভাৰত চৰকাৰৰ দ্বাৰা লোৱা কিছুমান আঁচনি যিবিলাকৰ মহিলাসকলৰ গুণগত কল্যাণ আৰু বিকাশৰ ক্ষেত্ৰত প্ৰভাৱ প্ৰত্যক্ষভাৱে নাইবা পৰোক্ষভাৱে দীৰ্ঘকালীন সময়ত ৰাজহুৱা ক্ষেত্ৰত ইয়ে তেওঁলোকে লোৱা পদক্ষেপক গভীৰভাৱে প্ৰভাৱিত কৰিব।

এইটো উল্লেখ কৰা নিষ্প্ৰয়োজন যে চৰকাৰে নাইবা আন সম্পৰ্কীয় বিভাগে লোৱা পদক্ষেপসমূহ যি সময়ত গুৰুত্বপূৰ্ণ, সেই একেটা সময়তে মানৰ কল্যাণ আৰু বিকাশৰ প্ৰতি আমাৰ সামগ্ৰিক মনোভাৱ আৰু ধ্যান ধাৰণাৰ অন্তঃ বিশ্লেষণৰ প্ৰয়োজন।



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গণতন্ত্ৰই সৰ্বব্যাপি শাসন পদ্ধতিৰ ব্যৱস্থাক বুজায় য'ত সকলো নাগৰিকে তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচন কৰাৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। ভাৰতক আটাইতকৈ বিশাল গণতন্ত্ৰ হিচাপে বিবেচনা কৰা হয়।
- তৃণমূল গণতন্ত্ৰ মানে তৃণমূল পৰ্যায়ত গণতন্ত্ৰৰ অনুশীলনক বুজায়। ভাৰতত ৭৩ তম আৰু ৭৪ তম সংশোধনী আইন তৃণমূল গণতন্ত্ৰ উন্নীত কৰাৰ উদাহৰণ।
- ৭৩ তম আৰু ৭৪ তম সংশোধনী আইন, ১৯৯২ য়ে ভাৰতত তিনি খলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থাৰ সূত্ৰপাত কৰিছিল।
- বিকেন্দ্ৰিকৰণে এক কেন্দ্ৰীয় বিভাগ বা সংস্থাৰ পৰা আন পৰ্যায়লৈ কাৰ্য, ক্ষমতা, দায়িত্ব ইত্যাদি অৰ্পন নাইবা বিতৰণ কৰাৰ ধাৰণাক সূচায়।
- বিকেন্দ্ৰিকৰণ বিভিন্ন প্ৰকাৰৰ নাইবা শ্ৰেণীৰ হ'ব পাৰে যেনে, ৰাজনৈতিক বিকেন্দ্ৰিকৰণ, বিত্তীয় ৰাজকোষৰ বিকেন্দ্ৰিকৰণ, প্ৰশাসন আৰু বজাৰৰ বিকেন্দ্ৰিকৰণ। বিকেন্দ্ৰিকৰণ অসংখ্য সুবিধা আৰু অসুবিধাৰ দ্বাৰা বেষ্টিত হৈ আছে।
- বিদ্ৰোহ আন্দোলনে এটা বিশেষ বিষয়ৰ প্ৰতি বিৰোধ নাইবা অসমৰ্থন কৰাকে বুজায়। বিদ্ৰোহ বিভিন্ন আকাৰত প্ৰদৰ্শিত হ'ব পাৰে।
- ৰাজনৈতিক বিকেন্দ্ৰিকৰণ নাইবা ক্ষমতাৰ বিকেন্দ্ৰিকৰণে জনগণক সিদ্ধান্ত গঠন কৰাৰ ক্ষমতা প্ৰদান কৰে। ভাৰতৰ প্ৰেক্ষাপটত, এই বিকেন্দ্ৰিকৰণে বিভিন্ন সামাজিক পৰিবৰ্তন আনিছে যাৰ গুৰুত্ব মহিলা আৰু অনুসূচিত দলসমূহ আৰু তেওঁলোকৰ তৃণমূল ৰাজনীতিত যোগদানৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰণিধানযোগ্য।



১২.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

(১) Das, Purnendu Sekhar (ed.); 2005; Decentralised Planning and Participatory Rural Development; Concept Publishing Company.

(২) Singh, Satyajit & Pradeep K. Sharma; 2007; Decentralisation: Institutions and Policies in Rural India, Oxford Publications.



১২.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ৭৩ তম সংবিধান সংশোধনী আইন, ১৯৯২।

২ নং প্ৰশ্নৰ উত্তৰঃ গাওঁ পৰ্যায়, মধ্যৱৰ্তী পৰ্যায়, জিলা পৰ্যায়।

৩ নং প্ৰশ্নৰ উত্তৰঃ ৰাজনৈতিক, অৰ্থনৈতিক।

৪ নং প্ৰশ্নৰ উত্তৰঃ প্ৰদত্ত নিয়মক উলঙঘন কৰা, শান্তি সমদল।



১২.১১ আৰ্হি প্ৰশ্ন

ক) **চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)**

(১) গ্ৰাম সভা কি?

(২) বিত্তীয় ৰজকোষৰ বিকেন্দ্ৰিকৰণৰ দ্বাৰা কি বুজায়?

খ) **চমু প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)**

(১) বিকেন্দ্ৰিকৰণৰ এটা সুবিধা আৰু এটা অসুবিধা উল্লেখ কৰক।

(২) ভাৰতত মহিলাসকলে ৰাজনৈতিক প্ৰক্ৰিয়াত যোগদান কৰিবলৈ সন্মুখীন হোৱা দুটামান বাধাৰ বিষয়ে আলোচনা কৰক।

অধ্যায় ১৩ ঃ ভাৰতত সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ সাম্প্রদায়িকতাবাদৰ অর্থ
১৩.৩.১ সাম্প্রদায়িকতাবাদৰ কাৰণসমূহ
১৩.৪ আঞ্চলিকতাবাদৰ অর্থ
১৩.৪.১ আঞ্চলিকতাবাদৰ বিকাশৰ কাৰণসমূহ
১৩.৪.২ ভাৰতৰ বিভিন্ন উত্থান ঘটা আঞ্চলিকতাবাদ
১৩.৪.৩ ভাৰতত আঞ্চলিকতাবাদৰ কেতবোৰ মূল দিশ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সাম্প্রদায়িকতাবাদৰ ধাৰণা আলোচনা কৰিব পাৰিব
- আঞ্চলিকতাবাদৰ ধাৰণা আলোচনা কৰিব পাৰিব

১৩.২ পৰিচয়

ভাৰতৰ প্রেক্ষাপটত ৰাজনীতিৰ বিষয়ে আলোচনা কৰোতে সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদে মুখ্য স্থান দখল কৰিছে। বিংশ শতিকাৰ ভাৰতীয় সমাজত প্রধান সংকটৰ মূল কাৰণ আছিল সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদ। এই অধ্যায়টিত আমি সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদৰ বিষয়ে আলোচনা কৰিম।

১৩.৩ সাম্প্রদায়িকতাবাদ (COMMUNALISM AND REGIONALISM)

আমি প্রথমে সাম্প্রদায়িকতাবাদ সন্দর্ভত আলোচনা কৰিম। সাধাৰণ অর্থত সাম্প্রদায়িকতাবাদ হৈছে ধর্মীয় সম্প্রদায়সমূহে পৰস্পৰৰ প্রতি প্রদর্শন কৰা বিৰুদ্ধাচৰণ। এয়া হৈছে এনে এক আদর্শবাদ য'ত আন গোটৰ সৈতে সম্পর্ক ৰক্ষা কৰাৰ ক্ষেত্রত নির্দিষ্ট ধর্মীয় গোটৰ পৃথক পৰিচয়ত গুৰুত্ব দিয়ে লগতে ইয়াত আনৰ স্বার্থক বিসর্জন দি হ'লেও নিজৰ স্বার্থ

ৰক্ষাৰ প্ৰৱণতা থকা দেখা যায়।

বিপন চন্দ্ৰৰ (Bipan Chandra) মতে, 'সাম্প্রদায়িকতাবাদৰ ধাৰণা প্রধানকৈ এই বিশ্বাসৰ ওপৰত আধাৰিত যে ধৰ্মীয় পার্থক্যই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু মৌলিক পার্থক্য আৰু এই পার্থক্যই আন সকলো পার্থক্যক অগ্রাহ্য কৰে। সাম্প্রদায়িকতাবাদ হৈছে মূলতঃ আৰু সৰ্বোপৰি এক আদৰ্শ যাৰ ওপৰত সাম্প্রদায়িক ৰাজনীতি নিৰ্ভৰ কৰে। সাম্প্রদায়িক সংঘৰ্ষ হৈছে সাম্প্রদায়িক আদৰ্শৰ আনুমানিক পৰিণতি।'

এয়া অতি মন কৰিবলগীয়া দিশ যে স্বাধীনতাৰ ছটা দশকৰ পিছতো ভাৰতত সাম্প্রদায়িকতাৰ সমস্যা নিৰ্মূল হোৱা নাই। বিপন চন্দ্ৰই পৰৱৰ্তী সময়ত উল্লেখ কৰিছে যে সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক উদ্দেশ্যপ্রণোদিত স্বার্থসমূহে সাম্প্রদায়িকতাবাদক ইচ্ছাকৃতভাৱে উৎসাহ যোগায় অথবা অসচেতনভাৱে গ্রহণ কৰে। ইয়াৰ কাৰণ হৈছে জনপ্রিয় সংঘৰ্ষসমূহক নষ্ট অথবা বিপথে পৰিচালিত কৰিব পৰাৰ ইয়াৰ ক্ষমতা, ৰাইজক তেওঁলোকৰ সামাজিক পৰিস্থিতিৰ বাবে দায়ী আর্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণসমূহ বুজাত বাধা প্রদান, ৰাষ্ট্রীয় আৰু শ্রেণীগত দিশত একতা সৃষ্টিত প্রতিবন্ধকতা আৰু লগতে ৰাইজক তেওঁলোকৰ প্রকৃত আর্থ-সামাজিক স্বার্থ তথা গণ আন্দোলনৰ পৰা আঁতৰাই ৰখা।

১৩.৩.১ সাম্প্রদায়িকতাবাদৰ কাৰণসমূহ (Causes of Communalism)

আধুনিক ভাৰতত ব্রিটিছে সিঁচি দিয়া বিভাজনৰ ৰাজনীতিৰ বীজে হৈছে সাম্প্রদায়িকতাবাদৰ উত্থানৰ প্রধান কাৰণ। ঔপনিৱেশিক শাসকসকলে সাম্প্রদায়িকতাবাদক এক হাতিয়াৰ ৰূপে ব্যৱহাৰ কৰি বিভেদৰ সৃষ্টি কৰাৰ লগতে ভাৰতবাসীৰ মাজত একতাৰ ভাৱ গঢ়ি উঠাত বাধাৰ সৃষ্টি কৰিছিল। অন্য অর্থত সাম্প্রদায়িকতাবাদৰ ব্যৱহাৰ কৰি ব্রিটিছসকলে ৰাষ্ট্রীয়তাবাদী আন্দোলনক দুর্বল কৰি তোলাৰ প্রয়াস চলাইছিল আৰু এনেদৰে ভাৰতবাসীৰ মনত একতাৰ ভাৱ গঢ়ি উঠাৰ বাটত হেঙাৰৰ সৃষ্টি হৈছিল। ব্রিটিছসকলে সাম্প্রদায়িকতাবাদৰ প্রসাৰ আৰু ইয়াত সাৰ-পানী যোগাবলৈ কেতবোৰ নীতি গ্রহণ কৰিছিল, সেইসমূহ হৈছে-

- ধাৰাবাহিকভাৱে হিন্দু, মুছলমান আৰু শিখসকলক পৃথক সমূদায় আৰু আর্থ-সামাজিক সত্তাৰূপে ৰূপে আচৰণ কৰা।
- সাম্প্রদায়িকতাবাদীসকলক বিশেষ অনুগ্রহ আৰু চৰকাৰী সুবিধা প্রদান কৰা।
- সাম্প্রদায়িক দাবীসমূহ তাৎক্ষণিকভাৱে মানি লোৱা।
- সাম্প্রদায়িক সংগঠন আৰু নেতাসকলক সম্প্রদায়টোৰ প্রকৃত মুখপাত্রৰূপে ব্রিটিছসকলে স্বীকৃতি প্রদান কৰিছিল, কিন্তু ইয়াৰ বিপৰীতে ৰাষ্ট্রীয়তাবাদী নেতাসকলৰ সৈতে ক্ষুদ্র সংখ্যালঘূৰূপে আচৰণ কৰা হৈছিল।
- পৃথক নির্বাচনী ব্যৱস্থাই সাম্প্রদায়িক ৰাজনীতি গঢ়ি উঠাত ইন্ধন যোগাইছিল।
- সাম্প্রদায়িক ৰাজনীতিৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্রহণ নকৰাকৈ ঔপনিৱেশিক

চৰকাৰে ইয়াক উৎসাহ যোগাইছিল। সাম্প্রদায়িকতাবাদক ভেঁটা দিবলৈ ৰাষ্ট্রই নিজে কেতবোৰ যোগাত্মক ব্যৱস্থা গ্রহণ কৰিব লাগে। এই ব্যৱস্থাসমূহ গ্রহণ কৰাত বিফলতাই পৰোক্ষভাৱে সাম্প্রদায়িকতাবাদক উৎসাহ যোগাইছিল।

- হিন্দু ধর্মীয় মৌলবাদে ভাৰতত সাম্প্রদায়িকতাবাদৰ বিকাশত অৰিহণা যোগাইছিল। বহু হিন্দু ৰাষ্ট্রীয়তাবাদী উগ্রপন্থীয়ে ৰাষ্ট্রীয়তাবাদৰ সৈতে হিন্দু আদর্শবাদক সংযুক্ত কৰাৰ লগতে দৈনন্দিন ৰাজনৈতিক সংঘর্ষৰ সৈতে হিন্দু সংস্কৃতিক একাকাৰ কৰিবলৈ বিচাৰিছিল। ইয়াৰ ফলস্বৰূপে ৰাষ্ট্রীয়তাবাদৰ প্রক্রিয়াৰ সৈতে ইছলামধর্মী লোকসকল সংযুক্ত হ'বলৈ দ্বিধাবোধ কৰিছিল। সাম্প্রদায়িকতাবাদৰ প্রক্রিয়াত ঔপনিৱেশিক সমর্থনে পৰৱর্তী সময়ত পৰিস্থিতি অধিক জটিল কৰি তোলে। ধর্মৰ ভিত্তিত সৃষ্টি হোৱা সংঘাতে ৰাষ্ট্রীয়তাবাদৰ মনোভাৰক ধ্বংস কৰি পেলাইছিল। এই কার্যই পৰৱর্তী সময়ত লাভান্বিত কৰিছিল ঔপনিৱেশিক শাসকসকলক।
- বিশেষকৈ প্রাচীন আৰু মধ্যযুগৰ ভাৰতীয় ইতিহাসৰ বিকৃত ব্যাখ্যাই সাম্প্রদায়িকতাবাদৰ প্রসাৰত অৰিহণা যোগাইছিল। ব্রিটিছ ইতিহাসবিদ জেমছ মিলে ইতিহাসৰ এক সাম্প্রদায়িক ব্যাখ্যাৰে 'ভাৰতীয় ইতিহাসৰ প্রাচীন যুগক হিন্দু যুগ আৰু মধ্য যুগক মুছলিম যুগ' বুলি উদ্ভট ধাৰণাৰ প্রচাৰ কৰিছিল। ইয়াৰ লগতে আন আন ব্রিটিছ আৰু ভাৰতীয় ইতিহাসবিদসকলেও 'শাসকৰ ধর্মৰ ভিত্তিত ভাৰতীয় ৰাজনীতি' ৰ মূল চৰিত্রক আলোচনা কৰিছিল আৰু এই ক্ষেত্রত সাধাৰণ ৰাইজৰ স্থানক কোনো গুৰুত্ব প্রদান কৰা হোৱা নাছিল। হিন্দু আৰু মুছলিম উভয় সম্প্রদায়ে এই ব্যাখ্যা মানি লৈছিল আৰু ইয়াৰ ফলত ৰাষ্ট্রীয়তাবাদী আৱেগ ক্ষতিগ্রস্ত হৈছিল।

আমি ইতিমধ্যে আলোচনা কৰা এই সকলোবোৰ কাৰকে কেৱল প্রাক ব্রিটিছ কালতে সাম্প্রদায়িকতাবাদৰ উত্থানত অৰিহণা যোগোৱা নাছিল, বৰং স্বাধীনোত্তৰ কালতো এই ধাৰণাসমূহে সাম্প্রদায়িকতাবাদৰ প্রসাৰ ঘটাইছিল।

১৩.৪ আঞ্চলিকতাবাদৰ অর্থ

স্বাধীনতাৰ পিছৰে পৰা ভাৰতীয় ৰাজনীতিত আঞ্চলিকতাবাদে এক দমনমূলক ভূমিকা গ্রহণ কৰি আহিছে। অৱশ্যে ষাঠী আৰু সত্তৰৰ দশকৰ শেষৰফালে পৃথকীকৰণ, ৰাজ্যৰ মর্যাদা প্রদান, স্বায়ত্বশাসনৰ আঞ্চলিক দাবীসমূহ ইমানেই শক্তিশালী ৰূপত উদ্ভাসিত হ'বলৈ ধৰে যে এইসমূহে ভাৰতৰ একতাৰ প্রতি প্রত্যাহ্বানৰ সৃষ্টি কৰিবলৈ

ধৰে। সাধাৰণ অর্থত আঞ্চলিকতাবাদ হৈছে যিকোনো অতিৰঞ্জিত অথবা দমনমূলক কেন্দ্ৰীয়কৰণৰ বিৰোধী আন্দোলন। সহজ অর্থত আঞ্চলিকতাবাদ সংজ্ঞাৰ দুটা অর্থ আছে। ঋণাত্মক অর্থত ই এজন ব্যক্তিয়ে দেশ বা ৰাজ্যৰ পৰিৱর্তে নিজৰ অঞ্চলৰ প্ৰতি দেখুওৱা অতিমাত্ৰা সংযুক্তকৰণক বুজায়। আনহাতে যোগাত্মক অর্থত এই ভাৱধাৰাই নিজৰ অঞ্চল, সংস্কৃতি, ভাষা ইত্যাদিৰ প্ৰতি ভালপোৱাৰ ভাৱ প্ৰদর্শন কৰি এইসমূহৰ স্বকীয়তা ৰক্ষা কৰাৰ স্বার্থত ৰাজনৈতিক দায়ৱদ্ধতাক সূচায়।

কিন্তু আমি যদি এই সংজ্ঞাক গভীৰভাৱে বিশ্লেষণ কৰো তেনেহ'লে আমি দেখা পাম যে আঞ্চলিকতাবাদৰ অর্থৰ সৈতে বিভিন্ন আনুসংগিক দিশ জড়িত হৈ আছে। এই দিশসমূহৰ ভিতৰত এটা দিশে আঞ্চলিকতাবাদক কেন্দ্ৰ-ৰাজ্যৰ সম্পর্কৰ মূর্ত ৰূপে বিবেচনা কৰে। প'ল আৰ ব্ৰাছে কেন্দ্ৰ আৰু ৰাজ্যৰ সংঘাতৰ উৎসৰূপে আঞ্চলিকতাবাদক আলোচনা কৰিছে। তেওঁ কৈছে যে, 'ৰাজনৈতিক অর্থত আঞ্চলিকতাবাদ বুলিলে ৰাজ্যসমূহৰ ৰাজনীতিৰ ধৰণক বুজো যিসমূহক আটাইতকৈ সুন্দৰৰূপত ৰাষ্ট্ৰীয় পৰিসীমাৰ বাহিৰত ৰাজ্যৰ মাজত সৃষ্ট বিষয় আৰু সংঘাতৰ পৰিপ্ৰেক্ষিতত ব্যাখ্যা কৰিব পাৰি আৰু এইবোৰ সহজে প্ৰত্যক্ষভাৱে বিচলিত হৈ পৰিব পাৰে। যেনে ৰাষ্ট্ৰীয় ধাৰাৰ পৰা ৰাজনৈতিক দল গঠন আৰু ভোটদানৰ পদ্ধতিৰ পার্থক্য আদি বিষয়।' আন এক দৃষ্টিভংগী অনুসৰি আঞ্চলিকতাবাদক ভাৰতৰ ৰাজনৈতিক সংহতিৰ সহায়ক পদ্ধতি ৰূপে আলোচনা কৰিব পাৰি। কৌচৰ জে আজমে আঞ্চলিকতাবাদৰ ব্যাখ্যা এইদৰে কৰিছে 'সেইবোৰ অৱশিষ্ট উপাদানৰ বহুমাত্ৰা যিবোৰে ৰাষ্ট্ৰীয় ৰাজনীতি আৰু ৰাষ্ট্ৰীয় সংস্কৃতিত নিজকে প্ৰকাশ কৰাৰ সুযোগ লাভ নকৰে আৰু বৌদ্ধিক ৰাজনীতিৰ কেন্দ্ৰীকৰণৰ পৰা বঞ্চিত হৈ ৰয়, সেইসমূহে নিজকে ৰাজনৈতিক অসন্তুষ্টি আৰু ৰাজনৈতিক বিচ্ছিন্নকৰণৰ দ্বাৰা প্ৰকাশ কৰে।' এই সংজ্ঞাই আঞ্চলিকতাবাদৰ সম্পূর্ণৰূপে এক ঋণাত্মক দিশ প্ৰকট কৰিছে।

১৩.৪.১ আঞ্চলিকতাবাদৰ বিকাশৰ কাৰণসমূহ (Causes of Growth of Regionalism)

ভাৰতত আঞ্চলিকতাবাদৰ বিকাশৰ বহুকেইটা কাৰণ আছে-

- স্বাধীনতাৰ পৰৱর্তী সময়ত বহুকেইটা অঞ্চলে নিজকে অৱহেলিত বুলি অনুভৱ কৰিছিল। এনে কেতবোৰ অঞ্চল আছিল যিবোৰে সুবিধাজনক স্থানত থকাৰ বাবে আন অঞ্চল আৰু সমূদায়ক শোষণ কৰাৰ লগতে নিজৰ উচ্চ আসন বজাই ৰখাৰ চেষ্টা কৰিছিল।
- দমনৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰ আৰু অঞ্চল বিশেষৰ সম্পর্ক হৈছে ভাৰতত আঞ্চলিকতাবাদৰ উত্থানৰ আন এক কাৰক। স্বাধীনোত্তৰ কালত এই অঞ্চলসমূহে কেন্দ্ৰৰ পৰা অৱহেলিত অনুভৱ কৰিছিল। এই অঞ্চলসমূহ পিছ পৰি থকাৰ

বাবে উন্নয়ন বৈষম্যপূৰ্ণ হৈ ৰয়।

- ভাৰতৰ দৰে বৈচিত্ৰ্যপূৰ্ণ দেশ এখনত কেন্দ্ৰই এক নিৰ্দিষ্ট আদৰ্শ, ভাষা আৰু সংস্কৃতিৰ ধৰণ সকলো লোকৰ ওপৰত জাপি দিবলৈ বিচৰাৰ বাবেও আঞ্চলিকতাবাদে গা কৰি উঠিছে।
- কেন্দ্ৰীয়কৰণৰ অত্যধিক প্ৰৱণতাৰ বাবেও আঞ্চলিকতাবাদে দেখা দিছে। সকলো প্ৰশাসনীয় আৰু ৰাজনৈতিক শক্তি কেন্দ্ৰতে স্তূপীকৃত হোৱাৰ বাবে বিকেন্দ্ৰীকৰণৰ দাবী প্ৰৱল হৈ উঠিছে।
- কেতিয়াবা দেখা যায় আঞ্চলিক ৰাজনৈতিক দলৰ ক্ষমতা দখলৰ ইচ্ছাৰ বাবেও আঞ্চলিকতাবাদে দেখা দিয়ে। লিউচ পি ফিকেটৰ মতে, '১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পৰা ভাৰতীয় ৰাজনীতিত দেখা দিয়া অতি বৈশিষ্ট্যপূৰ্ণ বিকাশ হৈছে বিভিন্ন আঞ্চলিক দলৰ উত্থান আৰু সফলতা'। এয়া সত্য যে আঞ্চলিক সচেতনতাই বহু সময়ত কেতবোৰ আঞ্চলিক বিষয়ক লৈ সেই অঞ্চলৰ নেতাই আৰম্ভ কৰা আন্দোলনৰ মাজেৰে সংগঠিত ৰূপত দেখা দিয়ে। সময়ৰ সৈতে এনে আন্দোলনে ৰাজনৈতিক দলৰ ৰূপ ল'ব পাৰে। গতিকে ক'ব পৰা যায় যে আঞ্চলিক ভাৰাৱেগ জগাই তুলিব পৰা আন্দোলনৰ বাবে কেতবোৰ ৰাজনৈতিক সংগঠনৰ প্ৰয়োজন। প্ৰথম অৱস্থাত এয়া ৰাজনৈতিক দলৰ ৰূপত নাথাকে। কিন্তু সময়ৰ সৈতে আন্দোলন তীব্ৰতৰ হোৱাৰ লগে লগে ই ৰাজনৈতিক দলৰ ৰূপ গ্ৰহণ কৰে।
- ভাৰতৰ কেতবোৰ অঞ্চলত ভাৰতৰ অংগৰাজ্য ৰূপে কোনো একমত থকা দেখা নাযায়। এই অঞ্চলসমূহে মূল ভাৰতৰ পৰা বিচ্ছিন্ন হোৱাৰ দাবী উত্থাপন কৰি আহিছে।
- কেতিয়াবা লক্ষ্য কৰা যায় যে নিৰ্দিষ্ট সমুদায়, শ্ৰেণী অথবা অঞ্চলভিত্তিক দমন আঞ্চলিকতাবাদৰ কাৰক ৰূপে দেখা দিয়ে।

১৩.৪.২ ভাৰতৰ বিভিন্ন অংশত উত্থান ঘটা আঞ্চলিকতাবাদ

১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত দেশ আৰু বিদেশৰ বহুতো পৰ্যবেক্ষকে ভৱিষ্যৎবাণী কৰিছিল যে এখন অখণ্ড দেশ হিচাপে ভাৰতৰ অস্তিত্ব দীৰ্ঘদিন বৰ্তি নাথাকে। সৌভাগ্যৰ কথা এয়ে যে এই ভৱিষ্যৎবাণী অসৰে প্ৰমাণিত হ'ল। অৱশ্যে আমি এয়াও ক'ব নোৱাৰো যে ভাৰতে ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াটোলৈ অহা সকলোবোৰ ভাবুকি সফলতাৰে আৰু সম্পূৰ্ণ নাইকিয়া কৰিব পাৰিছে। স্বাধীনতা লাভৰ কিছুদিন পাচতেই জম্মু আৰু কাশ্মীৰৰ সমস্যাটোৱে মূৰ দাঙি উঠিছিল। একেদৰে, উত্তৰ-পূৰ ভাৰতৰ বিভিন্ন অংশত ভাৰতৰ সৈতে চামিল হোৱাৰ বিষয়ত ঐক্যমত গঠন হোৱা নাছিল। দক্ষিণ ভাৰতৰ বিভিন্ন দল আৰু গোটেও হয় ভাৰত ৰাষ্ট্ৰৰ পৰা পৃথক হোৱাৰ

দাবী উত্থাপন কৰিছিল, নহ'লে সুকীয়া ৰাজ্য গঠন কৰিব বিচাৰিছিল নহ'লে অধিক স্বায়ত্ব শাসনৰ সুবিধা বিচাৰিছিল। এই ঘটনাবোৰৰ পাচতেই দেশৰ বিভিন্ন অংশত ভাষাৰ ভিত্তিত ৰাজ্য গঠনৰ দাবীত গণ আন্দোলনৰ সূত্রপাত হৈছিল। এনে আন্দোলনে সবাতোকৈ অধিক প্রভাৱিত কৰা অঞ্চলকেইটা আছিল অন্ধ্রপ্রদেশ, কর্ণাটক, মহাৰাষ্ট্র আৰু গুজৰাট। ইয়াৰ উপৰি দেশৰ বিভিন্ন অংশত হিন্দীক ৰাষ্ট্র ভাষাৰ মর্যাদা দিয়াৰ দাবীত আন এচামে গণ আন্দোলন আৰম্ভ কৰিছিল। দক্ষিণ ভাৰতৰ ৰাজ্যবোৰে, বিশেষকৈ তামিলনাডুই এই কথাৰ জীব্র প্রতিবাদ কৰিছিল যদিও উত্তৰ ভাৰতৰ ৰাজ্যবোৰত হিন্দীৰ সমর্থনত সবল আন্দোলন চলিছিল। ১৯৫০ ৰ দশকৰ পৰা পঞ্জাৱীভাষী লোকসকলে এখন পৃথক ৰাজ্য বিচাৰি আন্দোলন আৰম্ভ কৰিছিল। ভাৰতে এখন ৰাষ্ট্রৰূপে বৈচিত্র্যতাই কঢ়িয়াই অনা এনেবোৰ প্রত্যাহ্বান নাইকিয়া কৰিবলৈ যথাসম্ভৱ চেষ্টা কৰিছিল আৰু দেশৰ আভ্যন্তৰী চাৰিসীমাবোৰ পুনৰ চিহ্নিত কৰাৰ কাম হাতত লৈছিল। তথাপিও এইবোৰৰ পৰা দেশৰ সকলো সমস্যা চিৰদিনৰ কাৰণে সমাধান কৰিব পৰাকৈ কোনো সিদ্ধান্ত নোলাল। ইয়াৰ উপৰি, দেশৰ কিছুমান অঞ্চলত সমস্যাবোৰৰ ৰূপ ইমানেই জটিল আছিল যে কেৱল আভ্যন্তৰীণ চাৰিসীমা পুনৰ চিহ্নিতকৰণে সেইবোৰ সমাধান কৰিব পাৰিব বুলি তুলি ভবাৰ কোনো অৱকাশেই নাছিল। এই সময়খিনিতে অসম, মিজোৰাম আৰু পঞ্জাৱৰ দৰে ৰাজ্যবোৰত নতুন প্রত্যাহ্বানৰ সৃষ্টি হৈছিল।

১৩.৪.৩ ভাৰতত আঞ্চলিকতাবাদৰ কেতবোৰ মূল দিশ (Some Key Issues of Regionalism in India)

- **আঞ্চলিকতাবাদৰ ৰূপ ঃ** সাধাৰণভাৱে আমি তলত দিয়া শিতানবোৰৰ অধীনত আঞ্চলিকতাবাদক ভাগ কৰিব পাৰোঁ —
- **ভাৰত ৰাষ্ট্রৰ পৰা পৃথক হোৱাৰ দাবী ঃ** ভাৰত ৰাষ্ট্রৰ পৰা পৃথক হোৱাৰ দাবীটো হ'ল আঞ্চলিকতাবাদৰ সবাতোকৈ গুৰুতৰ ৰূপবোৰ এটা। এই দাবী বিভিন্ন সময়ত উত্থাপিত হৈছিল। হয়তো এই ক্ষেত্রত প্রথম বিচ্ছিন্নতাবাদী বুলি 'পাটিয়ালা আৰু ইষ্ট পঞ্জাৱ ৰাজ্যসমূহৰ সস্থা' (PEPSU) নামৰ প্রদেশখনৰ উদাহৰণটো ল'ব পাৰি। এই অঞ্চলটোত শিখ ধর্মাৱলম্বী লোকৰ সংখ্যাগৰিষ্ঠতা আছিল। ইয়াৰ পাচতেই দ্রাবিড় নাড, মিজো আৰু নাগাসকলৰ দাবী উত্থাপিত হৈছিল।
- **প্রদেশৰ মর্যাদা বিচৰা দাবী ঃ** খিলঞ্জীয়া সংস্কৃতি আৰু ভাষা সুৰক্ষিত ৰখাৰ স্বার্থত নাইবা কোনো এক নির্দিষ্ট সম্প্রদায়ৰ আধিপত্যৰ বিৰুদ্ধে এচামে সুকীয়া প্রদেশ বিচাৰি দাবী উত্থাপন কৰিছিল। ই আছিল ভাৰতত উত্থিত

আঞ্চলিকতাবাদৰ আন এক ৰূপ। এনে গোট/দলবোৰে ভাৰত ৰাষ্ট্ৰ ভিতৰতে সুকীয়া প্ৰদেশ সৃষ্টিৰ দাবী কৰিছিল। ৰাজ্যবোৰৰ পুনৰ সংগঠন ঘটোৱাৰ পাচত এনে ধৰণৰ আঞ্চলিকতাবাদ শক্তিশালী হৈ পৰিছিল।

- **কেন্দ্ৰীয় শাসিত প্ৰদেশবোৰে পূৰ্ণাংগ ৰাষ্ট্ৰৰ মৰ্যাদা বিচাৰি কৰা দাবী ঃ** ভাৰতীয় সংবিধানৰ অধীনত কেন্দ্ৰীয় শাসিত প্ৰদেশৰ স্থিতি লাভ কৰা কিছুমান অঞ্চলে পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা বিচাৰি কৰা দাবী হ'ল আঞ্চলিকতাবাদৰ আন এটা ৰূপ। এনে দাবী উত্থাপন কৰা কেইখনমান কেন্দ্ৰীয় শাসিত প্ৰদেশ আছিল — হিমাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, পুডুচেৰী, গোৱা আৰু দিল্লী আদি।
- **আন্তঃৰাজ্যিক বিবাদ ঃ** ভাৰতত অসংখ্য বিবাদৰ ৰূপ লৈয়ো আঞ্চলিকতাবাদৰ উত্থান ঘটিছিল। অঞ্চল, চাৰিসীমা, পানী আদি বিষয়ক লৈ ভাৰত সংঘৰ বিভিন্ন গোটৰ মাজত মতানৈক্য ঘটিছিল। এনে এটা উল্লেখযোগ্য ঘটনা হ'ল চণ্ডীগড় চহৰক লৈ সৃষ্টি হোৱা বিবাদ। পঞ্জাৱ ৰাজ্যৰ দ্বিখণ্ডিত কৰণৰ ফলত এই বিবাদৰ সৃষ্টি হৈছিল। চণ্ডীগড় চহৰখন পুনৰ পঞ্জাৱক ওভটাই দিয়াৰ পাচত এই বিবাদৰ ওৰ পৰিছিল যদিও ইয়াৰ বিনিময়ত পঞ্জাৱে ফাজিল্কা তেহচিলৰ ১৪৪ খন হিন্দীভাষী লোক বাস কৰা গাওঁ হাৰিয়ানাক সমৰ্পণ কৰিবলগীয়া হৈছিল। এই গাওঁ কেইখনৰ লগতে ফাজিলক্া আৰু আবোহাৰ চহৰ দুখনো হাৰিয়ানাৰ অংশ হৈ পৰিছিল। বিজাপুৰ, বেলগাম, উত্তৰ কানাৰা আৰু ধাৰৱাৰৰ মাৰাঠীভাষী লোক বাস কৰা অঞ্চলবোৰক লৈও বিবাদৰ সূত্ৰপাত হৈছিল। বৰ্তমান মহীশূৰৰ এটা অংশত পৰিণত হোৱা এই অঞ্চলকেইটাও ভাৰতীয় আঞ্চলিকতাবাদৰ প্ৰমাণ। কিন্তু ১৯৭৫ চনত এই বিবাদবোৰ সম্পূৰ্ণৰূপে সমাধান কৰা হৈছিল। শেহতীয়াভাৱে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত সীমা বিবাদৰ সৃষ্টি হৈছে। অৰুণাচল প্ৰদেশ চৰকাৰে বৰ্তমান অসমৰ সীমাত থকা কেইটামান অংশ নিজৰ বুলি দাবী কৰিছে। একেদৰে, অসম আৰু নাগালেণ্ডৰ মাজতো সীমা সংক্ৰান্তীয় বিবাদ চলি আছে। অতি সম্প্ৰতি অসম-মেঘালয় সীমান্ততো সীমা বিবাদৰ সৃষ্টি হৈছে। একাংশ লোকে সীমান্ত অঞ্চলবোৰত সমস্যাৰ সৃষ্টি কৰি অসমৰ কিছু অংশ দৰাচলতে মেঘালয়ৰ বুলি দাবী কৰিছে।
- **নদীৰ পানীক লৈ সৃষ্টি হোৱা বিবাদ ঃ** নদীৰ পানী ভাগ-বাটোৱাৰাক কেন্দ্ৰ কৰিও ভাৰতৰ বিভিন্ন ৰাজ্যত আঞ্চলিকতাবাদী ভাৱধাৰাৰ উত্থান ঘটিছে। কৃষ্ণা নদীৰ পানী বিতৰণক কেন্দ্ৰ কৰি মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, ওড়িশা, মহীশূৰ আৰু অন্ধ্ৰ প্ৰদেশৰ মাজত দীৰ্ঘদিন ধৰি বিবাদ অব্যাহত আছিল। ডি. এম. ভাণ্ডাৰী প্ৰতিবেদন দাখিল হোৱাৰ পাচতেই এই বিবাদ সাম কাটিছিল। বৰ্তমান সময়তো কাবেৰী নদীৰ পানী ব্যৱহাৰক লৈ তামিলনাড়ু, কৰ্ণাটক আৰু

কেৰালাৰ মাজত বিবাদ অব্যাহত আছে।

- **প্ৰাদেশিক স্বায়ত্ব শাসনৰ দাবী ঃ** অধিক প্ৰাদেশিক স্বায়ত্ব শাসন বিচাৰি উত্থাপিত হোৱা দাবীবোৰতো আঞ্চলিকতাবাদৰ প্ৰমাণ বিৰাজমান। এই দাবী বিশেষভাৱে উত্থাপন কৰা ৰাজ্য কেইখন হ'ল জম্মু আৰু কাশ্মীৰ, পশ্চিম বংগ, অসম, তামিলনাড়ু, অন্ধ্ৰপ্ৰদেশ, পঞ্জাৰ আদি। প্ৰদেশবোৰৰ ভিতৰতো উন্নয়নৰ দিশত অৱহেলিত হৈ ৰোৱা বহুতো অঞ্চলত স্বায়ত্ব শাসনৰ অধিকাৰ বিচাৰি দাবী উত্থাপিত হৈছে। অৰ্থাৎ, ৰাজ্য আৰু ৰাজ্যবোৰৰ অন্তৰ্গত বিভিন্ন অংশ উভয়তে স্বায়ত্ব শাসনৰ দাবী উত্থাপিত হৈছে। এই আটাইবোৰেই হ'ল ভাৰতত উত্থান ঘটা আঞ্চলিকতাবাদৰ স্পষ্ট উদাহৰণ।
- **জম্মু আৰু কাশ্মীৰ** (Jammu and Kashmir) ঃ জম্মু আৰু কাশ্মীৰৰ বিষয় কেৱল ভাৰত-পাকিস্তানৰ মাজত বিবাদৰ কাৰণেই নহয়, আমি সহজে ভবাতকৈ বহু বেছি জটিল আৰু ইয়াৰ সৈতে কাশ্মীৰ উপত্যকাবাসীৰ পৰিচয়ৰ প্ৰশ্নৰ লগতে ৰাজনৈতিক আকাংখ্যাৰ দিশটোও জড়িত হৈ আছে। ১৯৪৭ চনৰ পূৰ্বে জম্মু-কাশ্মীৰ আছিল মুছলমান জনসংখ্যাৰে অধ্যুষিত আৰু হিন্দু শাসকৰ অধীনস্থ এক ৰাজতান্ত্ৰিক ৰাজ্য। যদিও ইয়াৰ ৰজাই নিজৰ ৰাজ্যৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিবলৈ যিমানদূৰ সম্ভৱ সিমান চেষ্টা চলাইছিল তথাপিও পাকিস্তানে প্ৰেৰণ কৰা জনজাতীয় অনুপ্ৰৱেশৰ বাবে তেওঁ ভাৰতৰ সামৰিক সহায় ল'বলৈ বাধ্য হয় আৰু ভাৰত চৰকাৰৰ সৈতে এক সংযুক্তকৰণৰ চুক্তিত স্বাক্ষৰ কৰে। এই ক্ষেত্ৰত চুক্তি হৈছিল যে স্বাভাৰিক অৱস্থা ঘুৰি অহাৰ পিছত জম্মু আৰু কাশ্মীৰবাসীৰ ইচ্ছা-অনিচ্ছাক সন্মান জনাই সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। এই জনজাতীয় আগ্ৰাসনৰ বাবে ৰাজ্যখনৰ এটা অংশ পাকিস্তানে দখল কৰে আৰু ইয়াক 'আজাদ কাশ্মীৰ' আখ্যা দিয়ে।

তেতিয়াৰ পৰাই জম্মু আৰু কাশ্মীৰ সদায়ে বিতৰ্কৰ আৱৰ্তত থকাৰ লগতে আভ্যন্তৰীণ আৰু বাহ্যিক উভয় কাৰণতে সংঘৰ্ষজৰ্জৰ এলেকালৈ পৰিণত হয়। যদিও জম্মু আৰু কাশ্মীৰ ভাৰতৰ অবিচ্ছেদ্য অংগ তথাপিও পাকিস্তানে কাশ্মীৰ উপত্যকাক নিজৰ অংশ বুলি দাবী উত্থাপন কৰি আহিছে।

আন ৰাজ্যতকৈ কিছু সুকীয়াকৈ কাশ্মীৰক ভাৰতীয় সংবিধানৰ ৩৭০ অনুচ্ছেদত বিশেষ মৰ্যাদা প্ৰদান কৰা হৈছে। কিন্তু এই বিশেষ মৰ্যাদাইও একাংশ কাশ্মীৰবাসীৰ প্ৰত্যাশা পূৰণ কৰাত সক্ষম হোৱা নাই। সংযুক্তকৰণৰ চুক্তি স্বাক্ষৰ কৰাৰ সময়ত প্ৰদান কৰা প্ৰতিশ্ৰুতিসমূহো পূৰণ কৰা নহ'ল। ৰাজ্যখনত গণতন্ত্ৰ পূৰ্ণৰূপত প্ৰতিষ্ঠা হোৱা নাই, যাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত গণতন্ত্ৰৰ প্ৰতিষ্ঠা আৰু প্ৰকৃত অৰ্থত গণতান্ত্ৰিক আদৰ্শ প্ৰৱৰ্তনৰ দাবী সময়ে সময়ে উত্থাপিত হৈ আহিছে।

- **দ্ৰাবিড়ীয় আন্দোলন** (Dravidian Movement) ঃ ভাৰতত ৰাজনীতিত এয়াই হৈছে প্ৰথম আঞ্চলিক আন্দোলন। অৱশ্যে প্ৰথমাৱস্থাত সমগ্ৰ দক্ষিণ ভাৰতত দ্ৰাবিড়ীয় আন্দোলনে গা কৰি উঠিছিল যদিও পৰৱৰ্তী সময়ত এয়া কেৱল তামিলনাড়ুতে সীমাবদ্ধ হৈ ৰয়। এই আন্দোলনত ভাৰতৰ উত্তৰ অংশৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দমনৰ সজোৰে প্ৰতিবাদ কৰা হৈছিল। এই আন্দোলনে সমাজত ব্ৰাহ্মণসকলৰ কৰ্তৃত্বৰো বিৰোধিতা কৰিছিল। তামিল সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশৰ বাবে আন্দোলনে তীব্ৰ দাবী উত্থাপন কৰিছিল। অঞ্চলটোৰ ঐতিহাসিক সংস্কৃতিক স্কুলীয় পাঠ্যক্ৰমত গুৰুত্ব প্ৰদান কৰাৰো ইয়াত দাবী উঠিছিল। হিন্দীক দেশৰ ৰাষ্ট্ৰভাষা ঘোষণা কৰাৰো দ্ৰাবিড়ীয় আন্দোলনে বিৰোধিতা কৰিছিল।
- **পঞ্জাৱ** (Punjab) ঃ ভাৰত ৰাষ্ট্ৰৰ পৰা বিচ্ছিন্নতা হৈছে আঞ্চলিকতাবাদৰ এক গুৰুতৰ ধাৰা। এইক্ষেত্ৰত সংগঠিত ৰূপত প্ৰথম দাবী উত্থাপন হৈছিল শিখ অধ্যুষিত পাটিয়ালা আৰু একালৰ পূৰ পঞ্জাৱ ৰাজ্যসমূহৰ সংঘ চমুকৈ পেপছু। পঞ্জাৱে এখন পঞ্জাৱী ভাষা কোৱা ৰাজ্যৰ স্বীকৃতি লাভ কৰিবলৈ ১৯৬৬ চনলৈ অপেক্ষা কৰিবলগীয়া হৈছিল। স্থানীয় পৰ্যায়ত চৰকাৰ গঠন হোৱা স্বত্তেও কেন্দ্ৰৰ অত্যাধিক হস্তক্ষেপৰ বাবে পঞ্জাৱত স্বায়ত্বশাসনৰ দাবী তীব্ৰতৰ হ'বলৈ ধৰে। এই ক্ষেত্ৰত ৰাজনৈতিক ক্ষমতাৰ অধিক বিকেন্দ্ৰীকৰণৰ দাবী উত্থাপন হৈছিল। 'আনন্দপুৰ চাহিব সংকল্প'ৰ অধীনত এই দাবী উত্থাপন হৈছিল যে কেন্দ্ৰৰ কৰ্তৃত্ব কেৱল দেশৰ প্ৰতিৰক্ষা, বৈদেশিক সম্পৰ্ক, যোগাযোগ, ৰেলৱে আৰু মুদ্ৰাৰ ক্ষেত্ৰতে সীমিত হ'ব লাগে। এই সংকল্পই কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কক নতুন ৰূপ দিব বিচাৰিছিল। এই সংকল্প 'সংঘবাদৰ বাবে অজুহাত আছিল যদিও ইয়াক পৃথক শিখ ৰাষ্ট্ৰৰ অজুহাত বুলিও ব্যাখ্যা কৰিব পাৰি'। কেন্দ্ৰই এই সংকল্পৰ কাৰ্যকৰীকৰণত বিলম্ব কৰিছিল কাৰণ চুবুৰীয়া ৰাজ্যসমূহক এই সংকল্পই ক্ষতিগ্ৰস্ত কৰাটো নিশ্চিত আছিল। এই কাৰ্যই পৰৱৰ্তী সময়ত সমগ্ৰ ৰাজ্যত আঞ্চলিকতাবাদৰ ধাৰাক শক্তিশালী কৰি তোলে।
- **উত্তৰ-পূৰ** (The North-East) ঃ এই অঞ্চল হৈছে সংস্কৃতিৰ বৰঘৰ। ভাৰতৰ ভিতৰতে ইয়াৰ আৰ্থ-সামাজিক দিশ আৰু ভৌগোলিক অস্তিত্ব সুকীয়া। আমি যদিও সাধাৰণ অৰ্থত সামগ্ৰিকভাৱে উত্তৰ পূৰ ভাৰত সংজ্ঞা ব্যৱহাৰ কৰো প্ৰকৃততে এয়া তেনে নহয়। এই অঞ্চলত নিজস্ব সংস্কৃতি, জাতিগত বৈশিষ্ট্য, ভাষা আৰু জীৱনশৈলী আছে।

বিভাজনে উত্তৰ পূৰক ভূ-বিচ্ছিন্ন (land bocked) কৰাৰ লগতে ইয়াৰ অৰ্থনীতিত কুপ্ৰভাৱ পেলায়। 'দেশৰ বাকী অংশৰ সৈতে বিচ্ছেদৰ ফলত অঞ্চলটো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। ইয়াৰ ৰাজনীতিও পৰিত্যক্ত হৈ ৰয়। একে সময়তে চুবুৰীয়া

ৰাজ্য আৰু দেশৰ পৰা ব্যাপক অনুপ্ৰৱেশৰ ফলত এই অঞ্চলৰ অধিক সংখ্যক ৰাজ্যৰে ব্যাপক হাৰত ভৌগোলিক পৰিৱৰ্তন ঘটে।' ইয়াৰ ফলত দেশৰ অন্য অংশৰ পৰা বিচ্ছিন্ন ভাৱেৰে অঞ্চলটোত এক জটিল সামাজিক চৰিত্ৰই গা কৰি উঠে। ইয়াৰ লগতে অৰ্থনৈতিক অনগ্ৰসৰতা, বৃহৎ আন্তঃৰাষ্ট্ৰীয় সীমান্ত আৰু দেশৰ বাকী অংশৰ সৈতে দুৰ্বল যোগাযোগ ব্যৱস্থাই গঢ় লৈ উঠে। এই কাৰকসমূহৰ বাবেই উত্তৰ পূৰ ভাৰতৰ ৰাজ্যবোৰে ভিন্ন জটিল দাবী উত্থাপন কৰিবলৈ ধৰে। উত্তৰ পূৰ ভাৰতৰ আঞ্চলিক প্ৰত্যাশাক প্ৰধানকৈ তিনিটা দিশে দমন কৰিছে। এইসমূহ হৈছে ভাৰত ৰাষ্ট্ৰৰ পৰা বিচ্ছিন্নতা, বৃহত্তৰ স্বায়ত্বশাসনৰ দাবী আৰু বহিৰাগতৰ বিৰোধিতা।

গতিকে এই পৰ্যন্ত আমি ভাৰতীয় ৰাজনীতিৰ প্ৰেক্ষাপটত সাম্প্ৰদায়িকতাবাদ আৰু আঞ্চলিকতাবাদৰ বিভিন্ন দিশ আলোচনা কৰিলো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ সাম্প্ৰদায়িকতাবাদৰ প্ৰসাৰৰ বাবে ব্ৰিটিছসকলে প্ৰৱৰ্তন কৰা দুটা পদ্ধতি উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ঃ কৌচৰ জে আজমৰ মতে আঞ্চলিকতাবাদৰ সংজ্ঞা কি?

.....

.....



১৩.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰীয়তাবাদক এটা গোটৰ অধীনস্থৰূপে অনুভৱ কৰা মানসিকতা ৰূপে ব্যাখ্যা কৰিব পাৰি যাৰ কেতবোৰ সাধাৰণ বৈশিষ্ট্য থাকে অথবা আমি মনৰ এক স্থিতি, এক মনোবৈজ্ঞানিক আৰু সাংস্কৃতিক ধাৰণা বুলি ক'ব পাৰো।
- ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ উদ্ভৱ আৰু বিকাশৰ এক বহুমাত্ৰিক, জটিল আৰু আচহুৱা সামাজিক পটভূমি আছে।
- ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ সামাজিক পটভূমি বুজিবলৈ হ'লে প্ৰাক-ব্ৰিটিছ আৰু ঔপনিৱেশিক যুগৰ সামাজিক পৰিৱৰ্তনৰ বিষয়ে জানিব লাগিব।
- ৰাষ্ট্ৰীয় সংহতি হৈছে একতাৰ ভাৱ সৃষ্টি কৰা এক অনুভৱ য'ত ভিন্নতাসমূহক চিনাক্ত কৰি ৰাষ্ট্ৰীয়তাবোধৰ ভাৱধাৰাৰে সন্মান জনোৱা হয়।
- ভাষিক ভিন্নতা, জাতিগত দিশত জড়িত বিষয় আৰু অৰ্থনৈতিক দিশৰ বৈষম্যই ৰাষ্ট্ৰীয়

সংহতিৰ বাটত হেঙাৰ হৈ থিয় দিছে।

- ভাৰতৰ ৰাজনীতিৰ বিষয়ে আলোচনা কৰোত সাম্প্রদায়িকতাবাদ আৰু আঞ্চলিকতাবাদে কেন্দ্রীয় স্থান দখল কৰিছে।
- ভাৰতীয় সংবিধানৰ বিভিন্ন আদর্শসমূহ হৈছে, ব্যক্তিগত স্বাধীনতা, ধর্মনিৰপেক্ষতা, সার্বজনীন ভোটাধিকাৰ, বৈচিত্র্যতাৰ প্রতি সন্মান, ৰাষ্ট্রীয় পৰিচয়, ৰাষ্ট্রৰ একতা আৰু অখণ্ডতা, সমাজবাদী ৰাষ্ট্র, গণতন্ত্র, গণৰাজ্য আৰু ন্যায়।
- ৰাষ্ট্রীয় সংহতিৰ লক্ষ্যত উপনীত হওঁতে সন্ত্রাসবাদ হৈছে বৃহৎ সমস্যা আৰু ইয়াক সমাধান কৰাটো অতি জৰুৰী।



১৩.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ-

1) Desai, A. R (2010). *Social Background of Indian Nationalism*. Popular Prakashan: Mumbai.

2) Chandra, Bipan.et al. (1987). *India's Struggle for Independence*. Penguin Books: New Delhi.

3) Bandyopadhayay, Sekhar. (2009). *From Plassey to Partition-A history of Modern India*. Orient Blackswan: New Delhi.

4) Chatterjee, Partha.(1993). *National Thought and colonial world*:A Derivative Discourse. Zed Books.



১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ সাম্প্রদায়িকতাবাদৰ প্রসাৰত ব্রিটিছসকলে দুটা ধৰণে অৰিহণা যোগাইছিল। সেইকেইটা হৈছে ধাৰাবাহিকভাৱে হিন্দু, মুছলমান আৰু শিখসকলক পৃথক সমূদায় আৰু আর্থ-সামাজিক সত্তাৰূপে ৰূপে আচৰণ কৰা আৰু সাম্প্রদায়িকতাবাদীসকলক বিশেষ অনুগ্রহ আৰু চৰকাৰী সুবিধা প্রদান কৰা

২ নং প্রশ্নৰ উত্তৰঃ কৌচৰ জে আজমে আঞ্চলিকতাবাদক ব্যাখ্যা কৰিছে 'সেইবোৰ অৱশিষ্ট উপাদানৰ বহুমাত্রা যিবোৰে ৰাষ্ট্রীয় ৰাজনীতি আৰু ৰাষ্ট্রীয় সংস্কৃতিত নিজকে প্রকাশ কৰাৰ সুযোগ লাভ নকৰে আৰু বৌদ্ধিক ৰাজনীতিৰ কেন্দ্রীকৰণৰ পৰা বঞ্চিত হৈ ৰয়, সেইসমূহে নিজকে ৰাজনৈতিক অসন্তুষ্টি আৰু ৰাজনৈতিক বিচ্ছিন্নকৰণৰ দ্বাৰা প্রকাশ কৰে।'



১৩.৮ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ সৈতে আধুনিক শিক্ষাৰ প্ৰচলনক কেনেকৈ সংযোগ কৰিব?

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় সংহতিৰ লক্ষ্য পূৰণ কৰোতে ভাষিক বৈচিত্ৰ্যৰ দিশ কেনেকৈ গুৰুত্বপূৰ্ণ?

প্ৰশ্ন ৩ঃ কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ ভিত্তিত আঞ্চলিকতাবাদক ব্যাখ্যা কৰক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ভাৰতীয় প্ৰেক্ষাপটত ৰাষ্ট্ৰীয়তাবাদৰ উত্থানৰ প্ৰসংগ সমালোচনা কৰক।

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় সংহতিৰ ক্ষেত্ৰত ঋণাত্মক প্ৰভাৱ পেলোৱা কাৰক ৰূপে সাম্প্ৰদায়িকতাবাদ আৰু আঞ্চলিকতাবাদ উভয়কে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ আঞ্চলিকতাবাদৰ প্ৰসংগত দ্ৰাবিড়ীয় আন্দোলন বুলিলে কি বুজে? দেশৰ ভিন্ন প্ৰান্তত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিভিন্ন প্ৰভাৱ উল্লেখ কৰক।

*** ***** ***



REFERRENCES

1) Ashraf, Ali and Sharma, L.N.1983. *Political Sociology- A New Grammar of Politics*. Madras Universities Press (India).

2) Ralhan, S.S and Lambat, S.R. 2006. *Political Sociology*. New Delhi: Common Wealth Publishers.

3) Rathod, P.B. 2005. *Fundamentals of Political Sociology*. Jaipur: ABD Publishers.

4) Faulks, Keith. 1999. *Political Sociology: A Critical Analysis*. Edinburgh University Press.

5) Biswask K, Dipti. 1978. *Political Sociology: An Introduction*. Calcutta: Firma KLM Private Ltd.

6) Mukhopadhyay, A.K.1997. *Political Sociology- An Introduction Analysis*. Calcutta: K.P. Bagchi and Company.

7) Roy, Shefali.2014. *Society and Politics in India: Understanding Political Sociology.* Delhi: PHI Learning Pvt. Ltd.

8) Greer,S. And Orleans, P. 1964. *Political Sociology* in Faris, R.L (ed) *Handbook of Modern Sociology*. Chicago: Rand Mcnally.

9) Ali Ashraf and L.N. Sharma.(1983). *Political Sociology a new grammar of politics*. Hyderabad: University Press (India) Private Limited

10) 2) Saroj Kumar Jena. (2002). *Political Sociology: A Realistic Approach.* New Delhi: Anmol Publications Pvt. Ltd.

11) 3) P.B. Rathod. (2005). *Fundamentals of Political Sociology*. Jaipur: ABD Publishers

12) Chakraborty, S (ed) (2005). *Political Sociology*. Macmillan India Ltd.

13) Marshall, G (2006). *Dictionary of Sociology*. Oxford University Press.

14) 3) Ashraf, Ali and L.N. Sharma (2007). *Political Sociology*. University (Press) India Pvt. Ltd

15) Agarwal, R.C. (2006). Political Theory. New Delhi: S. Chand & Company Ltd.

16) Asirvatham, E. and Misra, K.K. (2006). *Political Theory*. New Delhi: S. Chand & Company Ltd.

17) Jayapalan, N. (2002). *Comprehensive Political Theory*. New Delhi: Atlantic Publishers and Distributors.

18) Kapur, A.C. (2006). *Principles of Political Science*. New Delhi: S. Chand & Company Ltd.

19) 5. Sharma,

20) R.K. Sharma, (2011). *Modern Political Science*. New Delhi: DPS Publication.

21) Badyal, J.S. 2008. *Indian Political System*, Jalandhar: Raj Publishers.

22) Biswas K, Dipti. 1978. *Political Sociology: An Introduction*, Calcutta: Firma KLM Private Limited.

23) Chakraborty, Sunil Ranjan.1974. Pressure Groups in West Bengal, in Indian *Journal of Political Science*, April-June, Volume 35.

24) Duggal, R.N. 2016. *Indian Government and Politics*, Jalandhar: Vinay Kumar Duggal.

25) Hansraj. 1982. *Indian Government and Politics*, (Indian Political System), New Delhi: Surjeet Publications.

26) Madhurima. 2016. *Reading in Sociology*. Jalandhar: New Academic Publishing Co.

27) Mehta, J.C. 2010. *Fundamentals of Sociology*. Jalandhar: Raj Publishers.

28) Mukhopadhyay, A.K. 1977. *Political Sociology- An Introduction Analysis*, Calcutta: K.P. Bagchi and Company.

29) Sharan, P. 1976. *Comparative Government and Politics*, New Delhi: Meenakshi Prakashan.

30) Sharma, R.N. 2005. *Society in India: An Overview*, Delhi: Surjeet Publications.

31) Chandhoke, Neera (ed.), 2000. *State and Civil Society.* New Delhi: Sage publishers.

32) Faulks, Keith.2011. *Political Sociology: A Critical Introduction*. New Delhi: Rawat Publications.

33) Kumar, Anand. 2014. Readings in Indian Sociology: Political Sociology of India (Volume 8), New Delhi: Sage Publishers.

34) Kaviraj, Sudipta& Sunil Khilnani. 2002. *Civil Society: History and Possibilities*, New Delhi: Cambridge University Press.

35) Ashraf, Ali and Sharma, L.N. 1983. *Political Sociology- A New Grammar of Politics.* Universities Press (India)

36) Nash, K. 2000. *Contemporary Polotical Sociology- Globalization, Polotics and Power.* Blackwell Publishers.

37) Rathod, P.B. 2005. *Fundamentals of Political Sociology.* Jaipur: ABD Publishers.

38) J.C. Johari. (2009). *Principles of Modern Political Science*. New Delhi: Sterling Publishers Private Limited.

39) R.C. Agarwal. (1991). *Political Theory: Principles of Political* Science. New Delhi: S. Chand & Company Ltd.

40) Vidya Dhar Mahajan. (1975). *Principles of Political Science*. New Delhi: S.Chand & Company Ltd.

41) Das, Purnendu Sekhar (ed.); 2005; *Decentralised Planning and Participatory Rural Development*; Concept Publishing Company.

42) Singh, Satyajit & Pradeep K. Sharma; 2007; *Decentralisation: Institutions and policies in Rural India*, Oxford Publications.